# কবৰ আৰু কঙ্কাল

কুমাৰ কিশোৰ

STATE CENTRAL LIBRARY, ASSAM

দত্তবৰুৱা এণ্ড কোম্পানী
গুৱাহাটী—১

KABAR ARU KANKAL, an Assamese Novel written by Kumar Kishore and published by Sri J N Dutta Baruah, Dutta Baruah & Co Gauhati—1
3rd edition 1976 Price Rs 5·00 only

---


প্ৰকাশক
শ্ৰীজে দত্তবৰুৱা

দত্তবৰুৱা এণ্ড কোম্পানী
কলেজ হোষ্টেল ৰোড
গুৱাহাটী—১

তৃতীয় প্ৰকাশ
১৯৭৬ চন

বেচ—পাঁচ টকা মাত্ৰ

শ্ৰীগুৰু প্ৰেছত মুদ্ৰিত



STATE CENTRAL LIBRARY
ASSAM

# কবৰ আৰু কঙ্কাল

"ৰূপহী নয়নমালাৰ অন্তৰ্ধ্যানৰ বাতৰিটো ৰাতিপুৱাৰ লগে লগে গোটেই চহৰতে বিয়পি পৰিল। চাৰিওফালে হুলস্থুল লাগিল। চহৰৰ প্ৰত্যেকটো ঘৰ, প্ৰত্যেকটো পুখুৰী পৰীক্ষা কৰা হ'ল। ওচৰৰ গাওঁবোৰ, আনকি গছ-গছনিৰ ডাল-পাতবোৰৰ মাজতো পুলিচে অনুসন্ধান কৰিলে। বিচাৰিলে। কিন্তু কোনোৱেও নয়নমালাক বিচাৰি নাপালে। বিচাৰি নাপালে নয়নমালাৰ মৃতদেহ। মাজনিশা শোৱনি কোঠাৰপৰা আচৰিত ভাৱে নাইকীয়া হোৱা নয়নমালাৰ অন্তৰ্ধ্যান চিৰদিনলৈ ৰহস্যাবৃত হৈয়ে ৰ'ল। ইতিহাসৰ পাতত এটা ৰাজবংশৰ সামৰণি পৰিল।

আহোম বংশৰ শেষ ৰজা পুৰন্দৰ সিংহ। ইয়াণ্ডাবু সন্ধিৰ সাত বছৰ পিচত ভঙা ৰজাৰ ৰাণীৰ গৰ্ভত জন্ম হ'ল একমাত্ৰ পুত্ৰ কণকেশ্বৰ সিংহৰ। তাৰ পিচতো বছৰ বাগৰি গ'ল। কেচুৱা কণকেশ্বৰ সিংহ ডেকা হ'ল। ডেকা কণকেশ্বৰ সিংহই জীৱন-লগৰীকৈ আদৰি আনিলে বুঢ়া গোহাঁইৰ বংশৰ ৰূপহী কন্যা সপোনতৰাক। ৰাণী হিচাবে নহয়। এজন সাধাৰণ নাগৰিক হিচাবে। সেইদিনা আছিল '৮৬১ চনৰ মাঘী পূৰ্ণিমা। এয়া যেন মাঘী পূৰ্ণিমা নহয়। সপোনতৰা আৰু কণকেশ্বৰ সিংহৰ জীৱনৰ পূৰ্ণিমা। যৌৱনৰ বসন্তোৎসৱ।

আঁউসী ৰাতিয়ে পূর্ণিমা ৰাতিৰ কবৰ খান্দে। জোনালী নিশাক কবৰ দিয়ে। এটা দুটাকৈ প্ৰায় চাৰে তিনি শ পূর্ণিমা আৰু আঁউসী ৰাতিৰ মৃত্যুৰ পিচত কণকেশ্বৰ সিংহই শেষ আশাকণো পৰিত্যাগ কৰি কোনোৱেও নেদেখাকৈ চকুপানী টুকিলে। হুমুনিয়াহ পেলালে। সপোনতৰাৰ সপোন, সপোন হৈয়ে ৰ'ল। মনৰ বেদনাত সপোনতৰা উচুপি উঠিল।

'এয়া ভগবানৰেই ইচ্ছা সপোনতৰা। ইন্দ্ৰবংশী ৰজাৰ শেষ পুৰুষ মই নহয়। হব লাগিছিল মোৰ দেউতা পুৰন্দৰ সিংহ। মোৰ জন্মটো এটা ব্যতিক্ৰম। পবিত্ৰ ইন্দ্ৰবংশক পৰাধীনকৈ জীয়াই ৰখাৰ কামনা ভগবানে নকৰে। সেই কাৰণেই আমি নিঃসন্তান সপোনতৰা। এটা ৰাজবংশৰ তেজৰ সোঁত এনেদৰে বন্ধ হৈ গ'ল।'

যৌৱনে বিদায় লৈছিল। প্ৰৌঢ় কণকেশ্বৰ দম্পতীয়ে শেষলৈ সন্তানৰ আশা পৰিত্যাগ কৰি অপেক্ষা কৰিছিল মৃত্যুক। কিন্তু হঠাতে এদিন ব্যতিক্ৰম ঘটিল। মানুহৰ জীৱনলৈ ব্যতিক্ৰমবোৰ এনেদৰে হঠাতেই আহে। অবিশ্বাসত কণকেশ্বৰ সিংহই চিঞৰি উঠিল তুমি জানো সঁচা কৈছা সপোনতৰা? এয়াও জানো সম্ভৱ? যৌৱনে আমাক দিব নোৱাৰিলে যি উপহাৰ, বাৰ্দ্ধক্যই দি যাব সেই উপহাৰ?

নিমাত সপোনতৰাৰ মুখৰ ভাষা তেতিয়া হেৰাই গৈছিল। আনন্দত। বিশ্বাস আৰু অবিশ্বাসৰ দোমোজাত। সপোনতৰাই মাথোঁন কণকেশ্বৰ সিংহক সাৱটি ধৰি উচুপি উঠিছিল। লাজত ৰঙা পৰি গৈছিল চকু আৰু মুখ। বিগত যৌৱনা সপোনতৰা অন্তঃস্বত্বা।

এদিন নয়নমালাৰ জন্ম হ'ল। উনৈশ শতিকাক পূৰাই দিবলৈ তেতিয়া কেইটামান বছৰ মাথোঁন বাকী। আহোম বংশৰ শেষ ৰজাৰ পুত্ৰ কণকেশ্বৰ সিংহৰ একমাত্ৰ সন্তান নয়নমালা।

ৰাজবংশৰ হেজাৰ আশাৰ জোনোন্তা লৈ নয়নমালা এদিন গাভৰু হৈ উঠিল। ৰূপহী হৈ পৰিল। তেতিয়া কণকেশ্বৰ সিংহই বয়সা মৈদামত শান্তিৰ আশ্ৰয় বিচাৰি লৈছে। স্বস্তিৰ নিঃশ্বাস পেলাই শান্তিৰে টোপনি যোৱা কণকেশ্বৰ সিংহৰ লগ লাগিবলৈ আকুল হৈ অপেক্ষা কৰিছিল সপোনতবাই।

উনৈশ পোন্ধৰ চনৰ ফাগুন মাহৰ এটা গভীৰ ৰাতি। নয়নমালা নিজৰ কোঠাতে শুবলৈ গৈছিল। কিন্তু কোনে জানিছিল সেই ৰাতিয়েই আছিল নয়নমালাৰ জীৱনৰ শেষ ৰাতি। সেইদিনাই মুমাই যাব আহোম ৰাজবংশৰ শেষ বস্তি।

ৰাতিপুৱা চহৰত বিয়পি পৰিল: গাভৰু নয়নমালা ঘৰত নাই। নয়নমালাক কোনোৱেও বিচাৰি নাপালে। বিচাৰি নাপালে মৃতদেহ।

নগৰবাসীয়ে মন্তব্য কৰিলে.

'নয়নমালা কাৰোবাৰ লৈতে পলাই গ'ল।'

'কিন্তু কাৰ লগত? কলৈ?'

ধৰ্ম্মদুৰ্ব্বল বয়স্থ লোক সকলে অভিমত দিলে

'মিছা কথা। ৰাজকুমাৰী পলাই যোৱা নাই। আত্মহত্যা কৰিছে। স্বাধীন ৰাজবংশ এটা পৰাধীন হৈ কেতিয়াও জীয়াই থাকিব নোৱাৰে। নাথাকে।'

'বুজিলোঁ, নয়নমালাই আত্মহত্যা কৰিলে। কিন্তু মৃতদেহ? মৃতদেহটো বতাহত মিহলি হৈ গ'ল নেকি?'

একো আচৰিত নহয়। সোণৰ জখলাৰে স্বৰ্গৰ পৰা নামি অহা ইন্দ্ৰবংশৰ অপমান ভগবানে সহ্য নকৰে। ভগবানৰ দান ভগবানেই আকৌ ওভোতাই নিলে।'

'থোৱা থোৱা তোমাৰ কথা। এয়া কুবি শতিকা দেওঁহে।'

তেনেকৈয়ে এটা শক্তিশালী স্বাধীন ৰাজবংশৰ তেজৰ সোঁত বন্ধ হৈ গ'ল। ইতিহাসৰ পাতৰ পৰা মচ খাই গ'ল ইন্দ্ৰবংশৰ কাহিনী।

জনশ্ৰুতিয়ে কয়, আহোম ৰাজবংশ লোপৰ কাৰণে দায়ী পুৰন্দৰ সিংহ নহয়। দায়ী চন্দ্ৰকান্ত সিংহ। যৌৱনমত্ত চন্দ্ৰকান্তৰ পাপৰ ফলতেই নিৰ্ম্মূল হৈ গ'ল পবিত্ৰ আহোম ৰাজবংশ।

সিও এটা কাহিনী।

বৰদোৱাৰ শিৱমন্দিৰৰ পূজাৰী দেৱদত্ত। চন্দ্ৰকান্ত সিংহ এই মন্দিৰ দৰ্শনৰ অভিলাষ লৈ বৰদোৱাত উপস্থিত হ'ল। পথক্লান্ত ৰজা চন্দ্ৰকান্তই পূজাৰীৰ ঘৰত নিশা যাপনৰ সংকল্প ল'লে। পিচদিনা ৰাতিপুৱা বিগ্ৰহৰ সম্মুখত পুষ্পাঞ্জলি দি ৰাজধানীলৈ উভতি যাব।

দেৱদত্তৰ একমাত্ৰ কন্যা জাহ্নবী। বয়সত গাভৰু। সৌন্দৰ্য্যত স্বৰ্গৰ তিলোত্তমা। অতিথি শুশ্ৰূষাত বৈদিক যুগৰ আশ্ৰম বালিকা। এইজনী জাহ্নবীৰ ওপৰতে ন্যস্ত হ'ল ৰজা চন্দ্ৰকান্তৰ শুশ্ৰূষাৰ ভাৰ।

নিশা আগবাঢ়ি গৈছিল। চন্দ্ৰকান্তৰ চকুত পথক্লান্তিৰ তন্দ্ৰা। এনেতে পূজাৰ প্ৰসাদ হাতত লৈ জাহ্নবী চন্দ্ৰকান্তৰ বিশ্ৰাম কক্ষলৈ সোমাই আহিল।

বীণাৰ মৃদু ঝঙ্কাৰ ধ্বনিত চন্দ্ৰকান্তৰ তন্দ্ৰা ভাগি গ'ল। উভতি চালে। চন্দ্ৰকান্ত স্তব্ধ হৈ গ'ল। এয়া গুৰু কন্যা জাহ্নবী নে শিল্প কন্যা সৰস্বতী? চকুত হৰিণ দৃষ্টি। কণ্ঠত বীণাৰ সপ্তসুৰ। চন্দ্ৰকান্তৰ চকুৰ পলক পাহৰি গ'ল।

এটা নিশাৰ মৃত্যু মানে হেজাৰ কুমাৰীৰ কৌমাৰ্য্যৰ মৃত্যু। অলেখ সম্মানিতা মাতৃৰ মাতৃত্বৰ লাঞ্ছনা। শেষ নোহোৱা ভ্ৰূণৰ জন্ম।

কামনা জগোৱা ৰাতিৰ এন্ধাৰত জাহ্নবী ধৰ্ষিতা হ'ল। ৰজা চন্দ্ৰকান্তই জাহ্নবীৰ গৰ্ভত সিঁচি দিলে ভ্ৰূণৰ অঙ্কুৰ।

কিন্তু সময়ৰ প্ৰতিশোধক বাধা দিব কোনে? মানুহ কালৰ হাতত খেলাৰ পুতুলা। ৰাজশক্তি দুৰ্বল। অসহায়। জুইক

কাপোৰেৰে ঢাকি ৰখাৰ চেষ্টা মিছা। পাপ লুকাই নাথাকে। দেৱদত্তই সম্মুখত সাপ দেখি যেন উচাপ্ খাই উঠিল। প্ৰশ্নৰ হেজাৰ বাণত থকা সৰকা জাহ্নবী নিমাত। কিন্তু অন্তৰ্যামী দেৱদত্তক ফাঁকি দিয়াৰ যত্ন মিছা। মৌনতা নিষ্ফল।

'চন্দ্ৰকান্ত। তুমি জানা, এই পাপৰ পৰিণাম কি? ইয়াৰ প্ৰায়শ্চিত্ত কৰিব লাগিব তুমি তোমাৰ ৰাজমুকুটেৰে। বিদেশীৰ পদসেৱাৰে। এয়া গুৰু কন্যাৰ কলঙ্ক নহয়। আহোম ৰাজবংশ ধ্বংসৰ আগলি বতৰা। এই পাপ কৰ্মই কেতিয়াও ক্ষমা নকৰে। লাজত মৰ্মাহত কৰ্মই মুখ লুকুৱাব ভূগৰ্ভৰ অটল গহ্বৰত।'

কম্পমান চন্দ্ৰকান্ত সিংহাসনৰ পৰা নামি আহিল। পূজাৰী ব্ৰাহ্মণৰ সম্মুখত আঠু ললে। ক্ষমা খুজিলে। কিন্তু দেৱদত্ত অচল অটল। ব্ৰাহ্মণৰ অভিশাপ অখণ্ডনীয়।

মৃত সন্তানৰ জন্ম দি জাহ্নবী বাউলী হৈ পৰিল।

তাৰ পিচতো দিন গ'ল।

সমাজচ্যুতা জাহ্নবীক ৰজা চন্দ্ৰকান্তই আশ্ৰয় দিলে। আশ্বাস দিলে। কিন্তু ৰাজকাৰেঙত নহয়। চৰাইদেউ পাহাৰত সজা গোপন বিলাস কক্ষত। চন্দ্ৰকান্তৰ ধাৰণা, জাহ্নবীক আশ্ৰয় দিলে জানোচা ব্ৰহ্মশাপ মোচন হয়। লঘু হয় শাস্তিৰ পৰিণাম। চৰাইদেউ পাহাৰৰ গোপন কক্ষত সৃষ্টি হ'ল দ্বিতীয় হেৰেম। কিন্তু বেচেৰী ৰাণী। ৰাণীযে নাজানে যে ৰজা অভিশপ্ত। অভিসাৰ ৰত। ৰাণীয়ে জানে: ৰাজধানীৰ বাহিৰত নিশা যাপন কৰা চন্দ্ৰকান্ত সিংহ ৰাজকাৰ্য্যত ব্যস্ত। মৃগয়া ৰত।

তাৰ পিচত এদিন বৰ ভুইকঁপৰ জোকাৰণিত ৰৰদোৱাৰ শিৱমন্দিৰ লুকাই গ'ল। হেৰাই গ'ল। আৰু সেই একেটা জোকাৰণিতে ভূগৰ্ভত হেৰাই গ'ল গুৰু কন্যা জাহ্নবী। হেৰাই গ'ল আহোম ৰজাৰ দ্বিতীয়

হেবেমৰ অলেখ ধন, সোণ আৰু আহোম ৰাজবংশৰ ৰক্ষা কৰচ। জনশ্ৰুতিক বাদ দি ৰংদোৱাৰ শিৱমন্দিৰ আৰু চৰাইদেউ পাহাৰৰ গুপ্ত হেবেমৰ অস্তিত্ব কালৰ বুকুত সন্দেহশীল হৈ পৰিল।"

এয়া মোৰ কথা নহয়।

বুঢ়া গোহাঁইৰ বংশৰ কাৰোবাৰ ঘৰত পোৱা 'বিস্তৃত আহোম বুৰঞ্জীৰ' পাণ্ডুলিপি। বেটুপাত এৰাই যোৱা অসমৰ্থিত বুৰঞ্জীৰ শেষ অধ্যায়। গৱেষক আৰু বুৰঞ্জীবিদ্ শৰ্ম্মা বৰুৱাৰ ঘৰত মই এদিন পঢ়িছিলোঁ। ভাবিছিলোঁ: কথাবোৰ সঁচা জানো? যদি সঁচা তেন্তে কোন এই বুৰঞ্জী লেখক? এই বুৰঞ্জী লেখক জনে গল্পও লিখিছিল নেকি? কেতিয়া ৰচিত হৈছিল গল্প গল্প লগা এইখন বুৰঞ্জী? শৰ্ম্মা বৰুৱাক সুধিছিলোঁ। আপুনি কি ভাৱে? বিজ্ঞান সম্মত ভাৱে ইয়াৰ সত্যতা প্ৰমাণ কৰাৰ যত্ন কৰা হৈছে নে?

'হয়তো সঁচা। হয়তোবা মিছা। বিজ্ঞান সম্মত গৱেষণা এতিয়াও হোৱা নাই। কিন্তু হব। যদি সঁচা হয় তেন্তে আহোম বুৰঞ্জীৰ আৰু এটা দিশ মুকলি হব।'

বৰুৱাই কৈছিল।

এয়া সাত আঠ বছৰ আগৰ কথা। মই তেতিয়া কলেজৰ ছাত্ৰ। তাৰ পিচত কলেজৰ শেষ পৰীক্ষা দি এদিন বিদেশলৈ গৈছিলোঁ। ভূ-তত্ত্বৰ উচ্চ শিক্ষা লাভ কৰিছিলোঁ। বহুত নজনা কথা শিকিছিলোঁ। মাৰ্কিন ডেকা গাভৰু জাকৰ পৰা বিদায় লৈ অসমলৈ উভতি আহি চৰকাৰৰ উচ্চ বিষয়াৰ পদত ভৰ্ত্তি হৈ কৰ্ম্মব্যস্ত জীৱন এটা আৰম্ভ কৰিছিলোঁ।

ইয়াৰ ভিতৰত গল্প গল্প লগা বুৰঞ্জীখনৰ কিবা গৱেষণা হৈছিল নে নাই মই নাজানোঁ। বৰুৱাক কেৰা দিনো লগ পাইছোঁ। কিন্তু মই সোধা নাই। সুধিবলৈ মনতো নাই। সকলোবোৰ কথাই মনত নাথাকে।

বিদেশৰ পৰা উভতি আহি অসমৰ মাটিত ভৰি দিয়াৰ লগে লগেই মোক প্ৰথম সম্বৰ্দ্ধনা জনাইছিল এজন বৃদ্ধই। অ'চিনাকি ভদ্ৰলোক জনৰ চকু-মুখত কিবা এটা হেৰা পোৱাৰ তৃপ্তি। ধুনীয়া স্বাস্থ্যৰ বাটি মস্তৰ বহুবীয়া এই ভদ্ৰলোক জনে মোক বৰজাৰ বিমান কোঠত আকাশীযানৰ পৰা নমাৰ লগে লগে স'হটি ধৰিছিল। মূৰত হাত বুলাই আশীৰ্ব্বাদ কৰিছিল। মোৰ কৃতকাৰ্য্যতাৰ প্ৰশংসা কৰিছিল। মোক আদৰি আনিবলৈ বিমান কোঠলৈ যোৱা ভাইটোৱে চিনাকি ক'ৰি দিছিল' অনিমেষ ভট্টাচাৰ্য্য। দেউতাইঁতৰ অধ্যাপক।

মই হাতজোৰকৈ প্ৰণাম কৰিছিলোঁ। শ্ৰদ্ধাত মোৰ মূৰ দোঁ খাই গৈছিল। বাৰে বাৰে মনত পৰিছিল দেউতালৈ। ভাবি-ছিলোঁ: মই বিদেশত থাকোঁতে আমাক এৰি নোযোৱা হলে হয়তো দেউতায়ো এনেদৰেই হিয়া উবুৰিয়াই আশীৰ্ব্বাদ দিলে-হেঁতেন।

মোৰ চকু দুটা সেমেকি পৰিছিল।

তোমাৰ প্ৰত্যাগমনৰ বাবে মই বৰ অধীৰ হৈ অপেক্ষা কৰি আছিলোঁ অলকেশ।'

'ইয়াৰ আগতে আপুনি জানো মোক কেতিয়াবা ক'ৰবাত দেখিছিল?'

'দেখিছোঁ। ছবিত। তোমালোকৰ ঘৰত বন্ধাই থোৱা তোমাৰ প্ৰতিচ্ছবিটোৰ চকু দুটাই যেন মোক কৈছিল, তুমি পাৰিবা। তোমাৰ প্ৰতিভা আছে। বাতৰি কাগজত পৰিছিলোঁ তোমাৰ কৃতকাৰ্য্যতাৰ সংবাদ। প্ৰত্যাগমনৰ বাতৰি। কিন্তু তেতিয়া জনা নাছিলোঁ যে তুমিয়েই মোৰ এসময়ৰ বৰ মৰমৰ ছাত্ৰ পত্নম বৰুৱাৰ ল'ৰা। জানা অলকেশ, তোমাৰ এই কৃতকাৰ্য্যতাত মোতকৈ বোধহয় অসমৰ কোনোৱেই বেছি সুখী হোৱা নাই। জীৱনৰ অ'ত বছৰৰ কামনা এটা মোৰ পূৰণ হ'ল।'

সঙ্গতিবিহীন কথাবোৰ শুনি ভাবিছিলোঁ: মানুহজন উন্মাদ নহয়তো ? দেউতা তেওঁৰ ছাত্ৰ আছিল। ছাত্ৰ এজনৰ পুত্ৰৰ কৃতিত্বত ইমান আপোন পাহৰা হ'বলগীয়া কিটো আছে ? জীৱনৰ অ'ত বছৰৰ কামনা পূৰণ হ'বলগীয়াই বা তেখেতৰ কিটো হ'ল ? পেটে পেটে অলপ বিৰক্তিও অনুভৱ কৰিছিলোঁ। ইমান বছৰৰ মূৰত ঘৰলৈ উভতি আহিছোঁ। ঘৰৰ খা-খবৰ লোৱাৰ বাবে মনটো মোৰ ব্যগ্ৰ হৈ পৰিছিল। মাৰ শৰীৰ কেনে ? ভনীজনীৰ বিয়াৰ কিবা বন্দবস্ত হ'ল নে নাই, ইত্যাদি। কিন্তু কথা চহকী এই বৃদ্ধ ভদ্ৰলোকজনে মোক যেন তাৰ সুবিধা নিদিবই। এবাৰ কথাৰ মাজতে তেখেত অলপ সময়ৰ কাৰণে বৈ গৈছিল। সেই সুযোগতে পুলকেশক কিবা কিবি সুধিছিলোঁ। সি উত্তৰ দি গৈছিল। তেতিয়া গাড়ী বিমান কোঠ এৰি বহুখিনি আগুৱাই আহিছে।

মই লক্ষ্য কৰিছিলোঁ: মানুহজন হঠাতে বৰ গম্ভীৰ হৈ পৰিছে। বহু বছৰৰ পুৰণি কিবা এটা কথা যেন মনত পেলাবৰ যত্ন কৰি'ছে। চকুৰ কোণত ফুটি উঠিছে এটা বেদনাৰ কাতৰ চাৱনি। চকুৰ তীক্ষ্ণ মণি ছুটাই যেন মোক বাৰে বাৰে প্ৰশ্ন কৰিছে' তুমি পাৰিবা জানো ?

সেই দৃষ্টিটো মোৰ কাৰণে বৰ অসহনীয় হৈ পৰিছিল। মই বৰ অস্বস্তি অনুভৱ কৰিছিলোঁ। তেখেতৰ চকুৰ দৃষ্টিয়ে যেন মোক গিলি পেলাব। সেই দৃষ্টিত মই নিঃশেষ হৈ যাম।

'আপুনি মোক কিবা কব ? সুধিছিলোঁ।

কিন্তু কোনো উত্তৰ আহি মোৰ কাণত নপৰিল। দৃষ্টিৰ ভাষাই যেন মোক কৈছিল নাই। একো নকওঁ। তুমি তোমাৰ ঘৰৰ কথা পতা। পুলকেশ তোমাৰ অনুগত সহোদৰ।

অস্বস্তিকৰ পৰিস্থিতিটো পাতলাই দিয়াৰ উদ্দেশ্যেৰে পুলকেশক একেটা কথাকেই ছবাৰ তিনিবাৰ সুধিছিলোঁ। সি উত্তৰ দি গৈছিল।

আমাৰ কথা শেষ হৈছিল। আমি মৌন হৈ পৰিছিলোঁ। এজন তৃতীয় ব্যক্তিৰ সম্মুখত ঘৰৰ সকলোবোৰ কথাই সুধিব নোৱাৰি। সোধা নাযায়। ভাবিছিলোঁ ভদ্ৰলোকজনে কথা ক'ব। কিবা কিবি সুধিব। কিন্তু তেখেতে মোক একো নুসুধিলে। একো নকলে। মোৰ অনুমান হৈছিল: তেখেতে যেন মোৰ মনৰ ভাৱটো বুজিব পাৰি মনে মনে আছে। মোক ঘৰৰ ৰ-বাতৰি লবলৈ সুযোগ দিছে। নিজকে মোৰ বৰ অপৰাধী যেন লাগিল।

অসহ্য মৌনতা এটাৰ মাজেৰে গাড়ী আগুৱাই গৈছিল। এবাৰ ইচ্ছা হৈছিল মই যেন তেখেতক ক্ষমা খুজিম। কম: আপুনি কথা কওঁক। আপোনাৰ মনত আঘাত দিয়াৰ ইচ্ছা মোৰ নাই। আপুনি মোৰ দেউতাতকৈও জ্ঞানবৃদ্ধ। বয়োবৃদ্ধ। শ্ৰদ্ধাৰ পাত্ৰ।

কিন্তু কব নোৱাৰিলোঁ। কিবা এটা জড়তাই মোৰ ভিতিত সোপা দি ধৰিলে।

কেইমিনিট মান পিচত। গাড়ী আহি আমাৰ নগুলা মুখত ৰৈছিল।

দিন বাগৰি গৈছিল। অধ্যাপক ভট্টাচাৰ্য্য আমাৰ ঘৰলৈ প্ৰায়ে আহিছিল। প্ৰাযে নহয়। সদায়। আমাৰ ঘৰলৈ মানে মোৰ ওচৰলৈ। চকুত সেই একেটা দৃষ্টি। সদায় একেটা কথা.

অসমৰ বুকুত বহু বুৰঞ্জী পোত খাই আছে অলেখ। বহুত ইতিহাস। বহুত বস্তু। অলেখ গোপন সম্পদ। সেই-বোৰ সম্পদে উদ্ধাৰৰ আশা পালি আছে। আনক নহয়। তোমাক।

চৰাইদেউ পাহাৰৰ ওচৰত তেলৰ বহুতো উহ আছে। খান্দি চোৱা। তলাৰ। অকল তেলেই নহয়। বহুতো অমূল্য মণি মুক্তাও পাবা। ৰজাদিনীয়া বহুত আপুৰুগীয়া সম্পত্তি। চৰকাৰক তুমি উপদেশ দিয়া। চৰাইদেউ পাহাৰখন খান্দি পেলাওক। খান্দি পেলাওক চৰাইদেউ পাহাৰৰ দক্ষিণৰ টিলাটো। বেদনাত ভুগি থকা আহোম সম্পদ বাজি ফিনব পোহৰলৈ আহক।

'সেইবোৰ মোৰ কাম নহয় চাৰ। সেই কাম পুৰাতত্ত্ব আৰু সংৰক্ষণ বিভাগৰ।'

'একেই কথা। তুমি ভুল বুজিছা। সেই কাম তোমাৰ। তুমি চৰকাৰক কব লাগিব। পৰামৰ্শ দিব লাগিব। কাৰণ তুমি ভূ-তত্ত্ববিদ্।'

অকল চৰাইদেউ পাহাৰতে নহয়। জয়সাগৰৰ বুকুতো আহোম ৰজাৰ বহুত বস্তু আমি পাব পাৰোঁ।'

'পাবা। পাবা। নেপাবা বুলি মই নকওঁ। কিন্তু চৰাইদেউ পাহাৰখন এবাৰ খান্দি চোঁৱা। বহুত বস্তু পাবা। ইতিহাসৰ এটি নতুন অধ্যায় মুকলি হব। তুমি জানা চৰাইদেও পাহাৰৰ বুকুত কিমান ৰূপহী যুৱতী নাৰী-কঙ্কালে মুক্তিৰ কাৰণে আশা পালি আছে? হাঁমৰাও কাটি মৰিছে? সিহঁতৰ করুণ আৰ্ত্তনাদ শুনিলে তুমিও কান্দি দিবা অলকেশ।'

অধ্যাপক ভট্টৰ কথাবোৰ শুনি প্ৰথমতে কেইদিনমান ভাল লাগিছিল। ভাল পাইছিলোঁ। কিন্তু সদায় একেটা কথাকে শুনি শুনি মোৰ আমনি লাগিছিল। সদায় খালে অমৃতও আমুৰায়। মোকো সেয়ে হৈছিল। শেষলৈ ভাবিছিলো

মানুহজন সঁচাকৈয়ে উন্মাদ নেকি? নহলে চৰাইদেউ পাহাৰৰ বুকুত অৱৰুদ্ধ হৈ থকা নাৰী কঙ্কালৰ কান্দোন সুস্থ মস্তিষ্কৰ মানুহে কেতিয়াও নুশুনে। শুনিব নোৱাৰে। মোৰ সেই সন্দেহটো সম্ভাত পৰিণত কৰি দিছিল অধ্যাপক ভট্টৰেই এবাৰ

কথাই। তাৰ প্ৰৱণ ছটুই মোক প্ৰায়েই প্ৰশ্ন কৰিছিল। কৈছিল : শুনিছা, শুনিছা অলকেশ। সেয়া কান্দোন। তোমালোক ইমান নিষ্ঠুৰ। গাভৰু নাৰীৰ কান্দোনেও তোমালোকৰ হিয়া জয় কৰিব নোৱাৰে? তোমালোক মানুহ নে পশু?

তাৰ পিচত তেওঁ হুকহুকৈ কান্দি দিছিল। যেন এটা শিশু।

শেষলৈ মই অতীষ্ঠ হৈ প'ৰিছিলোঁ। শ্ৰদ্ধাশীল এই বৃদ্ধ ভদ্ৰলোকজনৰ প্ৰতি হেকৰাই পেলাইছিলোঁ সকলো শ্ৰদ্ধা। ভক্তি। তেখেত যেন মোৰ ওচৰলৈ নাহিলেই ৰক্ষা পাওঁ। উশাহ পাওঁ। তেখেতৰ সম্মুখত মোৰ যেন নিশ্বাস বন্ধ হৈ গৈছিল। অধ্যাপকজনক মই এৰাই ফুৰিবলৈ যত্ন কৰিছিলোঁ। কিন্তু সকলো চেষ্টা মোৰ ব্যৰ্থ হৈ গৈছিল। দিনত লগ নাপালে নিশা দহ বজাৰ পিচতো আহি ওলাবহি। তেতিয়াও সেই একেটা কথা। অৱশেষত এদিন উপাই নাপাই কৈ পেলালোঁ মই চৰকাৰলৈ লিখিছো। উত্তৰ আহিলেই খনন কাৰ্য্য আৰম্ভ কৰিম। অ' এটা কথা। মই কেইদিনমান নাথাকিম। শিৱসাগৰলৈ যাম। চৰাইদেউ পাহাৰ আৰু তাৰ ওচৰৰ ঠাইবোৰ পৰ্য্যবেক্ষণ কৰিম। আপুনি মোৰ ঘৰলৈ নাহিলেও হব। উভতি আহি মই আপোনাক খবৰ দিম।

এটা মিছা কথা। জীয়া ফাঁকি।

মৃত্যুৰ হাত বাউললৈ অপেক্ষা কৰি বৈ থকা বৃদ্ধ অধ্যাপক এজনক এনেদৰে ফাঁকি দিবলৈ মোৰ অকণো ভাল লগা নাছিল। কিন্তু উপাই নাই। এজন শ্ৰাদ্ধ বলিয়াৰ লগত মই বলিয়া হব নোৱাৰোঁ। মোৰ এটা ভৱিষ্যত আছে। দেউতাৰ টকা ধ্বংস কৰি জীৱনৰ সাতাইশটা বসন্ত গছকি আহিছো। নিবনুৱা হৈ দিন কটোৱাৰ সময় মোৰ কাহানিবাই উকলি গ'ল। মোৰ বুৰৰ ওপৰত বহুত দায়িত্ব। ভনীজনীক বিয়া দিব লাগে। ভাইটোক পঢ়া খৰচ দিব লাগে। ঘৰ এখনৰ খৰচ চলাব লাগে। এনে অৱস্থাত মোৰ কাৰণে চাকৰিৰ চিন্তাতকৈ ডাঙৰ চিন্তা আন একো নাই। চৰকাৰৰ প্ৰতিশ্ৰুতি

মক্তে চাকৰি মোৰ হব লাগিছিল কেতিয়াবাই। কিন্তু এতিয়াও হোৱা নাই। কেতিয়া হয় তাৰো একো নিশ্চয়তা নাই। এনেকুৱা মানসিক অশান্তিৰ মাজত অধ্যাপক ভট্টৰ আমনিদায়ক উপস্থিতিটো মোৰ কাৰণে কিয়, কাৰো পক্ষেই সহনীয় নহয়। দোষণীয় বুলি জানিও অৱশেষত সেই কাৰণেই দিছিলোঁ এটা জীয়া কাঁকি।

কিন্তু লাভ একো নহ'ল। মোৰ কথাবাৰ শুনি অধ্যাপক ভট্টই কৈছিল: তুমি যাবা? কেতিয়া? জানোঁ, তুমি বহি থাকিব নোৱাৰা। তুমি এদিন যাবাই। মোৰ কামনা পূৰণ নহৈ নোৱাৰে। এই কামনা মোৰ আজিৰ নহয়। এই কামনা কিমান বছৰৰ পৰা মই পুহি ৰাখিছোঁ, জানা অলকেশ? এয়া মোৰ বত্ৰিশ বছৰৰ কামনা'। চল্লিশ বছৰ আগতে যাক মই হেৰুৱালোঁ নাই থাওঁক। কিন্তু তোমাৰ লগত ময়ো যাম অলকেশ। ক'ত ক'ত অনুসন্ধান কৰিব লাগিব মই তোমাক দেখুৱাই দিম। কোৱা, কেতিয়া যাবা?

হে ভগবান। মই ভাবিছিলোঁ কি? হ'ল গৈ কি?

লক্ষ্য কৰিছিলোঁ তেখেতৰ বয়স যেন কুৰি বছৰ কমি গৈছিল। এজন ত্ৰিশ পয়ত্ৰিশ বছৰীয়া তেজ্‌বজীয়া ডেকা। প্ৰতিটো কথাত তেজোদীপ্ত সুৰ। চকু মুখত কিবা এটা বহুমূলীয়া সম্পদ হেৰা পোৱাৰ আনন্দ।

'আপুনি নালাগে চাৰ। মই অকলেই যাম। এনেকুৱা বয়সত ।'

'নাই নাই। তুমি চিন্তা নকৰিবা। মোৰ শৰীৰত এতিয়াও যথেষ্ট শক্তি আছে। মই পাৰিম। মই যাম। ভাবিছা, মোৰ বয়স হৈছে। মই বুঢ়া হৈ গৈছোঁ।'

মোৰ মুখৰ পৰা কথাবাৰ কাঢ়ি নি তেখেতে দৃঢ়ভাবে কৈ গ'ল। মই বিমোৰত পৰিলোঁ। কি কম একো ভাবি নাপালোঁ। সেপ ঢুকি কলোঁ. চৰকাৰে আপত্তি কৰিব পাৰে চাৰ। তাতকৈ মই অকলেই যাম। আৱশ্যক হলে আপোনাক খবৰ দিম।

'ফাইন আইডিয়া। এৰা, তুমি খবৰ দিবা। মই যাম। মই যাম অলকেশ। কিন্তু কথা কি জানা? চৰকাৰে

ভট্ট বৈ গৈছিল। কিবা এটা হতাশাত ভাঙি পৰিছিল। কাৰোবাৰ ওপৰত যেন খং উঠিছিল। এটা ভীষণ অসন্তুষ্টিয়ে চকু মুখ ঢাকি পেলাইছিল।

তাৰ পিচত দুটা নিশা পাৰ হৈ গৈছিল। অধ্যাপক ভট্ট মোৰ ওচৰলৈ এই দুদিন অহা নাই। স্বস্তিৰ নিশ্বাস এটা পেলাই ভাবিছিলোঁ হে ভগবান, অধ্যাপকজন আৰু যেন মোৰ ওচৰলৈ নাহে।

তৃতীয় দিনৰ ৰাতিপুৱা। আঠমান বাজিছে। মুখ হাত ধুই চাহ একাপ খাই চিগাৰেট এটা জ্বলাই লৈছিলোঁ। ভনীজনীয়ে কিবা এটা কৈছিল। মই উভতি চাই উচাপ্ খাই উঠিলোঁ। মাজনিশা জয়াৰ শ্মশান এখনত ভূত এটা দেখা হলেও মই কিজান ইমান ভয় নাখালোঁহেঁতেন। কিংকৰ্ত্তব্যবিমূঢ় হৈ বহি ৰলোঁ। মই যেন বজ্ৰাহত। এটা শিলামূৰ্ত্তি। হাতৰ চিগাৰেটটো নুমাই পেলাবলৈও মই পাহ'ৰ গলোঁ।

'তুমি আহিলা অলকেশ? কিন্তু ইমান দিন কৰিলা? মই কোৱা কথা সঁচানে? পিচে খনন কাৰ্য্য আৰম্ভ কৰিবা কেতিয়াকে? চৰকাৰৰ অনুমতি আহিল জানো?'

কি কম একো ভাবি নাপালোঁ। চমুকৈ কলোঁ হব চাৰ।

হাতৰ চিগাৰেটটো পুৰি আঙুলিৰ ওচৰ পাইছিল। তেতিয়াহে যেন মোৰ চেতনা ফিৰি আহিল। লৰালৰিকৈ চিগাৰেটটো পেলাই জোতাৰে মোহাৰি নুমাই পেলালোঁ।

মনতে ঠিৰাং কৰিলোঁ: এখেত সঁচাকৈয়ে উন্মাদ। নহলেনো দুদিন নৌহওঁতেই ইমান দিন কৰিলোঁ বুলি সুধিব কিয়? কলোঁ: বেছি দিনতো হোৱা নাই। মই বৰ লৰালৰিকৈয়ে অনুসন্ধান শেষ কৰিছোঁ। আজি চৰকাৰলৈ প্ৰতিবেদন দাখিল কৰিম বুলি ভাবিছোঁ।

এবা, এবা। প্রতিবেদনখন সোনকালে পঠোৱা। মই যাও গৈছে। তোমাক আমনি নকৰোঁ। কাইলৈ আকৌ আহিম।'

অধ্যাপক ভট্টই কথাবাৰ কৈয়েই মোৰ উত্তৰলৈ অপেক্ষা নকৰি আঁতৰি গৈছিল। খণ্ডত মোৰ নিজৰ মূৰটো নিজে কামুৰি খাবৰ মন গৈছিল। পুলকেশক মাতি আনি চমক দি কৈাছলোঁ. ক'ৰ বলিয়া এটাৰ লগত মোৰ পৰিচয় কৰাই দিলি? সময় নাই অসময় নাই। কেৱল জুলুম কৰিবহি।

'তেখেত বলিয়াই। আপুনি নাজানে নেকি?'

তাৰ কথাবাৰ শুনি এটা বোবা বেদনাত মই মুক হৈ পৰিলোঁ। মই নিজে তেখেতক বলিয়া বুলি সন্দেহ কৰিলেও ভাইটোৰ উত্তৰটোৱে যেন মোৰ অন্তৰৰ কোনোবাখিনিত বিদ্ধি থৈ গ'ল। পুলকেশৰ ওপৰত মোৰ খং উঠিল। এজন বৃদ্ধ অধ্যাপকক বলিয়া বুলি প্ৰ'ায় নিয়াবলৈ সি মোক বাধ্য কৰাব কিয়? দুই এষাৰ অৰ্থহীন কথাৰ বাহিৰে উন্মাদৰ কোনো লক্ষণেইতো তেখেতৰ গাত মই দেখা নাই।

পুলকেশেই কৈ গৈছিল। তাৰ মুখতে শুনিছিলোঁ কলিকতা কলেজৰ বুৰঞ্জীৰ অধ্যাপক অনিমেষ ভট্টাচাৰ্য্যৰ জীৱন কাহিনী।

ডেকা অধ্যাপক ভট্টাচাৰ্য্য কলেজৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ আছিল মৰমৰ। দেউতাক হেনো ছাত্ৰ হিচাবে মৰম কৰিছিল আটাইতকৈ বেছি। দেউতা তৃতীয় বাৰ্ষিকত থাকোঁতে তেখেতে এদিন চাকৰি ইস্তাফা দি কলিকতাৰ পৰা অসমলৈ গুচি আহিল। তীক্ষ্ণবুদ্ধিৰ মৰমীয়াল অধ্যাপক এজনে কোনো কাৰণ নোহোৱাকৈ চাকৰি ইস্তাফা দিয়াত ব'ডেই মনত আঘাত পাইছিল। কিছুমানে ভাবিছিল সেয়া তেখেতৰ ডেকা মনৰ খামখেয়ালি। বিয়া বাক কৰোৱাৰ পিচত আকৌ কলেজলৈ উভতি যাব। কিন্তু তেখেত উভতি নগ'ল। দেউতাই ইতিমধ্যে কলেজৰ পৰা ডিগ্ৰী এটা লৈ চাকৰি জীৱনৰ পাতনি মেলিছে। তাৰ মাজতে এদিন বাতৰি ওলাল: ভূতপূৰ্ব্ব বুৰঞ্জীৰ

অধ্যাপক অনিমেষ ভট্টাচাৰ্য্য উন্মাদ হ'ল। সেউভাই হেনো খবৰ লবলৈ যাব খুজিছিল। কিন্তু যোৱা নহ'ল।

কেইবছৰ মান পিচত। দেউতা তেতিয়া যোৰহাটত। সেই সময়ৰ এটা আচৰিত বাতৰিয়ে অসমৰ মানুহক চমক খুৱালে। উন্মাদ অধ্যাপক অনিমেষ ভট্টাচাৰ্য্য সৰ্প দংশণত ৰোগ মুক্ত হৈ উঠিছে। বহুতেই বিশ্বাস কৰিলে। বহুতেই নকৰিলে।

তাৰ পিচৰ খবৰ দেউতাই নাজানে।

উনৈশ তেত্ৰিশ চনত আন এটা খবৰ ওলাল। বিলাতত প্ৰত্নতত্বৰ শিক্ষা লৈ কেবা বছৰো গবেষণাৰ পিচত অমিষেৰ ভট্টাচাৰ্য্য অসমলৈ উভতি আহিছে। অধ্যাপক হিচাবে নহয়। প্ৰত্নতত্বৰ গবেষক হিচাবে। তেতিয়াৰ পৰা ভট্টাচাৰ্য্য অসমতে আছে। প্ৰত্নতত্বৰ গবেষণা কৰিছে। কিন্তু ভট্টাচাৰ্য্যৰ আক্ষেপ ' পৰাধীন দেশত গবেষণাৰ কোনো মূল্য নাই। সুবিধা নাই। বিদেশী শাসকে দেশবাসীক সেই সুযোগ নিদিয়ে ।

উনৈশ শ তেত্ৰান চনৰ এটা ফৰকাল বাতিপুৱা। মই বিদেশলৈ যাত্ৰা কৰিছিলোঁ। অসমৰ বিভিন্ন বাতৰি কাকতৰ প্ৰতিনিধিবোৰে বিমান কোঠত মোৰ স্নেপ লৈছিল। আৰু তাৰ পিচদিনা অসমৰ বাতৰি কাকতবোৰত প্ৰকাশ হৈছিল মোৰ বিদেশ যাত্ৰাৰ বাতৰি। সেই বাতৰিটো পঢ়ি হেনো অনিমেষ ভট্টাচাৰ্য্য দেউতাৰ ওচৰলৈ আহিছিল। মোৰ ভবিষ্যত কৃতকাৰ্য্যতাৰ বাবে আশীৰ্ব্বাদ কৰিছিল। দেউতাৰ কচিৰ শলাগ লৈছিল।

তেতিয়াই হেনো দেউতাই পুলকেশহঁতক কৈছিল অধ্যাপক ভট্টৰ জীৱন কাহিনী। এয়া পুলকেশে কোৱা কথা।

পুলকেশৰ মুখত জীৱন-বৃত্তান্ত শুনাৰ পিচতো অধ্যাপক ভট্টাচাৰ্য্য আমাৰ ঘৰলৈ আহিছিল। তেখেতৰ প্ৰতি মোৰ হেৰাই

থাৰ খোজা শ্ৰদ্ধা যেন আকৌ উভতি আহিছিল। তেখেতৰ উপস্থিতিয়ে মোক আগৰ দৰে আমনি দিব নোৱাৰিলে। বৰং কিবা এটা কৌতুহল লৈ মই তেখেতৰ কথাবোৰ শুনিছিলোঁ। তেখেতৰ চকুলৈ চাইছিলো। কিবা এটা আবিষ্কাৰ কৰাৰ কৌতুহলত বহুত কিবা কিবি প্ৰশ্ন কৰিছিলোঁ।

কিন্তু মোৰ কৌতুহল শেষ নৌহওঁতেই এদিন তেখেতক এৰি আঁতৰি আহিব লগীয়া হৈছিলোঁ। তেখেতৰ জীৱন কাহিনী শুনাৰ দ্বিতীয় দিনাখনেই মই পাইছিলোঁ চৰকাৰৰ পৰা এখন নিয়োগপত্ৰ। তাৰ পিচদিনাখনেই সকলোৰে পৰা বিদায় লৈ যাত্ৰা কৰিছিলোঁ মই মোৰ নতুন কৰ্ম্মক্ষেত্ৰলৈ।

- আশীৰ্ব্বাদেৰে বিদায় দি অধ্যাপকজন কৈছিল . যোৱা অলকেশ। তোমাৰ যাত্ৰা শুভ হওঁক। চাকৰি জীৱনৰ উন্নতি হওঁক। এয়ে মোৰ ভগবানৰ ওচৰত প্ৰাৰ্থনা। কিন্তু খনন কাৰ্য্য আৰম্ভ হোৱাৰ লগে লগে মোক খবৰ দিবলৈ যেন পাহৰি নোযোৱা। মই যাম। তোমাক সহায় কৰিম। বহুতো তথ্য পাতি গোটাই দিম।

কান্দোন জড়িত কণ্ঠেৰে ভট্টাচাৰ্য্যই কোৱা কথাবোৰ শুনি সিদিনা মোৰো চকুপানী বৈ আহিব খুজিছিল। কিন্তু কিয় নাজানোঁ। সিদনা তেখেতৰ কথাবোৰ যেন কথা নাছিল। আছিল করুণ বিলাপ।

পঢ়িছিলোঁ ভূ-তত্ব বিজ্ঞান। কিন্তু চাকৰি পালোঁ চৰকাৰৰ আন এটা বিভাগত। চাকৰিৰ লগত ভূ-তত্ব বিজ্ঞানৰ বিশেষ সম্বন্ধ নাই। ৰাজধানীৰ বুকুত বহি প্ৰতি দিনে চহী কৰিছিলোঁ বহুত ফাইল। অলেখ চৰকাৰী চিঠিৰ পাণ্ডুলিপি।

দিন বাগৰি গৈছিল। এটা দুটাকৈ কেবাটাও বসন্ত। চাকৰি জীৱনৰ ব্যস্ততাৰ মাজত আনৰ খবৰ লোৱাৰ অৱসৰ নাথাকে। নিজক লৈয়ে সকলো ব্যস্ত। ময়ো পাহৰি গৈছিলোঁ বহুতৰ কথা। পাহৰি গৈছিলোঁ অধ্যাপক ভট্টাচাৰ্য্যক, আৰু পাহৰি গৈছিলোঁ তেখেতৰ সেই চৰাইদেউ পাহাৰ খননৰ অনুৰোধ। কিন্তু তেখেতে মোক পাহৰি যোৱা নাছিল। বৰ আশাৰে অপেক্ষা কৰি বৈ আছিল মই তেখেতৰ অনুৰোধ ৰক্ষা কৰিম।

দুঘণ্টামান আগতে চিঠি এখন পাইছিলোঁ, আৰু পাইছিলোঁ কিতাপ আকৃতিৰ এটা পাৰ্চেল। অধ্যাপক ভট্টই লিখিছিল:

মৰমৰ অলকেশ,

মোৰ আকাঙ্খা পূৰাবলৈকে ভগবানে তোমাক মোৰ ওচৰলৈ পঠিয়াইছে। তুমি মোৰ সেই আকাঙ্খা পূৰণ কৰিবা। মই জানোঁ। আজি বাতিপুৱা বাতৰি কাগজত খবৰটো পঢ়ি মই আনন্দত উত্ৰাৱল হৈ পৰিছিলোঁ। আত্মহাৰা হৈ পৰিছিলোঁ। তোমাক যে মই কি বুলি আশীৰ্ব্বাদ দিম ভাবি পোৱা নাই। চৰাইদেউ পাহাৰৰ দক্ষিণৰ টিলাটোৰে যে খনন কাৰ্য্য তোমালোকে আৰম্ভ কৰিবা মই ভবাই নাছিলোঁ। খনন কাৰ্য্যৰ আৰম্ভৰ লগে লগে যিটো সুৰঙ্গৰ সন্ধান পাইছা সেইটোৱে মোৰ অ'ত দিনৰ ধ্যান ধাৰণাৰ সুৰঙ্গ। সেইটো আচলতে সুৰঙ্গ নহয়। এটা গুপ্ত পথ। সুৰঙ্গটো চোৱাই গৈ পাবা এটা তিনি কোঠালীৰ গুপ্ত কোষাগাৰ। সুৰঙ্গটোৰ কেইহাতমান

ভিতৰলৈ সোমাই গৈয়ে পোৱা জঁকাটো অজগৰৰ নহয়। ফেটী সাপৰ। কাগজত ভুলকৈ প্ৰকাশ হৈছে। মই ভালদৰে জানো সেইটো অজগৰৰ আকৃতিৰ এটা প্ৰকাণ্ড ফেটী সাপ।

খান্দি যোৱা। আৰু বহুতো বস্তু পাবা। সাপৰ জঁকাটোৰ ওচৰতে নিশ্চয় এধাৰ হীৰাৰ চিটিপটীও পাইছা। যদি পোৱা নাই পাবা। বমুৱাবোৰে যাতে আত্মসাৎ কৰিব নোৱাৰে তাৰ বাবে সাৱধান হবা। সুৰঙ্গটোৰ প্ৰথম খোটালীটোৰ দুৱাৰ মুখতে পাবা এটা প্ৰকাণ্ড শিল। শিলটোৰ পূৱ কালে এটা বিন্ধা আছে। সেই বিন্ধাটোৰে জোৰ মাৰি এডাল সুমুৱাই তললৈ হেঁচি দিলেই শিলটো আঁতৰি যাব, আৰু তাৰ লগে লগে দুৱাৰখন আপোনা আপুনি মেল খাই যাব। দ্বিতীয় কোঠাশীটোৰ সন্মুখতো তেনে এটা শিল আছে। প্ৰথম শিলটোৰ দৰে সেইটোও আঁতৰাই দ্বিতীয় কোঠাৰ প্ৰৱেশদ্বাৰ মুকলি কৈ লবা। তৃতীয় কোঠাটোৰ দুৱাৰ মুখৰ সোঁ হাতে শিলৰ বেৰখনত এটা সদাশিৱৰ চিত্ৰ অঙ্কিত আছে। তাৰ কাষতে অঙ্কিত আছে এপাত ত্ৰিশূলৰ চিহ্ন। সেইপাত আচলতে ত্ৰিশূল অথবা ত্ৰিশূলৰ ছবি নহয়। তৃতীয় কোঠাৰ দ্বাৰ উন্মুক্ত কৰাৰ কৌশল সেই ত্ৰিশূলৰ ছবিটোতে নিহিত হৈ আছে। ত্ৰিশূলৰ চিহ্নটোৰ ওপৰত জোৰেৰে হেচি দিয়াৰ লগে লগে দুৱাৰখনৰ ওপৰৰ পৰা লোৰ শিকলি এডাল তললৈ ওলমি আহিব। সেই শিকলি ডাল গাৰ পিনে টানি দিলেই উন্মুক্ত হৈ পৰিব তৃতীয় কোঠাৰ লোৰ বন্ধ দুৱাৰ। এই কোঠাটোতে লুকাই আছে আহোম ৰজাৰ অলেখ মণি মুক্তা। হীৰা জহৰত আৰু ৰাজবংশৰ ৰক্ষা কৱচ।

এই কোঠাটোতে হয়তো পাবা এটা নাৰী-কঙ্কাল। যদি নোপোৱা দ্বিতীয় খোটালীটোত ভালদৰে বিচাৰি চাবা। তাত নিশ্চয় পাবা মোৰ মৰমৰ নয়নমণিৰ লঘু খজু কঙ্কাল। সেই কঙ্কালটো এবাৰ সাৱটি লৈ কবা: মই বিশ্বাসঘাটক নহয়। মই তেওঁক পাহৰি যোৱা নাই। মোৰ নয়নমণিৰ উদ্ধাৰাৰ্থে বছৰৰ পিচত বছৰ মই

অপেক্ষা কৰিছোঁ। অশেষ যত্ন কৰিছোঁ। নয়নমণিক উদ্ধাৰ নকৰালৈকে মই মৰিব নোৱাৰোঁ। মৃত্যু মোৰ নহয়।

মোৰ অসুখ। শৰীৰ অত্যন্ত দুৰ্ব্বল। থিয় হোৱাৰ ক্ষমতা মোৰ নাই। কিন্তু মই যাম। নয়নমণিক মই ফাঁকি দিব নোৱাৰোঁ। প্ৰথম কোঠালীটোলৈকে খন্দা হলেই মোক খবৰ দিবা। মই যাম অলকেশ। মই যাম।

চিঠিৰে আটাইবোৰ কথা জনাব নোৱাৰি। তোমালৈ আন এটা টোপোলাত কিতাপ আকৃতিৰ ডায়েৰী এখন পঠিয়ালোঁ। পাবা। সেইটো কিন্তু ডায়েৰী নহয়। সঁচা কাহিনী। তাৰ প্ৰত্যেকটো শব্দই প্ৰাণ ঢালি মোৰ বুকুৰ তেজেৰে লিখা। পঢ়িবা। বহুতো খবৰ পাবা। কিন্তু মোৰ অনুৰোধ ডায়েৰীটো যেন তোমাৰ বাহিৰে আন কাৰো হাতত নপৰে। নপৰে।

ভগবানে তোমাৰ মঙ্গল কৰক। এয়ে কামনা। ইতি

আশীৰ্ব্বাদক

অনিমেষ ভট্টাচাৰ্য্য

পুন. মোৰ জীৱনতকৈও ডায়েৰীটোৰ মূল্য বহুত বেছি। সেই কথা বোধহয় তোমাক পুনৰাই সোঁৱৰাই নিদিলেও হব। কিন্তু মোলৈ তাঁৰ পঠাবলৈ নাপাহৰিবা অলকেশ। থিয় হোৱাৰ ক্ষমতা থকা হলে মই আজিয়েই গৈ তোমাৰ ওচৰ পালেঁাহেতেন। তোমাৰ টেলিগ্ৰামৰ বাবে মই আশাৰে ক্ষণ গণি বলোঁ।—অনি মষ

চিঠিখন পঢ়ি মোৰ বেয়া লাগিছিল। বেচেৰা অধ্যাপক গৰাকীয়ে মোকে আশা কৰি আছে। অথচ তেখেতক মই ফাঁকি দিছোঁ। তেখেতৰ ধাৰণা মই চৰাইদেউ পাহাৰৰ খনন কাৰ্য্য আৰম্ভ কৰিছোঁ। মোৰ ঠিকনাটো হয়তো পুলকেশৰ পৰা সংগ্ৰহ কৰি মোলৈ লিখিছে। এটা উৰ্ব্বৰ বিকৃত মস্তিষ্ক। অবিশ্বাস্য চিঠিৰ ভাষা। কিন্তু চিঠিখন পঢ়ি মোৰ বেয়া লগা নাছিল। আৰম্য উপন্যাসৰ দৰে মন ভুলোৱা চিঠিত বৰ্ণোৱা কাহিনী।

চিঠিখন সামৰি থৈ চিগাৰেট এটা জ্বলাই লৈ ভাবিছিলোঁ: এই বাতুলতাৰ অন্তৰালত নিশ্চয় এটা গুৰুত্বৰ ৰহস্য লুকাই আছে। ডায়েৰীটো পঢ়ি হয়তো কিবা এটা ভেদ পাম। যদি ডায়েৰীৰ বৰ্ণনাই মোক একো সম্ভেদ দিব নোৱাৰে তেন্তে এবাৰ ঘৰলৈ যাম। অধ্যাপক ভট্টাচাৰ্য্যৰ লগত আলোচনা কৰিম। কথা পাতিম। বাতুলতাৰ ৰহস্যাবৃত কাৰণ উদ্‌ঘাটনৰ যত্ন কৰিম।

পাৰ্চেলটো খুলি ডায়েৰীখন উলিয়াই লৈছিলোঁ। সঁচাকৈয়ে ডায়েৰী নহয়। ডায়েৰীৰ আকৃতিৰ এখন কিতাপৰ পাণ্ডুলিপি। আখৰবোৰ ইমান ধুনীয়া। প্ৰত্যেক খিলা পাতেই যেন ৰোমান হৰফত ছপোৱা একো একোখন ইষ্টাৰ গ্ৰিটিংচ্। স্থায়ী চিয়াহীৰে লিখা আখৰবোৰলৈ মই তন্ময় হৈ চাই ৰলোঁ।

"আজিৰ কাগজ পঢ়িছে বৰুৱা? এয়া চাওঁক।"

ডিপুটী চেক্ৰেটাৰী ৰহমান সোমাই আহি সিদিনাৰ বাতৰিখন মেলি প্ৰথম পৃষ্ঠাৰ খবৰ এটা আঙুলিয়াই দেখুৱাইছিল। খবৰৰ শিতানটোত দৃষ্টি বুলাই মই চম্‌কি উঠিছিলোঁ। দৃষ্টি মোৰ স্থিৰ হৈ পৰিছিল।

**পুৰণি সম্পদ উদ্ধাৰ: চৰাইদেউ পাহাৰৰ তলত**
**আহোম ৰজাৰ দ্বিতীয় কাৰেং**

যোৰহাট '৫৯ —যোৱা পৰহিৰ বাতৰিত প্ৰকাশ হোৱা সাপৰ জঁকাটো দৰাচলতে অজগৰৰ নহয়। এটা যেটী সাপৰহে। প্ৰাণী-তত্ত্ববিদ সকলে পৰীক্ষা কৰি মতামত দিছে যে জঁকাটো হেনো প্ৰায় চল্লিশ বছৰৰ আগৰ। এই যেটী সাপটো যে অজগৰৰ আকাৰৰ সেই বিষয়ে প্ৰাণীতত্ত্ববিদ সকল নিসন্দেহ। বিৰাট কায়ৰ যেটীসাপ আছে নে নাই সেই বিষয়ে পৰীক্ষক সকলে বিশেষভাবে গৱেষণা কৰি আছে।

তাৰ তলতে প্ৰকাশ হোৱা আন এটা বাতৰিত মোৰ চকু পৰিল।

উদ্ধাৰৰ দ্বিতীয় খোজ : সুৰুঙ্গৰ মাজত হীৰাৰ চিটিপটী।

যোৰহাট '৫৯ :—চৰাইদেউ পাহাৰৰ বুকুত আবিষ্কাৰ হোৱা সুৰুঙ্গটোৰ ভিতৰত আন এটা বহুমূলীয়া বস্তু পোৱাৰ বাতৰি পোৱা গৈছে। সাপৰ জঁকাটো পোৱা ঠাইৰ অলপ দূৰত বসুৱা সকলে উজ্জ্বল হাৰ এধাৰ পোৱা বুলি প্ৰকাশ। বহুতে অনুমান কৰিছে যে এইধাৰ হাৰ নহয়। হীৰাৰ চিটিপটীহে। বিশ্বাস এইবোৰ আহোম ৰজাৰ লুপ্ত সম্পদ।

খনন কাৰ্য্য এতিয়াও চলি আছে। প্ৰত্নতত্ত্ববিদ সকলে সুৰুঙ্গটোৰ ভিতৰত আৰু বহুতো সম্পদ উদ্ধাৰ হব পাৰে বুলি অনুমান কৰিছে।

বিস্ময়ত মই হতবাক হৈ পৰিলোঁ। বেলটো টিপি চাপ্ৰাচী এজন মাতি যোৱা পৰহিৰ কাগজখন বিচাৰি আনিবলৈ কলোঁ। তাৰ পিচত এইমাত্ৰ অধ্যাপকৰ পৰা পোৱা চিঠিখন জেপৰ পৰা উলিয়াই আকৌ এবাৰ পঢ়ি গলোঁ। মই নিমাত আৰু আচৰিত ধৰণে গম্ভীৰ হৈ পৰা দেখিয়ে হবলা বহমান নিশব্দে কোঠাটোৰ পৰা ওলাই গল।

চিঠিখন পঢ়ি শেষ কৰাৰ লগে লগে চাপ্ৰাচীজনে পুৰণি বাতৰি এখন লৈ কোঠাটোলৈ আকৌ সোমাই আহিল। তাৰ হাতৰ পৰা কাগজখন এক প্ৰকাৰ টানি নিয়াৰ দৰেই টানি নি মেলি ললোঁ।

প্ৰথম পৃষ্ঠাত প্ৰকাশ হোৱা বাতৰি এটা মোৰ চকুত পৰিল। মই একে উশাহেই পঢ়ি পেলালোঁ। তেতিয়া যেন মোৰ উশাহ লবলৈকেও সময় নাছিল।

## ৰজা দিনীয়া সুৰঙ্গ উদ্ধাৰ

যোৰহাট '৫৯ : ৰজা দিনীয়া কীৰ্ত্তি কলাপেৰে পৰিপূৰ্ণ বুলি অনুমান কৰা চৰাইদেউ পাহাৰৰ ওচৰে পাঁজৰে তেলৰ সন্ধেদ পোৱাৰ উমান কৰি খনন কাৰ্য্য আৰম্ভ কৰা হৈছে। তেল বিশেষজ্ঞ সকলে

হেনো তাত প্ৰচুৰ পৰিমাণে উৎকৃষ্ট তেল পোৱা যাব বুলি আশা প্ৰকাশ কৰিছে।

চৰাইদেউ পাহাৰৰ দক্ষিণ ফালৰ টিলাটোৰ ওচৰৰ হাবি বননিবোৰ পৰিষ্কাৰ কৰি আজি কেইদিনমান আগৰ পৰা খনন কাৰ্য্য চলোৱা হৈছিল। প্ৰায় ছফুট খন্দাৰ পিচত বনুৱা সকলে এটা সুৰঙ্গৰ সন্ধান পাই তেল বিষয়াসকলক বাতৰি দিয়ে। সেই বাতৰি পাই বিষয়াসকলে বনুৱাসকলৰ সন্মুখত উপস্থিত থাকি খনন কাৰ্য্য চলাই থাকোঁতে সুৰঙ্গটোৰ অলপ ভিতৰলৈ এটা প্ৰকাণ্ড অজগৰ সাপৰ জঁকা পোৱা বুলি প্ৰকাশ। জঁকাটো ৰাজ্যিক যাদুঘৰলৈ পঠোৱা হৈছে।"

প্ৰকাশ যে ভাৰতৰ শ্ৰেষ্ঠ প্ৰাণীতত্ত্ববিদ আৰু গবেষক মি ত্ৰিবেদী এই জঁকাটোৰ ওপৰত গবেষণা আৰম্ভ কৰিবলৈ আজি বিমানেৰে আহি গুৱাহাটী পাব। জঁকাটো তেওঁ দিল্লীৰ গবেষণাগাৰলৈ লৈ যাব বুলি বাতৰি পোৱা গৈছে।

বাতৰি কেইটাই মোক অভিভূত কৰি তুলিছিল। মই অধৈৰ্য্য হৈ পৰিছিলোঁ। উন্মাদ বুলি ধাৰণা কৰা অধ্যাপকজনৰ প্ৰতি শ্ৰদ্ধাত মোৰ মূৰ দোঁ খাই গ'ল। চিঠিখনৰ লগতে আন এটা টোপোলাত পোৱা ডায়েৰীটো পঢ়ি শেষ কৰাৰ কাৰণে মই অস্থিৰ হৈ পৰিলোঁ। অফিচৰ পৰা লৰালৰিকৈ আহি ঘৰ পালোঁহি। ঘৰ পোৱাৰ আগতে মোৰ অনুমান হৈছিল মই গৈ যেন ঘৰ নাপামেই। অফিচৰ পৰা মোৰ ঘৰলৈ যেন বহু দূৰ বাট। গাড়ীৰ গতিবেগ যেন মন্থৰ হৈ পৰিছিল। ড্ৰাইভাৰজনক বাৰে বাৰে গতিবেগ বঢ়াই দিবলৈ কৈছিলোঁ। উত্তৰত সি কৈছিল' ষাঠি মাইল গতিত গাড়ী চলাইছোঁ ছাৰ। ইয়াতকৈ গতিবেগ বঢ়ালে নিয়ন্ত্ৰণ কৰা সম্ভৱ নহব।

তাৰ উত্তৰটো শুনি ভাবিছিলোঁ: কোম্পানীবোৰে ডেড়শ মাইল গতিত চলোৱা গাড়ী নির্ম্মাণ নকৰে কেলেই ?

অৱশেষত গাড়ী আহি মোৰ বঙলাৰ সন্মুখত থমকি ৰৈছিল। মই জপিয়াই গাড়ীৰ পৰা নামি গলোঁ। কানি কাপোৰ নোখো-লাকৈয়ে চকি এখনত বহি পৰিলোঁ। কিতাপ আকৃতিৰ পাণ্ডুলিপিটো মেলি লৈ পঢ়ি গলোঁ। মোৰ যেন তেতিয়া উশাহ লবলৈও সময় নাছিল।

১৯১০ চন। জানুৱাৰী মাহৰ শেষ সপ্তাহ। মই তেতিয়া কলিকতা কলেজৰ শেষ বাৰ্ষিকৰ ছাত্ৰ। এইখিনিতে মোৰ জন্ম-কলঙ্কৰ কথা উল্লেখ কৰিবই লাগিব। বহুতে কয়: মই হেনো পবিত্ৰ ব্ৰাহ্মণৰ বংশধৰ নহয়। মোৰ দেউতা আছিল এজন সুশ্ৰী বংশ পৰিচয়হীন যুৱক। এজনী ব্ৰাহ্মণ কন্যাৰ পাণীগ্ৰহণ কৰি দেউতাই সমাজত ব্ৰাহ্মণ বুলি পৰিচয় দিছিল। কিন্তু সেই বিষয়ে মই কোনো দিনে ভবা নাই। উত্তৰাধিকাৰী সূত্ৰে পোৱা 'ভট্টাচাৰ্য্য' উপাধিটোকে মই মোৰ নামৰ শেষত লিখি আহিছোঁ।

তাঁৰ-এখন পাই ঘৰলৈ আহিছিলোঁ। দেউতাৰ শেষ অৱস্থা। শেষ নিশ্বাস পেলোৱাৰ আগতে দেউতাই সা-সম্পত্তিবোৰ মোক বুজাই দিব খোজে। গতিকে মৰণ মুহূৰ্ত্তত দেউতাক যেন মই যেনে তেনে এবাৰ চাই যাওঁহি।

ঘৰ পাই দেখিছিলোঁ তাঁৰ খনত সঁচা কথাকে লিখিছিল। দেউতাৰ তেনে অৱস্থা দেখি মোৰ চকুপানী বৈ আহিব খুজিছিল। তেখেতৰ আদেশ মতেই বাকচৰ পুৰণি কাগজপত্ৰবোৰ চাই মেলি সম্পত্তিৰ বিতং বিবৰণ বুজি লৈছিলোঁ। তাৰ দুদিন পিচত দেউতাই সঁচাকৈয়ে শেষ নিশ্বাস ত্যাগ কৰিলে। দুচকুৰে মোৰ চকুপানী বৈ আহিল।

মৃতকৰ্ম্ম শেষ হোৱাৰ পিচত আকৌ কলেজলৈ উভতি যাবলৈ ওলাইছিলোঁ। যোৱাৰ আগ দিনা খন মাটি বাৰী সম্পৰ্কীয় দলিল পত্ৰবোৰ যতনাই থব খোজোঁতে বাকচৰ তলিত পাইছিলোঁ এখন সাঁচিপুথি। সৰু। অসমীয়া পাট কাপোৰেৰে মেৰূৱাই বান্ধি থোৱা আছে। মই খুলি লৈ পঢ়ি গলোঁ। দেৱনাগৰী হৰফেৰে সংস্কৃতত লিখা এখন ইতিহাস। ঠিক ইতিহাস নহয়। আহোম ৰাজবংশৰ ভৱিষ্যত বাণী। অসমীয়া ভাঙনি কৰিলে এনেকুৱা হব:

মোৰ নামেই দেৱদত্ত। বৰদোৱাৰ শিৱ মন্দিৰৰ পূজাৰী। মোৰ এক মাত্ৰ কন্যা জাহ্নবী। অতি মৰমৰ। আদৰৰ। মাতৃহাৰা জাহ্নবী মোৰ নয়নমণি। পৃথিবীত মোৰ আন একোৰে প্ৰতি আকৰ্ষণ নাছিল। মাত্ৰ দুটা বস্তুৰ আকৰ্ষণত মই জীয়াই আছোঁ। সেয়া মোৰ পালক কন্যা জাহ্নবী আৰু মন্দিৰৰ চিৰ আৰাধ্য দেৱতা ৰুদ্ৰ। ৰুদ্ৰৰ সেৱাই মোৰ জীৱনৰ একমাত্ৰ ব্ৰত। মই নিঃসন্তান নাছিলোঁ। কিন্তু হলোঁ। ৰুদ্ৰৰ সন্তুষ্টিত লাভ কৰিছিলো এটি বস্তু। জাহ্নবীক। সিদিনা তাইক মই বস্তু বুলিয়েই ভাবিছিলোঁ।

জাহ্নবীৰ জন্মৰ বিশ বছৰ আগৰ কথা। মোৰ পত্নীৰ গৰ্ভত এটি সন্তানৰ জন্ম হৈছিল। দেৱ শিশুৰ দৰে তাৰ সৰল হাঁহি। অমৃতৰ দৰে মিঠা মিঠা মাত। ৰুদ্ৰৰ দৰে চকু, নাক আৰু মুখ। মৰমতে মাকে তাৰ নাম থৈছিল দেৱল।

দেৱল তেতিয়া আঠবছৰীয়া শিশু। এদিন সপোনত ৰুদ্ৰই মোক আদেশ দিলে: দেৱলক ৰুদ্ৰক লাগে। মই যেন পিচদিনা ৰাতিপুৱাই এখন ভুৰত দেৱলক উটুৱাই দিওঁ। ৰাতিপুৱাৰ লগে লগে এটা চকৰি ফেটী সাপ আহি দেৱলক খুটিব। মূৰ্চ্ছিত দেৱলক ৰুদ্ৰৰ নামত তৰ্পণ কৰি লুইতৰ বুকুত উটুৱাই দিবলৈ মই যেন পাহৰি নাযাওঁ। আদেশ দি ৰুদ্ৰ আঁতৰি গ'ল। মই থকমককৈ সাৰ পাই ভয়ত শিহঁৰি উঠিলোঁ। মূল মন্ত্ৰেৰে দেৱলৰ মূৰত এশ আঠবাৰ জপ কৰি শিখা বান্ধি দিলোঁ। তাৰ পিচত আৰু মোৰ টোপনি নাহিল। নিশা তেতিয়া শেষ হৈ আহিছিল। এয়া ৰুদ্ৰৰ আদেশ নে মোৰ মনৰ ভ্ৰান্তি? ভাবি থাকোঁতেই ৰাতি পুৱাল। পূবৰ আকাশ ৰাঙলি হৈ উঠিল।

প্ৰাতঃকৃত্য সমাপন কৰি আদিত্য প্ৰণাম কৰিবলৈ মই সাজু হৈছিলোঁ। বেলিৰ পোহৰে তেতিয়া পৃথিৱী ৰঙাই তুলিছে। এনেতে কাণত পৰিল মোৰ ওচৰতে খেলি থকা দেৱলৰ চিঞৰ। আদিত্য

প্ৰণাম কৰাৰ সময় মই নাপালোঁ। আকাশৰ পৰা দৃষ্টি ঘূৰাই আনি উভতি চালোঁ। দেৱল তেতিয়া মাটিত ঢলি পৰিছে। মুখেৰে বৈ আছিছে এমুখ বগা ফেন। অলপ দূৰত ফেট তুলি বৈ আছে এটা সাপ। চকৰি ফেটা। মোলৈ চাই বৈ আছে। তাৰ পিচত লাহে লাহে সাপটো আঁতৰি গ'ল।

দেৱলৰ মাকে যেতিয়া ভিতৰৰ পৰা ওলাই আহি পোনাকণক সাৱটি ধৰে তেতিয়া তাৰ সৰ্ব্বাঙ্গ শৰীৰ নীলা পৰি গৈছে। মাকৰ চিঞৰত মোৰো বুকু ফাটি যাব খুজিছিল। কিন্তু উপাই নাই। দেৱতাৰ আদেশ।

মই মাথোন কলোঁ নাকান্দিবা মঞ্জৰী। সকলো দেৱতাৰ ইচ্ছা।

তাৰ পিচত মোৰ যাত্ৰা আৰম্ভ হ'ল। বুকুৰ মাজত পোনাকণৰ নীলা দেহ। লক্ষ্য বৰ লুইত।

বছৰ বাগৰি গ'ল। মঞ্জৰীয়ে নাজানে যে আমাৰ দেৱলক ৰুদ্ৰই লৈ গ'ল। বুকুভঙা হুমুনিয়াহ আৰু চকুৰ পানীৰে মঞ্জৰীৰ দিনবোৰ বাগৰি যায়। বছৰৰ পিচত বছৰ। সন্তানৰ জনক হৈও মই নিঃসন্তান হৈ পৰিলোঁ।

বাৰ বছৰ পিচত। ৰুদ্ৰৰ সম্মুখত প্ৰাৰ্থনা জনালোঁ। পুত নৰকৰ পৰা উদ্ধাৰ কৰিবলৈ ৰুদ্ৰই যেন মোক অনুগ্ৰহ কৰে। সপোনত ৰুদ্ৰই কলে দেৱদত্ত। দেৱলৰ মৃত্যু হোৱা নাই। আছে। সময়ত সিয়েই তোমাক পুত নৰকৰ পৰা উদ্ধাৰ কৰিব। হৰিজনৰ ঘৰত দেৱল এতিয়া ডেকা। তথাপি তোমাৰ কামনা মই পূৰণ কৰিম। তোমাৰ পত্নীৰ গৰ্ভত অচিৰেই জন্ম গ্ৰহণ কৰিব স্বৰ্গৰ অপ্সৰী মেনকাই।

এবছৰ পিচত জন্ম হ'ল জাহ্নবীৰ।

জাহ্নবী তেতিয়া গাভৰু। খোজত পদুম ফুলে। হাঁহিত শেৱালি সৰে। সেই সময়তে বিগ্ৰহ দৰ্শনাৰ্থে আহিছিল পাপীষ্ঠ ৰজা চন্দ্ৰকান্ত।

নিশাৰ এন্ধাৰত জাহ্নবীৰ সৰ্ব্বস্ব হৰণকাৰী চন্দ্ৰকান্তই গুৰুকন্যাৰ অপমান কৰিলে।

দিন বাগৰি গ'ল। সপোনত এদিন ৰুদ্ৰই কৈ গ'ল: দেৱদত্ত, তোমাৰ কন্যা অন্তঃস্বত্বা। ৰজা চন্দ্ৰকান্তৰ সন্তান গৰ্ভত ধাৰণ কৰি জাহ্নবী মাতৃ সত্বৰা।

পিচদিনা। দিনৰ পোহৰত জাহ্নবীক দেখি মই উচাপ্ খাই উঠিলোঁ। কুমাৰী জাহ্নবী মাতৃ হোৱাৰ পথত। খণ্ডত মই কঁপিছিলোঁ। পাহৰি গৈছিলোঁ পৃথিৱী। বাৰে বাৰে প্ৰশ্ন কৰিছিলোঁ কোন সেই পাপীষ্ঠ? জাহ্নবী নিমাত। কিন্তু বুজিবলৈ মোৰ একো বাকী নৰ'ল। ৰুদ্ৰই মোক সকলো কৈ গ'ল।

তাৰ পিচত ৰংপুৰত বজ্ৰপাত হ'ল। চন্দ্ৰকান্তক অভিশাপ দি মই ঘৰলৈ উভতি আহিলোঁ। আহোম ৰাজবংশ ধ্বংস হ'ব। ৰুদ্ৰ-মন্দিৰ ভূমিত লুণ্ঠিত হ'ব। ৰুদ্ৰ আঁতৰি যাব।

সেইদিনাই ৰাতি। সপোনত ৰুদ্ৰ আকৌ মোৰ ওচৰলৈ আহিল। কলে এয়া মোৰেই অভিলিপ্সা দেৱদত্ত। মই আঁতৰি যাম। কিন্তু এতিয়া নহয়। তোমাৰ মৃত্যুৰ পিচত। তোমাৰ মৰমক নেওঁচা দি মই কেতিয়াও আঁতৰি যাব নোৱাৰোঁ।

তাৰ পিচত অভিশপ্ত চন্দ্ৰকান্ত এদিন ৰৰদোৱালৈ আহিছিল। জাহ্নবীক লৈ গৈছিল। পত্নী হিচাবে নহয়। উপপত্নী হিচাবে। চৰাইদেউ পাহাৰৰ তলত সজা গুপ্ত হেৰেমত কলঙ্কিতা জাহ্নবী চন্দ্ৰকান্তৰ অঙ্কশায়িনী।

মই জানোঁ মোৰ অভিশাপ অথলে নাযায়। এই গুপ্ত হেৰেমতে ধ্বংস হ'ব আহোম ৰজাৰ অলেখ মণিমুক্তা আৰু ৰাজ সম্মান। তাতোকৈও মূল্যবান স্বৰ্ণ মুকুট আৰু পবিত্ৰ আহোম বংশৰ ৰক্ষা কৱচ চৰাইদেউ পাহাৰে এদিন গিলি পেলাব। মৃত্যুৰ পিচত মই সাপ হৈ সেই দুৱাৰত প্ৰহৰী হৈ ৰ'ম। যেতিয়ালৈকে মোৰ এই অপমানৰ

পোতক তুলিব নোৱাৰো তেতিয়ালৈকে ব্ৰাহ্মণ দেৱদত্ত এটা ডাইল ফেটী সাপ হৈ জীয়াই থাকিব। মৃত্যুৰ জাগ্ৰত প্ৰহৰীৰ দৰে মই ঘূৰি ফুৰিম জাহ্নবীৰ আশে পাশে।

আজিৰ পৰা প্ৰায় এটা শতাব্দীৰ পিছত ব্ৰাহ্মণৰ ঔৰসজাত এজন ডেকাই পত্নীৰ অভিলাষ কৰিব আহোম ৰাজবংশৰ একমাত্ৰ কন্যাক। সেই ব্ৰাহ্মণ পুত্ৰ আৰু আহোম কন্যাই উদ্ধাৰ কৰিবলৈ যত্ন কৰিব আহোম ৰাজবংশৰ ৰক্ষা কৱচ। এই ৰক্ষা কৱচ আন একো নহয়। এধাৰ হীৰাৰ চিটিপটী। যদিহে আহোম ৰাজকন্যাই এই ৰক্ষা কৱচ পিন্ধাই সেই ব্ৰাহ্মণ সন্তানক সেৱা জনাব পাৰে তেন্তে ৰাজবংশ ৰক্ষা পৰিব। সুখময় আৰু অবিচ্ছিন্ন হব তেওঁলোকৰ দাম্পত্য জীৱন। পৰাধীন আহোম ৰাজ্য আকৌ স্বাধীন হব। নহলে আজিৰ পৰা কেই বছৰ মানৰ ভিতৰতে বিদেশী শত্ৰুৰ হাতত পৰাভূত হবলগীয়া আহোম ৰাজসিংহাসন চিৰদিনলৈ লুপ্ত হৈ যাব। আহোম ৰাজ্য এৰি সেই বিদেশী ৰাজশক্তিও এদিন আঁতৰি যাব সঁচা। কিন্তু আহোম ৰাজবংশ আৰু জীয়াই নাথাকে। বিদেশী ৰাজশক্তিয়ে দেশ লোৱাৰ এশ পঁচিশ বছৰৰ ভিতৰত আহোম ৰাজবংশ নিৰ্ম্মূল হৈ যাব। পৃথিবীৰ বুকুৰ পৰা চিৰদিনলৈ লুপ্ত হৈ যাব। অৱশ্যে আহোম বংশ তেতিয়াও বৰ্ত্তি থাকিব। কিন্তু ৰাজবংশ নহয়। আহোম জাতি।

এয়েই আছিল সাঁচি পাতৰ মূল কথা।

মোৰ চেবেংকৈ মনত পৰিছিল কলেজত থাকোঁতে বুৰঞ্জীবিদ শৰ্মাবৰুৱাৰ ঘৰত পোৱা ইতিহাসৰ পাণ্ডুলিপিৰ শেষ অধ্যায়টোলৈ। ডায়েৰীটোৰ মাজত আঙুলি এটা থৈ মই বহুত কথাই ভাবিছিলোঁ। বহুত কথাই তেতিয়া মোৰ পৰিষ্কাৰ হৈ পৰিছিল। কিবা এটা সহানুভূতিত মনটো সেমেকি পৰিছিল। অধ্যাপক ভট্টৰ মোৰ মিচেই ওচৰত পোৱাৰ আগ্ৰহ জন্মিছিল।

তাৰ পিছত আকৌ পঢ়ি গৈছিলোঁ।

সিদিনাৰ পৰা মই এই অদ্ভুত অথচ ৰহস্যজনক ভৱিষ্যদ্বাণীটোৰ কথাই চিন্তা কৰিছিলোঁ। বুৰঞ্জীৰ পিচত বুৰঞ্জীৰ পাত লুটিয়াইছিলোঁ। কিন্তু কোনো ইতিহাসে এই ভৱিষ্যদ্বাণীৰ সন্ধান নিদিলে। সত্যতাৰ প্ৰমাণ নিদিলে। তথাপিও মই নিৰাশ নহলোঁ। পৰীক্ষা পাছ কৰাৰ পাচত চাকৰি এটা পালোঁ। কলিকতাৰ কলেজ এখনৰে বুৰঞ্জীৰ অধ্যাপকৰ পদ। চাকৰিটো পোৱাৰ দিনা মোৰ এনে অনুমান হৈছিল যেন ময়েই সেই ভৱিষ্যতবাণীৰ ব্ৰাহ্মণ যুৱক। দেৱদত্ত মোৰ পিতামহ। ময়েই উদ্ধাৰ কৰিম আহোম ৰাজবংশৰ ৰক্ষা কৱচ। মোক যদি সিদিনা কোনোবাই হেজাৰ টকীয়া চাকৰি এটাও যাচিলেহেঁতেন হয়তো সেই চাকৰিও মই প্ৰত্যাখ্যান কৰিলোঁহেঁতেন কিজানি। অবৈতনিক অধ্যাপকৰ চাকৰি কৰিবলৈও মই সেইদিনা সাজু।

চাকৰি জীৱনৰ দ্বিতীয় বছৰৰ পিচত্। সেইখন কলেজলৈকে পঢ়িবলৈ গৈছিল এজনী ৰূপহী গাভৰু। নয়নমালা গোহাঁই। মই তেওঁলোকৰ ইতিহাসৰ ক্লাছ লৈছিলোঁ। ইতিমধ্যে আহোম গাভৰু জাকৰ প্ৰতি মোৰ মনত এটা ভীষণ দুৰ্ব্বলতাই খোপনি পুতি বহিছে। আহোম বংশৰ গাভৰু ছোৱালী দেখিলেই অনুসন্ধিৎসুক হৈ পৰোঁ। অনুমান হৈছিল. প্ৰত্যেকজনী আহোম জীয়ৰীয়েই যেন মোৰ কল্পনাৰ গাভৰু। মই অধৈৰ্য্য হৈ পৰিছিলোঁ। নয়নমালাক অকলশৰীয়াকৈ লগ পোৱাৰ কাৰণে হৈ পৰিছিলোঁ উদ্বিগ্ন। কলেজত ভৰ্ত্তি হোৱাৰ তৃতীয় দিনাখনেই ছাত্ৰীবাসলৈ গৈ নয়নমালাক লগ ধৰিছিলোঁ। পৰিচয় লৈছিলোঁ। কথা পাতিছিলোঁ। কোনোবাই কিবা ভাবিছিল যদিও নাজানোঁ।

পৰিচয়ৰ শেষত কিবা এটা অনামী পুলকত মই শিহঁৰি উঠিছিলোঁ। আনন্দত জপিয়াই উঠিছিলো। এনে ইচ্ছা হৈছিল মই যেন নয়নমালাক সাৱটি ধৰিম। চুমা খাম। কম: তুমি মোৰ নয়নমালা নহয়। মোৰ নয়নমণি। মোৰ বাগ্দত্তা পত্নী। ইমান দিনে মই তোমাকে অপেক্ষা কৰি বৈ আছোঁ সোণ।

সময়ে কালৈকে অপেক্ষা নকৰে। আমাৰ জীৱনৰ দুটা বছৰ আগবাঢ়ি গল। ইতিমধ্যে আমিও বহুখিনি আগবাঢ়ি গৈছোঁ। সেয়া ভালপোৱা নে কিহবাৰ মোহ নাজানো। গুৰু আৰু ছাত্ৰীৰ মাজত ভালপোৱাৰ অপযশ লবলৈ বিচৰা নাছিলোঁ যদিও আমি প্ৰত্যেকে প্ৰত্যেকৰ প্ৰতি গভীৰ ভাৱে আকৰ্ষিত হৈ পৰিছিলোঁ। দুৰ্ব্বল হৈ পৰিছিল আমাৰ মন। কিন্তু আমি যেন প্ৰেমিক প্ৰেমিকা নাছিলোঁ। এহাল অভিযানকাৰী ডেকা গাভৰু। অভিযাত্ৰী। আমাৰ উদ্দেশ্য এটা। লক্ষ্য এক।

প্ৰথম বাৰ্ষিকৰ কোনোবা এটা দিনত নয়নমালাক কৈছিলোঁ: জানা নয়নমণি, তোমাক কিয় মোৰ ইমান ভাল লাগে ? তুমি মোৰ বহু দিনৰ চিন্যাকি। আজি কেবাটাও বসন্তৰ আগৰ পৰাই মই তোমাৰ অপেক্ষাত বৈ আছোঁ।

তাৰ পিচত এদিন আলিপুৰ চিৰিয়াখানাৰ এচুকৰ গছ এডালৰ তলত বহি নয়নমালাক মনৰ সকলোবোৰ কথাই কৈছিলোঁ। ভাবিছিলো নয়নমালাই মোক অবিশ্বাস কৰিব। মোৰ কথাবোৰ বলিয়াৰ প্ৰলাপ বুলি উৰুৱাই দিব। কিন্তু নিদিলে। কথাবোৰ শুনি নয়নমালা অসম্ভৱ ৰূপে গহীন হৈ পৰিছিল। কিবা এটা চিন্তা কৰিছিল। তাৰ পিচত মোৰ দুই ভৰি ছুই কৰিছিল প্ৰণাম। মই স্তব্ধ হৈ পৰিছিলোঁ। কৈছিলোঁ এয়া তুমি কি কৰিছা নয়নমালা ?

সিদিনা আছিল শিৱ চতুৰ্দ্দশী।

"আপুনিও মোৰ বহুদিনৰ চিনাকি। আপুনিয়েই মোৰ সেই কল্পনাৰ যুৱক।"

"তেন্তে তুমিও জানা নয়নমালা ?"

"জানোঁ। আইতাৰ মুখত শুনিছিলোঁ. আহোম ৰাজবংশ অভিশাপত লিপ্ত। কিন্তু বিশ্বাস কৰা নাছিলোঁ।"

"তেন্তে।"

"কিন্তু বিশ্বাস নকৰি উপায় নাছিল। প্ৰবেশিকা পৰীক্ষা দিবলৈ

ডেৰবছৰ মান থাকোঁতেই মাৰ মৃত্যু হৈছিল। মৃত্যুমুখী মাই এখন গোপন মানচিত্ৰ মোৰ হাতত তুলি দি কৈছিল: এই খনেই আহোম ৰাজবংশৰ ৰক্ষা কবচ আৱদ্ধ গুহাৰ মানচিত্ৰ। তোৰ দিনতেই হয়তো বন্ধ হ'ব ৰাজবংশৰ তেজৰ সোঁত। আৰু নহলে উদ্ধাৰ হ'ব আহোম ৰাজ বংশৰ লুপ্ত সম্পদ। শৌৰ্য্য-বীৰ্য্য আৰু ৰাজ গৌৰৱ। আৰু কৈছিল গুপ্তদ্বাৰ উন্মুক্ত কৰাৰ কৌশল। তাৰ বাহিৰে মই আন একো নাজানোঁ। আপোনাৰ কথাবোৰে আজি মোক প্ৰত্যয় নিয়াইছে। মাৰ কথা সঁচা। সঁচা আইতাৰ কথা।" "সেই মানচিত্ৰখন ক'ত? মোক দিয়া নয়নতাৰা। মোকো শিকাই দিয়া গুপ্ত কক্ষৰ বন্ধ দ্বাৰ উন্মুক্ত কৰাৰ কৌশল।"

"অসম্ভৱ। সেই মানচিত্ৰ আনক দেখুৱাবলৈ মাই মোক বাৰে বাৰে নিষেধ কৰি গৈছে। মাৰ মৃত আত্মাক মই প্ৰবঞ্চনা কৰিব নোৱাৰো। পূৰ্ব্ব পুৰুষৰ অভিসম্পাত মূৰ পাতি লব নোৱাৰোঁ। সিমান সাহস মোৰ নাই।"

তাৰ পিচতো বহুদিন যত্ন কৰিছিলোঁ। নয়নমালাক বুজাইছিলোঁ: নয়নমালা আৰু মোৰ ওপৰতে নিৰ্ভৰ কৰিছে আহোম ৰাজবংশৰ ভৱিষ্যত। গতিকে মই সেই মানচিত্ৰ চোৱাত কোনো আপত্তি থাকিব নোৱাৰে। নাই। নয়নমালা আৰু মই একাত্মা।

কিন্তু নয়নমালা একোতে মান্তি নহল। হেজাৰ চেষ্টা কৰিও মই মান্তি কৰাব নোৱাৰিলোঁ। যদিও নয়নমালা আৰু মোৰ মাজত কোনো পাৰ্থক্য নাছিল। আমি উভয়েই আছিলোঁ একেটা অভিযানৰ সহযাত্ৰী। পৰামৰ্শ কৰিছিলোঁ ৰক্ষাকৱচ উদ্ধাৰৰ উপায়।

দ্বিতীয় বাৰ্ষিকৰ শেষ পৰীক্ষা দি অসমৰ একমাত্ৰ ছাত্ৰী নয়নমালা এদিন কলিকতা এৰি গুচি আহিল। চকুৰ পানীৰে মোৰ ওচৰত বিদায় ললে। কলে: আপোনাৰ কথা যদি সঁচা হয়, তেন্তে আপোনাক মই মোৰ ওচৰত এদিন নিশ্চয় পাম। জীৱনৰ শেষ মুহূৰ্ত্তলৈকে মই আপোনাকে অপেক্ষা কৰি বৈ থাকিম।

নয়নমালা এদিন আঁতৰি গৈছিল।

মই অস্থিৰ হৈ পৰিছিলোঁ। উতলা হৈ পৰিছিলোঁ। তাৰ হৈছিল: যেন পায়ো হেৰুৱালোঁ। ভঙা কাঁচৰ টুকুৰা বুলি সাগৰৰ অতল গৰ্ভত দলিয়াই পেলালো বহুমূলীয়া হীৰা খণ্ড। এটা চিন্তাই মোক খুলি খুলি খাইছিল। জুকলা কৰি তুলিছিল। সেয়া নয়নমালাৰ নহয়। নয়নমালাৰ হাতত সঞ্চিত আহোম বংশৰ গোপন মানচিত্ৰৰ।

ভাবিছিলোঁ নয়নমালা কলেজলৈ আকৌ উভতি আহিব। আকৌ লগ পাম। কিন্তু নয়নমালা নাহিল। কলিকতা মহানগৰীৰ বুকুত নয়নমালাক লগ নাপালোঁ। পৰীক্ষাৰ খবৰ ওলোৱাৰ পিচত তৃতীয় বাৰ্ষিকত নাম ভৰ্ত্তি কৰাৰ দিনো এদিন উকলি গ'ল।

এদিন চিঠি এখন পাইছিলোঁ। নয়নমালাই লিখিছিল: আমাৰ ঘৰ চুৰি হ'ল। চুৰি হ'ল বহুত ধন আৰু সোণ, আৰু ৰজা দিনীয়া বহুতো সম্পদ।

চিঠিখন পঢ়ি মই উন্মাদ হৈ পৰিছিলোঁ। ভাবিছিলোঁ মানচিত্ৰ-খন চুৰি হোৱা নাইতো?

সিদিনাই কলেজ কৰ্ত্তৃপক্ষৰ ওচৰত ছুটী বিচাৰিছিলোঁ। কিন্তু নাপালোঁ। লগে লগেই চাকৰি ইস্তাফা দিয়াৰ দৰ্খাস্ত দি কলিকতা এৰি গুচি আহিলোঁ। নয়নমালাহঁতৰ ঘৰ ওলালোঁ।

মনৰ বেদনাত মৰ্ম্মাহত নয়নমালাই মোৰ উপস্থিতি হয়তো আশা কৰা নাছিল। সেই কাৰণেই মোক দেখি আচৰিত হৈছিল। কৈছিল: ব্ৰাহ্মণৰ অভিশাপ নৰ্কলিয়াই নোৱাৰে। চোৰে মানচিত্ৰখনো লৈ গ'ল।

সেয়া যেন নয়নমালাৰ কথা নাছিল। আকাশৰ পৰা মোৰ মূৰত খহি পৰা বজ্ৰপাতৰ প্ৰতিধ্বনি।

চতুৰ্থ দিনা খবৰ এটা পাইছিলোঁ। নামঘৰ হাবিৰ ওচৰত উদং বাকচ কেইটামান পুলিচে বিচাৰি পাইছে। তাৰ ভিতৰত একো নাই। উদা বাকচ কেইটা পুলিচে আনি থানাত জমা ৰাখিছে।

বাস্তবিটোয়ে মোৰ মনত আশাৰ যেওণি পেলাইছিল। খানাৰ দাৰোগাজনক ধৰি মেলি নামবৰ হাবিলৈ লৈ গৈছিলোঁ। বাকচবোৰ উদ্ধাৰ কৰা ঠাইখিনি তন্নতন্নকৈ পৰীক্ষা কৰিছিলোঁ। কিন্তু লাভ একো নহল। একোৱেই বিচাৰি নাপালোঁ। নিৰাশ হৈ উভতি আহি ছলোঁ। কিন্তু মনটোয়ে কৈছিল: মানচিত্ৰখন মই পামেই। পাবই লাগিব। ইমানখিনি ফলিওৱাৰ পিচত বাকী'বাৰো নিশ্চয় ফলিয়াব।

মনৰ খুতৰনি মাৰ নিয়াব নোৱাৰি ঘূৰি আহি আকৌ আধাখিনি বাটৰ পৰা মই উভতি গলোঁ। পুলিচ অফিচাৰজনক এবাৰলৈ ফাঁকি দিলোঁ। তেখেতে হয়তো বিশ্বাস কৰিলে: মই আনফালে যাম।

নামবৰ হাবিৰ গভীৰ অৰণ্যৰ মাজত মই মাথোঁন অকলে এজন প্ৰাণী। আনফালে হাবিত লুকাই থকা হেজাৰ হেজাৰ হিংস্ৰ জন্তু। তালৈ মোৰ ভ্ৰূক্ষেপ নাই। কেই ঘণ্টামান আগতে বিচাৰি চলাথ কৰি যোৱা বননি ডবাৰ প্ৰত্যেক ডাল ঘাঁহ বন আকৌ লিৰিকি বিদাৰি চাইছিলোঁ। শৰীৰত কিবা এটা অদ্ভুত শক্তি অনুভৱ কৰিছিলোঁ। মনৰ মাজত দুৰ্ব্বাৰ আশা।

সময় পিচলি গৈছিল। দুপৰীয়াৰ ৰঙা ৰ'দ ক্ৰমান্বয়ে শেঁতা পৰি গৈছিল। অৱশেষত মই ভাগৰি পৰিছিলোঁ। নাকেৰে বৈ আহিছিল এটা ব্যৰ্থতাৰ হুমুনিয়াহ। পশ্চিমৰ আকাশ অস্তগামী সূৰুযৰ ৰশ্মিত ৰঙা হৈ পৰিছিল। হতাশাত ভাঙি পৰা মন এটা লৈ উভতি আহিব খুজিছিলোঁ। এনেতে অলপ দূৰৰ ইকৰাণিৰ মাজৰ পৰা বৈ আহিছিল এটা শব্দ। থমকি ৰলোঁ। কাণ দুখন থিয়কৈ অনুমান কৰিছিলোঁ: শব্দটো ক'ৰ পৰা আহিছে? কিহৰ এই শব্দ? হঠাৎ মনত পৰিল। এনচাইক্লোপেডিয়া নে ক'ৰবাত পঢ়িছিলোঁ: সাপৰ চকুৰ মণি স্থিৰ। হিস্ হিস্ শব্দ কৰি সাপে সোঁজোৰে। ধড়ক'ণ

কথাবাৰ মনত পৰাৰ লগে লগেই চকুত পৰিল এটা বিশাল ফেটী সাপ। কিন্তু আচৰিত। এনেকুৱা ফেটী মই ক'তো দেখা নাই। চকু দুটা ৰঙা। যেন জ্বলন্ত জুইৰ ফিৰিঙতি। ত্ৰম্বকদণ্ডীৰ দৰে গাৰ ওপৰেৰে মূৰৰ পৰা নেজলৈ এটা দীঘল ৰেখা। শুকান গছৰ ডাল এটা মেৰিয়াই লৈ ফণা মেলি মোলৈ চাই আছে। ভাব: তই ইয়ালৈ কেলেই আহিছ? এয়া মোৰ ৰাজ্য। বেগতে আঁতৰি যা। নহলে মোৰ চোকা দাঁতৰ হলাহলে বুজাই দিব অনধিকাৰ প্ৰৱেশৰ পৰিণতি কি?

মই আঁতৰি আহিব খুজিও থমকি ৰলোঁ। চিৰিয়াখানাত বহুত সাপ দেখিছোঁ। কিন্তু এনেকুৱা সাপ কাহানিও কতো মই দেখা নাই। আকৃতিত অজগৰ। গাত বামুনী সাপৰ ৰং আৰু ৰেখা। চকুত দুৰ্ব্বাসাৰ ক্ৰোধ।

হঠাৎ মোৰ চেতনা ফিৰি আহিল। মই কি কৰিছোঁ? জীয়া যমৰ সন্মুখত থিয় হৈ কবিতা ৰচনা কৰাৰ দুৰ্ব্বুদ্ধি মই ক'ত পালোঁ? ইফালে এন্ধাৰ হৈ আহিবলৈ আৰু সৰহ সময় নাই। মই দুৰ্ব্বল হৈ পৰিছিলোঁ। অৱশ হৈ পৰিছিলোঁ। ভৰি দুখন কঁপিছিল। সেয়া জীৱনৰ মমতা নে মৃত্যু ভয় নাজানোঁ। যেন কোনোবাই ভৰি দুখন টিবে সৈতে গজালি হে থৈছিল।

ভয়ত সাপটোলৈ চাইছিলোঁ। সাপটো তেতিয়া লাহে লাহে আঁতৰি যাবলৈ আৰম্ভ কৰিছে। মই অপলক দৃষ্টিৰে চাই ৰলোঁ। ঘঁহ বনবোৰ কঁপুৱাই কিবা এটা বহুত দূৰলৈ একাবেঁকা গতিত আঁতৰি গ'ল। মই নিঃসন্দেহ। সেয়া এই মাত্ৰ দেখা সাপটোৰ বাহিৰে আন একো নহয়।

সাহস গোটাই লৈ ময়ো আঁতৰি আহিবলৈ যত্ন কৰিছিলোঁ। এনেতে চকুত পৰিল সাপটোৱে কুণ্ডলী পকাই থকা শুকান গছৰ ডালটোৰ ওচৰতে পৰি আছে এখন তুলাপাত। আওঁ পুৰণি। মলিয়ন। একেজাপেই গৈ তুলাপাত খিলা বুটুলি ললোঁ। পাহৰি গৈছিলোঁ।

যে সেইখিনি ঠাইতে আন এটা সাপ লুকাই থাকিব পাৰে। মৃত্যুৰ ভয় মই তেতিয়া পাহৰি গৈছো।

মই কোঁপাইছিলোঁ। কঁপিছিলোঁ। ভয়ত নহয়। আনন্দত। মোৰ বহু প্ৰতীক্ষাৰ অমূল্য সম্পদটো যেন হাতত পাইছো। সেই-খনেই যে আহোম ৰজাৰ গুপ্ত ৰাজকোষৰ গোপন মানচিত্ৰ সেই বিষয়ে মই তেতিয়া নিশ্চিত।

এখন পাহাৰ। পাহাৰখনৰ দক্ষিণ ফালৰ টিলাটোৰ ভিতৰলৈ সোমাই যোৱা এটা সুৰঙ্গৰ চিহ্ন। সুৰঙ্গটোৰ শেষত তিনিটা কোঠালীৰ এখন মান চত্ৰ। দুৰ্ব্বোধ্য ভাষাত কিবা কিবি লিখা। হৰফবোৰ পুৰণি অসমীয়া। কিন্তু বুজিব নোৱাৰি।

নকল এটা ৰাখি মানচিত্ৰখন নয়নমালাক ওভতাই দিলোঁ। আনন্দত নয়নমালাই কান্দি পেলালে। মোক সাৱটি ধৰিলে। চোৰে নিয়া ধন-সোণবোৰৰ কাৰণে নয়নমালাৰ যেন কোনো আক্ষেপ নাই। দুখ নাই। গুপ্ত মানচিত্ৰখন ওভতাই পাইছে। সেয়েই যথেষ্ট। থোকা-থুকি মাতেৰে নয়নমালাই কৈ উঠিল: ব্ৰহ্মবাণী ফলিয়াবই। এয়া শিলৰ ৰেখা। মই ভুল অনুমান কৰিছিলোঁ। মোক ক্ষমা কৰক। আজিৰ পৰা এই মানচিত্ৰৰ অধিকাৰিণী মই নহয়। আপুনি।

তাৰপিচত মোৰ আৰম্ভ হৈছিল আহোম ভাষাৰ অধ্যয়ন। এদিন দুদিনকৈ কেবা মাহো পাৰ হৈ গ'ল। মাহবোৰে বছৰৰ বুকুত জিৰণি বিচাৰি আগবাঢ়ি গ'ল। ইয়াৰ ভিতৰত নয়নমালাক মই লগ পোৱা নাই। একাদশ মাহৰ শেষ দিনা মোৰ সাধনা সফল হ'ল। মানচিত্ৰৰ লিখিত সকলোবোৰ নিৰ্দেশেই মোৰ পৰিষ্কাৰ হৈ গ'ল। ততাতৈয়াকৈ অসমীয়া ভাঙনি এটা লিখি উলিয়ালোঁ।

'পবিত্ৰ ইন্দ্ৰবংশী ৰাজসিংহাসনত কালিমা সানিবলৈ মানসেনা আগুৱাই আহিছে। নিৰাপত্তা বিহীন ৰাজ্যত আজি শত্ৰুৰ কিৰিলি আৰু নিৰীহ প্ৰজাৰ বুকু ভঙা কান্দোন। মই অসমৰ্থ ৰজা।

সিইতক ৰক্ষা কৰাৰ ক্ষমতা আজি মোৰ নাই। শত্ৰু সৈন্য ক্ৰমে ৰাজধানীৰ বুকুলৈ আগুৱাই আহিছে। আমাৰ পৰাজয় সুনিশ্চিত। দুই এদিনৰ ভিতৰতে আহোম ৰাজমুকুট শত্ৰুৱে কাঢ়ি নিব। কাঢ়ি নিব বংশৰ ৰক্ষাকৱচ। মই দুৰ্ব্বল হলেও জাতিদ্ৰোহী, বংশদ্ৰোহী হব নোৱাৰোঁ। বংশৰ নিৰ্ম্মূল কামনা কৰিব নোৱাৰোঁ। সেই কাৰণে শত্ৰু আহি ৰাজধানীৰ বুকুত সোমোৱাৰ আগে আগে ৰাজদণ্ড ৰাজমুকুট আৰু ৰক্ষা কৱচ গুপ্ত কোষাগাৰত লুকাই থৈ যাম। পৰাজয় নিশ্চিত ভাবি সজোৱা এই গুপ্ত কোষাগাৰত শত্ৰুৰ দৃষ্টিক ফাঁকি দি অক্ষত আৰু অস্পৰ্শ হৈ ৰ'ব আহোম ৰাজমুকুট আৰু ইন্দ্ৰবংশৰ ৰক্ষাকৱচ। শত্ৰুৱে হয়তো অধিকাৰ কৰিব। কিন্তু ৰাজধানী নহয়। এখন শূন্য মৰুভূমি। মাতৃভূমিৰ আশীৰ্ব্বাদ লৈ দেশ আকৌ স্বাধীন হব। পৰাক্ৰমী ইন্দ্ৰবংশী ৰাজসিংহাসনৰ পৰাক্ৰমে মূৰ ডাঙি উঠিব। তলৰ মানচিত্ৰখন মোৰ কাৰণে নহয়। ভৱিষ্যত বংশধৰ সকলৰ কাৰণে। যদি মোৰ জীৱন কালত অৰণ্যাবাসী লুপ্ত ৰাজগৌৰৱ পুনৰুদ্ধাৰ কৰিব নোৱাৰোঁ তেন্তে সেই দায়িত্ব লবলৈ সাজু হব লাগিব ভৱিষ্যত বংশধৰ সকলে। সেই সকলৰ কাৰণে থৈ গলোঁ এই মানচিত্ৰ। গুপ্ত কোষাগাৰৰ দ্বাৰ উন্মুক্ত কৰাৰ কৌশল 'লখিত ভাবে থৈ যোৱা নিৰাপদ নহয়। মৃত্যুৰ আগে আগে উত্তৰাধিকাৰী বংশধৰক মই শিকাই থৈ যাম সেই কৌশল। লুপ্ত সন্মান উদ্ধাৰ নোহোৱালৈকে বংশানুক্ৰমে তাৰ পুনৰাবৃত্তি চলিব। অন্যথাই সেই মৃতক মহাপাপত লিপ্ত হব। বংশ লোপৰ পাপত পচি মৰিব অনন্তকাল। ইতি—

—পুৰন্দৰ সিংহ। শক।

কোন সেই বংশধৰ? কোনে জানে গুপ্ত কোষাগাৰৰ বন্ধ-দ্বাৰ উদ্ঘাটনৰ কৌশল? নয়নমালাই?

'নয়নমণি, কোষাগাৰৰ দুৱাৰ মুকলি কৰাৰ কৌশল মোকো শিকাই দিয়া সোণ।' কৈছিলোঁ।

আশ্চৰ্য্যত নয়নমালা স্তম্ভিত হৈ গৈছিল। মোৰ মুখলৈ চাইছিল। তাৰ পিচত কৈ গৈছিল সেই গুপ্ত কৌশল।

লেখি চাই পাইছিলোঁ: ভৱিষ্যদ্বাণীত উল্লেখ কৰা এশ পঁচিশ বছৰ পূৰ হবলৈ আৰু মাথোঁন এবছৰ বাকী। নয়নমালাক কলোঁ। ভয়ত নয়নমালা চিঞৰি উঠিল। মোৰ দুয়োখন ভৰিত সাৱটি ধৰি কৈ গ'ল, মোক ৰক্ষা কৰক। অনন্ত নৰকত ডুবাই নামাৰিব। ৰক্ষা কৰক আহোম ৰাজবংশ। শিৱদলৰ কদ্ৰক সাক্ষী কৰি আমাৰ যুগ্ম জীৱনৰ অধিকাৰ লৈ আপুনি লুপ্ত গৌৰৱ উদ্ধাৰ কৰক। নহলে যে মই ৰবৈ নৰকত পচি মৰিব লাগিব।

নিশাৰ এন্ধাৰত নয়নমালা আৰু মই ঘৰৰ পৰা ওলাই গৈছিলোঁ। এন্ধাৰৰ মাজেৰে আগুৱাই গৈছিলোঁ। মাজনিশাৰ অন্ধকাৰত কদ্ৰক সাক্ষী কৰি নয়নমালাৰ ডিঙিত পিন্ধাই দিছিলোঁ পুষ্পমাল্য। নয়নমালাই দিছিল মোৰ ডিঙিত। তেতিয়া আমি নয়নমালা আৰু মই নহয়। পতি-পত্নী। আহোম ৰাজবংশৰ ভৱিষ্যত ৰক্ষা কৰ্ত্তা।

তাৰ পিচত ফুলশয্যাৰ পৰিবৰ্ত্তে আমাৰ আৰম্ভ হৈছিল অভিযাত্ৰা। অভিযান।

চৰাইদেউ পাহাৰৰ ওচৰত থমকি ৰলোঁ। মানচিত্ৰখন মেলি চালোঁ। আমাৰ দুয়োৰে হাতত একোপাত চিপ্ৰাং আৰু একোটা তিনি বেটাৰীৰ টৰ্চ লাইট। মানচিত্ৰখনে আমাক বাট দেখুৱাই দিলে। আমি গৈ লক্ষ্য স্থানত উপনীত হলোঁ। তেতিয়া পৃথিৱীত সুৰুযৰ চোকা ৰ'দ। নিশাৰ এন্ধাৰ বহুত আগতে আঁতৰি গৈছে। নিৰ্জ্জন পাহাৰেৰে ঘেৰা অৰণ্যৰ মাজত আমি মাথোঁন দুটি প্ৰাণী। মই আৰু মোৰ নয়নমণি। বুকুৰ মাজত দুক দুক কম্পন।

মানচিত্ৰৰ নিৰ্দ্দেশ মতে টিলাটোৰ পশ্চিম কোণৰ বননিবোৰ আঁতৰাই প্ৰশস্ত কৰি ললোঁ আমাৰ পথ। অলপ দূৰ যোৱাৰ লগে

লগেই আমাৰ চকুত পৰিছিল এছটা প্ৰকাণ্ড শিল। গাৰ সকলো শক্তি প্ৰয়োগ কৰি শিল ছটা আঁতৰাই দিবলৈ যত্ন কৰিলোঁ। কিন্তু আমাৰ চেষ্টা মিছা। সকলো আশা নিষ্ফল হৈ গ'ল। ক্লান্তি আৰু ব্যৰ্থতাৰ বেদনাত মই নয়নৰ মুখলৈ চাইছিলোঁ। নয়নে চাইছিল মোৰ চকুলৈ। আমাৰ দৃষ্টিয়ে যেন প্ৰত্যেকে প্ৰত্যেকক প্ৰশ্ন কৰিছিল: এতিয়া উপায়? আমি ভুল পথেৰে আহিছোঁ নেকি? ভৱিষ্যদ্বাণী তেন্তে মিছা?

হঠাতে মোৰ মনত পৰিছিল। শিল ছটাৰ পূব কোণত এটা বিন্ধা থকাৰ কথা। মই জুমি চাই পৰীক্ষা কৰাত ব্যস্ত হৈ পৰিলোঁ। লগে লগেই মোৰ চকুত পৰিল এটা বৰ্ত্তুলাকাৰ গাঁত। শতৰ চিপ্ৰাং এপাট বিন্ধাটোত সোমাই দি তললৈ হেঁচি দিয়াৰ লগে লগেই শৈলখাৰখন হুৰ হুৰকৈ মাটিৰ তললৈ সোমাই গ'ল। চকুৰ আগত জিলিকি উঠিল এটা অন্ধকাৰ সুৰঙ্গ। আনন্দত আমি উৎফুল্ল হৈ পৰিলোঁ। এয়া যেন আৰ্কিমিডিচৰ সূত্ৰ আৱিষ্কাৰৰ আনন্দ। নয়নমালাৰ হাতত খামুচি ধৰি টিপ চাকি জ্বলাই মই আগুৱাই গলোঁ। কিন্তু হঠাতে কি হ'ল? অলপ দূৰ যোৱাৰ পিচতেই বিকট চিঞৰ এটা মাৰি নয়নমালাই মোক সাৱটি ধৰিলে। নয়নমালা তেতিয়া কঁপিছে। মুখৰ ৰং হৈ পৰিছে পাণ্ডুৰ। কি হ'ল বুলি সোধাৰ আগতেই মোৰ চকুত প'ৰল এটা প্ৰকাণ্ড সাপ। ফণা মেলি আমালৈ চাই আছে। জাগ্ৰত প্ৰহৰীৰ দৰে আৱৰি আছে সুৰঙ্গৰ গোটেইটো পথ। মই অকণো বিচলিত নহলোঁ। টিপ চাকিৰ পোহৰ স্থিৰ কৰি চাই ৰলোঁ। এইটো মোৰ চিনাকি সাপ। মই চিনি পাওঁ। নামবৰ ছাবিত মোক গুপ্ত মানচিত্ৰৰ সন্ধান দি আঁতৰি গৈছিল। কলোঁ: ভয় নাই মণি। এয়া সাপ নহয়। আমাৰ বন্ধু। মোৰ প্ৰপিতামহ দেৱদত্ত। প্ৰণাম কৰা।

মই প্ৰণাম কৰিছিলোঁ। মোক অনুকৰণ কৰিছিল নয়নমালাই। তাৰ পিচ মুহূৰ্ত্তকে আমাৰ কাষেৰেই ধনুৰ শৰা এৰি দিয়া কাড়

এপাটৰ দৰে সুৰঙ্গটোৰ বাহিৰলৈ ওলাই গৈছিল সৰ্প ৰূপী দেৱদত্ত। মোৰ বিশ্বাসটোৱে হয়তো সঁচা। সেয়া প্ৰতিশোধ পৰায়ণ দেৱদত্ত।

আমি আগুৱাই গলোঁ। সম্মুখত এটা প্ৰকাণ্ড শিল। নয়নমালাই শিকাই থোৱা কৌশলৰে শিলটো ঠেলি দি সন্মুখৰ প্ৰতিবন্ধক মুকলি কৈ দলোঁ। টিপ চাকিৰ পোহৰত জিলিকি উঠিল শিলৰ দেৱালেৰে ঘেৰা এটা প্ৰকাণ্ড কোঠা। কিছুমান অস্ত্ৰ-শস্ত্ৰ বেৰৰ চাৰিওকাষে সজাই থোৱা আছে। যেন যোৱা কালিহে কোনোবাই সজাই থৈ গৈছে। ইমান পৰিপাটি। বিশ্বাস অবিশ্বাসৰ দোমোজাত মই যেন তেতিয়া মানুহ নহয়। মানুহ নামৰ আন এটা কিবা বিশেষ প্ৰাণী। শক্তি।

দ্বিতীয় শিলাখণ্ডটো আঁতৰোৱাৰ লগে লগে সম্মুখৰ দুৱাৰখন বেৰৰ গাত লুকাই পৰিল। এখন আহল বহল দুৱাৰ মুখ। এইটো কোঠা প্ৰথম কোঠাটোতকৈ যথেষ্ট ডাঙৰ আৰু নিমজ। দেৱালৰ কাষে কাষে সজাই থোৱা আছে আহোম ৰাজবংশৰ পূৰ্ব্ব পুৰুষ সকলৰ তৈলচিত্ৰ। তাৰ তলত পকা বেদীৰ ওপৰত সজাই থোৱা নিপুণ হাতৰ শাৰী শাৰী ভাস্কৰ্য্য। এইবোৰো মোৰ চিনাকি। আহোম বুৰঞ্জীৰ বিভিন্ন পৃষ্ঠাত দেখা ছবিৰ প্ৰতিমূৰ্ত্তি।

আমাৰ কাৰো মুখত মাত নাই। নিস্তব্ধ। বুকুৰ ঢপ্‌ঢপনি শব্দবোৰ আহি আমাৰ কাণত পৰিছে। বিশ্বাস অবিশ্বাসৰ পাতল ডাৱৰ মোৰ মনৰ আকাশৰ পৰা তেতিয়া সম্পূৰ্ণৰূপ আঁতৰি গৈছে। মই যেন ৰাজপুত্ৰ। বাহুত মোৰ অসীম শক্তি। আহোম ৰাজবংশৰ ৰক্ষা কৰ্ত্তা। অসমৰ ভৱিষ্যত একছত্ৰী সম্ৰাট।

অৱশেষত তৃতীয় কোঠালীৰ দুৱাৰ মুখত আমি গৈ থিয় হৈছিলোঁ। মানচিত্ৰত উল্লেখ কৰা ত্ৰিশূলৰ চিহ্ন এটা আমাৰ চকুত পৰিল। সোঁ হাতৰ আঙুলি এটাৰে ত্ৰিশূলৰ চিহ্নটোত টিপি দিয়াৰ লগে লগে সশব্দে ওপৰৰ পৰা নামি আহিল এহাত মান দীঘল এডাল লোৰ শিকলি। নয়নমালাই শিকলিডাল তললৈ টানি দিলে।

হঠাৎ যেন মোৰ মূৰত বজ্ৰপাত হ'ল। নয়নমালা মোৰ দৃষ্টিৰ পৰা আঁতৰি গ'ল। মই যেন চিৰদিনলৈ হেকৰাই পেলালোঁ চকুৰ দৃষ্টি। অন্ধ হৈ পৰিলোঁ। এটা তীব্ৰতৰ উজ্জ্বল পোহৰত চকু দুটা মোৰ মুদ খাই গ'ল। বোধহয় নয়নমালাৰো। মই খেপিয়াই চালোঁ। ওচৰত নয়নমালা।

চকুৰ পিৰিঠি দুটা পিহি চকু মেলি চালোঁ।

হে ভগবান! এয়া কি? এইবোৰ মই কি দেখিছোঁ?

আলিবাবাই চুৰ কৈ প্ৰৱেশ কৰা দুকুৰি ডকাইতৰ গুপ্ত গুহা নহয় তো? আশ্চৰ্য্যত মোৰ যেন অঠ কঠ শুকাই গ'ল। ইমান ধন। ইমান ঐশ্বৰ্য্য। মই সপোন দেখিছো নেকি? দিঠকৰ অস্তিত্ব প্ৰমাণ কৰিবলৈ মই নিজেই মোৰ চুলিত টানি দিছিলোঁ। সন্দেহ দূৰ হৈ গ'ল। সপোন নহয়। দিঠক। কোঠাটোৰ সোঁ মাজত এখন পালেং। সোণৰ। তাৰ ওপৰত সজা এটা বেদীত এখন ৰাজসিংহাসন আৰু সেই সিংহাসনৰ সোঁ মাজত এটা ৰাজমুকুট। হীৰা খটোৱা মুকুটটোৰ পৰাই বিচ্ছুৰিত হৈ চিটিকি পৰিছে তীব্ৰতৰ পোহৰ। হেজাৰ নিয়ন লাইটৰ উজ্জ্বলতা। নয়নমণিয়ে ফুচফুচাই উঠিল ৰক্ষা কৱচ ক'ত?

বেৰত ঠেকা খাই প্ৰতিধ্বনিত হ'ল প্ৰেতাত্মাৰ বিশাল কণ্ঠৰ এটা ঘেৰ ঘেৰণি। 'ৰক্ষা কৱচ ক'ত?'

মোৰ তেতিয়াহে যেন মনত পৰিল আমাৰ অভিযানৰ উদ্দেশ্য। কোঠাটোৰ চাৰিওফালে আকুল উদ্‌বিগ্নতাৰে ৰক্ষা-কৱচ বিচাৰি আমি হাবাথুৰি খালোঁ। কিন্তু ৰক্ষা কৱচ নাপালোঁ। ৰক্ষা কৱচ নাই। সাঁচিপাতত পঢ়া কথাষাৰলৈ মনত পৰিল। ব্ৰাহ্মণ দেৱদত্ত ফেটী সাপ হৈ জীয়াই থাকিব। 'মৃত্যুৰ জাগ্ৰত প্ৰহৰীৰ দৰে মই ঘূৰি ফুৰিম জাহ্নবীৰ আশে পাশে।'

কিন্তু এয়াতো গুপ্ত হেৰেম নহয়। ইয়াততো জাহ্নবীয়ে শেষ নিশ্বাস ত্যাগ কৰা নাই? তেন্তে ইয়াত ফেটী সাপটো কিয়?

এয়া গুপ্ত কোষাগাৰ। তেন্তে কন্যাৰ অপমানৰ পোতক তুলিবলৈ সৰ্পৰূপ লৈ দেৱদত্তই লৈ গ'ল ৰক্ষা কৱচ? তেন্তে এই গুপ্ত কোষাগাৰতে আমি সাৱটি লব লাগিব মৃত্যুক। আহোম ৰাজবংশৰ ছুহিতাক জীয়াই জীয়াই কবৰ দি দেৱদত্তই প্ৰতিশোধ লব ব্ৰাহ্মণ-কন্যাৰ গাত সানি দিয়া কলঙ্কৰ?

ভয়ত মই শিহঁৰি উঠিলোঁ। বিবৰ্ণ হৈ গ'ল মোৰ মুখ মণ্ডল। কব খুজিছিলোঁ° ৰক্ষা কৱচ নাই নয়নমালা। আমাৰ মৃত্যু অনিবাৰ্য্য। যদি পাৰোঁ নিজক উদ্ধাৰ কৰাৰ চেষ্টা কৰোঁ আহা। ৰক্ষা কৱচ ৰূপান্তৰ দেৱদত্তই লৈ গুচি গৈছে। ব্যৰ্থ শ্ৰম কৰি মৃত্যুক সাৱটি লোৱাৰ কোনো অৰ্থ নাই। ৰক্ষা কৱচৰ আশা এৰি পেলোৱা।

কিন্তু কব নোৱাৰিলোঁ। অষ্ঠ কণ্ঠ যেন মোৰ শুকাই গৈছিল। সুথন অদৃশ্য শক্তিশালী হাতৰ চেপাত মই বাক ৰুদ্ধ হৈ পৰিছিলোঁ।

ৰাজবংশৰ ধ্বংস অৱশ্যম্ভাবী। আমাৰ মিলনৰ শেষ পৰিণতি হব এখন বিয়োগান্ত নাটক। নয়নমালাক আজুৰি আনি বাহিৰলৈ ওলাই আহিব খুজিছিলোঁ। কিন্তু নয়নমালা আগুৱাই গ'ল মোৰ স্পৰ্শৰ আঁতৰলৈ। যন্ত্ৰচালিতৰ দৰে ময়ো আগুৱাই গলোঁ। ভাৱঃ নয়ন-মালাক লৈ এক মুহূৰ্ত্তও পলম নকৰি আঁতৰি যাম। ওলাই যাম এই মৃত্যু গুহাৰ পৰা। কিন্তু নয়নমালাক আজুৰি অনাৰ পৰিবৰ্ত্তে কি ভাবি জানোঁ বেদীৰ ওপৰৰ পৰা ৰাজমুকুটটো মই হাতত তুলি ললোঁ।

"পাইছে, পাইছোঁ বঙহৰদেউ। এয়া ৰক্ষা কৱচ। হীৰাৰ চিটি পটি।"

"নয়নমালালৈ উভতি চালোঁ। ৰাজমুকুটৰ তলত লুকাই থোৱা হীৰাৰ ৰক্ষা কৱচটো হাতত লৈ তন্ময় হৈ পৰা নয়নমণি যেন নয়নমণি নহয়। এজনী অপৰূপা অপ্সৰী। স্বৰ্গৰ দেৱী। তাৰপিচতে সেই চিটি পটিধাৰ মূৰৰ ওপৰলৈ তোলাৰ লগে লগেই মৃত্যুৰ যন্ত্ৰণা কাতৰ আৰ্ত্তনাদ এটা ভাঁহি আহি মোৰ কাণত পৰিল।

ইকি? নয়নমণিৰ গলত যেনেকৈ ধৰি চকুত দংশন কৰিবলৈ ফেঁট তুলি বৈ থকা এই ধাৰটো চিটি পটি নহয়। ৰক্ষা কৱচ নহয়। এটা ক্ৰোধমত্ত সাপ। মৃত্যুৰ জীয়া যম। কিংকৰ্ত্তব্য বিমূঢ় হৈ হাতৰ ৰাজমুকুটটো দলিয়াই পেলাই সাপটো আজুৰি আনিব খোজোঁতেই ৰৰফৰ দৰে শীতল বজ্ৰ এডালে মোৰ দুয়োখন ভৰিত যেনেকৈ পেলালে। অক্টোপাচৰ দৰে মোক বান্ধি পেলাইছে। তাৰ পিচত এটা অদৃশ্য শক্তিয়ে মোক যেন এটাৰ পিচত আন এটা কোঠা চোঁচৰাই বাহিৰলৈ টানি লৈ আহিল। অপৰাজেয় শক্তিৰ আকৰ্ষণত কোঠাবোৰ পাৰ হৈ অহাৰ লগে লগে কাণত পৰিল সশব্দে লোৰ দুৱাৰবোৰ বন্ধ হৈ গৈছে। ভিতৰৰ পৰা ভাঁহি আহিছে দুৱাৰত কৰাঘাত কৰাৰ শব্দ আৰু নয়নমণিৰ মৃত্যু আৰ্ত্তনাদ। মই তেতিয়া আৰু মই হৈ থকা নাই। অন্ধকাৰ খোটালী দুটা আৰু অন্ধকাৰ সুৰঙ্গ টাৰ প্ৰায় আধাখিনি পাৰ হৈ অহাৰ পিচত সুৰঙ্গটোৰ ভিতৰলৈ সোমাই যোৱা দিনৰ ক্ষীণ পোহৰত দেখিলোঁ মই অৱৰুদ্ধ। শক্তিশালী সাপটোয়ে মোক যেনেকৈ বাহিৰলৈ টানি লৈ আহিছে। মুখেৰে কামুৰি লৈ আহিছে হীৰাৰ চিটি পটি ধাৰ। মূৰটো আচন্ন্ৰাই কৰি দিলে। চকুৰে অন্ধকাৰ দেখিলোঁ। সৰ্ব্বাঙ্গ শৰীৰ মোৰ অৱশ হৈ আহিল।

তাৰ পিচত মই আৰু কব নোৱাৰোঁ।

যোৱা নিশা এটা ভয়লগা সপোন দেখি ৰাতিপুৱা সাৰ পাইছিলোঁ। কিন্তু এয়া কি হ'ল? মই ক'ত? নয়নমণি ক'লৈ গ'ল? সকলো কথা মোৰ মনৰ মাজত জিলিকি উঠিল। নয়নমণিৰ উদ্ধাৰৰ বাবে মই ব্যস্ত হৈ পৰিলোঁ।

কিন্তু মই ইমান দূৰ পালোঁহি কেনেকৈ? এয়া কেনেকৈ সম্ভৱ হ'ল? জনপূৰ্ণ গুৱাহাটী চহৰলৈ কোনে মোক কঢ়িয়াই আনিলে? সেই সাপটোয়ে?

যদি মই শুনা কথাবোৰ সঁচা হয় তেন্তে মোক চেতনা কিয়াই দিলা কিয় ভগবান? মোক চিৰদিন উন্মাদ কৰি নাৰাখিলা কিয়? এতিয়া গান্তকক মই জীয়াই জীয়াই কবৰ দি আছিছোঁ। মোকে বিশ্বাস কৰি, আশ্ৰয় কৰি এজনী নিৰপৰাধী সৰল গাভকৰে যাত্ৰা কৰিছিল— অভিযান। জীৱনৰ। যৌৱনৰ।

জাতীয় প্ৰেমৰ বলিশালত নয়নমালা বলি হ'ল? বংশৰ লুপ্ত গৌৰৱ উদ্ধাৰৰ আশাই ৰচনা কৰি গ'ল নয়নমালাৰ জীৱন্ত সমাধি।

আঠ বছৰ আগতে এদিন জ্ঞান হেৰুৱাই মই উন্মাদ হৈছিলোঁ। তাৰ পিচত আকৌ জ্ঞান ফিৰাই পালোঁ। বিকাৰগ্ৰস্ত মস্তিষ্ক সুস্থ হৈ পৰিল। কিন্তু মই জ্ঞান ফিৰাই নোপোৱা হলে জানো ভগবানৰ কিবা লোকচান হ'লহেঁতেন?

বুকুৰ মাজত উদগাৰিত জ্বালামুখী এটা চেপি ৰাখি কথাবোৰ শুনিছিলোঁ। মামীদেৱে কৈ গৈছিল:

'আঠ বছৰ আগতে। মোমাইদেৱেৰাই খবৰ পালে তুমি যোৰহাট চিকিৎসালয়ত অচেতন হৈ পৰি আছা। আমাৰ বিশ্বাস নহ'ল। সেয়া কেনেকৈ সম্ভৱ হব পাৰে? তুমি কলিকতাত অধ্যাপনা কৰা। তেনেস্থলত যোৰহাট চিকিৎসালয়ত অজ্ঞান অৱস্থাত তোমাক দেখা বুলি কলে সকলোৰে অবিশ্বাস্য যেন লাগিব। কিন্তু মোমাইদেৱেৰাৰ বন্ধুজনে নদি কলে. সেইজন তুমিয়েই। আন কোনো নহয়। উৎকণ্ঠা, শঙ্কা আৰু বিশ্বাস অবিশ্বাসৰ খু-হুৱনি লৈ মোমাঃদেৱেৰা গৈ যোৰহাট পালে।

তাৰ পাচত আৰু অবিশ্বাসৰ প্ৰশ্ন নুঠে। তুমিয়েই সেইজন। অচেতন অৱস্থাত বাৰে বাৰে চিঞৰি উঠিছা: সাপ। ৰক্ষা কৰচ। নয়নমণি। উদ্ধাৰ ইত্যাদি। তাৰ পিচত আকৌ শান্ত। মোমাই দেৱেৰাই বাৰে বাৰে তোমাক প্ৰশ্ন কৰিছিল: তুমি কলিকতা এৰি আহিছিলা কিয়? চৰাইদেউ পাহাৰৰ ওচৰলৈ গৈছিলা কিয় আৰু কেতিয়া? কিন্তু তোমাৰ পৰা কোনো উত্তৰ নাপালো। কলেজ

কৰ্তৃপক্ষৰ ওচৰত খবৰ লৈ গম পালো তুমি হেনো চাকৰি ইস্তাফা দি কেতিয়াই গুচি আহিছিলা।

মানুহে কলে তুমি উন্মাদ হ'লা। কিন্তু উন্মাদৰ কোনো লক্ষণ নাই। কান্দো কান্দো চকু হালিবে ঘৰৰ চুকত সদায় কিবা ভাবি মন মাৰি বহি থাকা। এটা অস্বাভাৱিক মানুহ।

আজি তিনি দিন আগত। সন্ধিয়া। চোতালৰ শেৱালি জোপাৰ তলতে বহি আছিলা। মই উমানন্দৰ পৰা শিৱৰাত্ৰিৰ মেলা চাই ঘৰলৈ উভতি আহিছোঁ। হঠাতে তুমি চিঞৰি উঠিলা নয়নমালা।

তাৰ পিচত তোমাৰ মুখত মাত নাই। মই লৰালৰিকৈ ভিতৰৰ পৰা ওলাই আহিলোঁ। তোমাক দেখি ভয়ত শিহঁৰি উঠিলোঁ। কি কৰিম একো ভাবি নাপাই ময়ো চিঞৰি উঠিছিলোঁ। কিজানি। এটা কেটী সাপে তোমাক মেৰাই লৈ কপালত এবাৰ ছুবাৰ কৈ তিনিবাৰ খুটিয়াই ফণা তুলি ৰ'ল। তুমি মূৰ্চ্ছিত হৈ চকি খনতে ঢলি পৰিলা। মই কোঁপাইছিলোঁ। ভয়ত। বিমূঢ়তাত।

অৱশেষত লাহে লাহে সাপটো আঁতৰি গ'ল। ওচৰৰ দালান-টোৰ ভগা দেৱালখনৰ ফাঁকেৰে সোমাই গ'ল। মোমায়েৰা তেতিয়া ঘৰত নাছিল। বিবুদ্ধি হৈ হাজৰিকাক মাতিব খোজোতেই তুমি চকু মেলি মোলৈ চালা। তুমি যেন মোক চিনি পোৱা নাই। কিন্তু কেতিয়াবা কৰবাত দেখিছিলা। পাহৰি গৈছা। মই মাতিছিলোঁ: অনিমেষ।

'মামীদেউ, পানী এগিলাচ খুৱাবি?' কৈছিলা।

মই আচৰিত হলোঁ। নিজৰ কাণ দুখনকে বিশ্বাস কৰিব নোৱাৰিলোঁ। লৰালৰিকৈ আনি দিছিলোঁ এগিলাছ গাখীৰ।

তেতিয়াৰ পৰা তুমি আকৌ আগৰ সেই অনিমেষ হৈ উঠিলা। বাৰু কোঁৱাচোন অনিমেষ, তোমাৰ কি হৈছিল? চাকৰি এৰি কলিকতাৰ পৰা কেলেই গুচি আহিছিলা? চৰাইদেউ পাহাৰৰ ওচৰলৈ কেলেই গৈছিলা? নয়নমালা কোন বাৰু?

মোৰ বুকু ভাঙি বৈ আহিব খুজিছিল চকুলোৰ চল। কোনোমতে চেপি ৰাখি কৈছিলোঁ: মোৰতো একো মনত নপৰে মামীদেউ। মই একো নাজানোঁ। এটা মিছা কথা। মামীদেউহঁতে হয়তো তাকেই বিশ্বাস কৰিলে।

মানুহে জানিছিল মই উন্মাদ আছিলোঁ। ভাল হলোঁ। কিন্তু মই নিজে জানিলোঁ মই আগতে উন্মাদ নাছিলোঁ। স্মৃতিশক্তি হেৰুৱাই যোৱা আঠ বছৰে শান্তিতে আছিলোঁ। উন্মাদ হলোঁ এতিয়া। সঁচাকৈয়ে মই উন্মাদৰ দৰেই ঘূৰি ফুৰিলোঁ। কেৰা বাৰো চৰাইদেউ পাহাৰলৈ গলোঁ। কিন্তু নয়নমণিয়ে মোকে অপেক্ষা কৰি উশাহ নিশাহ বন্ধ হৈ যিটো সুৰঙ্গত মৃত্যুক আঁকোৱালি ললে সেই সুৰঙ্গটো নাই। পাহাৰখন বহুত তললৈ বহি গৈছে। মানুহে কলে. কেইবছৰ-মান আগতে হোৱা প্ৰকাণ্ড ভুইকঁপৰ জোকাৰণিত চৰাইদেউ পাহাৰখন ভূ-গৰ্ভৰ বহুত তললৈ সোমাই গল।

নয়নমণিৰ সমাধিটো মই চিনি পাওঁ। কিন্তু অসহায়। নিৰুপায়। নয়নমণিক উদ্ধাৰ কৰাৰ কোনো উপায় নাই। চৰকাৰৰ ওচৰত বহুবাৰ অনুৰোধ কৰিলোঁ টিলাটো খান্দিবলৈ যেন মোক অনুমতি দিয়ে। কিন্তু নিদিলে। মোৰ অনুমান হৈছিল মোৰ শ্বাস ৰুদ্ধ হৈ যাব। ভাবিলোঁ জীয়াই থকাৰ আৰু প্ৰয়োজন কি? সিদ্ধান্ত ললোঁ মই আত্মহত্যা কৰিম। কিন্তু শেষ মুহূৰ্ত্তত আত্মহত্যা কৰিব নোৱাৰিলোঁ। মই আত্মহত্যা কৰিম কিয়? আত্মহত্যা মই কৰিব নোৱাৰোঁ। কিয়নো মোকে অপেক্ষা কৰি নয়নমালা বৈ আছে। বৈ আছে নয়নমণিৰ অশান্ত আত্মাই। মই বিশ্বাসঘাটক নহয়। হব নোৱাৰোঁ। যেনেকৈ হওঁক নয়নমালাক মই এদিন উদ্ধাৰ কৰিমেই। মৃত্যুৰ আগ মুহূৰ্ত্তত হলেও নয়নমণিৰ কঙ্কালটো মই এবাৰ বুকুৰ মাজত সাৱটি ধৰিম। কম: মই তোমাক পাহৰি যোৱা নাই সোণ। জীয়াই আছোঁ। দিনৰ পিচত দিন অপেক্ষা কৰিছিলোঁ তোমাৰ উদ্ধাৰৰ মুহূৰ্ত।

অৱশেষত ব্যৰ্থ মনোৰথ হৈ নয়নমণিৰ কবৰত শেষ চকুলো পেলাই এদিন ভাৰতৰ বাহিৰলৈ গলোঁ। তাৰ° প্ৰত্নতত্ত্বৰ কিবা কিবি শিকি আহিম। চৰকাৰক বাধ্য কৰাম মোৰ অনুৰোধ ৰক্ষা কৰিবলৈ। প্ৰত্নতাত্ত্বিক হিচাবে চৰকাৰক উপদেশ দিম ভূগৰ্ভ খননৰ।

কিন্তু সকলো আশা মোৰ নিষ্ফল হৈ গ'ল। ব্যৰ্থ হৈ গ'ল অ'ত দিনৰ চেষ্টা আৰু অধ্যয়ন। জীৱনৰ একমাত্ৰ আকাঙ্ক্ষা মোৰ পূৰণ নহল। কেবা বছৰো অধ্যয়ন আৰু গবেষণা কৰি অহাৰ পিচতো চৰকাৰৰ অনুমতি নাপাই মই হতাশ হৈ পৰিলো। নিৰুপায় হৈ নয়নমণিৰ কবৰলৈ সজল দৃষ্টিৰে চাই অপেক্ষা কৰি ৰলো মৃত্যুক। বাৰে বাৰে ক্ষমা খুজলো. মোক ক্ষমা কৰা নয়নমণি। মই অসহায়। দুৰ্ব্বল। কিন্তু বিশ্বাসঘাটক নহয়।

মলিন্ডি যোৱা আশা। ভাঙি পৰা মন। দিনবোৰ তেনেকৈয়ে মোৰ বাগৰি গ'ল। মৃত্যু-মুহূৰ্ত্তৰ অপেক্ষাত মই জীয়াই থাকিলো। কিন্তু এটা ক্ষীণ আশাই তেতিয়াও মনৰ মাজত উমনি দিছিল: জানোচা মোৰ কামনা পুৰণ হয়েই।

তাৰ পিচত এদিন বাৰ্তাৰকাকতত এটা খবৰ প্ৰকাশ হ'ল। পদ্ম বৰুৱাৰ প্ৰথম পুত্ৰ অলকেশ বৰুৱা ভূ তত্ত্বৰ উচ্চ শিক্ষাৰ্থে বিদেশলৈ যাত্ৰা কৰিছে। খবৰটো পঢ়ি মলিন্ডি যোৱা আশাটো চোন মোৰ পুনৰ ঠন ধৰি উঠিল। এটা অধীৰ উত্তেজনাৰে পদ্ম বৰুৱাৰ ওচৰলৈ গলোঁ।

দিনৰ পিচত দিন অপেক্ষা কৰিছিলোঁ অলকেশৰ প্ৰত্যাগমন। অস্থিৰ মন। চঞ্চল কামনা। হেৰা পোৱাৰ দুৰ্ব্বাৰ আকাঙ্ক্ষা। দিনবোৰ যুগ হৈ পাৰ হৈ গৈছে। বছৰবোৰ যেন একো একোটা শতাব্দী। কোনে জানো অলকেশ কেতিয়া ফিৰি আহিব? কোন দিনা দিনৰ পোহৰত মুক্ত বতাহ লৈ মোৰ নয়নমণিৰ কঙ্কালে উশাহ লব?

নয়নমণি। মই তোমাক পাহৰি যোৱা নাই সোণ। মই মৰিব নোৱাৰো। তোমাক উদ্ধাৰ কৰিব নোৱাৰালৈকে মৃত্যু মোৰ নহয়।

হৃমুনিয়া বৈ আছিল। কিতাপৰ পাণ্ডুলিপিটো বন্ধ কৰি খিৰিকীৰে দূৰলৈ চাই পঠিয়ালোঁ। মোৰ অৱচেতন মনৰ চকুৰ আগত জিলিকি উঠিল অধ্যাপক ভট্টাচাৰ্য্য, নয়নমালা আৰু গুপ্ত সুৰঙ্গটোৰ শেষত অৱস্থিত কোঠালী তিনিটা। মোৰ অনুমান হৈছিল, সেইটো যেন অধ্যাপক ভট্টৰ কাহিনী নহয়। মোৰ কাহিনী। নয়নমালা মোৰ নয়নমণি। উদ্ধাৰৰ আশাত মোলৈকে অপেক্ষা কৰি বৈ আছে।

কেইদিনমানৰ ছুটী লৈ শিলং এৰি সিদিনাই শিৱসাগৰলৈ যাত্ৰা কৰিলো। পিচদিনা মানুহক সুধি মে'ল চৰাইদেউ পাহাৰ পালোগৈ। এয়াতো চৰাইদেউ পাহাৰ নহয়। নয়নমালাৰ বহু আশা আকাঙ্খাৰে ভৰা আত্মাৰ নিৰ্বাণৰ স্থল অধ্যাপক ভট্টাচাৰ্য্যৰ আজীৱন সাধনা আৰু কামনাৰ শেষ বিন্দু। পৱিত্ৰ তীৰ্থ স্থান।

বন্ধুৱা, তুমি নকৈ খন্দা পৰ্ব্বতাকৃতিৰ মাটীৰ পিৰমিডবোৰৰ মাজেৰে আগুৱাই গলো। বিভাগীয় দায়িত্বশীল কৰ্ম্মচাৰীজনক লগ ধৰিলো। এজন ভদ্ৰ, অমায়িক ব্যৱহাৰেৰে শুৱনি ডেকা। চকুত আশা আৰু বুদ্ধিমত্তাৰ চাৱনি। মোৰ উদ্দেশ্যটো শুনি কৰ্ম্মচাৰী জনে কৈছিল

চাওক মি বৰুৱা আন মানুহ সুৰঙ্গৰ ভিতৰলৈ যোৱাৰ অনুমতি নাই। কিন্তু আপোনাৰ আগ্ৰহত মই কেতিয়াও চেষ্টা পানী নাঢালো। কিন্তু চাব কি ? চাব লগীয়া কিটো আছে ? সুৰঙ্গৰ ভিতৰত এটা কিয় হেজাৰটা সাপৰ জঁপা পোৱাটো একো আচৰিত বা অস্বাভাৱিক নহয়। অৱশ্যে হাৰাৰ হাৰধীৰৰ আবিষ্কাৰে মানুহৰ মনত কৌতুহল জন্মাইছে। জন্মোৱাটো স্বাভাৱিক।

'সুৰঙ্গটোৰ শেষত কি পালে ?'

'একো নাই। এটা প্ৰকাণ্ড শিল।'

'নিশ্চয় নহয়। আকৌ আছে। সেইটো আহোম ৰজাৰ গুপ্ত কোষাগাৰ। সুৰঙ্গটোৰ শেষত নিশ্চয় ৰাজকোষ এটা পোৱা যাব।' কৈছিলো। বিষয়াজনে কিন্তু বিশ্বাস কৰা নাছিল।

অৱশেষত হাঁহি হাঁহি কৈছিল' কাইলৈ বাৰু আপোনাক লৈ যাম। গুপ্ত কোষাগাৰটো আপুনিয়েই উদ্‌ঘাটন কৰিব। আমি চাম

অস্থিৰ উদ্‌বিগ্নতা এটাৰ মাজেৰে দিনৰ পোহৰলৈ মই অপেক্ষা কৰি ৰলো। ফুলশয্যাৰ ৰাতি এজন স্বামীয়ে সদ্যবিবাহিতা পত্নীৰ আগমনলৈ অপেক্ষা কৰাতকৈও মই যেন বেছি অধীৰ হৈ পৰিছিলো। উৎকণ্ঠিত হৈ পৰিলো ৰাতিটো যেন বৰ দীঘল। শেষেই নহব। কিবা এটা উন্মাদনাত মই অধৈৰ্য্য হৈ পৰিছিলো। ভাগৰি পৰিছিলো।

বহু অপেক্ষিত সেই মুহূৰ্ত্তটো অৱশেষত আহি উপস্থিত হ'ল। বিষয়াজনক চিপ্ৰাং এখন আৰু এটা পেট্ৰ'মাক্স যোগাৰ কৰিবলৈ কলো।

'কেলেই? আমাৰ লগত বন্ধুৱা নাথাকিব জানো?'

মই একো নামাতিলোঁ।

সুৰঙ্গটোৰ মাজেৰে আমাৰ যাত্ৰা আৰম্ভ হ'ল।

মোৰ তেতিয়া কেনে লাগিছিল কব নোৱাৰোঁ। মই যেন মই নহয়। অদৃশ্য শক্তি এটাৰ স্পৰ্শত মই সম্মোহিত হৈ পৰিছো। সুৰঙ্গটো তেতিয়া আৰু সুৰঙ্গহৈ থকা নাই। মুকুলি আকাশৰ তলত সমানকৈ খান্দি পেলোৱা এখন পথাৰ কিন্তু সুৰঙ্গৰ চিন টো তেতিয়াও আছে। বিষয়াজনে সাপৰ জঁকা আৰু হাৰধাৰ পোৱা ঠাইখিনি দেখুৱাই দিলে।

আমি থমকি ৰৈছিলো। আমাৰ সন্মুখত এটা প্ৰকাণ্ড শিল। সুৰঙ্গটো তাতেই শেষ হৈছে। বিষয়াজনে মোক বাট দেখুৱাই লৈ গৈছিল। আমাৰ পিচত তিনিজন তলতীয়া কৰ্ম্মচাৰী আৰু কেইজনমান বন্ধুৱা। দুজন বন্ধুৱাৰ হাতত দুটা জ্বলন্ত পেট্ৰ'মাক্স। দিনৰ পোহৰত পেট্ৰমাক্সৰ পোহৰটো বৰ নিস্প্ৰভ দেখা গৈছিল। বাকীবোৰ বন্ধুৱাৰ হাতত কোৰ, বল্ডাৰ আদি শিল ভঙা অস্ত্ৰ। এজনৰ হাতত এখন চিপ্ৰাং। শিলটোৰ গাত কিবা এটা পৰীক্ষা কৰিব খোজোতেই চকুত পৰিল এটা বিন্ধা। উৎসাহিত হৈ বন্ধুৱা এজনৰ হাতৰ পৰা চিপ্ৰাং এপাট আনি বিন্ধাটোত সুমুৱাই হেঁচি দিয়াৰ

লগে লগে শিলটো আঁতৰি গ'ল। মুকলি হৈ পৰিল এখন দুৱাৰ। বিষয়া আৰু বন্ধুৱা আটাইবোৰে মোৰ মুখলৈ আচৰিত হৈ চাই ৰ'ল।

আমি আগুৱাই গলোঁ। শিলৰ বেৰেৰে ঘেৰা এটা কোঠা। ভট্টাচাৰ্য্যই বৰ্ণোৱাৰ দৰে হুবহু একে। কোঠাটো যেন মোৰ চিনাকি। এখোজ দুখোজকৈ মই আগুৱাই গলোঁ। অনুসৰণকাৰী দলটো কোঠাটোত সজাই থোৱা অস্ত্ৰ-শস্ত্ৰবোৰ মুগ্ধ নেত্ৰে চোৱাত ব্যস্ত। চকু মুখত আশ্চৰ্য্য বিহ্বল দৃষ্টি।

দ্বিতীয় কোঠাৰ দুৱাৰখনো উন্মুক্ত কৰি ললোঁ। আমাৰ কাৰো মুখত মাত নাই। আশ্চৰ্য্য, ভয় আৰু কিবা এটা কৌতুহলত মোৰ বুকুখন কঁপিছিল। কোঠাটোৰ ছবি আৰু ভাস্কৰ্য্যবোৰ দেখি বিষয়া আৰু বন্ধুবাবোৰ তন্দ্ৰাভূত হৈ পৰিছিল। ব্যস্ততা আৰু আকুল উৎকণ্ঠাৰে মই আগুৱাই গৈছিলোঁ তৃতীয় কোঠালীটোৰ দুৱাৰ মুখলৈ। তাতেই লুকাই আছে স্বৰ্ণমুকুট আৰু নযনমালাৰ লঘু কঙ্কাল।

তৃতীয় কোঠাটোৰ দুৱাৰ মুখত থিয হৈ মই ঘন ঘনকৈ উশাহ লৈছিলোঁ। ত্ৰিশূলৰ চিহ্নটো চকুত পৰিল। হাতখন আগুৱাই নিও আকৌ কোচ খুৱাই আনিলোঁ। কিবা এটা শঙ্কাত দুৰ্ব্বল হৈ পৰিলোঁ। কোনে জানে মোৰ সমাধি কিজানি মই নিজেই খান্দিবলৈ ওলাইছো।

ত্ৰিশূলৰ চিহ্নটোত হেঁচি দিলেই দুৱাৰখনৰ পৰা ওলমি পৰিব এডাল লোৰ শিকলি। শিকলি ডাল টানি দিলেই দুৱাৰ খন উন্মুক্ত হৈ যাব। অধ্যাপক ভট্টাচাৰ্য্যৰ দৰে মোৰো চকুত চাট্‌মাৰি ধৰিব এটা তীব্ৰ উজ্জ্বল পোহৰে। তাৰ পিচত ?

মোৰ অজ্ঞাতেই সোঁ হাতৰ আঙুলি এটা গৈ ত্ৰিশূলৰ চিহ্নটোত হেঁচি দিছিল। তাৰ পিচত ওলাই অহা লোৰ শিকলি ডাল মই টানি দিছিলোঁ।

কিন্তু ক'তা ? ভট্টাচাৰ্য্যই বৰ্ণোৱাৰ দৰে কোনো উজ্জ্বল পোহৰ আহি মোৰ চকুত নালাগিল। তেন্তে এইটো খোটালী নহয় নেকি ?

আশা নিৰাশা আৰু অজান আশঙ্কা এটা লৈ এখোজ দুখোজকৈ আগুৱাই গলোঁ।

এইটোও মোৰ চিনাকি কোঠা। কোঠাটোৰ মাজ মজিয়াত এখন পালেং। তাৰ ওপৰত সজা বেদীৰ ওপৰত এখন ৰাজ সিংহাসন। পালেংখনৰ ওপৰত বহুতো অলংকাৰ। অনুজ্জ্বল। নিষ্প্ৰভ। সেইবোৰ যেন সোণ আৰু হীৰাৰ নহয়। সস্তীয়া পিতল আৰু ভগা কাঁচৰ।

কিন্তু স্বৰ্ণমুকুট ক'ত? নয়নমালাৰ কঙ্কাল? একোৱেই মোৰ চকুত নপৰিল। উন্মাদৰ দৰে কোঠাটোৰ চাৰিওকালে মই ঘূৰি ফুৰিলোঁ। চিনাকি কিবা এটাৰ সন্ধানত উদ্‌বিগ্নহৈ পৰিলোঁ।

নয়নমালাই যেন্তে ইয়াত শেষ নিশ্বাস ত্যাগ কৰা নাই? দ্বিতীয় কোঁঠাটোলৈ দৌৰি ওলাই আহিলোঁ। তন্ন তন্নকৈ বিচাৰিলোঁ। কিন্তু সকলো আশা মোৰ নিস্ফল হৈ গ'ল।

ভয় শঙ্কা আনকি উশাহ লবলৈও তেতিয়া মই পাহৰি গৈছোঁ। এটা বোবা বেদনাত হতাশ হৈ পৰিছো। নিশ্চিত কিবা এটা পোৱাৰ আশা হেৰুৱাই আনমনা হৈ পাৰছো। ব্যৰ্থতাৰ দুৰ্ব্বলতাত ভাগৰি পৰিছোঁ। তাৰ পিচত লাহে লাহে আকৌ তৃতীয় কোঠালীটোলৈ সোমাই আহিলোঁ। বিষয়া আৰু বন্ধুৱা সকল যেন প্ৰস্তৰ মূৰ্ত্তি। কাৰো মুখত মাত নাই। চকুত তন্ময় দৃষ্টি।

হঠাৎ চকুত পৰিল কোঠাটোৰ দক্ষিণ কোণত কিবা এটা পৰি আছে। লৰি গৈ ওচৰ পালোঁ। তাৰ পিচত মোৰ মুখেৰে অজ্ঞাতেই বাহিৰ হৈ আহিল নয়নমালা।

কঙ্কালটো দাঙি তুলিব খোজতেই চকুত পৰিল এটা ৰাজ মুকুট। কিন্তু ৰাজমুকুটটো তুলি লোৱাৰ আগ্ৰহ মোৰ নহল। কঙ্কালটো তুলি লোৱাৰ লগে লগে মোৰ দুচকুৰে জৰজৰকৈ বৈ আহিল চকুলো।

তাৰ পিচত ?

শেষ নোহোৱা বাট চোৱাৰ ক্লান্তিৰ শেষত পিচদিনা আবেলি আহি গুৱাহাটী পাইছিলোঁ। হাতৰ চুটকেচটো থৈয়েই অধ্যাপক ভট্টৰ

ওচৰলৈ যাম বুলি পুলকেশক বিচাৰিলোঁ। ভট্টৰ ঘৰটো মই চিনি নাপাওঁ। পুলকেশে চিনে। ভনীজনীয়ে ক'লে সি হেনো ক'ৰবালৈ ওলাই গৈছে। মই হতাশ হৈ পৰিলোঁ। সকলো উদ্যম যেন মোৰ শেষ হৈ গল। ভনীজনীক সুধিলো.

"অধ্যাপক ভট্টাচাৰ্য্য ক'ত থাকে তই চিনি পাব জানো?"

মোৰ কথাষাৰ শুনি বজ্ৰ হতৰ দৰে ভনীজনীয়ে মোৰ মুখলৈ চাই ৰ'ল।

"কি হল বেঙী। মোৰ মুখলৈ এনেদৰে কি চাইছ?"

"অধ্যাপক ভট্ট ঢুকাল নহয় ককাইদেউ।"

"ঢুকাল? কেতিয়া?"

"যোৱা নিশা।"

"যোৱা নিশা?

তাৰ পিচত মই একো কব নোৱাৰিলোঁ। ওচৰৰ চকি এখনত বহি পৰিলোঁ। মোৰ মূৰত যেন কোনোবা'ই হাতুৰিৰে কোবাইছিল।

মনত পৰিল যোৱা কালি ছুপৰীয়া মুক্ত বতাহত উশাহ লৈছিল নয়নমালাৰ কঙ্কালে, আৰু অধ্যাপক ভট্টাচাৰ্য্যই শেষ নিশ্বাস পেলাইছিল সেইদিনাই নিশা।

মই চকু'ৰ ধোঁৱাকাৱা দেখিছিলোঁ।

ক'ৰবাত বজ্ৰপাত পৰিছিল।

---

# দুই

'মই কিয় বিয়া নকৰাওঁ, সেই কথা মই কাকো কব নোৱাৰোঁ। মই জানোঁ। মোক কোনোৱেও বিশ্বাস নকৰিব। অকল সেয়ে নহয়। বহুতে বহুত কথাই কব। ভাবিব। এজন ডেকা ল'ৰাই বিয়া নকৰোৱাৰ প্ৰতিজ্ঞা লোৱাৰ মূলতে কি কাৰণ থাকিব পাৰে সেয়া সহজেই অনুমেয়। কিন্তু মোৰ ক্ষেত্ৰত সেয়া প্ৰযোজ্য নহয়। মই মোৰ মনৰ গাভৰু জনীক হেৰুৱাই বিযা নকৰোৱাৰ প্ৰতিজ্ঞা গ্ৰহণ কৰা নাছিলোঁ। বিযা নকৰোৱাৰ কাৰণবোৰ মই কাৰোবাক কোৱাৰ পিচত মানুহে হয়তো কব মই এটা উন্মাদ। বলিয়া। এইবোৰ মই প্ৰলাপ বলকিছোঁ। উনেশ শ বাষষ্ঠি চনৰ শেষ ভাগত ৹ই যদি কওঁ স্বৰ্গীয়া ৰজা চন্দ্ৰকান্ত সিংহৰ জন্মান্তৰৰ ৰূপলৈ এয়া মোৰ জন্ম, তেন্তে সেয়া জানো বিশ্বাসযোগ্য? যি শতিকাত বিজ্ঞানৰ জয়ধ্বজাই মহা-আকাশ আৰু মহাসাগৰক জয় কৰিবলৈ ওলাইছে, সেই সময়ত মোৰ এই বিশ্বাসক অন্ধ বিশ্বাস নুবুলি, অবিশ্বাস নকৰি বিশ্বাস কৰাৰ অৱকাশ ক'ত? ময়েইতো সিদিনালৈকে বিশ্বাস কৰা নাছিলোঁ। তেন্তে আনে বিশ্বাস কৰিব কিয়?

এয়া মই কাহিনী ৰচনা কৰা নাই। অথচ ৰচনা কৰা নাই মোৰ আত্মজীৱনী, এয়া উপন্যাস অথবা গল্প নহয়। এয়া মোৰ জীৱনৰ সঁচা ঘটনা। মোৰ এই লিখাবোৰ কেতিযাবা যদি কোনোবাই পঢ়ে, মই জানো. পঢ়োতাজনে নিশ্চয় অনুমান কৰি লব মোৰ মূৰৰ বিকৃতি ঘটিছে। এইবোৰ মই প্ৰলাপ বলাকছোঁ। কাহিনী অথবা উপন্যাসত যিবোৰ কথা আমি অবিশ্বাস্য আৰু অসম্ভৱ বুলি ভাবোঁ,

বাস্তব জীৱনত কেতিয়াবা কেতিয়াবা তাতকৈও বহুত আচৰিত ঘটনা ঘটে। সম্ভৱ হৈ পৰে।

বিশ্বাস অবিশ্বাসৰ প্ৰশ্ন লৈ এই কাহিনী মই ৰচনা কৰা নাই। মোৰ জীৱনৰ সঁচা কথাখিনি মই মাথোন লিখি থৈ যাম। হয়তো কোনোবা প্ৰকাশকে মোৰ লিখাখিনি কাহিনী হিচাবে প্ৰকাশ কৰিব। এযা বিজ্ঞানৰ যুগ। ছপাযন্ত্ৰৰ চেপা খাই যিকোনো কথাই সৰবৰহী হৈ উঠিব পাৰে। আজিৰ যুগত লিপিবদ্ধ সাঁচিপাতৰ আদৰ থাকিলেও, মূল্য থাকিলেও, সাঁচিপাতৰ আৱশ্যক নাই। তুলাপাতে সাঁচিপাতৰ ৰাজসিংহাসনত বহি সাঁচিপাতৰ হাতৰ পৰা ৰাজদণ্ড কাঢ়ি লৈছে।

কাহিনীটো প্ৰকাশ হোৱাৰ পিচত হয়তো বহুতে পঢ়িব। তাৰ পিচত নিসন্দেহে মন্তব্য দিব গালিয়ালি। কিন্তু সেই মন্তব্যলৈ ভ্ৰূক্ষেপ মই কৰা নাই। যি সময়ত মোৰ জীৱনৰ এই সঁচা ঘটনাটো কাহিনী হিচাপে প্ৰকাশ পাব তাৰ বহু আগতেই মই এই পৃথিৱী এৰি যাম— বহুত দূৰলৈ। পৃথিবীৰ মানুহে অলকেশ নামৰ মানুহ এজনৰ অস্তিত্ব বিচাৰি নাপাব।

নিলিখোঁ বুলি ভাবিও অৱশেষত লিখি পেলালোঁ। কাৰণ এটা জাতি, এটা বংশৰ লগত মোৰ জীৱনৰ এই ঘটনাৱলী ওতঃপ্ৰোত ভাৱে জড়িত। কোনে জানে হয়তো মোৰ এই লিখাই এটা জাতিৰ বুৰঞ্জীত নতুনকৈ ৰেখাপাত কৰিব। কিন্তু মই নিজেই ভবা নাছিলোঁ. চুভৰ্গীয়া আহোম ৰাজবংশৰ অভিশাপ ময়ো মূৰ পাতি লব লাগিব। মই আহোম ৰাজবংশধৰ নহওঁ। তথাপিও মই আহোম ৰাজবংশৰ অভিশাপ মূৰ পাতি লব লগীয়া হৈছো। যদি জাহ্নবীয়ে লিখি থৈ যোৱা কথাবোৰ সঁচা তেন্তে ময়েই সেই হতভাগ্য ৰজা চন্দ্ৰকান্ত সিংহ। এদিন মোৰ কৃতকৰ্ম্মৰ ফলতেই ধ্বংস হৈছিল আহোম ৰাজসিংহাসন। দেশৰ ওপৰত আৰম্ভ হৈছিল মানৰ অমানুষিক অত্যাচাৰ। মোৰ ক্ষণিকৰ দুৰ্ব্বলতাৰ বাবেই ধ্বংস হৈ গৈছিল এখন দেশৰ স্বাধীনতা, মলিন হৈ গ'ল দেশৰ ৰাজমুকুট। শুক কন্যাৰ ৰূপত মুগ্ধ হৈ স্বিজ-

কন্যাৰ সৰ্ব্বনাশ কৰাৰ প্ৰায়শ্চিত্ত ৰূপে হেৰুৱাইছিলো দেশ। সিংহাসন। শক্তি। মোৰ পাপৰ ফলতে দেশবাসীয়ে ভুগিছিল মৰণ জীয়াতু। মোৰ মৰমৰ ভনী 'মাজিউ আইদেউৰ' ওপৰত মানে কৰিছিল পাশবিক অত্যাচাৰ। চন্দ্ৰকান্তৰ জন্মান্তৰৰ ৰূপত মোৰ পৰিচয় দিবলৈ আজি মোৰ নিজৰে লাজ লাগিছে। অসমবাসী! মোক ক্ষমা কৰা। দেশদ্ৰোহী বদন নহয়। দেশদ্ৰোহী ৰজা চন্দ্ৰকান্ত সিংহ। বুৰঞ্জীয়ে যি কথা কোৱা নাছিল সেই কথা আজি মই নিজেই স্বীকাৰ কৰিছো।

কুমাৰী বৰুৱাক মই ভাল পাইছিলোঁ।

আকাশত দশমীৰ জোন। পৃথিবীত ৰূপালী কিৰণ। আমাৰ চাৰিওফালে নিশাৰ নীৰৱতা। সেই নীৰৱতা ভাঙি কৈছিলোঁ. তুমি মোৰ জীৱনৰ জোন। তোমাক বাদ দি মোৰ জীৱন অসম্পূৰ্ণ।

'আপুনিয়েই মোৰ ভৱিষ্যত। মোৰ আশা ভৰষা।'

আমাৰ কথাবোৰ শুনি আকাশৰ জোনটোয়ে হয়তো হাঁহিছিল।

অনিমেষ ভট্টাচাৰ্য্যৰ মৃত্যুৰ কেইমাহমান পিচত।

শাওনৰ সেমেকা আকাশ। বুকুৰ মাজত স্থিৰতা বিহীন বাৰিষাৰ অলেখ মেঘৰ টুকুৰা। চঞ্চল।

শেষ নোহোৱা বৰষুণ জাক আৰম্ভ হৈছিল। আকাশে যেন কান্দি কান্দি পৃথিৱীক ডুবাই পেলাব। উটুৱাই নিব। এদিন দুদিনকৈ আজি সাত দিনে আকাশে কান্দিছে। এই কান্দোন যেন আৰু বন্ধ নহ'বই।

শিলঙৰ সচিবালয়ৰ অকলশৰীয়া কোঠাটোত বহি বহি ভাবিছিলোঁ: আৰু দুদিনমান এনেদৰে বৰষুণ দিবলৈ হলে অসমক উটুৱাই নিব। অসমৰ বুকুত সৃষ্টি হব এখন প্ৰশান্ত মহাসাগৰ। এয়া আকাশে কন্দা নাই। কান্দিছে অসমৰ ভৈয়ামৰ সমগ্ৰ জনতাই। মোৰ চকুৰ আগত ভাঁহি উঠিছিল দুয়ো পাৰ উপচি পৰা কলং

কপিলী, ধনশিৰি আৰু বুঢ়ী দিহিঙৰ প্ৰতিচ্ছবি। সাপৰ নেজ ছিগা দিখৌৰ সোঁত।

সন্ধিয়া ৰেডিঅ'ৰ বাতৰিটো শুনি শিহঁৰি উঠিছিলোঁ। অসমৰ প্ৰায় আটাইবোৰ জিলা জলমগ্ন। হেজাৰ হেজাৰ লোক গৃহহীন। অসংখ্য পশু, মহৰ জীৱন হানি। শেহতীয়া বাতৰি মতে অকল শিৱসাগৰ জিলাতে এতিয়ালৈকে বানপানীত সাতজন লোকৰ জীৱন হানি হোৱা বুলি প্ৰকাশ। এইবাৰৰ দৰে এনেকুৱা প্ৰলয়ঙ্কৰ বানপানী অসমত এশ বছৰৰ ভিতৰত হোৱা নাই বুলি অনুমান কৰা হৈছে।

পিচদিনা ৰাতিপুৱা। অফিচলৈ গৈ চকিখনত বহাৰ লগে লগে মুখ্য সচিবৰ পৰা ফোন এটা পাইছিলোঁ। বকৱানে? অসমৰ অৱস্থা বৰ বেযা। লিখিত আদেশ মই পঠিয়াব ধৰিছোঁ। আপুনি যাবলৈ সাজু হওক। ওৱাৰলেছ মেছেজ আহিছে। শিৱসাগৰ জিলাৰ অৱস্থা আটাইতকৈ গুৰুতৰ। ঘৰৰ মুধৰ ওপৰত ছয় সাত ফুট পানী। আপুনি পাৰিলে আজিয়েই যোৰহাটলৈ যাত্ৰা কৰক। তাৰ উপায়ুক্তই আপোনাক সহায় কৰিব।

তিনিদিন পিচত। অশেষ কষ্টেৰে যোৰহাট পাইছিলোঁ গৈ। সোণা-পুৰ পাই ভাবিছিলোঁ: যোৰহাট যেন আৰু নাপামেই। সোণাপুৰৰ সিফালে অসমৰ কোনো অস্তিত্বই নাই। বানপানীয়ে গোটেইখন অসমকে খান্দি নি বঙ্গোপসাগৰত ডুবাই পেলাইছে। ৰেল চলাচল বন্ধ। যোগাযোগ বিছিন্ন। ট্ৰাঙ্কৰোডৰ ওপৰত চাৰি পাঁচ হাত পানী। বৰ কষ্টেৰে নাওঁ আৰু মটৰেৰে গৈ তৃতীয় দিনৰ আবেলি যোৰহাট পাইছিলোঁ গৈ। এয়া যেন এখন ৰঙা সাগৰ। চহৰৰ প্ৰায়বোৰ ঠায়েই পানীৰ তলত। ভোগদৈৰ দুপাৰৰ চিনচাব নাই। যিবোৰ ঠাইত পানী উঠা নাই সেইবোৰত মানুহৰ অৰণ্য। ল'ৰা-ছোৱালীবোৰৰ চিঞৰ-বাখৰ আৰু কান্দোন। ডাঙৰ বোৰৰ হিয়া ভগা হুমুনিয়াহ।

উপায়ুক্তৰ বঙলাৰ সন্মুখত ঠাই খোৱা জনতাৰ ভুম। মই

কোনোমতে পাৰ হৈ ভিতৰলৈ সোমাই গলোঁ। উপাযুক্ত ৰহমান বিমর্ষ, মোক দেখি চিঞৰি উঠিল, আপুনি আহি পালে বৰুৱা। থ্যাঙ্কচ্ গড। ভাবিছিলোঁ: আপোনালোক কোনো আহি নাপাবই।

ডিষ্ট্রিবিউশ্যন আৰু এনগেজমেণ্ট লিষ্ট ৰহমানেই কৰি ৰাখিছিল। সেই লিষ্ট অনুসৰি কামত আগবঢ়া হৈছে। মই নতুনকৈ কোনো উপদেশ দিয়াৰ আৱশ্যক নহ'ল। ৰহমানেই কলে আমাৰ সম্বল তেনেই নিশকতীয়া। যিকণ আছে তাকো ঠিকমতে বিতৰণ কৰিব পৰা নাই। এই সময়ত আমাৰ যিমান সংখ্যক নাৱঁৰ আৱশ্যক তাৰ আধা নাৱঁও যদি আমাৰ হাতত থাকিলহেঁতেন। বিভিন্ন ঠাইৰ পৰা চৰকাৰী ঘাটত চৰা মাৰ নাওঁ, ইঞ্জিনবোটবোৰ অনোৱা হৈছে। কিন্তু সেয়েই যথেষ্ট নহয়। তদুপৰি কৰ্ম্মীবোৰো ভাগৰি পৰিছে। বহুতেই ইতিমধ্যে অসুখ হৈ উভতি আহিছে। আমাৰ মজুত খাদ্য বস্তুৰ পৰিমাণ আৱশ্যকতকৈ বহুত কম। ফিল্ড চুপাৰভেশ্যনৰ দায়িত্বত আপোনাক দিয়াৰ কথা ভাবিছোঁ। মই যিমান পাৰোঁ ষ্টক সংগ্ৰহ কৰোঁ। আপোনাৰ কাৰণে ইঞ্জিন বোট এখন যোগাৰ কৰি ৰাখিছো। আজি কলেজৰ পৰা স্বেচ্ছাসেৱক বাহিনী এটাও আহিছিল। তিনিজন ল'ৰা আৰু তিনিজনী ছোৱালীৰ বাহিৰে বাকীবোৰক পঠিযাই দিছো। বাকী থকা ল'ৰা আৰু ছোৱালী তিনি জনীযে আপোনাক সহায় কৰিব। মানুহবোৰে পেটৰ ভোকত তুঁহগুৰি পানীত সানি তাকেই খাইছে। দেখিলে আপোনাৰো চকু পানী ওলাব। আৰু কি জানে? চাউল, ডাইল বিতৰণ কৰিলে একো লাভ নহয়। ৰান্ধি খাবলৈ ওখ ঠাই এটুকুৰাও নাই। আমি খিচিৰি ৰান্ধি বিলাইছোঁ। যিমান পাৰিছোঁ কৰিছোঁ। কিন্তু আৱশ্যকতকৈ বহুত কম। তেনেই নগন্য।

ৰহমানৰ পৰামর্শটো মোৰ বেয়া নালাগিল। স্থানীয় অফিচাৰ কেইজন মানক লগত লৈ ৰহমানে ষ্টক বিমান সংগ্ৰহ কৰিব পাৰিব মই নোৱাৰিম। ৰহমান স্থানীয় লোক নহলেও স্থানীয় কৰ্ম্মচাৰী। গতিকে বোৰহাটৰ বিষয়ে মোতকৈ ৰহমানে বহুত কথা জানে।

বহুত কথা বুজে। মোতকৈ যে ৰহমানে সৰহ পৰিমাণে খাদ্যবস্তু সংগ্ৰহ কৰিব পাৰিব সি নিসন্দেহ।

ৰহমানে ৰাতিটো জিৰণি লোৱাৰ কথা কৈছিল। কিন্তু মনে নামানিলে। সুদা চাহ একাপ খাই ইঞ্জিন লগোৱা নাওঁ খনত উঠিলোঁ গৈ। এখন প্ৰকাণ্ড নাওঁ। নাৱঁত কেইটামান চাউল, ডাইল, আলু আৰু চিৰাৰ বস্তা। নিমখ হালধী আৰু ৰন্ধাৰ সা-সজুঁলি। কিছুমান কানি কাপোৰ আৰু ঔষধৰ বাকচ। দুটা নে তিনিটা পেট্ৰমাক্স লাইট। আমাক দেখি স্বেচ্ছাসেৱক বাহিনীৰ ল'ৰা তিনিজন আগবাঢ়ি আহিল। বয়সত কুমলীয়া। কিন্তু দেশৰ এনে দুৰ্যোগৰ সময়ত তেওঁলোকে বহি থাকিব নোৱাৰে। ছোৱালী তিনিজনীয়ে নাৱৰীয়া কেইজনৰ সৈতে নাৱঁৰ ভিতৰতে প্ৰকাণ্ড চৌ এটাত খিচিৰি সিজাইছে।

'বিমান, এখেত শ্বিলঙৰ পৰা আহিছে। মই তোমালোকক এখেতৰ কথাই কৈছিলোঁ। তুমি ইয়াৰ গাওঁ ভুঁইবোৰৰ কথা জানাই। তোমালোকে এখেতক সহায় কৰিব লাগিব। লতা ক'লৈ গ'ল? লতা?'

ৰহমানে সুধিছিল।

ৰহমানৰ প্ৰশ্নটো শুনি এজনী ধুনীয়া গাভৰু আগবাঢ়ি আহি আমাক প্ৰণাম কৰিছিল। আউল বাউল চুলি। জুইৰ তাপত ৰঙা পৰা এখন কৰ্ম্মক্লান্ত মুখ। সাজপাৰত কৰ্ম্ম ব্যস্ততাৰ চিন। যেন এজনী মৰমীয়াল মাতৃয়ে হেজাৰ বছৰ অনাহাৰে থকা সন্তানৰ ক্ষুধা নিবৃত্তিৰ বাবে ব্যস্ত হৈ পৰিছে।

'লতা।'

'চাৰ'

'হিচাব-পত্ৰবোৰ তুমি ঠিকমতে ৰাখিবা। এখেত নতুন মানুহ।'

'হব চাৰ। কিন্তু ।'

'কোৱা।'

'হিচাব-পত্ৰতকৈ মানুহৰ জীৱনৰ দাম বহুত বেছি চাৰ।'

কথাষাৰ শুনি মই আচৰিত হৈছিলোঁ। লতাৰ মুখলৈ চাইছিলোঁ। এখন শান্ত পবিত্ৰ মুখ। মোৰ যেন বহুদিনৰ চিনাকি।

"তোমালোক মানে আজিচোন ৰাতিয়েই হৈ আহিল। এতিয়াই।" ৰহমান আধা কোৱা কৈ ৰৈ গৈছিল। লতাই হাঁহিছিল। ম্লান শেঁতা হাঁহি। সেই হাঁহিটোয়ে যেন ৰহমানক তাচ্ছিল্য কৰি কৈছিল দৰ্মহা খোৱা দেশ-প্ৰেমিকে দেশ উদ্ধাৰ কৰিব নোৱাৰে। তেওঁলোকে দেশৰ দুৰ্যোগৰ কথা পলমকৈ বুজে। পলমকৈ ভাৱে। যি সময়ত দেশবাসীয়ে এমুঠি ভাতৰ বাবে মৃত্যুৰ ক্ষণ গণিছে সেই সময়ত দিন ৰাতিৰ প্ৰশ্ন নাই।

'নাৱঁত ফ্লাছ লাইটৰ ব্যৱস্থা আছে নহয় ৰহমান?'

'হয়, আছে।'

'তেন্তে আমি এতিয়াই যাত্ৰা কৰিম।'

লতাই কথাষাৰ শুনি মোৰ মুখলৈ চাইছিল। চকুত এটা অবিশ্বাস্য দৃষ্টি। সেই দৃষ্টিয়ে যেন মোক প্ৰশ্ন কৰিছিল 'তুমিও জানো পেইড পেট্ৰিয়ট নহয়?

আমাৰ ওচৰৰ পৰা বিদায় লৈ ৰহমান আঁতৰি গৈছিল। মটৰ বোটৰ ইঞ্জিনৰ শব্দই আমাক সচেতন কৰি তুলিছিল।

'আপুনি বিছনা পত্ৰ আনিছে নেকি চাৰ?

'ওহো, কেলেই? বিছনাখন মই চাৰ্কিট হাউচতে এৰি থৈ আহিছোঁ।'

মোৰ ধাৰণা আছিল ওচৰৰ গাৱঁবোৰলৈ যাম। ৰাতি চাৰ্কিট হাউচলৈ উভতি আহিম। গতিকে লগত বিছনা নিয়াৰ আৱশ্যক কি?

'আমাৰ মাজৰ পৰাই বিছনা এখন যোগাৰ কৰি দিওঁ। আপুনি জিৰণি লওক।'

লতাৰ কথাষাৰ শুনি মৰমতে চুমা এটা খাই দিবৰ মন গৈছিল। এজনী সৰু ছোৱালীক মৰম কৰাৰ দৰে গা মূৰ পিহি মৰম কৰিবৰ মন গৈছিল।

'মই তোমাক ক'ৰবাত দেখিছোঁ লতা।'

'আপোনাকো মই ক'ৰবাত দেখা দেখা যেন লাগিছে চাৰ। কিন্তু ক'ত দেখিছিলোঁ পাহৰি গৈছোঁ।'

মই একো নামাতিলোঁ।

'বিমানদা, চাৰক এখন বিছনা যোগাৰ কৰি দিয়ানা।'

'মোৰ কাৰণে তোমালোক ব্যস্ত নহ'বাচোন। বাৰু বিমান, আমি এতিয়া কি কৰিম?'

'লতাকে সোধক চাৰ।'

মই লতাৰ মুখলৈ চাইছিলোঁ।

লতাই হাঁহিছিল। কিন্তু একো নকলে।

'হাঁহিলা দেখোন লতা। তোমালোক ইয়াৰ স্থানীয় মানুহ। তোমালোকেই মোক বাট দেখুৱাই নিব লাগিব।'

আপুনি যে বিনয়ী সেই কথা জানো চাৰ।'

'মানে?'

মই আচৰিত হৈছিলোঁ। ভাবিছিলোঁ. লতাই কি কব খুজিছে বাৰু?

'চৰকাৰে আপোনাক ইয়ালৈ কেলেই পঠিয়াইছে আপুনি নিজেও জানে। আমাৰ দৰে অকল দৈহিক শ্ৰমৰ বাবে চৰকাৰে আপোনাক ইয়ালৈ নিশ্চয় পঠিওৱা নাই।'

লতা আঁতৰি গৈছিল।

স্বেচ্ছাসেৱক কেইজনৰ লগত কথা-বতৰা পাতি চা চিনাকি হৈ লৈছিলোঁ। নাৰ্ভত থকা বস্তু বাহানিৰ হিচাব লৈছিলোঁ।

'আপোনাক বিছনা কৰি দিছোঁ চাৰ।'

বিমানৰ কথাত মই তেওঁৰ মুখলৈ চাইছিলোঁ। শৰীৰৰ ক্লান্তিয়ে বাৰে বাৰে মোক সঁকিয়াই দিছিল: এই সময়ত বিছনা এখনৰ মোৰ নিতান্ত প্ৰয়োজন। কিন্তু কৰ্তব্যই সোঁৱৰাই দিছিল: দিনৰ পোহৰতে যিমান খিনি পাৰা দৃষ্টি বুলাই তুমি তোমাৰ কৰ্তব্য স্থিৰকৈ লোৱা।

ঢৌ লাগি কঁপি কঁপি আগবাঢ়ি যোৱা নাওঁখনে যেন সংগ্ৰাম কৰিছিল। গুৰি বঠা লৈ গুৰিয়াল জনে বাৰে বাৰে আকাশলৈ চাইছিল। গোমা আকাশৰ পৰা যেন অলপ পিচতে ধাৰাসাৰে নামি আহিব বৰষুণৰ জাক।

'এয়া চাহ। খাওক চাৰ।'

দৃষ্টি ফিৰাই আনি উভতি চাইছিলোঁ। মোৰ ওচৰত থিয় হৈ আছে লতা। হাতত ধোঁৱা উৰি থকা একাপ চাহ আৰু কেইখনমান বিস্কুট।

সেই সময়ত চাহ একাপৰ প্ৰযোজন মই সঁচাকৈয়ে ৰৰকৈ অনুভৱ কৰিছিলোঁ।

'তোমাৰ মৰমৰ বাবে অশেষ ধন্যবাদ লতা।'

চাহকাপ আৰু বিস্কুটৰ প্লেটখন মোৰ হাতত তুলি দি লতা আঁতৰি গৈছিল।

আকাশ ক্ৰমান্বয়ে মেঘাচ্ছন্ন হৈ আহিছিল। মেঘৰ বুকুত বাৰে বাৰে জিলিকি উঠিছিল অলেখ বিজুলীৰ ৰেখা। তাৰ বহু আগতেই দিনৰ শেষ ৰশ্মিকণ হেৰাই গৈছিল। মনটো কিবা গধুৰ গধুৰ লাগিছিল। মোৰ যেন কৰিবলৈ একো নাই। লতাহঁতে মোতকৈ বহুত বেছি জানে। বহুত বেছি কৰিছে। নাৱঁত ভৰি দিযেই দেখিছিলোঁ লতা বিমানহঁত যেন একো একোজন সমৰ প্ৰস্তুত সৈনিক। নাৱঁত সকল বস্তুৰে বন্দবস্ত আছে। সিহঁতৰ মাজত মই নিজকে কিবা অনাৱশ্যকীয় অনাৱশ্যকীয় যেন অনুভৱ কৰিছিলোঁ। শ্বিলঙৰ পৰা মই নহা হেতেঁনো হ'লহেতেন। লতাহঁতৰ কৰ্ত্তব্য আৰু দায়িত্ব পালনৰ ক্ষেত্ৰত মোৰ যেন কোনো মূল্য নাই। সিহঁতকৈ মই যেন এই বিষয়ত বহুত হীন। লতা, বিমানহঁতৰ জ্ঞান আৰু বিবেচনাৰ তুলনাত মোৰ জ্ঞান, বিবেচনাৰ যেন কোনো মূল্য নাই।

মই মাথোঁন ভাবিছিলোঁ এই অনিশ্চিত যাত্ৰাৰ শেষ ক'ত?

স্বেচ্ছাসেৱক বাহিনীতকৈ যে মোৰ আৱশ্যক বহুত বেছি এই কথা মই কেনেকৈ প্ৰমাণ কৰোঁ ?

বহু দূৰত ৰিণিকি ৰিণিকি চকুত পৰিছিল কিছুমান জুইৰ শিখা। বোধহয় সেয়া গাওঁ। নাৱৰীয়া জনক সুধিছিলোঁ সেইখন কি গাওঁ ? গাওঁ পাবলৈ আমাৰ আৰু কিমান সময় লাগিব ?

নাৱৰীয়াজনে উত্তৰ দিছিল সি বিহাৰী মানুহ। অসমলৈ অহা বেছি দিন হোৱা নাই। গাওঁখনৰ নাম সি নাজানে। কিন্তু জুইৰ শিখা দেখা গাওঁখন পাবলৈ আৰু কমেও এঘণ্টামান লাগিব।

মই আকৌ মৌন হৈ ৰলোঁ। সোঁতৰ বিপৰীতে আমাৰ নাওঁ আগুৱাই গৈছিল। ইঞ্জিনৰ শব্দ আৰু নাৱঁৰ গতিত পানীবোৰ কঁপিছিল। ঢৌ উঠিছিল।

কিবা কিবি ভাৱবোৰ মোৰ মনৰ মাজলৈ আহিছিল। লতা বিমানহঁতে তেতিয়া নাৱঁৰ এচুকত চতুৰ্থ টৌ খিচিবি বান্ধি অটাই-ছিল। গুৱিযাল জনে চিঞৰি কৈছিল. হুচিয়াৰ। আমাৰ নাও নদীৰ ওপৰেৰে পাৰ হৈ গৈছে। চাকনৈয়াই লুটি খুৱাই দিব পাৰে।

শ্বিলং খনৰ কথা মনত পৰিছিল। শ্বিলং এৰি অহাৰ দিনাখন দুপৰীয়া কেইজনমান ডেকাই কোৱা মেলা কৰা শুনিছিলো. ভেৰাইটি শ্ব' নে নাটক ? ভেৰাইটি শ্ব'ত টকা উঠিব জানো ?

'কেলেই নুঠিব হে ? বান বিধ্বস্ত লোক সকলৰ সাহায্যাৰ্থে আমি শ্ব' পাতিম। মানুহ নাহিব কেলেই ?'

'এৰা এই সুযোগতে তোৰ চুট এজোৰো হব। কি ক' ৰূপ ?

ভৈয়ামত বানপানীয়ে মানুহক জলাকলা কৰে। নগুৰ নাগতি কৰে। আমি শৈল শিখৰত সেই সকল লোকৰ কাৰণে ঘৰিয়ালৰ চকু পানী টোকোঁ। ভেৰাইটি শ্ব' পাতোঁ। ৰাজ্যিক পুথি ভৰাঁলত আয়োজন কৰা ভেৰাইটি শ্ব'ত নৃত্য অথবা দৃশ্য পৰিবেশনৰ বাবে সাজ-সজ্জাত আৱশ্যক হোৱা এডজন চেফ্‌টি পিন কিনিবলৈ পুলিচ

বজাৰলৈ তিনি টকা ৰাপেৰে টেক্সি দৌৰাওঁ। খ'ত সংগৃহীত আছে হেজাৰ টকাৰ খৰচ বাদ দি এশ সত্তৰ টকা ত্ৰিশ পইচা বান পানী সাহায্য পুঁজিলৈ ৰৰঙণি আগবঢ়াওঁ। আৰতি শৰ্ম্মা, কাউন্সাইঁতক বিহাৰ্চেলৈ অনা নিয়া বাবে ডেডশ টকা টেক্সি ভাৰা দিওঁ। ৰিহাৰ্চেলত চাহ তামোল যোগোৱাৰ বাবে খাছিয়ানী চাহৰাণী জনীৰ চাৰে চাৰি শ টকাৰ বিল পৰিশোধ কৰোঁ। বেচেৰীয়ে বহুত ৰাতিলৈ বৈ বৈ চাহ পানী যোগাইছে।

দেখনিয়াৰ গাভৰু খাছিয়ানীৰ চাহ চেনি নিদিলেও মিঠা।

আৰু এই লতা-বিমানহঁত?

মুখ্য সচিবে কোনত কোৱা কথাবাৰত কিমান দৰদ। কিমান সমবেদনা। সহানুভূতি। অসমৰ অৱস্থা বৰ বেয়া। বেচেৰা! বান পীড়িত সকলৰ দুখত যেন কান্দিয়েই দিব। বান পানী পীড়িত সকলৰ সাহায্যাৰ্থে পতা ভেৰাইটি শ্ব মুকলি কৰি মুখ্য মন্ত্ৰী, ৰাজ্যপালিকাই দিয়া বক্তৃতাত কান্দোনৰ হেজাৰ চকুলো।

'এয়া দুৰ্যোগ, দেশৰ দুৰ্যোগ। জাতিৰ দুৰ্যোগ। দুখীয়া দেশ এখনৰ শান্তি আৰু নিৰাপত্তাৰ কাৰণে আমি আমাৰ সকলো স্বাৰ্থ ত্যাগ কৰিব লাগিব। দেশৰ উৎপাদন নাবাঢ়িলে জন সংখ্যা বৃদ্ধিৰে দেশ সমৃদ্ধ নহয়। আমি পৰিয়াল পৰিকল্পনা আঁচনি কাৰ্য্যকৰী কৰি তুলিব লাগিব।'

এয়া দেশনেতা সকলৰ সোণৰ মুখেৰে কোৱা কথা। নাৰীৰ ওপৰত থিয় হৈ দিয়া পৰিয়াল পৰিকল্পনাৰ বক্তৃতা। পৰিকল্পনাৰ কাল-ছোৱাত পৰিকল্পনা আয়োগে অনুমোদন কৰা ব্যয় অঙ্কৰ ব্যাখ্যা।

নদী নিয়ন্ত্ৰণ আঁচনিৰ বাবে খৰচ কৰা কিমান লাখ টকাৰ সদ্ব্যৱহাৰ হল তাৰ হিচাব আমাক কোনে দিব? কল গছৰ ওপৰত মাটি জাপি সজা মথাউৰি চীনৰ প্ৰাচীৰতকৈও অলঙ্ঘ্য। শক্তিশালী। এন্দুৰে গাঁত নকৰা হলে এই মথাউৰি ভাঙি পানীৰ সোঁত বৈ অহাৰ উপাই নাছিল। বিজ্ঞানৰ বৰপুত্ৰ ইঞ্জিনিয়াৰ, ওভাৰচেয়াৰ সকলে

সোণৰ কলমেৰে লিখি দিয়া সন্তোষজনক ভাৱে কাম সম্পূর্ণ হোৱাৰ প্ৰমাণ পত্ৰ জানো মিছা হব পাৰে? সংখ্যা বিজ্ঞানৰ বৰ ঘৰত সোমাই কোনোবাই যদি লক্ষ্য ক'ৰছে তেন্তে দেখিব অসমৰ নদী সমূহৰ ছুযো পাৰে বন্ধা মথাউৰিৰ বাবে আৱশ্যক হোৱা মাটিৰ পৰিমাণ খান্দোঁতে গোটেই অসমখনেই প্ৰশান্ত মহাসাগৰৰ দৰে দ হৈ গ'ল।

হঠাৎ মোৰ তন্দ্ৰা ভাঙি গৈছিল। কাৰোবাৰ অসংখ্য চিঞৰত মই সচেতন হৈ পৰিছিলোঁ।

'সোঁৱা নাওঁ। নাওঁ। সাহায্যৰ নাওঁ।'

আগুৱাই গৈছিল আমাৰ নাওঁ। সন্মুখত এখন গাওঁ। গাওঁ মানে পাৰাপাৰ মনিব নোৱাৰা এখন বিল। তলত পানীৰ সোঁত। ওপৰত ঘৰৰ চাল আৰু গছ-গছনিৰ আগবোৰ ওলাই আছে। মানুহবোৰ ঘৰৰ মুধত, গছৰ ফেৰঙনিত বহি অপেক্ষা কৰিছে সাহায্যলৈ। মৃত্যুলৈ। ওচৰা ওচৰিকৈ খংগা গছবোৰৰ ডালত ভেজা দি শকত খাঁহেৰে সাজি লোৱা চাঙত বহুত মানুহ। লেম্প বা চাকিৰ ব্যৱস্থা নাই। শুকান বাঁহ ফালি সজা জোৰ। জোৰৰ পোহৰত কিছুমান মৃত্যু মলিন ক্ষুধাতুৰ মুখ। চকুত শঙ্কাবিহ্বল আৰু অনিশ্চয়তাৰ দৃষ্টি। ভাৱ কি হ'ল? কি হব? এই মানুহবোৰে যেন হেজাৰ হেজাৰ বছৰ একো খাবলৈ পোৱা নাই।

'কি আনিছা আমাক খাবলৈ দিয়া।'

হেজাৰ মুখৰ পৰা বৈ অহা সেই একেষাৰ কথা। এটা ধ্বনি।

মানুহবোৰক মই কিবা কিবি প্ৰশ্ন কৰিছিলোঁ। সাহায্যৰ নাওঁ ইয়াৰ আগতে আহিছিল নে নাই? তেওঁলোক এনেদৰে থকা কেইদিন হ'ল? এইখন গাৱঁত কিমান মানুহ?

মোৰ প্ৰশ্নৰ উত্তৰৰ পৰিৱৰ্ত্ত জনতাৰ মাজৰ পৰা বৈ আহিছিল রুক্ষ আৰু আক্ৰোশ সনা কণ্ঠৰ দাবী।

'কি আনিছা আগেয়ে আমাক খাবলৈ দিয়া। আমাক জীয়াই তোলা।'

আমি যেন এইজাক জনতাৰ নিকিনা গোলাম। আমাক আদেশ দিবলৈ এইজাক জনতাৰ জন্ম। এইজাক মানুহৰ আদেশ মতেই আমি কাম কৰিব লাগিব।

বিমানে নাৰঁত জ্বলি থকা পেট্ৰ'মাক্স লাইট এটাত পাম্প দিছিল। বাকী ল'ৰা কেইজনে লতাইঁতৰ সৈতে লগ লাগি লৰা ঢপৰাকৈ বান্ধি থোৱা খিচিৰিবোৰ বিলাবলৈ সাজু কৰিছিল।

আন সময়ত হোৱা হলে হয়তো মোৰ খং উঠিলহেঁতেন। আমাক আদেশ দিবলৈ এওঁলোক কোন? কিন্তু মোৰ খং নুঠিল। মোৰ দুৰ্বুদ্ধিতাৰ বাবে নিজৰে বৰ লাজ লাগিল। যি সময়ত পেটৰ ক্ষুধাত মানুহে মৃত্যুৰ ক্ষণ গনিছে সেই সময়ত মোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ মানুহবোৰৰ ধৈৰ্য্য ক'ত? এয়া দাবী, জীয়াই থকাৰ দাবী। মানুহৰ ওচৰত মানুহৰ দাবী।

আমি ব্যস্ত হাতেৰে খিচিৰিবোৰ বিলাই দিবলৈ ধৰিলোঁ। খেনোৱে হাতত, খেনোৱে পিন্ধি থকা তিতা কাপোৰখনকে আচল পাতি খিচিৰিবোৰ ললে। তাৰ পিচত এনেদৰে খাবলৈ আৰম্ভ কৰিলে যেন এওঁলোকে যুগ যুগ ধৰি একো খোৱা নাই। খাবলৈ পোৱা নাই। পৰম তৃপ্তিৰে, পৰম আগ্ৰহেৰে মুহূৰ্ত্তও ব্যয় নকৰি মানুহবোৰে খাবলৈ আৰম্ভ কৰি দিছে। খাই থকা মানুহ জাকে মাজে মাজে মাথোন চিঞৰিছে আৰু দিয়া।

লতাই মোৰ হাতৰ পৰা খিচিৰিৰ চৰিয়া আৰু চামুচখন কাঢ়ি নি কৈ উঠিল আপুনি হিচাপবোৰ লওঁকচোন। মানুহবোৰৰ অভাৱ অভিযোগবোৰৰ ভু-ভা লওঁক। তাৰ পিচত চিঞৰি ইঞ্জিন ড্ৰাইভাৰ-জনক কৈছিল. ৰমজানকাই, তুমি আকৌ খিচিৰি এচৌ জুইৰ ওপৰত তুলি দিয়া।

মই হতভম্বৰ দৰে থিয় হৈ ৰলোঁ। লতা হিমানীহঁত যেন একোজনী অন্নপূৰ্ণা। বিমানহঁতৰ দেহত অশেষ শক্তি। কৰ্ম্মতৎপৰ হাতত হেজাৰ ক্ষিপ্ৰতা।

সোঁ সোঁ কৈ বতাহ এজাক বৈ আহিছিল। বৰষুণে কণিয়াই-ছিল। মই চৈৰ তলত সোমাম নেকি ভাবিছিলোঁ। কিন্তু নোসোমালোঁ। হেজাৰ হেজাৰ জনতাই যদি বৰষুণত তিতিব পাৰে, লতা, স্বৰ্ণা, হিমানী, বিমানহঁতে তিতিবুৰি লৰা ঢপৰা কৰি সাহায্য বিলাব পাৰে, তেন্তে মই নোৱাৰিম কিয়?

গোটেই গাওঁখন ঘূৰি ঘূৰি আমি সাহায্য বিলাইছিলোঁ। বন্ধা খিচিৰিবোৰ আমাৰ শেষ হৈ গৈছিল। খিচিৰি বিলোৱাৰ পিচত প্ৰত্যেককে একো সাজৰ চিৰা আৰু গুৰ অকণমান বিলাই দিছিলোঁ। চিৰা বিতৰণৰ কথাটো লতায়েই সোঁৱৰাই দিছিল।

বৰষুণ জাক এৰা নাই।

মন্থৰ গতিত নাওঁখন আগুৱাই গৈছিল। মোৰ প্ৰশ্নৰ উত্তৰবোৰ জেপৰ পৰা ডায়েৰীটো উলিয়াই লিখি গৈছিলোঁ। বিমানে পেট্ৰো-মাক্স লাইটটো ডাঙি ধৰিছিল। নলীনে ছাতি এটা মেলি মোৰ মূৰৰ ওপৰত ধৰিছিল। লিখাখিনিত যাতে বৰষুণ নপৰে তাৰ বাবে নলীনে বাৰে বাৰে লক্ষ্য কৰিছিল। মই লিখি গৈছিলোঁ।

শিলাকুটি গাওঁ।

লোকসংখ্যা—১৫৭৩ জন।

সাহায্য পোৱা লোকৰ সংখ্যা—`৩২৭ জন। (বাকী লোকৰ খবৰ নাই)

চাৰিদিন অনাহাৰে থকাৰ পিচত প্ৰথম সাহায্য এসাজৰ খিচিৰি আৰু এপোৱা চিৰা, আধা ছটাক গুৰ।

ইয়াৰ আগতে কোনো সাহায্যৰ নাওঁ ইয়ালৈ অহা নাই।

গছৰ ওপৰত থকা লোকৰ সংখ্যা—৬৭০ জন।

ঘৰৰ মুধত থকা লোকৰ সংখ্যা—৩০১ জন।

চাঙৰ ওপৰত থকা লোকৰ সংখ্যা—৩৫৬ জন।

অনাহাৰত মৃত লোকৰ সংখ্যা—১১ জন। (ল'ৰা ছোৱালী ৮ জন)

বানপানীৰ ভিতৰত জন্ম হোৱা জাতকৰ সংখ্যা—২ দুই।

ঘৰ, গৰু, ম'হ আৰু সা সম্পত্তিৰ হানিৰ পৰিমাণ —এই অৱস্থাত হিচাব লোৱাৰ কোনো উপায় নাই। আঠ মাইলৰ ভিতৰত ক'তো অকণো বাম ঠাই চকুত নপৰিল।

পানীৰ গভীৰতা – ৬ ফুটৰ পৰা ৮ ফুট।

সাহায্যৰ বাবে ব্যয় হোৱা বস্তুৰ পৰিমাণ —

চাউল —৮/ মোন

ডাইল — ১ মোন

আলু —২/ মোন

চিৰা —৮।০ সেৰ

গুৰ - ১/ মোন।

২৭ ৭ ৫৯

ডায়েৰীটো জপাই থৈ নলীনৰ মুখলৈ চাইছিলোঁ। কৈছিলোঁ আমাৰ ভুল হ'ল নলীন। বেতাঁৰ বিহীন বাতৰি প্ৰেৰক যন্ত্ৰ এটা আমাৰ লগত অনা উচিত আছিল। এই মানুহবোৰক যোৰহাট অথবা আন ৫খ ঠাইলৈ নিয়াৰ বাবে ব্যৱস্থা কৰিবলৈ উপাযুক্তক খবৰ দিব লাগিছিল।

জেপৰ পৰা সাহায্য কেম্পৰ মানচিত্ৰখন উলিয়াই মেলি চালোঁ।

ইয়াৰ পৰা মেটেকাতলিয়েই ৫চৰ হব। নাৱঁত যিমান পৰা যায় সিমান সংখ্যক মানুহ লৈ আমি আকৌ যোৰহাট অথবা মেটেকা-তলিলৈকে যাম।'

'অসম্ভৱ চাৰ।'

মই উভতি চাইছিলোঁ। মোৰ পিচফালে থিয় হৈ আছে লতা।

'কি অসম্ভৱ লতা?'

'আমি যোৰহাটলৈ নাযাওঁ। এইবোৰ মানুহ অন্তত আৰু এদিনলৈ নাখাই নমৰে। ইয়াৰ পিচত আমি ইয়াৰ পিচৰ গাওঁখনলৈ যাম। আমাৰ নাৱঁত কেইজন মানুহ জুৰিব? চাউল, ডাইলেৰে নাওঁ ভৰ্ত্তি। কাক নিব? কাক এৰিব?'

'লৰা তিৰোতা আৰু অসুখীয়া লোক সকলক আগেয়ে নিয়া হওঁক।'

'নহয় চাৰ। কাইলৈ বাতিপুৱা সম্ভৱ হলে যোৰহাটলৈ খবৰ পঠিয়াব। সুদা নাওঁ আছি মানুহবোৰক লৈ যাব। যোৰহাটৰ মানুহ মৰি শেষ হোৱা নাই। দেশ-নেতা আৰু বিধান সভাৰ সদস্য-সকল ক'লৈ গ'ল?

লতাৰ কথাত আক্ৰোশ আৰু বিদ্ৰোহৰ সুৰ। লতাৰ মুখলৈ চালোঁ। এইজনী যেন মই দেখা লতা নহয়। চামুণ্ডাৰ ৰূপ লোৱা আন এজনী লতা। চকুত অগ্নি-স্ফুলিঙ্গ।

হাতৰ ঘড়ীটোলৈ চালোঁ। নিশা দহ বাজিবলৈ তেতিয়া মাথোঁন কেই মিনিটমান বাকী।

লতাৰ উদ্দেশ্যটো মই বুজি পাইছিলোঁ। পৰামৰ্শটো উলাই কৰি দলিয়াই পেলাব লগীয়া নহয়। যথেষ্ট যুক্তি আছে।

কিবা এটা সোধাৰ আগতে লতাই কৈছিল ইযাৰ পিচৰ গাওঁখনৰ নাম তৰাজান। তাৰ পিচত নাহৰণি। চৰকাৰী হিচাব মতে তৰাজান গাৱঁত পৰিয়ালৰ সংখ্যা ১০৩ ঘৰ। লোকসংখ্যা—৬৭৩ জন। ইয়াৰ পৰা তৰাজানলৈ দূৰত্ব প্ৰায় চাৰি মাইল।

মনত হিচাব এটা কৰিলোঁ ইযাৰ পৰা তৰাজান পাওঁতে আমাৰ বৰ বেছি আধা ঘণ্টামান সময় লাগিব। বিতৰণৰ বাবে কমেও লাগিব চাৰি টৌ খিচিৰি। আধা ঘণ্টাত চাৰি টৌ খিচিৰি কেতিয়াও বন্ধা নহয়। খিচিৰি ৰান্ধি বিলাই আটাওতে নিশা কমেও দুটা বাজিব।

'নিশা ডেডটা দুটাৰ ভিতৰত তৰাজানক সহায় দিয়াৰ কাম আমি শেষ কৰিব পাৰিম চাৰ।'

লতাৰ কথাষাৰ শুনি আচৰিত হৈছিলোঁ। মই ভবা কথাষাৰকে লতাই এনেদৰে কৈ দিব বুলি কল্পনাও কৰা নাছিলোঁ।

'কিন্তু পাৰিবা জানোঁ? তোমালোক এতিয়াই ভাগৰি পৰিছা?'

ভাগৰি পৰিলেও আমি মৰা নাই চাৰ। কিন্তু সেইবোৰ মানুহ যে মৰিবলৈ ওলাইছে।' ওচৰতে থিয় হৈ থকা হিমানীয়ে কৈছিল। গাৰ তিতা চাদৰৰ আচলটো চেপি লৈছিল।

তাৰ পিচত মই আপত্তি কৰাৰ কোনো প্ৰশ্ন নুঠে।

শিলাকুটি গাৱঁৰ মানুহবোৰক কলোঁ আমি আকৌ আহিম। কাইলৈ ৰাতিপুৱা আপোনালোকক যোৰহাট অথবা আন সাহায্য বাহৰলৈ নিয়াৰ ব্যৱস্থা কৰিম।

বয়সীয়াল লোকসকলে আমাক আশীৰ্ব্বাদ দিছিল। কৈছিল যোৱা বোপাইঁত, ভগবানে তোমালোকৰ মঙ্গল কৰক। মনৰ কামনা পূৰণ কৰক। তোমালোকক দীৰ্ঘায়ু কৰক। আমি দুভৰ্গীয়া জীৱ। লেতেকা জীউ। দেশৰ দুৰ্গতি চাবলৈ কণা বিধাতাই আমাক জীয়াই ৰাখিছে।

কথাবোৰ শুনি হিমানীহঁতে কান্দি দিছিল। মোৰো মনটো সেমেকি পৰিছিল।

আমাৰ নাওঁ আগবাঢ়িছিল। ঢেৰেকণিযে আকাশখন ভাঙি ছিঙি টুকুৰা টুকুৰ কৈ পৃথিবীৰ বুকুত যেন পেলাই দিব। ক'ৰবাত উল্কাপাত হব। সদ্য ৰিধবাৰ দৰে অবিৰাম ভাৱে আকাশে কান্দিব।

পিচদিনা ৰাতিপুৱা। আমাৰ নাৱঁত তেতিয়াও যথেষ্ট পৰিমাণে খোৱা বস্তু আছে। আৰু এদিন বা দুদিনলৈ চিন্তা নকৰিলেও হব।

যোৱা নিশা একেবাৰে শোৱা নহল। শেষ নিশা নাৱঁৰ ওপৰতে বহি আমি আটাইজাকে টোপনিয়াবৰ যত্ন কৰিছিলোঁ। চৈৰ তলত অকণমানি মাথোঁন খালি ঠাই। চাউল ডাইলৰ বস্তাবে গোটেইখন নাওঁ ঠাহ খাই আছে। শোৱাৰ উপায় নাই। বিমান লতাহঁতে বাৰে বাৰে মোক শোৱাৰ কথা কৈছিল। কিন্তু অকলে সিমানখিনি সুবিধা লব খোজা নাছিলোঁ। মই অকলে সুবিধা লোৱাটো যেন অন্যায হব।

ৰাতিপুৱা ছয় বজাত খোলা পানীৰে বনোৱা চাহ একাপ

খাইছিলোঁ। তাত চাহব বং নাই। ঘিণ লগাকৈ ক'লা। টান বোগৰ পৰা উপশম পাবলৈ যেন ডাক্তৰে দিয়া একাপ মিক্সচাৰ। চাহকাপ খাই চিগাৰেট এটা জ্বলাই লৈ ভাবিছিলো. আমাৰ এতিয়া কৰ্ত্তব্য কি ?

চকুৰ পতাত তন্দ্ৰাৰ জড়তা।

'এয়া লওঁকচোন।'

মূৰ ডাঙি চালোঁ। লতাৰ হাতত ধোৱা উৰি থকা একাপ কফি, আন এখন প্লেটত কেইখন মান মাখন বিস্কুট। কফিৰ ৰঙটো দেখি লতাৰ মুখলৈ চাইছিলোঁ। লতাই হয়তো মোৰ মনৰ মৌন প্ৰশ্নটো বুজিছিল।

'ইট ইজ ফ্ৰম মাই ওন ষ্টক। শেষ নিশা পানী এটো তুলি থৈছিলোঁ। নাওঁ স্থিৰ হৈ আছিল। এ আঙুল ডাঠকৈ পৰা গেদৰ ওপৰৰ পৰিষ্কাৰ পানীৰে কৰা এয়া কফি। খাওঁক।'

'তোমাৰ বুদ্ধি প্ৰশংসনীয়' বুলি কব খুজিও নকলোঁ। মনতে কলোঁ সচাকৈয়ে তুমি মৰমীয়াল লতা। মই ঠিক এনেকুৱা একাপ কফিকে বিচাৰিছিলোঁ।

কফি কাপ হাতত তুলি লোৱাৰ লগে লগে চকুত পৰিছিল এখন নাওঁ। আমাৰ পিনলৈ আগুৱাই আহিছে।

আমাক দেখিয়ে হবলা নাওঁখন আমাৰ ওচৰলৈকে আহিছিল। যোৰহাটলৈ যাব। আলোচনা কৰি আমি আমাৰ কৰ্ত্তব্য স্থিৰ কৰি ললোঁ। আমি গাৱঁ'ল যাম। যোৰহাট অভিমুখী নাওঁখনত হিমান যোৰহাটলৈ যাব। উপায়ুক্ত ৰহমানলৈ মই চিঠি এখন লিখি হিমানৰ হাতত দি কি কৰিব লাগিব বুজাই দিলোঁ। শিলাকুটি আৰু তৰাজান গাৱঁৰ মানুহবোৰক যোৰহাট অথবা আন ওখ ঠাইলৈ নিয়াৰ বাবে মই ৰহমানলৈ লিখি দিছিলোঁ। হিমানকো মুখেৰে কবলৈ কলোঁ। হিমান যোৰহাটৰ পৰা উভতি আহোঁতে সেইখন নাৱঁতে আমাৰ বাবেও কেই বস্তামান চাউল, আলু, চিৰা আদি লৈ আহিব। মোলৈ

কেই হাজাৰ মান চিগাৰেট অনাৰ বাবে হিমানৰ হাতত দহটকীয়া নোট দুখন দি চাৰ্কিট হাউচৰ পৰা মোৰ পিয়নটোৰ সৈতে বিচনাখন আৰু চুটকেচটো অনাৰ কথা কলোঁ। সম্ভৱ হলে বেতাঁৰ বিহীন বাতৰি প্ৰেৰক যন্ত্ৰ এটাৰ ব্যৱস্থা কৰাৰ কথাও ৰহমানক কবলৈ কৈ পঠিয়ালোঁ।

একে সময়তেই দুয়োখন নাওঁ ইঞ্জিনৰ শব্দত কঁপি উঠিল। যোৰহাট মুখী নাওঁখনত হিমান গ'ল গৈ।

চতুৰ্থ দিনৰ ৰাতি। নিশা দহমান বাজিছিল।

ক্লান্ত দেহ আৰু মন। আমাৰ অৱশ শৰীৰবোৰে বিচাৰিছিল জিৰণি।

ৰজা মৈদামৰ ওচৰৰ ওখ ঠাই এটুকুৰাত আমি নাওঁ বান্ধিছিলোঁ। ওৰে দিনটো চাউল, ডাইল, নিমখ, তেল আৰু ঔষধ বিলাই ভাগৰি পৰিছিলোঁ। সাহায্য বিলোৱাৰ বাবে নতুন নতুন ৰচদ পাতি আমি পাইছিলোঁ। কিন্তু পোৱা নাছিলোঁ আমাৰ নিজৰ বাবে আৱশ্যকীয় কিছুমান বস্তু। চাহ, চেনি, বিস্কুট আৰু পৰিষ্কাৰ কেৰাচিন। ৰাতিপুৱালৈ নাওঁ আহি নাপালে অইন নহলেও কেৰাচিন তেলৰ অভাৱত আমি যে কাইলৈ নিশা এন্ধাৰে থাকিব লাগিব সি ধুৰূপ। নাৱঁত থকা তেলেৰে এটা ৰাতি কোনোমতে চলিব।

এই কেইদিনৰ সান্নিধ্যই লতা, হিমানী আৰু বিমানহঁতৰ লগত গঢ়ি তুলিছিল এটা গাঢ় সম্বন্ধ। আমি যেন একেখন পৰিয়ালৰ ভাই ভনী। হিমানীৰ পানী লাগি জ্বৰ উঠিছিল। লতাৰ মূৰ কামুৰিছিল। নলীনৰ যোৱা কালিৰ পৰাই জ্বৰ। তাক যোৰহাটলৈ উভতি যোৱাৰ কথা কৈছিলোঁ। কিন্তু যোৱা নাই। নবীয়া গাৰেই কাম কৰিছে। সাহায্য বিলাইছে। সাহায্যৰ বাবে বিলাবলৈ অনা ঔষধৰ বাকচৰ পৰা ঔষধ দিছোঁ। খাইছে। আজি আবেলিৰ পৰা জ্বৰ উঠা নাই।

মোৰ অৰ্ডালি ললিতে গুৰিয়াল ৰামদযালৰ সৈতে লগ লাগি অৰণমানি ওখ ঠাই টুকুৰা পৰিষ্কাৰ কৰি তম্বু তঁৰাব যত্ন কৰিছিল। আমি নাৱঁতে বহি আছিলোঁ। পেটত জুই জ্বলিছিল। কিন্তু ভাত ৰান্ধি খোৱাৰ ধৈৰ্য্য কাৰো নাছিল। সাহায্যৰ বাবে অনা চিৰা কেইটামানকে ধুই আমাক দিযাৰ বাবে লতা ব্যস্ত। চিৰা খোৱাৰ পিচত চাহ একো কাপ খোৱাৰ কথা ললিতক কম বুলি ভাবিছিলোঁ।

চাৰ, স্নেক হোল খান্দিবলৈ কোৰ অনা নহল নহয় চাৰ।' ললিতে কৈছিল।

তম্বুৰ চাৰিওফা'লে স্নেক হোল খন্দাৰ নিযমটো ললিতে ক'ত শিকিছিল নাজানোঁ। মই শিকিছিলোঁ এন, চি, চিৰ প্ৰশিক্ষণ' লওঁতে। ললিতে হেনো আগতে কোনোবা এজন ফৰেষ্ট ৰেঞ্জাৰৰ লগত কাম কৰিছিল। তেতিয়াই বোধহয সি শিকিছিল স্নেক হোল খান্দিবলৈ।

ললিতৰ কথাষাৰ শুনি খঙে মোৰ চুলিৰ আগ পাইছিল গৈ। অস্থাযীভাৱে আমি মাথোন ইয়াত এটা ৰাতি থাকিম। তাত আকৌ স্নেক হোল কেলেই? খঙত অধৈৰ্য্য হৈ কৈ উঠিলোঁ তোৰ মূৰটো নাখান্দিলেও হব যা। তম্বু তঁৰা হ'ল যদি বিছনা কেইখন ঠিক কৈ দে গৈ, হিমানীহঁত তাতে শুব। আমি নাৱঁতে শুম। আৰু শুন - গছ এডালৰ ফেৰেঙনি এটাত পেট্ৰোমাক্সটো বান্ধি দিবি।

'বৰষুণ দিলে শুমাই যায় নেকি চাৰ?'

এৰা, কথাষাৰ মই ভবাই নাছিলোঁ। ললিতে কল৩ হে মনত পৰিল। একো সমিধান বিচাৰি নাপাই মনে মনে ৰলোঁ।

লতাই আমাৰ প্ৰত্যেকৰে সন্মুখত একো প্লেট তিওৱা চিৰা আৰু অলপ অলপ চেনি দি গৈছিল।

খাই বৈ উঠি ললিতক আৰু আমনি দিয়াৰ ইচ্ছা নহ'ল। চাহ খোৱাৰ আশা পৰিত্যাগ কৰি আমি শোৱাৰ কথা ভাবিছিলোঁ।

জানো চাহ একাপ খাব নোৱাৰিনে বুলি কলে ললিতে নহলেও লতায়ে কৰি দিব।

'ৰাতি বহুতো হ'ল। শোৱা যাওঁক আৰু বিমান।'

'হয় চাৰ।'

বিমানহঁত শুইছিল গৈ। হিমানী সকলোতকৈ আগেয়ে তম্বুৰ তলত পতা বিছনাত দীঘল দি পৰিছিল।

মই আৰু ললিতে অপেক্ষা কৰিছিলোঁ. লতা আৰু স্বৰ্ণালি শুবলৈ গলেই আমি শুম। ললিতে লাইটটো তম্বুৰ ভিতৰতে থৈ আহিব।

'যোৱা স্বৰ্ণা, শোৱা গৈ।'

'ৰ'ব চাৰ, লতা বাইদেৱে চাহ কৰিছে।'

'চাহ কেলেই?'

'হিমানী বাইদেৱে একে খোৱা নাই নহয়। তাইলৈ কৰিছে হবলা।'

তাৰপিচত বহু সময়ৰ মৌনতা।

ওপৰত গোমা আকাশ। তলত পানীৰ কল কল শব্দ।

দুদিন আগতে পানী অকণমান কমিছিল। যোৱা ৰাতিৰ পৰা আকৌ বাঢ়িবলৈ আৰম্ভ কৰিছে। সোনকালে যে পানী শুকাব আশা নাই। আকাশত থুপ খোৱা মেঘৰ চপৰা। সেই চপৰাবোৰ অলপ পিচতে হয়তো পানীৰ আকাৰত পৃথিবীৰ বুকুত জৰি জৰি সৰি পৰিব। সৃষ্টি কৰিব শেষ নোহোৱা দুৰ্য্যোগ। এই দুৰ্য্যোগৰ শেষ ক'ত তেতিয়া মই তাকেই ভাবিছিলোঁ।

ললিতে মোৰ ওচৰতে বহি টোপনিয়াইছিল।

লতা আৰু স্বৰ্ণাই দুয়ো দুকাপ চাহ হাতত লৈ আমাৰ ওচৰলৈ আগুৱাই আহিছিল। লতাই চাহ কাপ মোলৈ আগুৱাই দিব খুজি হঠাৎ চিঞৰি উঠিছিল। ভীতি বিহ্বল এটা অস্বাভাৱিক চিঞৰ। হাতৰ কাপটোৰ পৰা গৰম চাহবোৰ চিটিকি আহি মোৰ গাই মূৰে পৰিল। মই হতভম্ব হৈ পৰিলোঁ। ললিত উচাপ

খাই বছাৰ পৰা খিয় হৈ পৰিল। লতাৰ মুখলৈ চালোঁ। লতা কঁপিছে।

'কি হ'ল' বুলি সোধাৰ আগতে লতাই মোক কিবা এটা আঙুলিয়াই দেখুৱালে।

নাঁৱৰ কাষতে ওপঙি থকা কাঠৰ এটা দীঘলীয়া সৰু বাকচৰ ওপৰত কিবা এটা মেৰাই লৈ ফেট তুলি আছে এটা প্ৰকাণ্ড সাপ। লাইটৰ পোহৰত চকু দুটা জিলিকি উঠিছে। মই বিমূঢ় হৈ পৰিলোঁ। এটা মাথোঁন শব্দ মোৰ মুখেৰে বৈ আছিল ললিত।

ললিত আৰু স্বৰ্ণাই সাপটো দেখিছিল নে নাই কব নোৱাৰোঁ।

মোৰ চিঞৰ শুনি সাপটো বাকচৰ পৰা নামি পানীৰ ওপৰেৰে তম্বুৰ পিনে সোঁ সোঁ কৈ আঁতৰি গ'ল। পানীৰ সোঁতে সাপটোৰ গতি বা লক্ষ্য ভ্ৰষ্ট কৰিব নোৱাৰিলে। অলপ পিচতে তম্বু আৰু নাঁৱৰ মাজৰ পানীখিনি চেৰাই ওখ ঠাই টুকুৰাত উঠিল গৈ। আমি লাইটৰ পোহৰত দেখিছিলোঁ। লতাই স্বৰ্ণাৰ গাত খামুছি ধৰিছিল।

লতাই চিঞৰি দিলে হিমানী।

মই একো ভাবিব নোৱাৰিলোঁ। পেট্ৰোমাক্সটো হাতত লৈ নাৱৰ পৰা ওখ ঠাই টুকুৰালৈ যাবলৈ পাৰি দিয়া কাঠৰ পাত ছলাৰ ওপৰেৰে তম্বুৰ ওচৰলৈ আগুৱাই গলোঁ। মোৰ পিচে পিচে মোক অনুসৰণ কৰিলে ললিতে।

লাইটৰ পোহৰত চাৰিওফালে পাত পাতকৈ চালোঁ। কিন্তু একো নাই। সাপটো তেন্তে ক'লৈ গ'ল?

তই দেখিছিলি নে ললিত?'

'দেখিছো চাৰ।'

আমি তম্বুৰ তললৈ সোমাই গ'লোঁ। আমি মানে মই আৰু ললিত। মোৰ হাতৰ পৰা ললিতে লাইটটো নি তেতিয়া তাৰ হাতত তুলি লৈছে। তম্বুৰ চাৰিওফালে চকু ফুৰাই চালোঁ। নাই। ক'তো একো নাই।

'হিমানী'।

মোৰ মাত শুনি হিমানী শোৱাৰ পৰা উঠি বহিল। গাৰ কাপোৰ-খন ভালকৈ ল'লে।

উঠা হিমানী। নাৱঁলৈ বলা।'

'নাৱঁলৈ? কিয় চাৰ?'

হঠাৎ হিস্ হিস্ শব্দ এটা শুনি তম্বুৰ উত্তৰ কোণৰ চুকটোলৈ দৃষ্টি নিক্ষেপ কৰি মই উচাপ খাই উঠিছিলোঁ। কুণ্ডলী পকাই ফেট তুলি বৈ থকা সাপটো মোৰ চকুত পৰাৰ আগতেই হিমানী একে জাপে বিছনাৰ পৰা নাহি আহি মোক সাৱটি ধৰিলে।

হিমানীক লৈ আমি আকৌ নাৱঁলৈ উভতি আহিলোঁ। হিমানীয়ে বাৰে বাৰে পিচলৈ উভতি চাইছিল।

'আমি তাত নোশাওঁ চাৰ।'

স্বৰ্ণাৰ কথাষাৰৰ উত্তৰ দিয়াৰ মই প্ৰয়োজন বোধ নকৰিলোঁ। কিবা এটা চিন্তা কৰাৰ শক্তিকণো মোৰ হেৰাই গৈছিল? ভয়ত। শঙ্কাত। কি কৰ্ত্তব্যবিমূঢ়তাত।

'এইটো শিৱৰ মূৰ্তি চাৰ।'

মই কিবা এটা কোৱাৰ আগতে পানীত ওপঙি থকা বাকচটো আৰু বাকচৰ ওপৰত পৰি থকা কিবা এটা ললিতে নাৱলৈ তুলি আনিছিল।

'ললিত! তুমি কি কৰিছা? লতাই চিঞৰি সুধিছিল।

মোৰো ভয় হৈছিল যদি বাকচটোৰ ভিতৰত অইন সাপ আৰু সোমাই আছে? কব খুজিছিলোঁ ললিত বাকচটো পানীত উটুৱাই দে। তাৰ ভিতৰত হয়তো আৰু বহুতো সাপ সোমাই আছে।

কিন্তু নকলোঁ। মই তেনেদৰে কলে লতা স্বৰ্ণাইঁতে ভয় খাব। ময়ো যথেষ্ট ভয় খাইছিলোঁ যদিও লতাইঁতৰ সন্মুখত ইমান দুৰ্ব্বল, ভয়াতুৰ বুলি প্ৰমাণ কৰি দেখুৱাবৰ

মন যোৱা নাছিল। ললিতে বাকচটো লুটিয়াই বগৰাই চাইছিল। খুলিবলৈ যত্ন কৰিছিল।

কাঠৰ এটা পুৰণি বাকচ। গাৰ ৰংটো মলিয়ন। ৰাকচৰ ভিতৰত চাবি বন্ধ কৰাৰ ব্যৱস্থা আছে। ললিতে বাকচটো খুলিবলৈ যত্ন কৰিছিল যদিও খুলিব নোৱাৰিলে।

বাৰে বাৰে কোৱাৰ পিচত মোৰ বিছনাখনতে হিমানী আৰু স্বৰ্ণা শুইছিল। লতাকো শোৱাৰ কথা কৈছিলোঁ। কিন্তু লতা নুশুলে। হিমানীৰ ওচৰতে বহি ৰ'ল। অদূৰত বহি ৰালোঁ মই। ললিতে চাউল ডাইলৰ বস্তাৰ ওপৰতে শোৱাৰ কাৰণে বিছনা কৰি লৈছিল। মই তেনেদৰে বৈ থকা কাৰণে সি মৌলে চাইছিল। তাৰ দৃষ্টিয়ে যেন মোক প্ৰশ্ন কৰিছিল মই শো গৈ নে?

আন বিছনা আমাৰ নাছিল। লতা আৰু হিমানীহঁতৰ বিছনা কেইখন তম্বুল তলতে ৰ'ল। বিছনা থাকিলেও বিছনা পৰাৰ বাবে ঠাই নাছিল।

তম্বুৰ তলৰ পৰা বিছনা কেইখন লৈ আনোঁ গৈ নে চাৰ?'

'মৰিবলৈ যাব খুজিছ নেকি? তই তোৰ বিছনাত শুই থাক গৈ।'

'একো নক ৰ চাৰ। এনেকুৱা বিপদৰ সময়ত ছাগে বাঘে একে ঘাটতে পানী খায়।'

সি মোৰ কথাৰ অৰ্থটো বুজিছিল। ললিতলৈ মোৰ মৰম ওপজিছিল। মৃত্যুক আওঁহেলা কৰিও সি মোৰ সেৱা কৰিব খোজে। মই তেনেদৰে বহি থকা কাৰণে সি শুবলৈ ভাল পোৱা নাই।

'তই শো গৈ যা ললিত।'

'কিন্তু চাৰ, ।'

'মোৰ কাৰণে তই ভাবিব নালাগে। তই শোঁ গৈ।'

সেয়েনা সেমেনিকৈ ললিত আঁতৰি গৈ শুই পৰিছিল। তাৰ

চকু মুখত ফুটি উঠিছিল সি যেন দোষী। মোক তেনেদৰে বছৰাই থৈ গুৱলৈ যোৱাটো তাৰ অন্যায় হৈছে।

নিশা আগবাঢ়িছিল। চৈৰ তলত আমি দহোটা প্ৰাণী। আটাই-বোৰ শুইছে। শোৱা নাই মাথোন মই। লতাই বহি বহিয়েই টোপ-নিয়াইছে। পেট্ৰোমাক্সটো জ্বলি আছে। জ্বৰ জ্বৰকৈ সৰি পৰিছে আকাশৰ পৰা অলেখ বৰষুণৰ টোপাল। তন্দ্ৰা সনা চকু দুটা মোৰ জাপ খাই আহিছিল।

বহি থকা চাউলৰ বস্তাটোৰ ওপৰত ভৰি দুখন দীঘলকৈ মেলি দি টোপনিয়াব পাৰি নেকি ভাবিছিলোঁ। কিন্তু মিছা। ভৰি দুখন দীঘলকৈ মেলি দিয়াৰ উপায় নাই। ঠেং দুখন মেলি দিলেই হিমানীহঁতৰ বিছনাৰ ওপৰত উঠিব গৈ। আন এটা বস্তা টানি আনি কাষত পাতি লোৱাৰো সুবিধা নাই।

ৰাতি কেইটা বাজিছিল কব নোৱাৰোঁ। চিলমিলকৈ মোৰ টোপনি আহিছিল। হঠাৎ কাৰোবাৰ চিঞৰত খক্‌মক্ কৈ সাৰ পাই উঠিলোঁ। চকু দুটা মোহাৰি চাৰিওফালে এবাৰ দৃষ্টি বুলাই নিলোঁ। নাই। কোনো সাৰে নাই। আটাইবোৰে টোপনি। লতাই তেনেদৰে বহি বহিয়েই টোপনিয়াইছে। টোপনিতে বোধহয় কোনোবাই চিঞৰিছিল। চকু দুটা মুদি মই আকৌ টোপনি যাবৰ যত্ন কৰিছিলোঁ।

হঠাৎ মোৰ চকুত পৰিল সেই সাপটোৱে নাৱঁৰ চাৰিওফালে পানীৰ ওপৰে ওপৰে ঘূৰি ফুৰিছে। নাৱৰ ভিতৰলৈ উঠি আহিবলৈ যত্ন কৰিছে। কিন্তু পানীৰ সোঁতৰ বাবে উঠি আহিব পৰা নাই। একোবাৰ পানীৰ ওপৰতে কুণ্ডলী পকাই মৌলে চাই চাই গুজৰিছে। পানীৰ সোঁতে উটুৱাই নিছে বহুত দূৰলৈ। তাৰ পিচত সাপটো সাঁতুৰি সাঁতুৰি আকৌ নাৱঁৰ ওচৰলৈ আগুৱাই আহিছে। নাৱঁৰ গাত বগুৱা বাই ভিতৰলৈ আহিবলৈ যত্ন কৰি বিফল হৈছে। বাৰে বাৰে সাপটো পিছলি পৰিছে। ভয়ত

মই ললিতক চিঞৰি মাতিবলৈ যত্ন কৰিছোঁ। কিন্তু মাতিব নোৱাৰিলোঁ। মুখেৰে মই কোনো কথাই কব পৰা নাই। এটা শব্দও উচ্চাৰণ হোৱা নাই।

টোপনি যোৱা নাছিলোঁ যদিও টোপনিৰ জড়তাত চকু দুটা মোৰ তেতিয়াও গধুৰ হৈয়ে আছিল।

এটা বিকট চিঞৰত মোৰ তন্দ্ৰা ভাঙি গৈছিল। মই পেঁপুৱা লাগি গৈছিলোঁ। বহলকৈ চকু দুটা মেলি বোবা চাহনিৰে সন্মুখলৈ চাই পঠিয়ালোঁ। লতা বহাৰ পৰা থিয় হৈ মোলৈ ৰ' লাগি চাই আছে চকুত শঙ্কা বিহ্বল দৃষ্টি। লতা থক্ থক্কৈ কঁপিছে। বোধহয় ভয়ত।

মই যে লতাক কিবা সুধিব লাগে সেই কথাও পাহৰি গৈছোঁ মাথোন ভাবিছিলোঁ এয়ো সপোন নে বাস্তৱ?

'সাপ, সাপ চাৰ।'

চিঞৰ মাৰি লতা একে জাপেই আহি মোৰ বাহুত খামোচ মাৰি ধৰিলে। ভয় বিহ্বল দৃষ্টিৰে মই এবাৰ চাৰিওফালে চালোঁ। কিন্তু একো নেদেখিলোঁ। ভাবিলোঁ বোধহয় সাপটো নাৱঁৰ ভিতৰলৈ উঠি আহি ক'ৰবাত লুকাই আছেহি।

বৰ কষ্টেৰে সুধিলোঁ ক'ত লতা?

'সৌৱা। বাকচটোৰ ওপৰত।'

বাকচটোৰ ওপৰলৈ চালোঁ। কিন্তু সাপ ক'ত? বাকচটোৰ ওপৰত একো নাই।

'বাকচৰ ওপৰত সাপ ক'ত?

'সৌটো কি?'

চকু দুটা মোহাৰি আকৌ বাকচটোলৈ চালোঁ। কিন্তু বাকচটোৰ বাহিৰে আন একো মই নেদেখিলোঁ। সুধিলো বাকচৰ ওপৰত সাপটো এতিয়াও আছেনে?

'আছেতো। সৌৱা, সৌটো কি? কেনেকৈ ফেট তুলি গুজৰি আছে।'

লতাৰ গাৰ নোমবোৰ শিহৰি উঠিছিল। গাৰ চাদৰখন খহি পৰিছিল। কম্পমান লতা যেন এজোপা সোঁতৰ কচু।

বুজিলোঁ। লতাৰ এয়া অৱচেতন মনৰ ভ্ৰম। তন্দ্ৰাজালত ময়ো দেখিছিলোঁ। সাপটোৱে যেন আমাৰ নাৱঁৰ চাৰিওকাষে ঘূৰি ফুৰিছে। নাৱঁৰ ভিতৰলৈ উঠি আহিবলৈ আপ্ৰাণ চেষ্টা কৰিছে।

বাকচটো নাৱঁৰ পৰা পেলাই দিয়াৰ কথা ভাবিছিলোঁ কিন্তু বাকচটোৰ ওচৰলৈ যোৱাৰ সাহস নহল। মোৰ অনুমান হৈছিল বাকচটোৰ ভিতৰত আৰু তলত যেন সঁচাকৈয়ে বহুতবোৰ সাপ কুণ্ডলী পকাই বৈ আছে।

ললিতক চিঞৰি মাতিলোঁ। সি খকমককৈ সাৰ পাই উঠি বহিল।

'কি হ'ল চাৰ ?' তন্দ্ৰা জড়িত কণ্ঠেৰে সি প্ৰশ্ন কৰিছিল।

'মোক বহুৱাই থৈ তই শুই থাকিব নেকি গৰু ? উঠ।'

মনৰ আচল ভাৱটো লুকাই কৈছিলোঁ। মোৰো যে সঁচাকৈয়ে বৰ ভয় লাগিছিল সেই কথাষাৰ কবলৈ মোৰ লাজ লাগিল।

লতা ইতিমধ্যে কিছু পৰিমাণে সুস্থিৰ হৈ পৰিছে। গাৰ কানি কাপোৰবোৰ ঠিককৈ লৈছে। হাতৰ ঘড়ীটোলৈ চালোঁ। ৰাতি তিনিটা।

'তুমি নোশোৱা নেকি লতা ?'

মোৰ প্ৰশ্নটো শুনি লতাই মোৰ মুখলৈ চাইছিল। ভয়সনা চকুৰ দৃষ্টিটোৱে যেন মোক কৈছিল ওহো, মই শুব নোৱাৰোঁ। সাপটো যে সৌ তাতেই লুকাই আছে।

তাৰ পিচতো সময় বাগৰি গৈছিল। আমাৰ কাৰো মুখত মাত নাই। মৌন মুহূৰ্ত্তবোৰ মাথোঁন আগবাঢ়ি গৈছিল। বৰষুণ জাক এৰিছে। ললিতৰ তন্দ্ৰাজড়িত হামিয়ে মাজে মাজে মৌনতা ভাঙি দিয়াৰ বাহিৰে আন কাৰো সাৰি শব্দ নাই। নাৱঁৰ এচুকত শোৱা ৰমজানৰ নাকৰ শব্দটোৱে আনদিনাৰ দৰে সিদিনাও ঐক্যতান

বজাইছিল। প্ৰথম দিনা বৰকৈ অসহনীয় হৈ উঠা নাকৰ শব্দটো ইতিমধ্যে আমাৰ চিনাকি হৈ পৰিছে। সহজ হৈ উঠিছে।

বাতিটো মুপুৰায় যেন লাগিছিল।

'ললিত, তোৰ চিকাৰ কাহিনী এটাকে ক' দে।'

নিস্তব্ধতা ভাঙি মই কৈছিলোঁ। এই শেষ নিশা চিকাৰ কাহিনীৰ প্ৰতি দুৰ্ব্বলতা থকা ললিতৰ চিকাৰ কাহিনী বৰ্ণোৱাৰ শক্তি বা ধৈৰ্য্য যে নাছিল মই জানোঁ। শুনাৰ আগ্ৰহ আমাৰো নাছিল। টোপনিয়ে জুকলা কৰা চকু দুটা পুৰিছিল। শেষ নিশাৰ চেঁচা বতাহ জাকে গাবোৰ শিৰ শিৰাই দিছিল।

ললিত মৌন হৈ ৰ'ল। চিকাৰ কাহিনী কোৱাৰ কোনো আগ্ৰহ সি নেদেখুৱালে। ময়ো তাক দুনাই আমনি দিব খুখুজিলোঁ।

লাহে লাহে এন্ধাৰ আঁতৰি গৈছিল। পুৱে ফেঁহুজালি দিছিল। 'ৰাতি পুৱাল। বিমানহঁতক জগাই দে ললিত। আক তই এপিয়লা চাহ কৰ।'

কলোঁ যদিও কাকো জগাই দিয়াৰ আৱশ্যক নহল। বিহাৰী নাৱৰীয়া ৰামদয়ালৰ গীত গোবিন্দৰ সুৰধ্বনিত বিমানহঁতৰ টোপনি ভাঙি গৈছিল। বিমানহঁত এটা এটাকৈ শোৱা পাটী এৰি উঠি আহিল। স্বৰ্ণাই শোৱাৰ পৰা উঠি হিমানীক জগাই দিলে।

'হিমানীৰ জ্বৰ কেনে স্বৰ্ণা?' সুধিছিলোঁ।

স্বৰ্ণাই বোধহয় হিমানীৰ কপালত হাত দি গাৰ উত্তাপ অনুমান কৰিছিল। কৈছিল. জ্বৰ এতিয়া নাই চাৰ।

চাহ হলে মোক জগাই দিবলৈ কৈ মই বিমানৰ বিছনাখনতে শুই পৰিলোঁ।

মই যেতিয়া সাৰ পাওঁ তেতিয়া আঠ বাজি গৈছে। হাতমুখ ধুই চাহ এপিয়লা খাই চিগাৰেট এটা জ্বলাই লৈছিলোঁ। দিনটোৰ কৰ্ত্তব্য স্থিৰ কৰিবলৈ নলীনহঁতৰ লগত আলোচনা কৰাৰ কথা ভাবিছিলোঁ।

কিন্তু নলীন বিমানহঁতক দেখি বৰ লেহুৰা নিষ্কৰ্মা যেন মোৰ অনুমান হ'ল। ললিত, ৰমজান, ৰামদয়াল, স্বৰ্ণা আটাইবোৰ যেন কাম কৰি কৰি ভাগৰি পৰিছে। ক্লান্ত হৈ পৰিছে। সিহঁতৰ আগৰ সেই উদ্যম যেন আৰু নাই।

'নলীন, তোমালোকচোন এলেহুৱাৰ দৰে বহি আছাহঁক। কি হৈছে ?'

মোৰ ভাৱ হৈছিল নলীন বিমানহঁতে মোক সন্দেহ কৰিছে নেকি ? যোৱা নিশা লতা আৰু মই শোৱা নাই। সাৰে আছোঁ। হয়তো সেই কথাষাৰ ৰাতিপুৱা সিহঁতে গম পাইছে। কথাষাৰ মনলৈ অহাৰ লগে লগেই মই দুৰ্ব্বল হৈ পৰিলোঁ।

'বহি থকা নাই চাৰ। আমি আজি বহুত দূৰলৈ যোৱাৰ কথা। কিন্তু নাওঁ এতিয়ালৈকে আহি নাপালে। আজি আমি চাহেই খোৱা নাই।'

তেতিয়াহে মোৰ মনত পৰিছিল. নাৱঁত আমাৰ নিজৰ বাবে ৰচদ পাতি একো নাই। তেনেহলে ৰমজান, বিমানহঁতে ৰাতিপুৱা শুই উঠি চাহ খোৱা নাই ? সিহঁতে নাখাই মোলৈ সাঁচি ৰাখিছে।

মোৰ নিজকে বৰ অপৰাধী অপৰাধী যেন লাগিছিল। সিহঁত কোনোৱেও ৰাতিপুৱা চাহ খোৱা নাই। অথচ সিহঁতৰ কাৰণে অকণো নাভাবি মই একাপ একাপকৈ দুকাপ চাহ খাইছোঁ।

নাওঁ আহি নাপালে আমি যাত্ৰা কৰাৰ আশা কৰা মিছা। অইন নহলেও ৰাতিলৈকে কেৰাচিন তেল নাই। কি কৰিম, নকৰিম ভাবি মৌন হৈ ৰলোঁ। বাৰে বাৰে ডিঙি মেলি দূৰলৈ চাইছোঁ জানোচা নাওঁ আহিছেই।

অৱচেতন মনৰ মাজত যোৱা নিশাৰ ঘটনাটো তেতিয়াও জিলিকি আছিল। ৰাতিৰ এন্ধাৰত ভয়ঙ্কৰ ৰূপলৈ শঙ্কাৰ সৃষ্টি কৰা সকলোবোৰ কথাই দিনৰ পোহৰত সাধাৰণ ঘটনা হৈ পৰে। সহজ হৈ উঠে। ৰাতিৰ কথাবোৰ মনত পৰি দিনৰ পোহৰত মোৰ লাজ লাগিল। ছিঃ

ৰাতিৰ সেই সাধাৰণ ঘটনাটোতে ইমান ভয় খাইছিলোঁ। ৰাতিৰ এন্ধাৰত দেখিলেও গা কঁপি উঠা বাকচটোলৈ চাই চাই মই নিজেই হাঁহিছিলোঁ।

ললিত, চাওঁ এই পিনে আহ।'

মোৰ মাত শুনি ললিত আহি মোৰ সন্মুখত থিয় হৈছিল।

বাকচ টো খুলিব পাৰি নেকি চাচোঁন। কাৰ বা বাকচ? ভিতৰত বা কি আছে?'

'খুলিব নোৱাৰি চাৰ। চাবি বন্ধ। ভিতৰত বোধহয় একো নাই। বৰ পাতল দেখোন।'

তাৰ কথাবাৰ শুনি মোৰ খং উঠিছিল। বুৰ্ব্বক ক'ৰবাৰ। ভিতৰত একো নাথাকিলে চাবি বন্ধ থাকিব কিয়?

মই একো উত্তৰ নিদিলোঁ। কলোঁ. চাওঁ, তোৰ শিৱৰ মূৰ্ত্তিটো।

'নাই চাৰ। সেইটো মই নিদিওঁ। ভগৱানে মোক দিছে।'

ললিত শিৱ ভক্ত বুলি জানোঁ। মোৰ বহা কোঠাটোত ওলোমাই থোৱা দিনপঞ্জীৰ শিৱৰ ছবিটোকে সি দিনটোত কিজানি সাতবাৰ মান সেৱা কৰে। সন্ধিয়া আৰতি কৰাৰ দৰে ধূনা দানীটো ঘূৰাই ঘূৰাই ধূনা দিয়ে। প্ৰণাম কৰে।

'তয়েই নিবি বাৰু। এতিয়া আনচোন। চাওঁ।'

'গা নোধোৱাকৈ ।'

'একো নহয় যা।'

অলপ পিচত ললিতে শিৱৰ মূৰ্ত্তিটো আনি সভক্তিৰে মোলৈ আগুৱাই দিছিল। মোক কিয়, মুখ্য সচিব অথবা ৰাজ্যপালকো ইমান ভক্তি ললিতে কেতিয়াবা দেখুৱাইছে নে নাই নাজানোঁ। কিন্তু সাধাৰণ শিলৰ মূৰ্ত্তি এটাৰ প্ৰতি তাৰ ইমান ভক্তি দেখি মই আচৰিত হৈছিলোঁ। মদ, মুৰ্গীৰ লগত তেনেহলে ভগৱান ভক্তিৰ কোনো সম্বন্ধ নাই। মূৰ্ত্তিটো হাতত লৈ মই ঘূৰাই পকাই চালোঁ। ছ ইঞ্চিমান

ওটা এটা শিৱৰ মূৰ্ত্তি। যথেষ্ট গধুৰ। বোধহয় শিলৰ। গাৰ ৰং মলিয়ন। সাপটোৱে কৰ পৰা কেনেকৈ আনিলে মই তেতিয়া তাকেই ভাবি-ছিলোঁ। ললিতৰ ভক্তিভৰা ভাৱটোৱে মূৰ্ত্তিটোৰ প্ৰতি মোৰো এটা ভক্তিৰ ভাৱগটি তুলিছিল।

'সাপটো তম্বুল তলত এতিয়াও আছে নেকি চাইছিলি নে ললিত? তম্বুখন দেখোন তইঁতে এতিয়াও খোলাহ নাই?'

ৰমণানক কণতে লৈ ললিতে তম্বুখনৰ পিনে আগৰাই গৈছিল।

মূৰ্ত্তিটো মেজৰ ওপৰতে থৈ মই আন এটা চিগাৰেট জ্বলাই লব খুজি-ছিলোঁ। এনেতে ৰামদয়ালে নাৰ্ৱৰ টিঙৰ পৰা চিঞৰি উঠিল সাপ! সাপ!

ৰামদয়ালৰ চিঞৰ শুনি লগে লগে তালৈকে উঠি যাব খোজোঁতে 'কৰা এটা ভৰিত গাৰ গম পাইছিলোঁ। মই গৈ ৰামদয়ালৰ ওচৰ পাওঁ নোপাওঁতেই চকুত পৰিছিল সাপ এটা নাৱৰ টিঙৰ পৰা পানীত পিচলি পৰি সোঁতৰ প্ৰতিকূলে এৰি দিয়া বাট এপাৰৰ ফালে আঁতৰি গৈছে। মই কিয় বৈ চাই ৰলোঁ। অলপ পিচতে সাপটো দৃষ্টিৰ আঁৰত লুকাই পৰিছিল।

ইতিমধ্যে লতা, হিমানী, বিমান, আটাইকেইটা আহি মোৰ ওচৰত থুপ খাইছে। প্ৰত্যেকৰে চকুৰ ওপৰেৰে দৃষ্টি বুলাই নিলোঁ। বিমান-হঁতৰ চকুত অবিশ্বাসৰ প্ৰশ্নবোধক দৃষ্টি। ভাৱ বাৰু সাপটো এতিয়াও যোৱা নাইনে?

অৱশ্যে লতাৰ মুখলৈ চালোঁ। শঙ্কা বিহ্বল দৃষ্টিৰে মোলৈ চাই আছে। লতাই যে বাৰুকৈয়ে ৰাতিৰ দাৰে এতিয়াও ভয় খাইছে সেই বিষয়ে মই নিসন্দেহ।

'কি হ'ল লতা?' বুলি সুধিব খুজিছিলোঁ। কিন্তু তাৰ আগতেই লতাই ভয় বিহ্বল কণ্ঠেৰে কৈছিল নাৱৰ ভিতৰত আৰু বা ক'ত কেইডাল সাপ লুকাই আছে কি ঠিক।

'ধেৎ, কত সাপটো আছে? তুমি মিছাকৈয়ে ভয় খাইছা।

যোৱা ৰাতি পানীত উটি অহা সাপটো এতিয়া গ'ল গৈ।' কলোঁ।

কিন্তু ললাই যেন মোক বিশ্বাস কৰিব নোৱাৰিলে। এটা সন্ধানী দৃষ্টিত নাওখনৰ চাৰিওফালে দৃষ্টি বুলাই কিবা এটা পৰীক্ষা কৰিলে। ৰামদয়ালৰ চিঞৰ শুনি উভতি অহা ৰমজান আৰু ললিত আকৌ উভতি গৈছিল। তাৰ আগতেই আমাৰ ওচৰৰ পৰা আঁতৰি গৈছিল হিমানহত। ময়ো আকৌ আগৰ ঠাইলৈ উভতি আহিব খুজিছো। দেখিলোঁ ললাই বৰ ভয় ভয়কৈ খোজবোৰ পেলাই আঁতৰি আহিব খুজিছে। তাই যেন সাপৰ বাহৰে ভৰা হাবিয়নি এখনৰ মাজেৰেহে খোজ কাটি গৈছিল।

আগৰ ঠাইলৈ উভতি আহি বহিব খোজোঁতেহে চকু পৰিল শিৱৰ মূৰ্তিটো ফুটুকুৰ হৈ পৰি আছে। মোৰ বৰ বেয়া লাগিল। ছি। বেচেৰা ললিত। সি মোক কি ভাবিব? ললিতে মনত বৰ আঘাত পাব

ভগা মূৰ্তিটো হাতত তুলি ললোঁ। মোৰ অনুমানটোৱে সঁচা। এটা প্ৰস্তৰ মূৰ্তি। কিন্তু ভিতৰখন ফোপোলা। [illegible] ন মূৰ্তিটোৰ ভিতৰখন ফোপোলা বুলি অনুমানেই কৰিব নোৱাৰিলোঁহেঁতেন। ভৰি অংশ হাতত তুলি লবৰ খোজোঁতে শব্দকৈ কিবা এটা তলত পৰি গ'ল। হাউলি চাই দেখিলোঁ এপাট চাবি। চাবিপাট তুলি ললোঁ।

কি ভাবি জানো চাবিপাট হাতত লৈ বাকচটোৰ ওচৰলৈ আগুৱাই গ'লোঁ। বন্ধ বাকচৰ বিন্ধাটোত চাবিপাট সুমুৱাই দি বাকচটো খুলিবৰ যত্ন কৰিলোঁ। কিন্তু লাভ একো নহ'ল। কেবা বাৰো যত্ন কৰিও বাকচটো খুলিব নোৱাৰিলোঁ।

'চাবি পাটত অকণমান কেৰাচিন তেল সানি লওঁক চোন।'

মূৰ তুলি চালোঁ। স্বৰ্ণা। মোৰ ওচৰতে থিয় হৈ আছে। সেয়া স্বৰ্ণাৰ উপদেশ। স্বৰ্ণা কেতিয়া গৈ মোৰ ওচৰত থিয় হৈছিল মই গম পোৱা নাছিলোঁ।

স্বৰ্ণা নিজে গৈ চিগাৰেটৰ খালি টিন এটাত অকণমান কেৰাচিন তেল আনি মোলৈ আগুৱাই দিছিল। চাবিপাট তেলত জুবুৰিয়াই বাকচৰ বিন্ধাটোত তেল অকণমান ঢালি দিলোঁ। তাৰ পিচত ছুবাৰ মান যত্ন কৰাৰ পিচতে চাবিপাট ঘূৰি গ'ল। বাকচৰ ভিতৰৰ বন্ধ কজাটো খুলিছিল বুলি মোৰ অনুমান হ'ল। কিন্তু বাকচৰ ঢাকনিখন ডাঙি দিয়াৰ সাহস মোৰ নহ'ল। ঢাকনিখন খুলিবলৈ হাতখন আগুৱাই নিও কিবা এটা ভাবি মই থমকি ৰলোঁ। ভয় হৈছিল ঢাকনিখন ডাঙি দিয়াৰ লগে লগে যদি কিলবিলকৈ এসোপামান সাপ ওলাই আহে। ভয়ত মোৰ গাটো জিকাৰ খাই উঠিল।

'খুলিছে হবলা ব'ব' বুলি মই একো কৰলৈ নৌপাওঁতেই স্বৰ্ণাই ঢাকনিখন ডাঙি দিলে। মই ছখোজমান পিচুৱাই গলোঁ। ভয়ত।

'এয়াচোন এখন সাঁচি পুথি।'

স্বৰ্ণাৰ কথাষাৰ শুনি মই আকৌ আগুৱাই আহিলোঁ। ইতিমধ্যে স্বৰ্ণাই সাঁচি পুথিখন হাতত তুলি লৈছিল। স্বৰ্ণাৰ হাতৰ পৰা সাঁচ পুথিখন মোৰ হাতত লৈ লিৰিকি বিদাৰি চালোঁ। দেবনাগৰী হৰফত কি লিখা আছিল মই একো বুজিব নোৱাৰিলোঁ। বাকচটোৰ ভিতৰলৈ ভুমুকিয়াই চালোঁ। ভিতৰত একো নাই। সুদা।

'ঢাকনিখন তেনেদৰে খুলি দিয়া তোমাৰ ভুল হৈছে স্বৰ্ণা।'

'কিয় চাৰ ?'

'বহুদিন আগতে বন্ধ হৈ থকা বাকচ। হয়তো তাত বহুতো বেয়া গেছ সোমাই আছে। সেইবোৰ স্বাস্থ্যৰ পক্ষে অনিষ্টকৰ।'

স্বৰ্ণাই একো নামাতিলে। মই নিজক লুকুৱাবলৈ কোৱা কথাষাৰকে স্বৰ্ণাই হয়তো বিশ্বাস কৰিলে।

এনেতে নাৱৰ প্ৰায় আটাইবোৰ মানুহেই একেলগে চিঞৰি উঠিল নাওঁ! নাওঁ! সৌৱা নাওঁ আহিছে।

সিহঁতৰ মুখত হাঁহি।

দূৰলৈ চাই পঠিয়ালোঁ। সচাঁকৈয়ে নাওঁ এখন আমাৰ পিনলৈ

আগুৱাই আহিছে। সাহায্য দি উভতি অহা খালি নাওঁ নে আমালৈও কিবা কিবি বস্তু আনিবলৈ দিয়া সেই নাওঁখনেই ? অনিশ্চযতাত নাওঁখন আহি একেবাৰে আমাৰ ওচৰ নচপালৈকে উদ্‌বিগ্নতাৰে অপেক্ষা কৰি ৰলোঁ। হাতৰ ঘড়ীটোলৈ চালোঁ। তেতিয়া প্ৰায় দহ বাজো বাজো।

তাৰ পিচতো ছটা নিশা আমাৰ পাৰ হৈ গৈছিল। ইয়াৰ মাজত দুদিন নে তিন দিন লতাই নিশা টোপনিতে চিঞৰি উঠিছিল। সাপৰ সপোন দেখিছিল। ভাবিছিলোঁ। লতাই বাৰুকৈয়ে ভয় খাইছে। দিন পুৰণি হৈ গলে সকলো ঠিক হৈ যাব।

পানী শুকাইছিল। বহুতে ভাবিছিল• এটা দুৰ্য্যোগ আঁতৰি গ'ল। কিন্তু দুৰ্য্যোগ আঁতৰি যোৱা নাছিল। দুৰ্য্যোগৰ আন এটা দিশে জিহ্বা মেলি বৈ আছিল। নানা প্ৰকাৰ বেমাৰ আজাৰে মানুহ-বোৰক জুৰুলা কৰি তুলিছিল। তদুপৰি গৃহ সমস্যা, খেতিৰ কঠিয়া আৰু গৰু ম'হৰ সমস্যা আছেই। পানী সকাহ দিয়াৰ পিচত শ্বিলঙৰ পৰা মন্ত্ৰী, উপমন্ত্ৰীসকলে বান বিধ্বস্ত অঞ্চলবোৰ পৰিদৰ্শন কৰিছিল। জুৰুলা ৰাইজক আশ্বাস বাণী শুনাইছিল। সমবেদনা জনাইছিল। গৃহ-নিৰ্ম্মাণ সঁচ আৰু গৰু ম'হ কিনাৰ বাবে ঋণ দিব। মই ভাবিলোঁ. ঋণ দিব সঁচা। কিন্তু কেতিয়া ?

জে বি কলেজৰ চতুৰ্থ বাৰ্ষিকৰ ল'ৰা বিপুল শইকীয়াৰ কথা মনত পৰিল। সাহায্য দিবলৈ যাওঁতে দিখৌৰ সোঁতত নাও বুৰি বেচেৰাই মৃত্যু বৰণ কৰিলে। মাক-দেউতাকৰ একমাত্ৰ ল'ৰা বিপুলে ৰাইজৰ কাৰণে সাৱটি ল'লে মৃত্যুক। কিন্তু বিপুলৰ কথা বুৰঞ্জীয়ে মনত নাৰাখে। ৰাখিব এইসকল মন্ত্ৰী-উপমন্ত্ৰীক। যি সময়ত বান পানীৰ কৰাল মূৰ্ত্তিয়ে গোটেই অসমবাসীক গ্ৰাস কৰিবৰ যত্ন কৰিছিল, পেটৰ ভোকত মৃত্যুক আঁকোৱালি লবলৈ ওলাইছিল সেই সময়ত এই সহানুভূতিশীল নেতাসকল ভৈয়ামলৈ নেনামিল কিয় ? ক্ষুধাতুৰ, গৃহহীন সৰ্ব্বহাৰা এইজাক জনতাই আশ্বাস নিবিচাৰে। সহানুভূতি

নিবিচাৰে। বিচাৰে অন্ন, অকণমান আশ্ৰয় আৰু অকণমান মৰম। সহানুভূতিশীল দেশনেতা সকলে কেইখনমান মাওঁ সৰহ কৈ মজুত ৰাখিব নোৱাৰে নে? অসমৰ বানপানী জানো আকস্মিক দুৰ্ঘটনা?

ৰহমানক হিচাব-পত্ৰবোৰ বুজাই মিলাই দি এদিন আহিবলৈ ওলালোঁ। তেতিয়া সন্ধিয়া। ৰহমানে কৈছিল আজি নিশাটো থাকক। কাইলৈ ৰাতিপুৱা ট্ৰেইনতে যাব। ট্ৰাঙ্ক ৰোডৰ অৱস্থা শোচনীয়। বহু ঠাইত ভাঙিছে। গাড়ী নচলে।

অগত্যা ৰাতিটো থাকিবলগীয়া হৈছিল।

চাৰ্কিট হাউচলৈ উভতি আহি গাটো ধুই লম বুলি ভাবিছিলোঁ। ললিতক চাহ একো পিয়লা দিয়াৰ কথা কৈছিলোঁ। মোৰ পিচে পিচে চাৰ্কিট হাউচলৈ অহা স্বেচ্ছাসেৱক বাহিনীৰ ল'ৰা-ছোৱালী-জাকক বহিবলৈ দিছিলোঁ। কিবা কিবি কথা পাতিছিলোঁ। ললিতে আমাৰ প্ৰত্যেককে একো কাপকৈ চাহ আৰু কেইটামান পকা কল আনি দিছিল।

চাহ খাই উঠি হিমানী, স্বৰ্ণা, নলীনহঁতে বিদায লৈ আঁতৰি গৈছিল। মৰম সনা কথাৰে ধন্যবাদ জনাই মই সিহঁতক বিদায দিছিলোঁ। শেষলৈ বৈ আছিল বিমান আৰু লতা। ল'ৰা ছোৱালীজাকক বিদায দি মোৰ বেযা লাগিছিল। মনটো কিবা উকুঙা উকুঙা লাগিছিল। যেন বিযালৈ অহা আত্মীয়স্বজনবোৰ এজন এজনকৈ বিযাৰ পিচ দিনা আঁতৰি গৈছে। কইনা উলিয়াই দিযা ঘৰ এখনৰ শূন্যতাই মোৰ মনৰ মাজত খেলি-মেলি লগাইছিল। লতা আৰু বিমান আৰু অলপ বহিব বুলি জানি মনটো ভাল লাগিল। 'আপুনি গা ধোৱাৰ কথা কৈছিল দেখোঁন চাৰ। গাটো ধুই লওঁক।'

'তোমালোকক বিদায দি একেবাৰে গা ধোৱা ঘৰত সোমাম। তোমালোকক এৰি দিবলৈ মন যোৱা নাই।' বিমানৰ কথাৰ উত্তৰ দি কৈছিলোঁ।

'আমি একণমান বহিছো। আপুনি গাটো ধুই লওক চাৰ।'

ইমান দিনৰ মূৰত টানকৈ ওলোৱা চোকা ৰ'দ জাকে যেন পৃথিৱীখন পুৰি নিব। দেই পেলাব। বহু আগতেই বেলি ডুবিছিল যদিও ৰদৰ উত্তাপ শাম কটা নাছিল। ঘামাত মই জুকলি জুপুৰি হৈ পৰিছিলোঁ। গা.টো ধোৱাৰ প্ৰয়োজন বৰকৈয়ে অনুভৱ কৰিছিলোঁ। বিমানৰ কথাষাৰ শুনি কৈছিলোঁ।

'এৰা, তেন্তে তোমালোক বহাহ'ক দেই অ'কমান। মই গাটো তিয়াই লওঁ।'

লতাহঁতৰ ওচৰৰ পৰা বিদায় লৈ মই গা ধোৱা ঘৰত সোমাই-ছিলোঁ। চাবাৰ টেপৰ তলত মূৰটো পাতি দি ঘঁাহপিতি গা ধুইছিলোঁ। মই তেতিয়া পাহৰি গৈছিলোঁ যে মোৰ কাৰণে লতাহঁত বাহিৰতে বৈ আছে।

প্ৰায আধা ঘণ্টামানৰ মূৰত কানি কাপোৰ সলাই আকৌ বাৰান্দালৈ ওলাই আহিছিলোঁ। লতাহঁতক দেখি তেতিয়াহে মোৰ মনত পৰিল লতা আৰু বিমানে মোলৈকৈ বৈ আছে।

'মোৰ ভুলতো পলম হৈ গল? নহয লতা? ক্ষমা খোজাৰ সুৰত কৈছিলোঁ।

'একো নহয় চাৰ।'

ললিতক মাতি আকৌ তিনি কাপ চাহ দিযাৰ কথা কৈছিলো।

'চাহ আৰু নাখাওঁ চাৰ। ৰাতিও হৈ আহিল। কথাটো কোৱানা বিমানদা।

চাহ খাবলৈ আপত্তি জনাই লতাই শেষৰ কথাষাৰ বিমানক কৈছিল।

'তই ক' লতা?'

'কি হ'ল বিমান?' সুধিছিলোঁ।

বিমান অথবা লতা কাৰো মুখত মাত নাই। ইজনে সিজনৰ মুখলৈ চাই সেমেনা সেমেনি লগাইছিল।

'কি কথা তুমিয়ে কোৱা লতা। অ' বুজিছোঁ। তোমালোকক এই কেইদিন বহুতো আমনি দিলো।'

'নহয় চাৰ। আপুনিহে আমাৰ ৰাইজৰ বাবে যথেষ্ট কষ্ট ভুগিলে। মানে চাৰ ।' লতা বৈ গৈছিল। তাৰ পিচত সেপ ঢুকি কৈছিল ৰাতিৰ সাজ যেন লতাহঁতৰ ঘৰত খাওঁ। লতাহঁতৰ ঘৰতে থাকোঁ।

লতাৰ অনুৰোধটো শুনি আচৰিত হৈছিলোঁ। আপত্তি কৰিছিলোঁ। যাব নোৱাৰাৰ বহুতো কাৰণ দৰ্শাইছিলোঁ। ব্যক্তিগত আৰু চৰকাৰী কাৰণ। কিন্তু লাভ বিশেষ একো নহল। মোৰ আপত্তিটোৱে লতা আৰু বিমানৰ মনত আঘাত দিছিল। অৱশেষত চাহ দিবলৈ অহা ললিতক মোৰ কাৰণে ৰাতিলৈ ভাত নাৰান্ধিবলৈ কৈ লতাহঁতৰ লগতে ওলাই গৈছিলোঁ। বুজাইছিলোঁ ভাত তোমালোকৰ ঘৰতে খাম বাৰু। কিন্তু থাকিব নোৱাৰিম দেই লতা। জানাই নহয় চৰকাৰী বিষযাৰ বদনাম ৰটিবলৈ মানুহৰ অভাৱ নাই।

কেবাবাৰো কোৱাৰ পিচত অসন্তোষৰ ভাৱ এটা লৈ লতা আৰু বিমান সম্মত হৈছিল।

চহৰৰ মাজ মজিযাতে লতাহঁতৰ ঘৰ। এখন ৰিক্সাত বিছনা পত্ৰ বোৰ তুলি দি লতা আৰু বিমান আন এখন ৰিক্সাত উঠি বহিল। তৃতীয়খন ৰিক্সাত মই অকলে বহি ললোঁ। বিমানৰ নিৰ্দ্দেশ মতে ৰিক্সা তিনিখন আগ বাঢ়িল।

অভিজাত পূৰ্ণ কোঠা এটাত মোক বহুৱাই থৈ লতা আৰু বিমান ভিতৰলৈ সোমাই গৈছিল। লতাই খুলি দিয়া বিজুলী বিচনিখনৰ তলত বহি মই বেৰৰ ছবিবোৰলৈ চাইছিলোঁ। ড্ৰয়িং ৰূমটো দেখিয়ে বুজিছিলোঁ লতাহঁত অৱস্থাপন্ন লোক। ঘৰৰ গিৰিহঁতৰ সুস্থ ৰুচিবোধ এটা আছে। বেৰত ওলোমাই থোৱা চিনাকি ছবি এখন দেখি মই আচৰিত হৈছিলোঁ। যোগান বিভাগৰ জইণ্ট ডিৰেক্টৰ পূৰ্ণেন্দু বৰকটকীৰ ছবি। পূৰ্ণেন্দু বৰকটকী মোৰ বন্ধু নহয় যদিও

চিনাকি মানুহ। বৰকটকী মোতকৈ বয়সত বিশ ত্ৰিশ বছৰে ডাঙৰ। ধুনীয়া স্বাস্থ্যৰ এজন অমায়িক ভদ্ৰলোক। মোক নিজৰ ল'ৰাৰ দৰে মৰম কৰে। শ্বিলঙতে এদিন চিনা পৰিচয় হৈছিলোঁ। তেখেতৰ ঘৰ যোৰহাটত বুলি জানো। কিন্তু লতা আৰু বিমান তেখেতৰেই ল'ৰা ছোৱালী বুলি জনা নাছিলোঁ। ছবিখনে মোৰ মনত খু-দুৱ নিৰ সৃষ্টি কৰিছিল। এইটো পূৰ্ণেন্দু বৰকটকীৰ ঘৰ নে বৰকটকী এওঁলোকৰ কিবা আত্মীয়? ভিতৰৰ পৰা কোনোবা এজন ওলাই অহাৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰি ৰলোঁ।

অলপ পিচত ওলাই আহিছিল এজনী ভদ্ৰ মহিলা। পঁয়ত্ৰিশ চল্লিশ বছৰ বয়সৰ এজনী লতা। মই দেখিয়ে বুজিছিলোঁ তেখেতেই লতাহঁতৰ মাক নিশ্চয়। ভদ্ৰ মহিলা গৰাকীৰ পিচে পিচে ওলাই অহা লতাই আমাক পৰিচয় কৰাই দিছিল। মই নমস্কাৰ কৰিছিলোঁ। মহিলা গৰাকীয়ে প্ৰতি নমস্কাৰ জনাইছিল।

'আপুনি ক্ষন্তেক মাৰ লগতে কথা পাতক দেই চাৰ?' বুলি লতা আকৌ আঁতৰি গৈছিল।

মোৰ অনুমানটোৱে সঁচা। এইটো পূৰ্ণেন্দু বৰকটকীৰ ঘৰ। তেওঁৰে একমাত্ৰ ল'ৰা বিমান আৰু একমাত্ৰ ছোৱালী বনশ্ৰীলতা বৰকটকী। ল'ৰা ছোৱালীহালৰ সৈতে লতাৰ মাক হেনো আগতে শ্বিলঙত আছিল। আজি কেই বছৰমান হ'ল যোৰহাটলৈ আহিছে। নিজৰ ঘৰত আপোন মানুহ নাথাকিলে ঘৰ নচলে। আনে ঘৰৰ মোল নুবুজে। অৱসৰ পাবলৈ বৰকটকীৰো আৰু সৰহ দিন নাই। খবৰবোৰ বনলতাৰ মাকেই মোক দিছিল।

কেইমিনিটমানৰ পিচত বনলতা আকৌ ওলাই আহিছিল। সদ্য স্নাতা বনলতাৰ চুলিৰ আগৰ পৰা তেতিয়াও পানী বৈ আছিল। বনলতাক মোৰ ওচৰত থৈ মাক ভিতৰলৈ সোমাই গৈছিল। ওৰে সন্ধিয়াটো বনলতাৰ ওচৰতে বহি কথা পাতিলোঁ। বহুত কথা। কিন্তু বিমানক ভাত খোৱাৰ আধাঘণ্টামান আগলৈকে দেখা নাছিলোঁ।

কেবা কাপো চাহ আৰু কেবাটাও চিগাৰেট পুৰি শেষ কৰাৰ পিচত ভাত খোৱাৰ সময় হৈছিল।

ভাতপানী খাই বিদায় লোৱাৰ কথা কৈছিলোঁ। কিন্তু বনলতাৰ মাকৰ অনুৰোধ উপেক্ষা কৰাৰ সাহস মোৰ নহ'ল। মাৰ মৰম সানি কৈছিল — ৰাতি চাইদাৰ ইয়াতে থাকা সোণ। তুমি গুচি গলে ল'ৰা ছোৱালী হালে মনত বৰ আঘাত পাব। তোমাক মোৰ বিমান যেনেই লাগিছে। তুমি ঘৰৰ ল'ৰা। ৰাতিপুৱালৈ তোমাৰ লগত বনাকো শ্বিলঙলৈ পঠিয়াই দিয়াৰ কথা ভাবিছো। কলেজ বন্ধ যেতিয়া কেই দিনমান শ্বিলঙত থাকি আহক। এই কেইদিনতে ছোৱালীজনী বছখিনি ক্ষীণাই শুকাই গ'ল।

শেষৰ কথাষাৰে মোক বিন্ধিছিল। বনলতা ক্ষীণাই যোৱাৰ কাৰণে যেন মযেই দায়ী — কিন্তু কিয় জানো কব নোৱাৰোঁ। বনলতা মোৰ লগত শ্বিলঙলৈ আহিব বলি শুনি মনটো আনন্দত নাচি উঠিছিল।

মাকৰ কথাষাৰ শুনি বনলতাই কৈছিল

দেখিছে চাব। আমাৰ মা কিমান ভাল। মাই মোক কিমান মৰম কৰে। কিন্তু মই হলে শ্বিলঙলৈ নেযাওঁ দেই মা।

মাকে চমক দিছিল। মায়া ভাবিছিলোঁ। শ্বিলঙলৈ নাযাওঁ বুলি বনলতাই সঁচাই কৈছে নেকি ?

লতাৰ কথাষাৰ শুনি মোৰ মনটো সেমেকি গৈছিল।

এইজনী বনলতাক মই ভাল পাইছিলোঁ। জোনাক ভৰা ৰাতি শ্বিলঙৰ ৱার্ডলেকৰ পাৰত বহি কৈছিলোঁ। তুমি মোৰ জীৱনৰ জোন লতা। তোমাক বাদ দি মোৰ জীৱন অসম্পূর্ণ।

সাঁচি পুথিখন মই লগতে লৈ আহিছিলোঁ। বাহিৰৰ কোঠাটোৰ ৰেকৰ ওপৰত থৈ দিছিলোঁ। ললিতে হেনো হুটুকুৰ হৈ ভাঙি যোৱা

শিৰৰ মূৰ্ত্তিটো আনি চেনিৰ ৰসেৰে জোৰা লগাই তাৰ মূৰ শিতানৰ থাপনাখনত থৈ নিতৌ ধুপ ধুনা দিছিল।

কলেজৰ সংস্কৃত অধ্যাপক শ্ৰুতিকৰক এদিন কথাই কথাই সাঁচি পুথিখনৰ কথা কৈছিলোঁ। বন্ধু-বান্ধৱবোৰে সাঁচি পুথিখনৰ কথা শুনি বিশ্ববিদ্যালয়ৰ প্ৰাচীন গ্ৰন্থ সংগ্ৰহ সমিতিলৈ পঠিয়াই দিয়াৰ কথা কৈছিল। পঠিয়াম পঠিয়াম বুলি ভাবি থাকোঁতেই শ্ৰুতিকৰক লগ পাইছিলোঁ। কথাবাৰ শুনি শ্ৰুতিকৰে কেইদিনমানৰ কাৰণে মোৰ পৰা সাচিপুথিখন খুজি নিছিল। দিছিলোঁ। তাৰ পিচত সাচি পুথি-খনৰ কথ মই পাহৰিয়েই গৈছিলোঁ। অৱশ্যে বহুদিন শ্ৰুতিকৰক লগ পোৱাও নাছিলোঁ।

ছমাহ কি তিনিমাহ পিচত এদিন শ্ৰুতিকৰ আহি মোৰ আফচত হাজিৰ হৈছিল। কৈছিল ভেৰি ইণ্টাৰেষ্টিং মি বৰুৱা। ভেৰি ইণ্টাৰেষ্টিং।

'কি হ'ল?'

'এই গল্পটো আপুনি কাৰ হতুৱাই লিখাই লৈছিল?'

'মানে?'

'আপোনাৰ গল্পটো।'

'মোৰ গল্প? মোৰ কি গল্প? মই একো বুজা নাই।'

'সাঁচিপুথিৰ কাহিনীটো। সেইটো আপোনাৰ গল্প নহয় জানো?

'সেইটো আকৌ মোৰ গল্প কেনেকৈ হ'ল?'

গল্পটো যদি সঁচা হয় তেন্তে আপুনিয়েই ৰজা চন্দ্ৰকান্ত সিংহৰ ফচিল।'

'হে ভগবান! আপুনি এইবোৰ কি কৈছে? মই জীয়া মানুহটো আকৌ ফচিল হলোঁ কেনেকৈ?'

'ধৰক একেই কথা।'

'আচল কথাটো নো কি? নকয় কেলেই?'

'এইটো এটা গল্পহে। বুইছে। কিছুমান মিছা কল্পনা। কোনোবাই

কেতিয়াবা লিখিছিল। আনবোৰ সাঁচিপতীয়া পুথিৰ দৰে ইয়াৰ কোনো মূল্য নাই। কিন্তু এটা কথা অসমীয়া চুটি গল্পৰ যুগ আৰম্ভ হয় আহোম ৰজাৰ ৰাজত্ব কালতে। লক্ষ্মীনাথ বেজবৰুৱা প্ৰথম অসমীয়া চুটি গল্প লিখক নহয়। মই ইয়াৰ অসমীয়া ভাঙনি এটা কৰিছোঁ। এয়া হোৱক। পঢ়ি চাব।'

শ্ৰুতিকৰে হাতে লিখা বহী এটা মোলৈ আগুৱাই দিছিল। মই মোৰ টেবুলৰ চেলফত সুমুৱাই থৈছিলোঁ।

তেনেকৈয়ে কেইদিনমান পাৰ হৈ গ'ল।

শ্ৰুতিকৰে দি থৈ যোৱা বহীটো এদিন ঘৰলৈ লৈ আহিছিলোঁ। ৰাতি ভাত-পানী খাই বহীটোৰ ভিতৰত কি গল্পটোনো আছে বুজি মেলি লৈছিলোঁ।

"মই জানো ব্ৰহ্মবাণী এদিন ফলিয়াবই। শিৱদ'লৰ পূজাৰী শিৱদত্তৰ ভৱিষ্যদ্বাণী অথলে নাযায়। ভগৱান, মই যেন স্বামীৰ স্নেহৰ পৰা বঞ্চিত নহওঁ।

নিজৰ জীৱন কাহিনী ৰচনা কৰাৰ ইচ্ছা মোৰ নাছিল। ইচ্ছা আছিল ভৱিষ্যৎ বাণী কেইষাৰ মাথোঁন লিখি থৈ যাম। কিন্তু তাকে কৰা হলে কেৱে নুবুজিব। যাৰ উদ্দেশ্যে এইবোৰ লিখিছো সেই জনাই বুজি পালেই যথেষ্ট হব। মোৰ জীৱন ধন্য হব।

শিৱদত্তৰ আদেশ শিৰত লৈ ৰচা এয়া মোৰ জীৱন কাহিনী।

স্বামীৰ চৰণ স্মৰণ কৰি মই মোৰ লিখনি হাতত লৈছো। স্বামী দেৱতা। মোক শক্তি দিয়া।

মাতৃহাৰা দ্বিজকন্যা জাহ্নৱী। বৰদোৱা শিৱমন্দিৰৰ পূজাৰী দেৱদত্তৰ একমাত্ৰ কন্যা। ষোল্লটা বসন্তই গছকি জীৱনলৈ আনি দিছিল যৌৱনৰ অশোক ফুলৰ গোন্ধ। ফুল, বেলপাত, চন্দন আৰু মন্ত্ৰ। শঙ্খ ঘণ্টাৰ ধ্বনি। ধূপ ধুনাৰ সুগন্ধি ধুম্ৰ ৰেখাৰ

মাজে মাজে উবি ফুবা মন্ত্ৰধ্বনি। ব্ৰহ্ম কণ্ঠত উচ্চাৰিত কদ্ৰস্তুতিৰ মধুৰ সৌৰবণি।

ওঁ ধ্যায়ে নিত্যং মহেশং ৰজতগিৰিনিভং
চাৰু চন্দ্ৰৱতংশং ৰত্ন কল্প উজ্জ্বলাঙ্গং

পিতৃয়ে ঢালি দিছিল পুত্ৰীৰ কাণত সুললিত কণ্ঠৰ অলেখ মন্ত্ৰধ্বনি। শব্দধ্বনিৰ মনোমোহা ঝঙ্কাৰ। সূৰ্য্য উদয় হোৱাৰ আগেৰে পৰা মাজ নিশালৈ আৰম্ভ হৈছিল ব্ৰতচাৰিণীৰ জীৱন। অনাঘ্ৰাত যৌৱন কুসুমৰ গোন্ধ সুকীয়া। যৌৱন কি তেতিয়া মই নুবুজোঁ। কিবা হেকওৱাৰ, কিবা পোৱাৰ হেপাঁহত মন মোৰ বাঁই-জাই নকৰে। মোৰ জীৱনলৈও যে এদিন যৌৱন আহিব পাৰে, মদনে দেৱদত্তৰ কন্যা জাহ্নবীৰ ওপৰতো অত্যাচাৰ কৰিব পাৰে সেই কথা মই ভবা নাছিলোঁ কাহানিও। হয়তো ভবা নাছিল পিতৃ দেৱদত্তয়ো। কিন্তু যৌৱন আহিছিল গোপনে। গোপনে নহয়, মোৰ অজ্ঞাতে। আনৰ দৃষ্টিয়ে মোৰ বুকুৰ মাজত দেখিছিল যৌৱনৰ ছন্দোময় ধ্বনি। শুনিছিল যৌৱন জোঁৱাৰৰ খলকনি। মোৰ দৃষ্টিত সিদিনা মাথোঁন ধৰা পৰিছিল ধুনীয়া বুলি ভবা পৃথিবীখন মই কল্পনা কৰাতকৈ বহুত বেছি ধুনীয়া। সুন্দৰ। সেউজীয়া। লঘু মনটো মোৰ আৰু লঘু লঘু লাগিছিল। ইমান দিনে এইবোৰেই গাৰ অঙ্গ-প্ৰত্যঙ্গ বুলি ভাবি থকা অংশ কিছুমান স্ফীত হৈ পৰিছিল কিবা লাজ লাজ লাগিছিল।

বাহিৰত মাঘী পূৰ্ণিমাৰ জোনাক সেয়া মোৰ মধু নিশা নে কালনিশা মই নাজানোঁ। বৰদোৱাৰ শিৱমন্দিৰৰ বিগ্ৰহ দৰ্শনাৰ্থে আহিছিল ৰজা চন্দ্ৰকান্ত সিংহ। ৰাতিৰ অতিথি দেৱতাতকৈও পূজনীয়। আদৰণীয়। পিতৃৰ আদেশত অতিথি শুশ্ৰূষাৰ বাবে মই ব্যস্ত হৈ পৰিছিলোঁ ৰাজ সহচৰবৰ্গ মন্দিৰৰ প্ৰাঙ্গণত তম্বুৰ তলত আশ্ৰয় লৈছে। নিশা যাপনৰ আয়োজন কৰিছে। স্বয়ং ৰজা চন্দ্ৰকান্ত সিংহ আমাৰ অতিথি। অসমৰ ভাগ্যনিয়ন্তা ব্ৰাহ্মণৰ পৰ্ণ কুটীৰত আশ্ৰয় প্ৰাৰ্থী।

দ্বিপ্ৰহৰ ৰজনী। হাতত পৰমান্নৰ পাত্ৰ লৈ এখোজ দুখোজ কৈ আগবাঢ়ি গৈছিলোঁ ৰজা চন্দ্ৰকান্তৰ ওচৰলৈ। বুকুত অস্থিৰ কঁপান। ভয়ৰ নে লাজৰ মই নিজেই নাজানোঁ।

মোৰ কম্পিত কণ্ঠৰ পৰা ধ্বনিত হৈছিল স্বৰ্গদেউ।

হঠাৎ মই স্তম্ভিত হৈ গলোঁ। এয়া কি? এই জুৰি চকুত ইমান দীপ্ত। ইমান মোহ। ইমান মৌ। মই হয়তো কঁপিছিলোঁ। এয়া ৰজা চন্দ্ৰকান্ত সিংহ নে শিল্পপুত্ৰ কাৰ্ত্তিক।

'সুন্দৰী।'

এয়াৰ মাথোঁন কথা। এটা মাথোঁন ধ্বনি। মই যেন মূৰ্চ্ছিত হৈ যাম।

'বহা। সপোনময়ী সুন্দৰী।'

মই বহি পৰিছিলোঁ। কম্পমান ভৰি দুখনে মোৰ বিচাৰিছিল আশ্ৰয়।

'গ্ৰহণ কৰক স্বৰ্গদেউ।'

'পৰমান্ন নে উৰ্ব্বশী দ্বিজকন্যাৰ?'

'স্ব দেউ।'

কৰ্কশ কণ্ঠত মই চিঞৰি উঠিছিলোঁ। ফেটী সাপৰ বিষ দংশনত মই যেন উচাপ খাই উঠিছিলোঁ। বীণা বিনিন্দিত স্বৰ মিহলি হৈ আহিছিল হলাহল।

মই ক্ষুধাতুৰ সুন্দৰী। কিন্তু পৰমান্নৰ নহয়।'

'স্বৰ্গদেউ।'

পৃথিৱীখন কঁপিছিল। জোনাকবোৰে গাত সানি লৈ আহিছিল মৰা আউসী ৰাতিৰ কলা এন্ধাৰ।

জানোঁ সুন্দৰী, এয়া মোৰ অন্যায়। এক কন্যাৰ অসম্মান। কিন্তু মই নিৰুপায়। মই চঞ্চল।'

'এই সাহসৰ পৰিণাম কি জানে স্বৰ্গদেউ?'

'এয়া সাহস নহয় অপ্সৰী। দুঃসাহস। পৰিণাম ভয়াবহ। তাকো জানোঁ।'

'কিন্তু তুমি মোৰ সৰ্ব্বনাশ মাতি নানিবা। দেশৰ, জাতিৰ সৰ্ব্বনাশ নকৰিবা।'

মোৰ মুখৰ মাত হেৰাই গৈছিল। মই পিচুৱাই আহিম নে আগুৱাই যাম ভাবি পোৱা নাছিলোঁ। মোৰ ভৰি দুয়োখন যেন কোনোবাই মাটিৰে সৈতে গজালি থৈছিল।

'গুৰু দেৱদত্তই যেতিয়া জানিব ৰজা চন্দ্ৰকান্ত সিংহ দ্বিজকন্যাৰ প্ৰতি আসক্ত তেতিয়া আৰু মোৰ ৰক্ষা নহব। হয়তো সমগ্ৰ আহোম বংশৰ ওপৰতে বৰ্ষণ হব ব্ৰহ্মশাপ। কিন্তু তুমি মোৰ প্ৰস্তাৱত শান্তি হলে হয়তো স্ত্ৰী স্নেহৰ বাবে লঘু হব মোৰ শাস্তি।'

'ৰাতিৰ অতিথি স্বয়ং নাৰায়ণ। ৰুদ্ৰতকৈও আদৰণীয়। পূজনীয়। সেয়া চন্দ্ৰকান্তৰ ৰূপত স্বয়ং ৰুদ্ৰ তোমাৰ পাণিপ্ৰাৰ্থী। এবাৰ চন্দ্ৰকান্তৰ মুখলৈ চোৱাচোন জাহ্নবী। সেয়া ৰজা চন্দ্ৰকান্ত সিংহ নে ৰুদ্ৰ?'

মন্দিৰৰ উত্তৰ কোণৰ পৰা ভাঁহি আহিছিল এটা গুৰু গম্ভীৰ স্বৰ। মই শুনিছিলোঁ কিন্তু আহোম ৰাজপুত্ৰই শুনিছিল নে নাই নাজানোঁ।

মুখ তুলি মই স্তম্ভিত হৈ গৈছিলোঁ। এয়া কি? আহোম ৰাজ-পুত্ৰ ক'লৈ গ'ল? এয়াতো আহোম ৰাজপুত্ৰ নহয়। স্বয়ং ৰুদ্ৰ। চকুত প্ৰশস্তি। মূৰত জ'ট। কপালত অৰ্দ্ধ চন্দ্ৰ। গাত চিতা ভস্ম।

মই যেন অজ্ঞান হৈ যাম অজ্ঞান হৈ গৈছিলোঁ। চকুৰে জলক-তবক দেখিছিলোঁ। চেতনা মোৰ হেৰাই গৈছিল। মুখেৰে মাথোন আপোনা আপুনি ওলাই আহিছিল এষাৰ কথা দেৱতা মোৰ।

চেতনা প্ৰাপ্ত জাহ্নবীৰ শিৰ তেতিয়া ৰুদ্ৰৰ বুকুত। লাহে লাহে মূৰ তুলি চালোঁ। কিন্তু কি আচৰিত! মই যেন সপোন দেখিছিলোঁ। মোৰ মূৰৰ বিকৃতি ঘটিছিল। মোৰ সন্মুখত অলপ আগতে দেখা দিয়া ৰুদ্ৰ ক'লৈ গ'ল? এয়াতো ৰুদ্ৰ নহয়। মোৰ তন্দ্ৰা জড়িত চকুৰ আগত এয়া ৰজা চন্দ্ৰকান্ত সিংহ।

'আমাৰ মিলনৰ সাক্ষীৰূপে মোৰ এই হীৰাৰ অঙ্গুৰীয় তোমাৰ হাতত শোভা পাওঁক সুন্দৰী।'

আহোম ৰাজপুত্ৰই নিজ হাতৰ পৰা আঙঠি এটা খুলি আল-ফুলকৈ পিন্ধাই দিছিল মোৰ অনামিকাত। মই শিহঁৰি উঠিছিলোঁ। ভয়ত। ভৱিষ্যৎ বিপদৰ আশঙ্কাত। হয়তো পিতৃ দেৱদত্ত এতিয়াই সোমাই আহিব। মোৰ এই দুৰ্ব্বলতাৰ কাৰণে অভিশাপ দিব ৰাজপুত্ৰক। মোক। ব্ৰহ্মশাপত অভিশপ্ত ৰাজপুত্ৰ কঁপি কঁপি মূৰ্চ্ছিত হৈ পৰি যাব ধৰিত্ৰী বক্ষত। আৰু যেন কোনো দিনে সাৰ পাই নুঠিব। নহলে উজ্জ্বল হীৰাৰ আঙঠিটো মোৰ আঙুলিত পিন্ধাই দিয়াৰ লগে লগে শেঁতা পৰি যাব কিয়? ম্লান হৈ যাব কিয় হীৰাৰ উজ্জ্বল শোভা? মই ৰ' লাগি চাই ৰলোঁ। সেয়াতো হীৰাৰ অঙ্গুৰীয় নহয়। মৃত্যু ক'লা বাখৰ খটোৱা এটা তামৰ অঙ্গুৰীয়। কিবা এটা কৰলৈ মুখ মেলিব খোজাৰ আগতেই মোৰ চকুৱে মুখে আৰম্ভ হৈছিল চুমাৰ সহস্ৰ বৰ্ষণ। ওঠত, বাহুত। বস্ত্ৰহীন পয়োধৰত। মই দুৰ্ব্বল হৈ পৰিছিলোঁ। নিজক মোকোলাই লোৱাৰ শক্তিকণো মোৰ হেৰাই গৈছিল। চকু দুটা আপোনা আপুনি মুদ খাই গৈছিল। লাজত। তৃপ্তিত। জীৱনৰ ৰসঘৰাত ইমান মৌ। পুৰুষৰ কণ্ঠ ইমান মিঠা। জীৱন ইমান সুন্দৰ!

ৰাতিৰ এন্ধাৰত মোৰ সৰ্ব্বস্ব কাঢ়ি লৈ দিনৰ পোহৰত আহোম ৰাজপুত্ৰ আঁতৰি গ'ল। মোক দি থৈ গ'ল জীৱনৰ নোপোৱা সোৱাদ। তৃপ্তি। আৰু হয়তো দি থৈ গ'ল জীৱন উপলব্ধিৰ গভীৰ চেতনা। জীৱনক ভালপোৱাৰ আকুল আগ্ৰহ।

দিন বাগৰি গ'ল।

আশ্ৰম কন্যা শকুন্তলাৰ বিৰহ যন্ত্ৰণা বুকুত বান্ধি লৈ মই অপেক্ষা কৰিলোঁ দিনৰ পিচত দিন। ৰাতিৰ পিচত ৰাতি। দিনত ভাৱ হয়ঃ ৰাতিবোৰেই বহুত ভাল। চুটী। ৰাতি ভাৱ হয় দিনবোৰেই ভাল। সোনকালেই পাৰ হৈ যায়। আকুল অপেক্ষাৰ উদ্‌বিগ্নতা লৈ মই

চঞ্চলা হৈ পৰিলোঁ। কিন্তু কাৰ কাৰণে এই অপেক্ষা? লঘু মন মোৰ দুৰ্ব্বল হৈ আহিল। তন্বী দেহে ৰূপ ললে স্থূল কায়াৰ। স্ফীত বুকুৰ ভৰত মোৰ পয়োধৰ যেন ফাটি যাব।

মোক দেখি পিতৃ দেৱদত্ত এদিন উচাপ খাই উঠিল। তাৰ পিচ মুহূৰ্ত্তত আৰম্ভ হ'ল বজ্ৰপাত। বজ্ৰধ্বনি। আগ্নেয়গিৰিৰ উদ্‌গীৰণ।

'এই সৰ্ব্বনাশ তোৰ কোনে কৰিলে জাহ্নবী? কোন সেই পাপীষ্ঠ?'

মই শুনিও যেন নুশুনিলোঁ। চকুৰ আগতে হেজাৰ সৰিয়হ ফুলৰ পীতবৰ্ণ লৈ চাই ৰ'লোঁ পিতৃৰ মুখলৈ। কিন্তু মই একো নেদেখিলোঁ। মাথোঁন দেখিছিলোঁ পিতৃৰ দুচকুৰ পৰা চিটিকি আহিছিল দুকুৰা জুই।

ক্ৰোধমত্ত পিতৃ আঁতৰি গৈছিল। এদিন দুদিনকৈ কেবাটাও দিন। কেবাটাও ৰাতি। কিন্তু অন্তৰ্দ্ধান হোৱা পিতৃৰ কোনো সন্ধান মই নাপালোঁ। দুখ বেদনা আৰু লাজ অপমানত জৰ্জ্জৰিত হৈ পৰিলোঁ। ফেঁকুৰি উঠিলোঁ। দুহিতাৰ কলঙ্কিত চৰিত্ৰৰ লাজত পিতৃদেৱতা আঁতৰি গ'ল হয়তো ক'ৰবাত মৃত্যুক আকোৱালি ল'লে। মই তাকেই ভাবিছিলোঁ।

মনৰ মাজত মোৰ হেজাৰ প্ৰশ্ন।

কোন শ্ৰেষ্ঠ? পিতৃ নে স্বামী? নাৰী বৰ্ণশেশ। মইতো দ্বিজকন্যা নহওঁ। আহোম বোৱাৰী। মোৰ চিন্তনীয় কোন হোৱা উচিত? পিতৃ নে স্বামী?

উল্কাৰ বেগেৰে পিতৃ দেৱতা এদিন আকৌ ঘৰৰ ভিতৰলৈ সোমাই আহিল। যিজন পিতৃৰ অন্তৰ্দ্ধানত বিহ্বল হৈ কান্দিছিলোঁ সেইজন পিতৃৰ উপস্থিতিত মই কঁপিছিলোঁ। পিতৃৰ প্ৰত্যাগমনৰ আনন্দত নহয়। কিবা এটা অজান আশঙ্কাত। ভয় বিহ্বলতাত।

'আই জাহ্নবী। তোৰ কোনো দোষ নাই আই। মই সকলো

বুজিছোঁ। সকলো ৰুদ্ৰৰ ইচ্ছা। আমি নিমিত্ত মাত্ৰ। নাৰীৰ ধৰ্ম্ম তই পালন কৰ আই।'

নয়ন অশ্ৰু মচি দি পিতৃয়ে মোক কৈছিল। সস্নেহে মূৰত হাত বুলাই দিছিল। মই মোৰ কাণ দুখনকে যেন বিশ্বাস কৰিব নোৱাৰিলোঁ। মই কি শুনিছো? মোৰ শ্ৰবণেন্দ্ৰিয় দুৰ্ব্বল হৈ পৰিছে নেকি?

কিন্তু মোৰ মূৰত বিনা মেঘে বজ্ৰপাত হ'ল। সিদিনাৰ পৰা মই বঞ্চিতা হৈ পৰিলোঁ দৈনন্দিন পিতৃ দৰ্শন। হেৰুৱাই পেলাইছিলোঁ মন্দিৰত প্ৰবেশাধিকাৰ। পিতৃ আৰু ৰুদ্ৰৰ ভোগ বন্ধনৰ বাবে মোৰ আৰু আৱশ্যক নহ'ল। ৰুদ্ৰৰ ভোগ বন্ধন, শিৱাবলীৰ আযোজন পিতৃয়ে নিজহাতে সমাপন কৰিছিল। ব্ৰহ্মমুহূৰ্ত্তৰ পৰা দ্বিপ্ৰহৰ ৰজনীলৈ পিতৃ দেৱতা মোৰ দৰ্শনৰ পৰা আঁতৰি আছিল। মন্দিৰৰ ভিতৰত আৱদ্ধ ৰাখিছিল নিজক।

কোন সঁচা? ধৰ্ম্ম নে দেৱতা? জীৱন নে মৃত্যু? মই জানো সচাকৈয়ে অস্পৃশ্যা হৈ গলোঁ? অচ্যুতা? মোৰ এই পাপৰ জানো কোনো প্ৰায়শ্চিত্ত নাই? মই জানো সঁচাকৈয়ে পাপ কৰিছোঁ?

এই প্ৰশ্নৰ উত্তৰ যিদিনা পাইছিলোঁ। সেই দিনাই মোৰ কোলালৈ আহিছিল এটা ৰাতিৰ যুগ্ম জীৱনৰ নতুন স্বাক্ষৰ। কিন্তু এয়া কি? হিম শীতল দেহ। মৃত্যুশীল দৃষ্টি। হাতৰ আঙঠিটোলৈ চাইছিলোঁ। ক'লা। ম্লান। অনুজ্জ্বল। আমাৰ মিলনৰ প্ৰথম ৰাতিত স্বামী দেৱতাই মোৰ হাতত পিন্ধাই দিয়া সেই অনুজ্জ্বল মৃত্যু ক'লা তামৰ আঙঠিটো। ইমান দিনে দেখি অহা উজ্জ্বল হীৰাৰ আঙঠিটো তেন্তে সঁচাকৈয়ে হীৰাৰ নহয়? প্ৰকৃত নহয় স্বামীৰ স্নেহ। কৃত্ৰিম? প্ৰতাৰণা?

স্বামীৰ মৃতদান বুকুত সাৱটি লৈ মই বাউলী হৈ পৰিলোঁ। কান্দি কান্দি মূৰ্চ্ছিতা হৈ পৰিলোঁ ধূলিত।

'মোক ক্ষমা কৰ আই। মই তোৰ জনক নহয়। তোৰ সন্তান-ঘাতক দেৱদত্ত।'

খকমকৈকৈ সাৰ পাই উঠি বহিলোঁ। সন্মুখত পিতৃ দেৱদত্ত।

'আপুনি? আপুনি মোৰ সন্তান ঘাতক? ব্ৰাহ্মণ হৈ আপুনি কেনেকৈ এই নৰহত্যা পাপত লিপ্ত হ'ল পিতৃ?'

মোৰ চকুৰে জুই জ্বলিছিল। অনুমান হৈছিল মোৰ অজ্ঞান অৱস্থাত পিতৃয়ে মোৰ সন্তানক হত্যা কৰি থৈ গ'ল। প্ৰসৱ বেদনাত মই যেতিয়া চেতনা বিলুপ্ত সেই সময়তেই চোৰৰ দৰে আহি পিতৃয়ে কাঢ়ি লৈ গ'ল স্বামীৰ দান।

তোৰ অনুমান সঁচা নহয় আই। অসূৰ্য্যম্পৰ্শা তোৰ সন্তানক ময়ো স্পৰ্শ কৰা নাই। কিন্তু তথাপিও মই তোৰ সন্তানৰ হত্যাকাৰী। উদৰস্থিত সন্তানক লৈ তই যেতিয়া তাৰ ক্ৰমবৰ্দ্ধনৰ যত্ন লৈছিলি সেই সময়তেই তই পাইছিলি প্ৰচণ্ড আঘাত। সেই মানসিক আঘাতেই হত্যা কৰি থৈ গ'ল তোৰ সন্তান।'

তাৰ পিচতো দিন বাগৰি গ'ল।

নিজৰ সৰ্ব্বস্ব হেৰুৱাই মই উন্মাদিনী হৈ পৰিছিলোঁ। দিনৰ পিচত দিন। ৰাতিৰ পিচত ৰাতি। বহুত দিন বহুত ৰাতি অপেক্ষা কৰিলোঁ। কিন্তু স্বামী মোৰ ওচৰলৈ নাহিল। আশ্ৰম কন্যাই দুষ্মন্তৰ সন্তান গৰ্ভত লৈ আগুৱাই গৈছিল স্বামীৰ ওচৰলৈ। সখী প্ৰিয়ম্বদাৰ উপদেশ আৰু আশ্ৰম পালিতা হৰিণীৰ সঙ্গ। পিতৃ কণ্বৰ আশীৰ্ব্বাদ। কিন্তু মোৰ কোনো নাছিল। একো নাছিল। আছিল মাথোঁন পিতৃৰ আশীৰ্ব্বাদৰ পৰিবৰ্ত্তে অভিশাপ।

এদিন সন্ধিয়া। অস্তমিত সূৰ্য্যৰ শেষ ৰশ্মিকণ তেতিয়াও শেষ হৈ যোৱা নাই। দুচকুত সহস্ৰ চল লৈ পিতৃ দেৱতা আহি মোৰ সন্মুখত থিয় হ'ল। একান্ত ভাবে চাই ৰ'ল মোৰ মুখলৈ। বিস্ময়ত মই বিচলিত হৈ পৰিলোঁ। পিতৃৰ চকুত চকুপানী মই তাৰ আগেয়ে কোনো দিনে দেখা নাই।

মই মৌন হৈ ৰলোঁ।

হঠাৎ পিতৃৰ কণ্ঠৰ পৰা বৈ আহিল ক্ৰন্দন ধ্বনি। শোক সাৱটি

ধৰি কেঁকুৰি উঠিল ঃ আই জাহ্নবী। তই যাগে। তই যাগে আই। যোৱাৰ আগতে তই মোক ক্ষমা কৰি যা।

'এয়া কি পিতৃ? আপোনাৰ চকুত অশ্রুবিন্দু কিয়?'

মই আৰু ৰব নোৱাৰিলোঁ। মোৰ দুচকুৰেও বৈ আহিল চকুলো।

'ৰজা চন্দ্রকান্তই তোক নিবলৈ আহিছে। তই যাগে আই। হতভাগ্য দেৱদত্তক তইঁত সকলোৱে এৰি গুচি গলি। জীৱনৰ একমাত্র মায়াৰ বান্ধোন তয়ো আজি গুচি যাবি। যা আই যা।'

মোৰ কর্ণত অমৃত ঢালি দি তাৰ পিচ মুহূর্ত্ততেই যেন কোনোবাই ঢালি দিছিল হলাহল। যাৰ চৰণ সেৱাৰ কামনা কৰি দিনৰ পিচত দিন কটাইছিলোঁ, সহস্র বিনিদ্র ৰজনীৰ অস্থিৰতা লৈ অপেক্ষা কৰিছিলোঁ সেই ৰাজপুত্রৰ আগমনে যেন মোৰ বুকুত বিন্ধি দিছিল তীব্র শৰ।

'মই নেযাওঁ। আপোনাক পৰিত্যাগ কৰি মই আঁতৰি যাব নোৱাৰোঁ পিতৃ।'

অজ্ঞাতেই মোৰ মুখেৰে বৈ আহিছিল মাথোঁন দুষাৰ কথা। পিতৃৰ অন্তৰত মোৰ কাৰণে ইমান স্নেহ সঞ্চিত হৈ আ'ছ বুলি মইতো আগেযে ভবা নাছিলোঁ।

'সেয়া কেনেকৈ সম্ভৱ হব আই? স্বামীৰ সেৱাই যে নাৰীৰ একমাত্র ধর্ম্ম। তই যাবই লাগিব। কিন্তু

বৈ যোৱা পিতৃযে আকৌ কৈ গৈছিল ব্রহ্মশাপ অথলে নাযায় আই। ৰূপজাত মোহ ক্ষণস্থায়ী। এই মোহ যদি গভীৰ নহয় তেন্তে চন্দ্রকান্তয়ো ভুগিব লাগিব আজীৱন বিৰহ যন্ত্রণা।

'ইয়াৰ অর্থ পিতৃ?'

'সময়ত সকলো গম পাবি আই।'

পিতৃ দেৱদত্তক প্রণাম জনাই সন্ধিযাৰ এন্ধাৰত মই আঁতৰি আহিবলৈ সাজু হৈছিলোঁ। শিৱ মন্দিৰৰ দুৱাৰ দলিত আঠু লৈ

অস্ফুট ভাষাৰে কৰুণা ভিক্ষা কৰিছিলো। কদ্ৰৰ। কাৰণ স্বামী আহোম ৰাজপুত্ৰ।

হঠাৎ বুকুখন মোৰ কঁপি উঠিছিল। কদ্ৰই যেন আমাক আশীৰ্ব্বাদ দিয়া নাছিল। মন্দিৰৰ ভিতৰত কাৰোবাৰ উদণ্ড কণ্ঠত যেন ধ্বনিত হৈছিল বিদ্ৰূপৰ হাঁহি। মই শুনিছিলোঁ। কিন্তু বিশ্বাস কৰা নাছিলোঁ। ভাবিছিলো। সেয়া মিলন বিহ্বল মনৰ দুৰ্ব্বলতা। অস্থিৰতা।

সেয়া ৰাজকাৰেং নাছিল। ৰাজ কাৰেঙৰ নামান্তৰ। আহোম ৰাজৰ গুপ্ত প্ৰমোদকক্ষ। অন্তেষপুৰত ৰাণী বিদ্যমান। গতিকে তাত মোৰ ঠাই ক'ত? চৰাইদেউ পাহাৰৰ তলত সজা দ্বিতীয় ৰাজ কাৰেঙত ৰাজৰাণীৰ দৰেই বাগৰি গৈছিল মোৰ অলেখ উজাগৰী নিশা। দাস দাসী হীৰা মৰকত সকলো আছে। নাই মাথোঁন মোৰ মনৰ মনি কোঠাৰ মৰকত মণি। কেতিয়াবা এটা নিশাৰ বাবে আহোম ৰাজ মোৰ ওচৰলৈ আহে। নিশাৰ অন্তত আকৌ আঁতৰি যায়। এনিশাৰ সোহোগে মছি দিয়ে শত ৰজনীৰ বিৰহ বেদনা। ধুই নিয়ে মনৰ ক্লান্তি। অৱসাদ।

কিন্তু এয়া মই কি কৰিছো? মইতো ৰাজপত্নী নহয়। উপপত্নী। কাৰেঙত সতী পতিব্ৰতা ৰাণী। নাৰী হৈ নাৰীৰ প্ৰতি ইমান অন্যায় মই কেনেকৈ কৰিব পাৰিলোঁ? ৰাণীয়ে যেতিয়া জানিব যে আহোম ৰাজ উপপত্নীৰ ৰূপত মুগ্ধ । মই আৰু ভাবিব নোৱাৰিলোঁ। সতীৰ মনত আঘাত দিয়াৰ সাহস মোৰ নাই।

'মোক মুক্তি দিয়ক স্বৰ্গদেউ। কাৰেঙত আপোনাৰ পতিপ্ৰাণা দেৱী। সেই দেৱীৰ মনত আপুনি আঘাত নিদিব। মই এজনী সামান্যা ব্ৰাহ্মণ কন্যা।'

সেই কথা ময়ো জানোঁ জাহ্নবী। কিন্তু কোনো উপায় নাই যে তোমাৰ উপস্থিতিৰ কথা ৰাণীয়ে গম পাব। ৰাণীয়ে মাথোঁন জানে মই মৃগয়াৰ বাবে ৰাজধানীৰ বাহিৰত নিশা যাপন কৰিছোঁ। 'ৰাজ্য শাসনৰ বাবে ৰাজধানী এৰি আহিছোঁ।'

'কিন্তু মইতো জানো স্বৰ্গদেউ। সতী ৰমণীৰ আগত কোনো কথাই গোপন হৈ নাথাকে। মোক মুক্তি দিয়ক প্ৰভো!'

'অসম্ভৱ জাহ্নবী। ৰাজ অন্তেষপুৰত মই যি পোৱা নাই সেই নোপোৱাখিনি পাইছোঁ ইযাত। তোমাৰ ওচৰত। ৰাণীয়ে মোক যি দিব পৰা নাই সেয়া দিছা তুমি।'

ৰাজপুত্ৰ আঁতৰি গৈছিল। তাৰ পিচত আকৌ আহিছিল। গৈছিল। এবাৰ। দুবাৰ। বহুবাৰ। মই অস্থিৰ হৈ পৰিছিলোঁ। এটা চিন্তাই মাথোঁন মোক খুলি খুলি খাইছিল মোৰ জানো অন্যায় হোৱা নাই? মই কি কৰা উচিত?

এদিন নহয়। বহুদিন মই মুক্তি বিচাৰিছিলোঁ। কিন্তু মুক্তি মই নাপালোঁ। আহোম ৰাজ অচল অটল। মোক মুক্তি নিদিযে। শেষত ৰাজপুত্ৰৰ সঙ্কল্প শুনি মই শিহঁৰি উঠিলোঁ।

'শুনা জাহ্নবী, তোমাৰ সকলো কথা মই বুজিছো। উপপত্নী বুলি তোমাৰ যি মনৰ খেদ সেই খেদ পূৰণ কৰিম। তোমাৰ গৰ্ভৰ সন্তানৰ স্বত্ব বিচাৰি তুমি অধৈৰ্য্য হৈ পৰিছা। আৱশ্যক হলে কাৰেঙৰ ৰাণীক পৰিত্যাগ কৰি তোমাক প্ৰতিষ্ঠা কৰিম ৰাজ কাৰেঙত। পাত্ৰ মন্ত্ৰীৰ হকা বধা মই নামানোঁ। ৰজা মই। বুঢা গোহাঁই নহয়। যদি আৱশ্যক হয তাৰ বাবে ৰাজসিংহাসন পৰিত্যাগ কৰিবলৈও মই প্ৰস্তুত। তথাপি তোমাৰ মুক্তি অসম্ভৱ।'

ৰজা আঁতৰি গৈছিল। মই অস্থিৰ হৈ পৰিছিলোঁ। উদভ্ৰান্ত হৈ পৰিছিলোঁ যদি আহোম সম্ৰাটৰ কথাই সঁচা হয়? ৰাজৰাণীক পৰিত্যাগ কৰে? তেতিয়া উপায়? এজনী সামান্যা নাৰীৰ বাবে দেশৰ সৰ্ব্বনাশ মই কৰিব নোৱাৰোঁ।

এদিন মাজনিশা। দাস দাসী আটাইবোৰ নিদ্ৰামগ্ন। সোণৰ পালেঙত কোনোবাই যেন অসংখ্য কাঁইটহে পুতি থৈছিল। ইকাতি সিকাতি হৈ মই ছটফটাই আছিলোঁ। সহস্ৰ কাঁইটৰ খোঁচত

মোৰ শৰীৰ থকা সৰকা হৈ পৰিছিল। যেন উশাহ বন্ধ হৈ যাব।

চাৰিওফালে অন্ধকাৰ। নিমাও মাও ৰাতিৰ নীৰৱতা। বুকুৰ মাজত অস্থিৰ কঁপনি। হাত ভৰিবোৰ মোৰ দুৰ্ব্বল হৈ পৰিছিল। ঠক্ ঠক্কৈ কঁপিছিল। মই লাহে লাহে পালেঙৰ পৰা নামি চাৰিওফালে এবাৰ দৃষ্টি বুলাই চালোঁ। নাই। কোনো ক'তো সাৰে নাই। ক্ষীপ্ৰ হাতেৰে গাৰ অলঙ্কাৰ ৰাজৰাণীৰ সাজপাৰ সকলোবোৰ এটা এটাকৈ খুলি পেলালোঁ। তাৰ পিচত এসাজ সাধাৰণ কাপোৰ গাত মেৰুৱাই লাহে লাহে উঠি আহি দুৱাৰ মুখত থিয় দিলোঁ। দ্বাৰ ৰক্ষকজন তেতিয়া গভীৰ নিদ্ৰাত নিমগ্ন। অতি সন্তৰ্পণে দুৱাৰৰ বাহুলি সঁচাৰ খুলি উন্মাদৰ দৰে দৌৰি ওলাই আহিলোঁ। মোৰ তেতিয়া অনুমান হৈছিল গুপ্ত কাৰেঙৰ দাস দাসীবোৰ যেন সাৰ পাই পিচে পিচে মোক অনুসৰণ কৰিছে। মোক যেন পিচ ফালৰ পৰা কোনোবাই টানি ধৰিছিল। এই দাস দাসীবোৰে যেন মোক আকৌ কাৰেঙৰ ভিতৰলৈ লৈ যাব।

ৰজালৈ মনত পৰি চকুলো বৈ আহিছিল। কিন্তু থিয় হৈ কোনো কথা চিন্তা কৰাৰ সময় তেতিয়া মোৰ নাছিল। মই মাথোঁন ৰুদ্ৰক প্ৰাৰ্থনা কৰিছিলোঁ। ভগবান। মোক শক্তি দিয়া। সাহস দিয়া। কাৰেঙৰ দাস দাসীবোৰে যেন সাৰ নাপায়। মোৰ কাৰণে ৰাজ্যৰ ধ্বংস মাতি নানিবা প্ৰভো!

ৰাজভঁৰালৰ হীৰা, মুকুতা প্ৰৱাল সকলোকে এৰি থৈ মই আঁতৰি আহিলোঁ, একোকে অনা নহ'ল। একোকে নানিলোঁ। মাথোঁন লৈ আহিলোঁ গৰ্ভত ৰাজবংশৰ ভ্ৰূণ।

গুপ্ত ৰাজ অন্তেষপুৰৰ চৌহদৰ বাহিৰত ক্ষন্তেক থিয় হৈ পিচলৈ উভতি চালোঁ। এটা দুৰ্ব্বাৰ আকৰ্ষণে মোক বাৰে বাৰে পিচলৈ হাত বাউল দি মাতিছিল। কোনোবাই যেন চিঞৰি চিঞৰি কৈছিল ফিৰি আহা জাহ্নবী। তোমাৰ অবিহনে যে মোৰ জীৱন

মিছা। তোমাৰ কাৰণেই মই জীয়াই আছোঁ। মোক এৰি নাযাবা।

হঠাৎ পৃথিবীখন কঁপি উঠিছিল। গছ-গছনিবোৰৰ আগবোৰ অস্থিৰ হৈ কঁপিবলৈ ধৰিলে। মোৰ মূৰটো আচন্দ্ৰাই কৰি দিছিল। মই যেন মাটিত ঢলি পৰি যাম। বহুত যত্ন কৰিও মই স্থিৰেৰে ৰব নোৱাৰিলোঁ। হাউলি মাটিত খামুচি ধৰিলোঁ। হঠাতে কি হৈ গ'ল কব নোৱাৰোঁ। মুহূৰ্ত্তৰ ভিতৰতে শব্দকৈ গছ-গছনিবোৰ উভাল খাই পৰিল। গুপ্ত অন্তেষপুৰৰ পৰা অসংখ্য মৃত্যু আৰ্ত্তনাদ ভঁাহি আহি মোৰ কাণত পৰিল। দাস দাসী বোৰে যেন চিঞৰিছে ভগবান, ৰক্ষা কৰা।

ভাব হৈছিল প্ৰহৰী, ৰক্ষকদলে সাৰ পাইছে। সিহঁতে হয়তো গম পাইছে যে মই ৰাজ অন্তেষপুৰৰ পৰা পলাই আহিছোঁ। লগত লৈ আহিছোঁ অসংখ্য হীৰা, মণি, মৰকত। সিহঁতে মোক বিচাৰি হুলস্থুল লগাইছে। সিহঁত এতিয়াই ওলাই আহিব। মোৰ হাতত ধৰি আকৌ চোঁচৰাই টানি লৈ যাব। তাকে কৰিব নোৱাৰিলে ৰাজ আজ্ঞাত সিহঁতৰ মৃত্যু নিশ্চিত। এই নিশ্চিত মৃত্যুৰ পৰা ৰক্ষা পাবলৈ সিহঁতে চিঞৰিছে। ভগৱানক প্ৰাৰ্থনা জনাইছে। মই থিয় হব খুজিছিলোঁ। পলাবৰ যত্ন কৰিছিলোঁ। কিন্তু সকলো চেষ্টা বিফল হৈ গ'ল। থিয় হোৱাৰ লগে লগে চিটিকি গৈ মই মাটিত ওফৰি পৰিলোঁ। লগে লগে কাণ তাল মৰা শব্দ এটা ভঁাহি আহি মোৰ কাণত পৰিল। অনুমান হৈছিল সেই শব্দত মোৰ কাণৰ পৰ্দ্দা চিৰি যেন টুকুৰা টুকুৰ হৈ গৈছিল।

মই যেন টোপনিৰ পৰাহে সাৰ পাইছিলোঁ। বতাহ ৰৰমুণ আৰু ঢেৰেকণি। এটা ভয়ঙ্কৰ, অন্ধকাৰ দুৰ্য্যোগভৰা নিশা। অ'ত ত'ত ধৰি লাহে লাহে মই থিয় হৈছিলোঁ। মোৰ চাৰিওফালে অসংখ্য গছ গছনি। ভাঙি ছিঙি মাটিত বাগৰি পৰি আছে।

ৰৰষুণত সৰ্ব্বাঙ্গ শৰীৰ মোৰ তিতি গৈছে। পিচলৈ এবাৰ উভাঙি চালোঁ। একেবাৰেই চকুত নপৰিল। ডাঠ অন্ধকাৰ। এখন ক'লা কাপোৰেৰে যেন গোটেই পৃথিৱীখনকে কোনোবাই মেৰুৱাই থৈছে। যিখন পাহাৰৰ বুকুত এটা ছুটাকৈ কেবাটাও বসন্ত কটাই অলপ আগতে বাহিৰলৈ ওলাই আহিলোঁ। সেই পাহাৰখনো মোৰ চকুত নপৰিল। বিজুলীৰ চঞ্চল উজ্বল পোহৰত দৃষ্টিয়ে যেন ঢুকি পাইছিল পাহাৰখন ভাঙিছিঙি মাটিত গুৰি হৈ পৰিছে। গুৰি হৈ গৈছে গুপ্ত ৰাজ অন্তেষপুৰ। অসংখ্য ধন সোণ। গুপ্ত কাৰেঙৰ অলেখ দাস দাসীৰ শ্বাসৰুদ্ধ আত্মাই যেন চিঞৰি চিঞৰি বিচাৰিছে মুক্তিৰ পথ।

মই যেন সপোন দেখিছিলোঁ।

দিন বাগৰি গৈছিল।

হাবিখনৰ নামটো নাজানোঁ। হয়তো নামবৰ। হয়তো আন কিবা। সেই হাবিৰ মাজত নিজ হাতে সাজি ললোঁ এটা পৰ্ণকুটীৰ। সেই পৰ্ণকুটীৰতে মূৰ গুজি এটা এটাকৈ কটাই দিবলৈ যত্ন কৰিছিলোঁ জীৱনৰ অসংখ্য দিন। অসংখ্য ৰাতি। হিংস্ৰক, শ্বাপদ জন্তু জানোৱাৰবোৰৰ লগত বন্ধু পাতি কটাই দিলোঁ এটা ছুটাকৈ তিনিটা মাহ। আহাৰৰ কাৰণে কষ্ট মোৰ হোৱা নাছিল। কষ্ট হৈছিল বস্ত্ৰৰ কাৰণে। কিন্তু মানুহ অৱস্থাৰ দাস। অৱস্থাৰ লগত মানুহে নিজক খাপ খুৱাই নিব পাৰে। বৰদোৱাৰ পিতৃ স্নেহ নিগৰিত কুটীৰ আৰু ৰাজ অন্তেষপুৰৰ ভোগ বিলাস। সকলো যেন সপোন। বৰ্ত্তমান জীৱনেই সঁচা।

বুকুৰ মাজত অসহ্য পোৰণি। মনৰ মাজত সীমাহীন অস্থিৰতা। মন মোৰ চঞ্চল হৈ পৰিছিল। বহুদিন ভাবিছিলোঁ. মই আকৌ উভতি যাম। কম' স্বৰ্গদেউ! মোক ক্ষমা কৰক? ক্ষণিকৰ উত্তেজনাত সঁচা বুলি মই যি ভুল কৰিলোঁ তাৰ বাবে মই অনুতপ্ত।

হঠাৎ মই সচেতন হৈ উঠিছিলোঁ। চমকি উঠিছিলোঁ। মই যেটা সাপৰ মূৰতহে যেন গছক মাৰি দিছিলোঁ। এয়া মই কি কৰিব খুজিছোঁ। নিজৰ কাৰণে স্বামীৰ সৰ্ব্বনাশ কৰিম? এজনী সতী ৰমণীৰ বুকুত জ্বলাই দিম বহ্নিশিখা? ধ্বংস কৰি পেলাম দেশৰ শান্তি আৰু শৃঙ্খলা? পাত্ৰ মন্ত্ৰী সকলো মোৰ বাবে স্বামীক ৰাজসিংহাসনৰ পৰা টানি আনি বাটৰ ধূলিত বগৰাই দিয়াৰ দৃশ্য পত্নী হৈ মই কেনেকৈ চাই থাকিম? অসম্ভৱ। তাতকৈ পিতৃ গৃহলৈ উভতি যাম। পিতৃ দেবদত্তৰ মৰম ভেউকাত মুখ গুজি কম মই আহিলোঁ। পিতৃ মোক ক্ষমা কৰা। মোৰ গৰ্ভত ৰাজবংশৰ ভ্ৰূণ। মোক নহলেও ৰাজবংশৰ ৰক্ষাৰ কাৰণে মোক আশ্ৰয় দিয়া।

কথাষাৰ ভাবিযেই মই শিহৰি উঠিছিলোঁ।

ভগৱান। মোক শক্তি দিয়া। মই যে ৰাজবংশৰ সম্ভাব্য সন্তান জননী। মাতৃ হৈ কেনেকৈ মই মোৰ সন্তানক মৃত্যুৰ মুখলৈ ঠেলি দিম? মই যে নাৰী। জননী। মাতৃ। প্ৰথম সন্তানৰ দৰে যদি পিতৃৰ ক্ৰোধাগ্নিত মোৰ গৰ্ভৰ

মই আৰু ভাবিব নোৱাৰিলোঁ।

সকলো দুখ কষ্ট সহ্য কৰিও মই যেন আনন্দত আত্মহাৰা হৈ পৰিছিলোঁ। মনৰ আনন্দত নাচিছিলোঁ। মোৰ গৰ্ভত স্বামীৰ স্বাক্ষৰ। মৰমৰ। স্নেহৰ। স্বামীৰ সন্তান গৰ্ভত ধাৰণ কৰি মই উম দিছিলোঁ পূৰ্ণতাৰ। মই সৃষ্টিৰ সাৰ্থক নাৰী। মাতৃ। জাগ্ৰত প্ৰহৰীৰ দৰে মই ৰাজবংশ ৰক্ষণাবেক্ষণৰ ভাৰ লবই লাগিব। লৈছিলোঁ।

স্ফীত উদৰৰ বিষ যন্ত্ৰণাত মই কাতৰ হৈ পৰিছিলোঁ। যেন উশাহ নিশাহ বন্ধ হৈ যাব। পলে পলে প্ৰাণবায়ু মোৰ দেহ পিঞ্জৰাৰ পৰা ওলাই যাব খুজিছিল। অসহ্য যন্ত্ৰণাত মই অস্থিৰ হৈ পৰিছিলোঁ। তিনিশ নিশাৰ আকুল অপেক্ষাৰ পিচত

অমৃতৰ ভাণ্ডাৰ হাতত লৈ দেৱতা মোৰ সম্মুখত উপস্থিত। পলে পলে অপেক্ষা কৰিছোঁ এই শুভ মুহূৰ্ত্তলৈ। তেনেস্থলত মুহূৰ্ত্তৰ অৱহেলাৰ ফলত হেৰুৱাই পেলাম সেই সুযোগ? মুহূৰ্ত্তৰ বাবেও অসাৱধান হৈ পৰাৰ অৱকাশ মোৰ নাই। মই চিৰ জাগ্ৰত প্ৰহৰী। মোক শক্তি দিয়া ৰুদ্ৰ। মোক জীযাই থাকিবলৈ দিয়া। মোৰ কাৰণে নহয় মোৰ পোণাৰ কাৰণে। মোৰ স্বামীৰ ঋণ পৰিশোধৰ বাবে মোক জীযাই থাকিবলৈ দিয়া ভগৱান।

কিন্তু মোৰ সকলো যত্ন, সকলো চেষ্টা বিফল হৈ গৈছিল। মই চেতনা হেৰুৱাই পেলাইছিলোঁ। যেতিয়া সাৰ পাওঁ তেতিয়া বেলি প্ৰায় ডুবো ডুবো। পশ্চিম আকাশত সেন্দুৰৰ ৰং। কেঁচা তেজৰ গোন্ধ এটা ভাহি আহি মোৰ নাকত লাগিল। শৰীৰটো যেন বহুত লঘু। বহুত পাতল। মোৰ সকলো যন্ত্ৰণা যেন নিমিষতে কোনোবাই হৰি লৈ গৈছিল। কিন্তু ক'ত মোৰ সেই আকাঙ্খিত ধন? মই বলিযাৰ দৰে চাৰিওফালে চঞ্চল দৃষ্টিৰে চাই পঠিয়ালোঁ।

উঃ ভগৱান! ইয়াৰ বাবেহে মোক ইমান যাতনা দিছিলা প্ৰভো? মইতো তোমাৰ পৰা একো বিচৰা নাছিলোঁ। বিচাৰিছিলোঁ মাথোঁন অকণমান কৰুণা। অকণমান স্নেহ। তাকো তোমাৰ সহ্য নহ'ল। কিন্তু মোৰ এই পোণাকণে তোমাৰ কি অপৰাধ কৰিছিল প্ৰভো? তাৰ কাৰণে যে তুমি তাক এই শাস্তি দিলা?

সদ্যজাত স্বামীদেৱতাৰ প্ৰতিমূৰ্ত্তিটো বুকুত সাৱটি লৈ মই আকৌ অচেতন হৈ পৰিছিলোঁ।

'দুখ নকৰিবি আই। এয়া ভগৱান ৰুদ্ৰৰেই ইচ্ছা। শুক্ৰ কন্যা দেৱযানীৰ কথা তই নজনা নহয়। কচে শুক্ৰ কন্যাক হৰণ কৰাৰ পাপত আজীৱন ভুগিছিল নৰক যন্ত্ৰণা। তোৰ স্বামীৰ মঙ্গলৰ কাৰণেই তই হেৰুৱাইছ তাৰ পুত্ৰৰ জীৱন।'

স্নেহ শীতল হাতেৰে মোৰ গা মূৰ পিহি পিতৃয়ে কৈ গৈছিল। শান্ত সৌম্য পিতৃৰ এয়া যেন সান্ত্বনাৰ অমৃত বাণী।

তোৰ সকলো কথাই মই জানোঁ আই। এদিন পিতৃ গৃহলৈ উভতি যোৱাৰ কথাও তই ভাবিছিলি। কিন্তু নগলি। সেই দিনা তোৰ ওচৰলৈ মই নাহিলোঁ। জানোচা তোৰ সন্তান হন্তা বুলি মোক সন্দেহ কৰ। কিন্তু আজি আহিছোঁ। মোৰ মৰমৰ পৰা তই কেতিয়াও বঞ্চিতা নহৱ। কিন্তু তইতো মোৰ খবৰ নাজান জাহ্নবী। মোৰ আৰাধনাৰ ৰুদ্ৰ আৰু মোৰ ওচৰত নাই। আঁতৰি গৈছে। যি কাল নিশা ভূমিকম্পৰ প্ৰবল জোকাৰণিত ধ্বংস হৈ গৈছিল চন্দ্ৰকান্তৰ পাপালয় চৰাইদেউ পাহাৰৰ গুপ্ত বিলাস কক্ষ সেই নিশাতেই ধ্বংস হৈ গ'ল মোৰ সাধনাৰ মন্দিৰ। মই তেতিয়া উপাসনাত ৰত। সেই মন্দিৰৰ বুকুতে মযো জাহ গলোঁ আই। এয়া মোৰ মানৱ ৰূপ নহয়।'

হঠাৎ খক্‌মক্ কৈ সাৰ পালোঁ। এযা মই কি সপোন দেখিলোঁ? তেন্তে সঁচাকৈয়ে জানো ৰুদ্ৰৰ মন্দিৰ ধ্বংস হৈ গ'ল। আৰু সেই ৰুদ্ৰই লৈ গ'ল মোৰ পিতৃ দেৱদত্তক?

ৰাতি পুৱাইছিল। আকাশত সদ্য প্ৰস্ফুটিত বালাৰ্ক। ৰৌদ্ৰস্নাত পৃথিৱী। মোৰ বুকুৰ মাজত হিম চেঁচা স্বামীৰ দান।

নিষ্ঠুৰাৰ দৰে, পাষাণীৰ দৰে মই মোৰ পোণাকণক শুৱাই থলোঁ। কুটীৰৰ নিচেই ওচৰতে। তাৰ পিচত লাহে লাহে জাপি দিছিলোঁ বহুত মাটি। বহুত শিল। মোৰ পোণাকণ শান্তিৰে শুই আছে। শুই থাকক। আৰু তাৰ সেই সমাধিৰ ওচৰতে দিনৰ পিচত দিন, মাহৰ পিচত মাহ মই বৈ বৈ অপেক্ষা কৰিলোঁ. জানোচা পোণাকণ মোৰ সাৰ পাই উঠে! মোক 'মা' বুলি মাত দিয়ে!

বহু দিন যত্ন কৰিছিলোঁ আঁতৰি যাওঁ। কিন্তু নোৱাৰিলোঁ। দুৰ্ব্বাৰ আকৰ্ষণত মই তাতেই পৰি ৰলোঁ। কিন্তু জীয়াই থকাৰ তাড়ণা পুত্ৰস্নেহতকৈ বহুগুণে শক্তিশালী। এদিন মই আঁতৰি আহিলোঁ। গাৰ একমাত্ৰ বস্ত্ৰৰে দিন কটোৱা মোৰ পক্ষে অসম্ভৱ হৈ পৰিছিল। গছৰ বল্কল পৰিধান কৰিবলৈও মই অভ্যস্ত নাছিলোঁ।

ভগৱান যেন মোৰ প্ৰতি সদয় হৈছিল। হাবিৰ শেষ প্ৰান্তত পৰি আছিল এনে'ম কাপোৰ। প্ৰথমে ভাবিছিলোঁ সেয়া শ ঢাকনি। কিন্তু নহয়। কোনোবা দুৰ্বৃত্তৰ দ্বাৰা অপহাৰিত দ্ৰব্য। বহুত দ্ৰব্য। বহুত কাপোৰ। মোৰ একেবাৰে প্ৰয়োজন নহ'ল। মাথোঁন কেইখনমান কাপোৰ লৈ মই আকৌ উভতি আহিলোঁ।

বছৰ বাগৰি গ'ল। এটা দুটাকৈ বহুত বছৰ। বহুতো দিন। কিন্তু পোণাকণ মোৰ সাৰ পাই নুঠিল। দুৰ্ব্বল দেহ। ভাঙি পৰা মন। মোৰ মনটোৱে যেন মোক বাৰে বাৰে কৈছিল স্বামীৰ যেন কিবা অমঙ্গল ঘটিছে। স্বামীক এই বিপদৰ সময়ত উদ্ধাৰ কৰা মোৰ কৰ্ত্তব্য।

তেতিয়াও সন্ধিয়া হৈ অহা নাছিল। মই স্থিৰ কৰিছিলোঁ পিচদিনা সূৰ্য্যোদয়ৰ লগে লগে সেই ঠাই পৰিত্যাগ কৰি মই আঁতৰি যাম। আলেঙে আলেঙে স্বামীৰ দৰ্শন লভি অবোধ মনক সান্ত্বনা দিম। কিন্তু মোৰ পোণাকণ? সি যদি সাৰ পাই উঠে। মোক বিচাৰে?

পোণাকণৰ সমাধিত আঠু কাঢি মই ক্ষমা খুজিছিলোঁ। সহস্ৰ লোতকৰে ধোৱাই দিছিলোঁ পোণাৰ সমাধি।

'বহু'দিন অপেক্ষা কৰি লোঁ সোণ। কিন্তু তোৰ হতভাগিনী মাতৃৰ প্ৰতি ভগৱান সদয় নহ'ল। কাইলৈ ৰাতিপুৱা মই তোক এৰি আঁতৰি যাম সোণ? তোৰ জানো অকলে ভয় নালাগিব? তই কাৰ আশ্ৰয়ত থাকিবি?

সমাধিত আঠুলৈ কিমান সময় আছিলোঁ কব নোৱাৰোঁ। হঠাৎ মোৰ অনুমান হৈছিল গোটেই বননিখন যেন কঁপি উঠিছে। মোৰ সন্মুখত অট্টহাস্য কৰি মোক যেন কোনোবাই বিদ্ৰূপ কৰিছে। শঙ্কা বিহ্বল দৃষ্টিত মূৰ দাঙি চাইছিলোঁ। ভগৱান। এয়া তোমাৰ আকৌ কি পৰীক্ষা ভগৱান।

মোৰ সন্মুখত থিয় হৈ আছে মৃত্যু-দূত। হাতত তীৰ-ধনু। চকুত কামনাৰ অগ্নিস্ফুলিঙ্গ। দেহত যেন দহোটা দানৱৰ বল।

'আহা সুন্দৰী। মোৰ মৃগয়া যাত্ৰা সুফল হৈছে।'

'তুমি ? তুমি কোন ?' আতঙ্কত মই শিহঁৰি উঠিছিলোঁ। চিঞৰি দিছিলোঁ।

'ভয় নাই স্থন্দৰী, মই মান ৰাজ-বিষয়া। আহা।'

দস্যুৰ শক্তিশালী হাত এখন ক্ৰমান্বয়ে মোৰ পিনে আগুৱাই আহিছিল। মই কিংকৰ্ত্তব্য বিমূঢ় হৈ পৰিছিলোঁ। নিজক ৰক্ষা কৰাৰ একো উপায় নাপাই এখোজ দুখোজকৈ পিচুৱাই গৈছিলোঁ। হঠাতে ভৰিত উজুটি খাই মই লুটি খাই পৰিলোঁ। শক্তিশালী দানৱীয় হাতখন তেতিয়াও মোৰ ফালে ক্ৰমান্বয়ে আগুৱাই আহি আছিল। কিবা এটা খেপিয়াই চালোঁ। একো নাই। মৃত্যু আৰ্ত্তনাদ কৰি মই চিঞৰি উঠিব খুজিছোঁ। মোৰ দেহ আৰু সেই আক্ৰমণ-কাৰী দানবীয় হাতখনৰ মাজত তেতিয়া মাত্ৰ কেইফুটমানৰ ব্যৱধান। মুহূৰ্ত্তৰ ভিতৰতে সেই দানবীয় হাতখনে মোক ধৰ্ষণ কৰিব। হয়তো তাৰ পিচত তাৰ পিচত—। মই একো ভাবিব নোৱাৰিলোঁ। চকুৰে অন্ধকাৰ দেখিলোঁ। এনেতে হঠাৎ অনুমান হ'ল মোৰ খেপিয়াই ফুৰা হাতখনে যেন কিবা এটা বিচাৰি পাইছে। বোধহয় শিল। একো কথা ভাবিবৰ সময় মোৰ নাই। জীয়া ৰাক্ষস এজনৰ সম্মুখত মই মৃত্যুক্ষণ গণিছোঁ। মোৰ অজ্ঞাতেই হাত দুখনে সেই শিলটো তুলি গাৰ সকলো শক্তি প্ৰয়োগ কৰি দলিয়াই দিছিল।

তাৰ পিচত মই আৰু কব নোৱাৰোঁ।

'এই ঠাই তই পৰিত্যাগ কৰ আই। তোৰ ধৰ্ম্ম নষ্ট কৰাৰ সাহস কাৰো নাই। তোৰ পোণাকণক ৰুদ্ৰই চিৰদিন ৰক্ষা কৰিব। মৃগয়াৰ বাবে ইয়ালৈ যিয়েই নাহক তোৰ পোণাকণৰ সমাধিত পদক্ষেপ পেলোৱাৰ লগে লগে মৃত্যু তাৰ অৱশ্যম্ভাৱী। তোৰ পোণাকণৰ শান্তি ভঙ্গ কোনোৱেও কৰিব নোৱাৰে।'

মোক উপদেশ দি পিতৃ দেৱতা আঁতৰি গ'ল। মই চিঞৰি মাতিলোঁ: পিতৃ। মোকো লৈ যোৱা পিতৃ।

কিন্তু পিতৃ দেৱদত্ত আৰু নৰ'ল। বৰ ব্যস্তভাৱে মোৰ দৃষ্টিৰ আৰঁত লুকাই পৰিল।

চকু মুখ মোহাৰি মই উঠি বহিলোঁ। পূবৰ আকাশ ভেতিয়া ৰাঙলী হৈ আহিছে।

ভগৱানৰ কি নিষ্ঠুৰ পৰিহাস। দানবীয় শক্তি লৈ যি দুখন হাতে যোৱা সন্ধিয়া মোৰ সৰ্ব্বনাশ কৰিব খুজিছিল সেই শক্তিশালী দস্যুৰ মৃতদেহ ভূমিত লুণ্ঠিত হৈ যেন মোক ক্ষমা খুজিছে মোক ক্ষমা কৰা।

ভূপতিত দস্যুৰ বুকু ভেদ কৰি পিঠিৰ ওপৰত থিয় হৈ আছে এপাত শৰ। কপাল চিৰি বৈ অহা তেজৰ দাগ ভেতিয়াও মাৰ যোৱা নাই। দেহৰ চাৰিওফালে ছিটিকি পৰি আছে বহুতো তীৰ আৰু এখন ধনু। বুজিছিলোঁ শিলাখণ্ডৰ প্ৰচণ্ড আঘাতত মূৰ ঘূৰাই পৰি যাওঁতে নিজৰ শৰত নিজে বিদ্ধ হ'ল সেই দস্যু।

পোণাকণৰ পৰা শেষ বিদায় লৈ আঁতৰি আহিলোঁ। ভৰি নচলে। মনে নামানে। মই যেন মোৰ জীৱন্ত পোণাকণকহে টোপনিত তেনেদৰে এৰি থৈ আহিছিলোঁ। পোণাকণে টোপনিৰ পৰা সাৰ পাই উঠিব। মোক বিচাৰিব। কান্দিব। কান্দি কান্দি হাবিৰ চাৰিওফালে মা মাকৈ চিঞৰি ঘূৰি ফুৰিব।

ৰাজধানী পাবলৈ যে আৰু বেছি দূৰ নাছিল বুজিছিলোঁ। কিন্তু এয়া মই কি দেখিছোঁ! সকলো ম্লান। শেঁতা। সকলোবোৰ শৃঙ্খলা বিহীন। মানুহবোৰৰ চকু মুখত চিন্তা আৰু ভয়ৰ ৰেখা। অনিশ্চয়তাৰ অন্ধকাৰত যেন সকলোৰে মন নিমজ্জিত। যেন সমগ্ৰ দেশৰ ওপৰেৰে এই মাত্ৰ বৈ গৈছে এটা প্ৰচণ্ড ধুমুহা। শ্ৰীবৃদ্ধিহীন দেশৰ বুকুত মৃত্যু মলিন ছাঁ লৈ জীয়াই আছে কেইটামান প্ৰেতাত্মা।

দিনৰ পোহৰত আত্মগোপন কৰি ৰাতিৰ এন্ধাৰত ক্ৰমান্বয়ে আগুৱাই আহিছিলোঁ ৰাজধানীৰ বুকুলৈ। ক্ষুধা আৰু ক্লান্তিত দেহ দুৰ্ব্বল। চিন্তাত মন ভাৰাক্ৰান্ত। ৰাজপুত্ৰক ক'ত কেনেকৈ

দেখা পাম? কোনে মোক স্বামী দেৱতাৰ সন্ধান দিব? ৰাজধানীৰ ভিতৰলৈ সোমাই গৈ সশৰীৰে স্বামীৰ সম্মুখত থিয় হোৱাৰ সাহস মোৰ নাই। লুকাই চুৰকৈ স্বামীক চোৱাৰ বাহিৰে অন্য উপায় মোৰ নাছিল। আলেঙে আলেঙে স্বামী দেৱতাক এবাৰ চাম। স্বামীৰ চৰণত শত কোটি প্ৰণাম জনাই আকৌ আঁতৰি আহিম। কিন্তু কেনেকৈ? কি উপায়েৰে?

নিশাৰ নীৰৱতাই গোটেই নগৰখনকে গিলি পেলাইছিল। আকাশত ক'লা মেঘ। মেঘৰ বুকুত ঘন ঘন বিজুলীৰ ৰেখা। উজ্জ্বল। চঞ্চল। ক্ষণস্থায়ী। অচিন বাট পথ। ৰাজধানীলৈ মই কোনো দিনে অহা নাই। কোনো দিনে দেখা নাই। কলৈ যাম? কি কৰিম একো ভাবি পোৱা নাই। এনেতে হুৰমুৰকৈ নামি আহিল এজাক ঘন বৰষুণ। বিজুলীৰ পোহৰত চকুত পৰিল সম্মুখত এটা প্ৰকাণ্ড ঘৰ। জনশূন্য। দেৱালবিহীন ঘৰটো কি ঘৰ বা কাৰ ঘৰ ভাবি চোৱাৰ অৱসৰ ন'হল। বৰষুণৰ পৰা নিজক ৰক্ষা কৰিবলৈ সেই ঘৰটোৰ ভিতৰতে মই সোমাই পৰিলোঁ।

বৰষুণ জাক এৰা নাই। সোনকালে এৰাৰ আশাও নাই। ঘন ঘন বিজুলীৰ ৰেখা আৰু বুকু চমকোৱা মেঘৰ গাজনি। সেই গাজনিত আকাশখন ভাঙি-ছিঙি যেন মাটিত টুকুৰা টুকুৰ হৈ পৰি যাব। হয়তো ৰাতিপুৱালৈ আকাশ আৰু পৃথিবীৰ কোনো পাৰ্থক্য নাথাকিব।

চেঁচা বতাহজাকত মোৰ গাৰ নোমবোৰ শিহঁৰি উঠিছিল। খুটা এটাৰ আশ্ৰয় লৈ বতাহৰ পৰা নিজক ৰক্ষা কৰাৰ বাবে যত্ন কৰিছিলোঁ। এটা প্ৰকাণ্ড প্ৰস্তৰ স্তম্ভ। মোৰ অনুমান হৈছিল এইটো এটা নামঘৰ। দেৱমন্দিৰ। ঘৰটোৰ মূৰত আন এটা প্ৰস্তৰ নিৰ্ম্মিত ঘৰ। মন্দিৰাকৃতিৰ। হয়তো বা মন্দিৰ। ঘৰটোৰ ওপৰ অংশটো মই দেখা নাছিলোঁ।

দুৰ্ব্বল ভৰি দুখনে মোক থিয়কৈ ৰখাৰ শক্তিকণো হেৰুৱাই

পেলাইছিল। সবহ সময় মই থিয় হৈ থাকিব নোৱাৰিলো। দু আঠুৰ মূৰত মুখ গুজি বহি পৰিলোঁ। পেটৰ ক্ষুধাত নাড়ী ভুৰিবোৰ জ্বলি গৈছিল। পুৰি গৈছিল।

বৰষুণজাক আগতকৈ ক্ৰমান্বয়ে বেছি হৈহে আহিছে।

তেনেদৰে কিমান সময় পাৰ হৈ গৈছিল কব নোৱাৰোঁ।

দুৱাৰ মেলাৰ শব্দত হঠাৎ মই উচাপ্ খাই উঠিলোঁ। মোৰ তন্দ্ৰা ভাঙি গ'ল। শঙ্কাকুল সন্ধানী দৃষ্টিত চাৰিওফালে এবাৰ ঘূৰি চালোঁ। মন্দিৰ বুলি অনুমান হোৱা ঘৰটোৰ দুৱাৰখন খুলি ওলাই আহিছে এজন সুপুৰুষ। হাতত এটা জ্বলন্ত প্ৰদীপ। হয়তো মাটিৰ। পূজা প্ৰদীপ। পিচ মুহূৰ্ত্ততে মন্দিৰৰ দুৱাৰখন আকৌ বন্ধ হৈ গ'ল। মন্দিৰৰ বাহিৰত থিয় হৈ ৰ'ল সেই পুৰুষজন। হাতত তেতিয়াও জ্বলি আছিল সেই মৃত্তিকা প্ৰদীপ।

পুৰুষ মূৰ্ত্তিটো ক্ৰমে আগুৱাই আহিছিল মই আশ্ৰয় লৈ থকা শিলাস্তম্ভটোৰ ওচৰলৈ। মূৰ্ত্তিৰ দৃষ্টি হাতৰ জ্বলন্ত প্ৰদীপ শিখাত স্থিৰ। সোঁ হাতৰ জ্বলন্ত প্ৰদীপৰ শিখাটো যাতে বতাহে নুমাব নোৱাৰে তাৰ বাবে বাওঁ হাতেৰে আৱৰি এখোজ দুখোজকৈ আগুৱাই আহিছিল মন্থৰ গতিত। সেই পোহৰত জিলিকি উঠিছিল এখন মুখ। ক্লান্তিবিহীন। চিন্তালেশ তেজোদ্দীপ্ত এখন পুৰুষ মুখমণ্ডল। মই বিমূঢ় হৈ পৰিছিলোঁ। ভয়ত মই যেন চিঞৰি দিম। দৌৰি পলাম।

হঠাতে ক্ষীণ পোহৰৰ ৰেখাটো নুমাই গ'ল। বতাহে জ্বলন্ত প্ৰদীপৰ শিখাটো নুমাই দিলে। মোৰ কুকুৰ পৰা যেন এটা গধুৰ শিলহে খহি পৰিল। অস্ফুট ধ্বনিৰে মোৰ মুখেৰে বৈ আহিল দয়ালু ভগৱান, মোক ৰক্ষা কৰা।

কিন্তু অনুমান হৈছিল এন্ধাৰত হয়তো সেই পুৰুষ মূৰ্ত্তিটোৰ দৃষ্টিৰ বাহিৰত মই বৈ যাম। সাৰি যাম। সেই মূৰ্ত্তিটোৱে অন্ধকাৰৰ মাজত নাজানিব মোৰ উপস্থিতিৰ কথা। কিন্তু মোৰ অনুমান মিছা।

এন্ধাৰতে যেন মই দেখিছিলোঁ। সেই পুৰুষ মূৰ্ত্তিটো এন্ধাৰৰ মাজে মাজে মোৰ ফালৈকে আগুৱাই আহিছে। মই কঁপিছিলোঁ। চকু দুটা মুদি দিছিলোঁ। শঙ্কাত। তেতিয়া দৌৰি পলাই অহাও মোৰ পক্ষে অসম্ভৱ হৈ পৰিছিল। দৌৰি আঁতৰি আহিব খুজিলে যদি সেই পুৰুষ মূৰ্ত্তিটোৱে মোক অনুসৰণ কৰে?

এখন হাতৰ স্পৰ্শত মই চমকি উঠিলোঁ। গাৰ সকলো শক্তিৰে মই যেন চিঞৰি দিম। মোক ৰক্ষা কৰা। কিন্তু মোৰ কণ্ঠ ৰুদ্ধ হৈ গৈছিল। মুখটো আচন্দ্ৰাই কৰি দিছিল। মই যেন মূৰ্চ্ছিতা হৈ পৰি যাম।

'মোক অনুসৰণ কৰা।' এটা শান্ত কণ্ঠস্বৰ।

পৃথিৱীখন কঁপিছিল। মই চিঞৰি দিছিলোঁ।

কোন?

আৰণ্যকতকৈ বহুত ডাঙৰকৈ মই চিঞৰি সুধিছিলোঁ। শঙ্কা জড়িত কম্পমান কণ্ঠৰ মোৰ প্ৰশ্নটোত মই নিজেই ভয় খাই গৈছিলোঁ।

'কোনো ভয় নাই দেৱী। মোক অনুসৰণ কৰা। তুমি ক্ষুধাতুৰা। বিপন্না।'

'তুমি কোন?' অজ্ঞাতে মোৰ মুখেৰে পুনৰ উচ্চাৰিত হৈছিল।

'এয়া শিৱ মন্দিৰ। শিৱ দ'ল। এই শিৱ দ'লৰ মই পূজাৰী। শিৱদত্ত। আহা। তোমাৰ কোনো ভয় নাই। তোমাৰ লগত মোৰ বহুতো বক্তব্য আছে। তোমাৰ সকলো কথাই মই জানো জাহ্নবী।'

জাহ্নবী। তেন্তে এওঁ মোৰ নামটোও জানে?

মন্ত্ৰমুগ্ধৰ দৰে মই সেই পুৰুষ মূৰ্ত্তিটোক অনুসৰণ কৰিছিলোঁ। বিশ্বাস অবিশ্বাসৰ কথা চিন্তা কৰাৰ মোৰ ধৈৰ্য্য নাছিল। সেই পুৰুষজনে যে মোক বিপদৰ মাজলৈও টানি নিব পাৰে সেই কথা চিন্তা কৰাৰ অৱসৰ তেতিয়া মোৰ নাছিল। মই যেন চেতনা বিহীন জাগ্ৰত যন্ত্ৰ। এটা চাবি দিয়া পুতলা।

শিৱদ'লৰ গাতে লগা এটা সাধাৰণ ঘৰ। সেয়েই শিৱদত্তৰ

বাসস্থান। কুশাসন এখন আগবঢ়াই দি মোক বহিবলৈ দিছিল। ভয় শঙ্কা আৰু অবিশ্বাসত তেতিয়াও মই সুস্থিৰ হব পৰা নাছিলোঁ। সহজ হব পৰা নাছিলোঁ। মানুহৰ সঙ্গৰ পৰা আঁতৰত থকাৰ বাবেই হয়তো মানুহলৈ মোৰ ভয় হৈছিল বেছি। মানুহৰ প্ৰতি হেৰুৱাই পেলাইছিলোঁ বিশ্বাস। আস্থা।

শিৱদত্ত ভিতৰলৈ সোমাই গৈছিল। সেই সুযোগতে ভীতিবিহ্বল দৃষ্টিৰে ঘৰটোৰ চাৰিওফালে মই এবাৰ চাই ললোঁ। ঘৰত শিৱদত্তৰ বাহিৰে দ্বিতীয় প্ৰাণী থকাৰ উমান নাপালোঁ। তেন্তে এই শিৱ সাধক-জনৰ উদ্দেশ্য কি? মই যুবতী নাৰী। দেহত মোৰ যৌৱনৰ অত্যাচাৰ। আৰু শিৱদত্ত? বয়সত তৰুণ নহলেও শৰীৰত যৌৱনৰ অহঙ্কাৰ বিদ্যমান।

'হাত মুখ ধুই নৱ বস্ত্ৰ পৰিধান কৰা আই।'

মূৰ ডাঙি চাইছিলোঁ। সন্মুখত দণ্ডায়মান শিৱদত্ত। হাতত একমণ্ডলু পানী। আনখন হাতত এখন গেৰুৱা পৰিধান। বিনা বাক্যব্যয়ে মই তেওঁৰ আদেশ পালন কৰিছিলোঁ।

'তুমি ক্ষুধাতুৰা। ক্লান্তা। আহা। ৰাতিৰ ভোজন শেষ কৰাহি।'

এবাটি গাখীৰ। কেইটামান পকা কল। আৰু এবাটি পৰমান্ন মোলৈ আগুৱাই দি শিৱদত্ত মোৰ ওচৰতে থিয় হৈ ৰ'ল।

'আপোনাৰ পিতৃ?' অজ্ঞাতেই মোৰ মুখেৰে পিতৃ শব্দটো বাগৰি আহিল।

'মোতকৈ আহাৰৰ প্ৰয়োজন তোমাৰ অত্যন্ত বেছি। আগেয়ে তুমি গ্ৰহণ কৰা আই।' সন্মুখত ভোগৰ দ্ৰব্য দেখি মোৰ ক্ষুধা যেন দুগুণে বাঢ়িছিল।

খোৱা বোৱাৰ শেষত মই যেন আৰু বেছিকৈহে ক্লান্ত হৈ পৰি-ছিলোঁ। মোৰ দেহে বিচাৰিছিল জিৰণি। শিৱদত্তই মোক এখন শয্যালৈ আঙুলিয়াই বিশ্ৰাম লোৱাৰ কথা কৈছিল।

মনৰ মাজলৈ তেতিয়া বহুখিনি সাহস মোৰ আহিছে। পিতৃ আৰু আইৰ সম্বন্ধৰ মাজত কলুষতাৰ স্থান নাই। কালিমাৰ লেশ নাই। আছে পবিত্ৰতা। পিতা পুত্ৰীৰ সম্বন্ধ।

তথাপি যেন মই নিৰ্ভয়া হৈ শুব নোৱাৰিলোঁ। কালী সাধক তান্ত্ৰিসকলৰ কথা মনত পৰি মোৰ গা কঁপি উঠিল। কিন্তু শিৱদত্ত কালী সাধক নহয় যদিও শিৱ সাধক। শিৱ ভক্ত।

ৰাতিপুৱা যেতিয়া সাৰ পাওঁ তেতিয়া বহুত বেলি। খকমকৈ সাৰ পাই মই উঠি বহিলোঁ। ঘৰৰ চাৰিওফালে দৃষ্টি বুলাই চালোঁ কিন্তু কাকো মোৰ চকুত নপৰিল।

মধ্যাহ্নৰ আগে আগে পিতৃৰূপী শিৱদত্ত মোৰ ওচৰলৈ আহি মধ্যাহ্ন ভোজনৰ আযোজন কৰি দি আকৌ আঁতৰি গৈছিল।

আন এদিন অপৰাহ্ন। পিতৃ-ৰূপী শিৱদত্তই কৈ গৈছিল। মই মাথোন শুনি গৈছিলোঁ।

'ঘৰত মোৰ কোনো নাই। তুমিয়েই মোৰ

'তুমি নহয় পিতৃ। তই।'

'তোৰ ইচ্ছাই পূৰ্ণ হব আই।'

ক্ষন্তেকৰ কাৰণে শিৱদত্ত ৰৈ গৈছিল। তাৰ পিচত আকৌ আৰম্ভ কৰিছিল তয়েই মোৰ কন্যা। পুত্ৰ। সকলো। দেৱদত্তৰ কন্যা মোৰ কন্যা।

দেৱদত্তৰ নামটো শুনি মই চমকি উঠিছিলোঁ। পিতৃৰ অস্তিত্ব সম্পৰ্কে বহু প্ৰশ্নই সোধাৰ মোৰ আগ্ৰহ হৈছিল। পিতৃৰ বিষয়ে জানিবলৈ মই উদ্‌বিগ্ন হৈ পৰিছিলোঁ। কিন্তু কোনো প্ৰশ্ন কৰাৰ সাহস মোৰ নহল। মনৰ দুৰ্ব্বাৰ হেঁপাহ চেপি ৰাখি মই কোঁপাইছিলোঁ।

'অধৈৰ্য্য নহবি আই। সকলো কম। সকলো শুনিবি। তোৰ যিমান দিন ইচ্ছা মোৰ ইয়াতেই থাকিব পাৰিবি। কোনো ভয় নাই। পিতৃৰ ওচৰত পুত্ৰীৰ স্থান অধিকাৰ কৰি মোৰ ঘৰত থাকিব

পাৰিবি। কিন্তু তোৰ মনৰ অভিলাষ তই পৰিত্যাগ কৰিব লাগিব। স্বামী দৰ্শন তই নাপাৱ।'

'অন্তৰ্য্যামী দেৱতা।'

'ধৈৰ্য্য ধৰি শুনি যা আই। তোৰ পিতৃ দেৱদত্ত আৰু ইহ সংসাৰত নাই।'

'নাই?'

'নাই আই। যিদিনা গুপ্ত অন্তেষপুৰ চূৰ্ণীকৃত হৈ মাটিত বাগৰি পৰিছিল, সেই নিশাই সেই ভূমিকম্পৰ জোকাৰণিত্তে ধ্বংস হৈ গ'ল বৰদোৱাৰ শিৱমন্দিৰ আৰু সেই শিৱমন্দিৰৰ ভিতৰত শেষ নিশ্বাস ত্যাগ কৰিলে আৰাধনাৰত দেৱদত্তই। ৰজা চন্দ্ৰকান্তৰ ধাৰণা চৰাইদেউ পাহাৰৰ তলত তই জাহ গ'লি?'

'মোৰ স্বামী এতিয়া ক'ত প্ৰভো?'

'শুনি যা আই। চিত্ত চঞ্চল কৰি কোনো লাভ নাই। অসমৰ ওপৰেদি যি দুৰ্য্যোগ পাৰ হৈ গ'ল সেই কথা হয়তো তই নাজান। সোণৰ অসমত বিদেশীৰ পদক্ষেপে দেশ লণ্ডভণ্ড কৰি থৈ গ'ল। ভগা ৰজা চন্দ্ৰকান্তক পঠিয়াই দিয়া হ'ল তৰাতলিলৈ। অস্বাস্থ্যকৰ তৰা-তলিত তোৰ স্বামীয়ে ভুগিছে মৰণ জীয়াতু আই। এয়া ভগৱানৰেই ইচ্ছা।'

'তেওঁ জীয়াই আছেতো প্ৰভো?'

মই অধৈৰ্য্য হৈ পৰিছিলোঁ। যি আশঙ্কা কৰি মই আঁতৰি আহিছিলোঁ, অৱশেষত সেই আশঙ্কাই ফলিয়ালে গৈ স্বামীৰ জীৱনত।

'আছে। কিন্তু তই যদি স্বামীৰ মঙ্গল কামনা কৰ তেন্তে স্বামীৰ দৰ্শনৰ আশা তই পৰিত্যাগ কৰিবই লাগিব আই। এদিন তহঁতৰ মিলন হয়তো হব। কিন্তু ।'

'কিন্তু কি পিতৃ?'

'নাৰী বৰ্ণ হীন। হীন বৰ্ণৰ নাৰী গ্ৰহণীয়। কিন্তু উচ্চ বৰ্ণৰ

নাৰীক হীন বৰ্ণৰ পুৰুষে গ্ৰহণ কৰা নিষেধ। তাৰ প্ৰমাণ দেৱযানী আৰু কচ। তোক গ্ৰহণ কৰাৰ ফলতেই ৰজা চন্দ্ৰকান্ত সিংহৰ এই দশা। চন্দ্ৰকান্ত হয়তো এদিন ৰজা হব। কিন্তু কলঙ্কিত জীৱনৰ-অভিশাপ অখণ্ডনীয় আই। এয়া ব্ৰাহ্মণৰ অভিশাপ।

ব্ৰাহ্মণ কন্যা ক্ষত্ৰিয়ৰ গ্ৰহণীয় প্ৰভো।'

'কিন্তু তই গুৰু কন্যা জাহ্নবী।'

'তেন্তে স্বামী দৰ্শনৰ কোনো উপায় নাই পিতৃ?'

শিৱদত্ত নিমাত। মই অস্থিৰ। চঞ্চল। নিষ্ফল জীৱনৰ বেদনাত পৃথিবীখন মই তেতিয়া অন্ধকাৰ দেখিছিলোঁ। জীয়াই থকাৰ সাৰ্থকতা মই হেৰুৱাই পেলাইছিলোঁ। মনে মনে থিৰাং কৰিছিলোঁ তেন্তে মই আৰু জীৱন ধাৰণ কৰি থকাৰ লাভ কি? মৃত্যুই মোৰ কাৰণে শ্ৰেয়। সুন্দৰ।

'তোৰ ওপৰত এতিয়াও বহুত দায়িত্ব আছে আই। সেই দায়িত্ব তই পালন কৰিবই লাগিব। তই দ্বিজ কন্যা। ত্যাগৰ প্ৰতিমূৰ্ত্তি। নিজৰ স্বাৰ্থৰ বাবে দেশৰ আৰু চন্দ্ৰকান্তৰ অমঙ্গল মাতি নানিবি। গুৰু কন্যা ভগ্নী সদৃশ। সেই ভগ্নীৰ অপমানৰ ফল স্বৰূপে চন্দ্ৰকান্তৰ ভগ্নী মাজিউ আইদেউ মানৰ হাতত লাঞ্ছিতা।'

পিতৃ শিৱদত্ত আকৌ নিমাত হৈ পৰিল। মোৰ মনৰ মাজত কিহৰ তোলপাৰ মই নিজেই বুজা নাছিলোঁ। অস্থিৰ মন। চঞ্চল চিত্ত। মই যেন শিৱদত্তক হেজাৰ প্ৰশ্নৰ বাণেৰে থকা-সৰকা কৰি দিম। বহুত কথাই সুধিম। কিন্তু গুৰুৰ আদেশ। বাধ্য হৈ মনৰ হেজাৰ উদ্‌বিগ্নতা দমাই ৰাখি মই মৌন হৈ ৰলোঁ।

'আজিৰ পৰা ডেড়শ বছৰ পিছত। তহঁতৰ মিলন অৱশ্যম্ভাৱী। কিন্তু তাৰ বাবে চন্দ্ৰকান্ত উত্তীৰ্ণ হব লাগিব চৰম পৰীক্ষাত। কঠোৰ পৰীক্ষা তহঁতৰ ওপৰত এতিয়াও শেষ হোৱা নাই।

'ডেড়শ বছৰ পিচত অসম জলমগ্ন হৈ পৰিব। হেজাৰ হেজাৰ প্ৰজাৰ দুখ দুৰ্গতিয়ে দেশৰ অৱস্থা শোচনীয় কৰি তুলিব। মানুহৰ

হুবাৰস্থাই দেশবাসীক কন্দুৱাব। মৃত্যুৰ পিচত চন্দ্ৰকান্তই জন্ম গ্ৰহণ কৰিব বৰুৱা বংশত। সেই সময়ত চন্দ্ৰকান্তৰ জন্মান্তৰ ৰূপে যৌৱন প্ৰাপ্ত হৈ ৰাজ বিষয় চলাব। আৰু চন্দ্ৰকান্তৰ ৰাণীৰ জন্ম হব এই ৰাজধানীৰ অদূৰতে। ৰাজবিষয়াৰ খিতাপ লৈ ৰাজধানীত কাল কটোৱা চন্দ্ৰকান্তই জনমগ্ন প্ৰজাৰ সাহায্যৰ বাবে ৰাজধানী এৰি আহোঁতে দৰ্শন লাভ কৰিব ৰাণীৰ জন্মান্তৰ ৰূপ। প্ৰত্যেকে প্ৰত্যেকৰ প্ৰতি আসক্ত হৈ পৰিব। আৰু সেই সময়তে আৰম্ভ হব সিহঁতৰ অগ্নি পৰীক্ষা।'

'তেন্তে মোৰ অত দিনৰ কামনা পূৰণ

'হব মা, হব। চন্দ্ৰকান্তৰ জন্মান্তৰ ৰূপৰ দৰ্শন তই পাবি। কিন্তু মানুহৰ আকৃতিত নহয়। সৰ্পাকৃতিত। প্ৰতিশোধ পৰায়ণ আত্মাৰ মুক্তি নাই। সৰ্পৰূপ জন্মগ্ৰহণ কৰি প্ৰতিশোধৰ বাবে চন্দ্ৰকান্তৰ ওচৰত তোৰ উপস্থিতি অপৰিহাৰ্য্য।'

কিন্তু মইতো কোনো প্ৰতিশোধ বিচৰা নাই পিতৃ। স্বামীৰ প্ৰতি মোৰ কোন আক্ৰোশ নাই। বিদ্বেষ নাই।'

'তোৰ নাই। কিন্তু আত্মাৰ আছে। আত্মা অবিনাশী। অবিনশ্বৰ। তোৰ যি ৰূপত মুগ্ধ হৈ ৰজা চন্দ্ৰকান্তই তোক পত্নী ৰূপে পোৱাৰ হাবিয়াস কৰিছিল তাৰেই এই পৰীক্ষা। তেতিয়া তোৰ এই মোহনীয় ৰূপ নাথাকে। থাকিব কালান্তক ৰূপ। সঁচাকৈয়ে যদি চন্দ্ৰকান্তই তোক অন্তৰৰ পৰা ভাল পাইছিল তেন্তে তোৰ সেই কালান্তক ৰূপ দেখিও বিচলিত নহয়। স্নেহ স্পৰ্শৰে তোৰ অতৃপ্ত কামনা পূৰণ কৰিব।'

'ইয়াৰ মানে ?

'পৰজন্মত তোৰ জন্ম সৰ্প ৰূপত। যথা সময়ত তই গৈ ৰাজবিষয়া ৰূপী চন্দ্ৰকান্তৰ শোৱনি কোঠাত উপস্থিত হবি। সেই সময়ত চন্দ্ৰ-কান্তই যদি তোক সস্নেহেৰে আকোঁৱালী লৈ ওষ্ঠ চুম্বন প্ৰদান কৰে তেন্তে তোৰ মুক্তি অনিবাৰ্য্য। চুম্বনৰ্ত পিচত ৰুদ্ৰৰ নাম স্মৰণ কৰি

'তোৰ ৰক্তেৰে মৃত পুত্ৰৰ কপালত তিলক পিন্ধাই দিয়াৰ লগে লগেই সি জী উঠিব। মুক্তি প্ৰাপ্ত জাহ্নবীয়ে মুক্তি লৈ আঁতৰি আহিব। ৰজা চন্দ্ৰকান্তৰ সতী পত্নীৰ লগত হব মিলন। আৰু সেয়ে নহ'লে তোৰ দৰে আজীৱন চন্দ্ৰকান্তয়ো পত্নী বিৰহৰ যন্ত্ৰণাত মৃত্যুৰ মুহূৰ্ত্ত গণিব।'

'এয়া যেন মোৰ স্বামীৰ ভাগ্যত নঘটে ভগৱান।'

'উপায় নাই। ব্ৰহ্মশাপ ফলিযাবই। আত্মাৰ কামনা কেতিয়াও অপূৰণীয় হৈ নাথাকে। আৰু শুন, তোৰ পুত্ৰৰ সমাধিত সৃষ্টি হব এজোপা যুতি পুষ্পৰ। যিজনে হিংসাৰ মনোবৃত্তি লৈ হাবিত প্ৰৱেশ কৰিব, হয় তাৰ হব মৃত্যু, নহলে সি হব আজীৱন উন্মাদ। তোৰ পুত্ৰই ভূগৰ্ভৰ পৰা এটা শিলাখণ্ডৰ ৰূপত উদ্ধাৰিত হৈ সেই সময়তেই স্থান পাব যাদুঘৰত। এটা প্ৰস্তৰ শিশু মূৰ্ত্তি। ৰাজবিষয়াৰূপী চন্দ্ৰকান্তই তোৰ তেজেৰে তিলক পিন্ধাই তাক জীয়াই তুলিব পাৰিব। অন্যথাই তোৰ দৰ্শন লাভৰ তৃতীয় দিনৰ ভিতৰতে প্ৰেয়সী ৰাণীৰ আকস্মিক মৃত্যু ঘটিব। তাৰ পিচতো ৰাজবিষয়া চন্দ্ৰকান্তৰ জীৱনলৈ কেতিযাও ফিৰি নাহে দাম্পত্য স্নেহ। মৰম আৰু যুগ্ম জীৱনৰ সুযোগ। প্ৰতিজনী বাগ্‌দত্তা কন্যা বিয়াৰ পূৰ্ব্বে হব উন্মাদিনী। বিৰহ যন্ত্ৰণাত কাতৰ হৈ, নিজৰ জীৱনৰ ওপৰত ধিক্কাৰ জন্মি তোৰ নাম স্মৰণ কৰি চন্দ্ৰকান্তৰূপী ৰাজবিষযাই মৃত্যু বৰণ কৰিবলৈ বাধ্য হব।'

'কিন্তু মোৰ দাযিত্ব কি পিতৃ?'

'তোৰ দায়িত্ব, এই ভবিষ্যত বাণীসমূহ লিপিবদ্ধ কৰা। অন্যথাই হয়তো চন্দ্ৰকান্তৰূপী ৰাজবিষয়াই নাজানিব তাৰ কৰ্ত্তব্য।'

'কিন্তু লিপিৱদ্ধ ভৱিষ্যত বাণী মোৰ স্বামীয়ে কত কেনেকৈ পাব পিতৃ?'

'পাব আই, পাব। যি সময়ত জলমগ্ন প্ৰজাৰ সাহায্যাৰ্থে ৰাজধানীৰ বুকুৰ পৰা নৱ জন্মলৈ চন্দ্ৰকান্ত ভৈয়ামলৈ নামি আহিব

সেই সময়ত তই নিজ হাতেই তোৰ পৰজন্মৰ স্বামীৰ ওচৰত প্ৰদান কৰিবি এই লিপিবদ্ধ ভৱিষ্যত বাণী।"

এয়েই আছিল পিতৃৰূপী শিৱদত্তৰ আদেশ। স্বামী দেৱতা, তুমি যেন মোক ভুল নুবুজা। মই তোমাক পাবলৈ নিবিচাৰোঁ। কিন্তু ভৱিষ্যদ্বাণী যদি সঁচা হয় তেন্তে তুমি যেন মোক এবাৰ মৰম কৰা। তোমাৰ সুখময় জীৱন যেন নষ্ট নহয প্ৰভু। তুমি তোমাৰ পতিপ্ৰাণা পত্নীক লৈ সুখৰ জীৱন যেন গঢ়ি তোলা। তোমাৰ প্ৰতি মোৰ কোনো লোভ নাই। আক্ৰোশ নাই। তুমি সুখী হলেই মই সুখী হম। তোমাৰ দান মোৰ ৰক্ত তিলকেৰে তুমিয়েই জীযাই লবা দেৱতা।

ভগৱান, ৰুদ্ৰ। মোৰ স্বামীক যেন সুমতি দিয়া প্ৰভো। স্বামী দেৱতাৰ ইহ আৰু পৰজন্মৰ জীৱন যেন সুখময হয়।

ওঁ ৰুদ্ৰাযে নম ।

বিশ্বাস, অবিশ্বাস, শঙ্কা আৰু আশ্চৰ্য্যত মই পেঁপুৱা লাগি পৰিলোঁ। মোৰ অজ্ঞাতেই মই চিঞৰি উঠিলোঁ বনলতা।

বহীটো জপাই থৈ মই বহি পৰিলোঁ। ইও জানো সঁচা? মযেই জানো সেই ৰাজবিষযা? চন্দ্ৰকান্তৰ জন্মান্তৰ? আৰু বনশ্ৰীলতা? সেই ফেটী সাপটো? প্ৰস্তৰ শিৱ মূৰ্ত্তিৰ ভিতৰৰ চাবিপাট? ফেটী সাপৰ ৰূপত সেযা দ্বিজ কন্যা জাহ্নবী? কুৰি শতিকাৰ মাজ ভাগত এইবোৰ কথা মই জানো বিশ্বাস কৰা উচিত? কিন্তু অনিমেষ ভট্টাচাৰ্য্য। নয়নমণি? সেইবোৰতো সঁচা কথা। জলমগ্ন অসমৰ কথাবোৰ ফলিয়াইছে। তেন্তে বাকীবোৰ নফলিয়াব কেলেই?

বনশ্ৰীলতাক তেন্তে মই হেৰুৱাম নে আপোনকৈ পাম? মৃত শিশুৱে ডেৰশ বছৰৰ পিচত পাব প্ৰাণ? সকলোবোৰ বিশ্বাস কৰিলেও শিলামূৰ্ত্তিয়ে প্ৰাণ পোৱাৰ কথা জানো বিশ্বাস যোগ্য?

মিলন আৰু বিৰহৰ শঙ্কাত মই অস্থিৰ হৈ পৰিলোঁ। বিশ্বাস

অবিশ্বাসৰ দোমোজাত, বৰ্ত্তমান আৰু ভৱিষ্যতৰ আশঙ্কাত মোৰ স্নায়ু মণ্ডলীবোৰ যেন উত্তপ্ত হৈ পৰিছিল। অনুমান হৈছিল মোৰ যেন উশাহ নিশাহ বন্ধ হৈ যাব। কি কৰিম? কি কৰা উচিত ভাবি ভাবি মই উন্মাদৰ দৰে হৈ পৰিলোঁ। দীঘল আয়নাখনৰ 'সম্মুখত থিয় হৈ বাৰে বাৰে এখন মুখ মই পৰীক্ষা কৰিলোঁ। এইখন মুখ যেন মোৰ নহয়। চিনাকি মুখখন যেন মুহূৰ্ত্তৰ ভিতৰতে অচিনাকি হৈ পৰিল। এই চিনাকি মুখখন যেন মই চনি নাপাওঁ। এইখন চন্দ্ৰকান্তসিংহৰ মুখ। "এজন পাপাত্মা, দেশৰ শান্তি হন্তাৰ মুখ। ঘুচিয়াই যেন নাক মুখবোৰ ভাঙি দিম।

ইচ্ছা হৈছিল সেই মুহূৰ্ত্ততে যেন বনশ্ৰীলতাৰ ওচৰলৈ লৰি যাম। কম• লতা, কোনে জানে আমাৰ ভাগ্যত কি আছে? তোমাক হয়তো মই চিৰদিনলৈ হেৰুৱাই পেলাম লতা।

কিন্তু লতাৰ ওচৰলৈ যোৱা জানো সম্ভৱ? লতা মোৰ পৰা বহুত দূৰত। লতাই মোৰ কথাবোৰ শুনি কি ভাবব? সুস্থ মস্তিষ্কৰ কোন মানুহে বিশ্বাস কৰিব ডেডশ বছৰৰ আগৰ শিলা শিশুই প্ৰাণ পাব? কথা কব? কান্দিব? লতাই যদি ভাৱে মই উন্মাদ। মই দুৰ্ব্বল। অন্ধ বিশ্বাসী গোড়া হিন্দু। মোৰ মনৰ পৰিসৰ অতিশয় ঠেক।

ভগৱান! মইতো তোমাৰ কোনো দোষ কৰা নাছিলোঁ। মোৰ ওপৰত এই শাস্তি কিয় প্ৰভো?

পৃথিৱী তেতিয়া শুইছিল। খিলঙত দোভাগ নিশাৰ নীৰৱতা। মই কিন্তু শুব নোৱাৰিলোঁ। মোৰ মূৰত যেন জুই জ্বলিছিল। বহল কোঠাটোত উন্মাদৰ দৰে মই ছটফটাই ঘূৰি ফুৰিলোঁ।

তাৰ পিচতো দিন পিছলি গৈছিল অবিশ্বাস্য কাহিনী এটা ফলিওৱাৰ আশঙ্কাত মই জৰ্জ্জৰিত হৈ পৰিছিলোঁ। মোৰ যেন শ্বাস ৰুদ্ধ হৈ যাব। ব্ৰহ্মশাপৰ বলি হিচাবে মোৰ জন্ম। চিন্তাই মোক জুকলা কৰি পেলাইছিল। তাতকৈও মোৰ কাৰণে কষ্টকৰ হৈ পৰিছিল অপ্ৰকাশৰ বেদনা। মই যে কাকো কব নোৱাৰোঁ। কাৰো

আগত প্ৰকাশ কৰিব নোৱাৰোঁ। এযা কুৰি শতিকাৰ খিল্। বিজ্ঞান সম্মত দৃষ্টি ভঙ্গীলৈ প্ৰত্যেকটো কথাই চালি-জাৰি চোৱাৰ যুগ। মোক কোনে বিশ্বাস কৰিব?

লিপিৱদ্ধ ভৱিষ্যত বাণীসমূহ মোৰ প্ৰায় কণ্ঠস্থ হৈ গৈছিল। বন-লতালৈ মই লিখিছিলোঁ। সেই চিঠিবোৰত ভবিষ্যত বাণীৰ কথা উল্লেখ কৰিব খুজিও মই বৈ গৈছিলোঁ। কেবাদিনো সিদ্ধান্ত লৈছিলোঁ বনশ্ৰীলতাক সকলো কথা কম। সকলো জনাম। বনলতাই মোক অবিশ্বাস কৰক। দুৰ্ব্বল বুলি ভাবক। কোনো আপত্তি নাই। কিন্তু ইমান ডাঙৰ দুশ্চিন্তা এটা মই অকলে বহন কৰিব নোৱাৰোঁ। কোনে জানে কোন মুহূৰ্ত্তত মই অগ্নি পৰীক্ষাৰ সম্মুখত থিয় দিব লগীয় হওঁ। শেষলৈ যদি ভৱিষ্যদ্বাণীযেই সঁচা হয়? ফলিযায়?

কিন্তু মই লিখিব নোৱাৰিলোঁ। বনলতাৰ মনত দুৰ্ভাৱনাৰ সৃষ্টি কৰাৰ সাহস মোৰ নহল। বনলতালৈ লিখা মোৰ প্ৰায়বোৰ চিঠিতেই ফুটি উঠিছিল এটা নৈৰাশ্যৰ ভাৱ। আশঙ্কাৰ ইংগিত।

১৯৬০ চনৰ মাৰ্চ্চ মাহৰ এটা দুপৰীয়া। মই অফিচ কমতে চিঞৰি দিছিলোঁ মৃত্যু মোৰ অনিবাৰ্য্য। মই কঁপিছিলোঁ। মোৰ চকুৰ আগত অসংখ্য জোনাকী পৰুবা।

মোৰ চিঞৰ শুনি চাপ্ৰাচী এজন ভিতৰলৈ সোমাই আহিছিল। মোলৈ চাইছিল। নিজক সহজ কৰি লোবাৰ যত্ন কৰি ঢমকৰ সুৰত চাপ্ৰাচীজনক সুধিছিলোঁ কি লাগে?

'অপ বুলায়া থা না হুজুৰ?'

'নেই। ভাগো।'

চাপ্ৰাচীজন আঁতৰি গৈছিল। বাতৰিখন আকৌ মেলি লওঁ।

## আহোম যুগৰ শিল্প উদ্ধাৰ

১৭ মাৰ্চ্চ, '৬০ —বিশেষ বাতৰি দাতাৰ বাতৰিত প্ৰকাশ যে নামৰৰ হাবিত আহোম যুগৰ এটা প্ৰস্তৰ শিশু মূৰ্ত্তি পোৱা গৈছে।

স্থানীয় বন-বিভাগৰ বিষয়া শ্ৰীহিৰণ্ময় চৌধুৰীয়ে জবীপৰ সময়ত এই মূৰ্ত্তিটো পাই পুলিচক সোধাই দিয়ে। বৰ্ত্তমানে প্ৰস্তৰ মূৰ্ত্তিটো গুৱাহাটীৰ ৰাজ্যিক যাদুঘৰত সংৰক্ষিত কৰা হৈছে। প্ৰত্নতত্ত্ববিদ সকলে কয় যে এই শিলামূৰ্ত্তিটোৱে আহোম যুগৰ শিল্প নৈপুণ্যৰ এটা দিশ মুকলি কৰিব।

মূৰ্ত্তিটোৰ কপালত এটা অৰ্দ্ধ চন্দ্ৰাকৃতিৰ চন্দ্ৰৰ ছবি অঙ্কিত আছে। মূৰত এটা ফেটী সাপৰ প্ৰতিমূৰ্ত্তি। মূৰ্ত্তিটো শিৱৰ নে বালকৃষ্ণৰ সেই বিষয়ে বিশেষজ্ঞসকলে গবেষণা কৰাৰ কথা ভাবিছে।

এবাৰ দুবাৰকৈ বাতৰিটো কেবাবাৰো পঢ়িছিলোঁ। চকুৰে ধোঁৱা কোৱা দেখিছিলোঁ। মোৰ অনুমান হৈছিল মোৰ পৰীক্ষাৰ সময় যেন চমু চাপি আহিছে। হয়তো অলপ কেইদিন মানৰ ভিতৰতে বনলতাক মই চিৰদিনলৈ হেৰুৱাম। অথবা আপোনকৈ পাম।

এজাক শীতল বতাহে হঠাতে মোৰ দেহ মন শীতলাই পেলাইছিল। শ্বাস-নিশ্বাসৰ বাবে বতাহৰ অভাৱ হোৱা বন্ধ কোঠা এটাৰ পৰা ওলাই আহি মই যেন মুকলি আকাশৰ তলত থিয় হৈ মুক্ত বতাহ লৈ মুক্ত হৈ পৰিছিলোঁ। মোৰ মুখেৰে আপোনা আপুনি ওলাই আহিছিল মিছা কথা। এই ভবিষ্যদ্বাণী নফলিয়ায়।

ভৱিষ্যত বাণীত উল্লেখিত সেই প্ৰস্তৰ শিশু মূৰ্ত্তিটো এইটো নহয়। কপালত অৰ্দ্ধচন্দ্ৰ আৰু মূৰত সৰ্পাকৃতিৰ চিহ্নৰ উল্লেখ ভৱিষ্যত বাণীত নাই। তেন্তে ভৱিষ্যদ্বাণী মিছা? কোনোবা গল্প লিখকৰ ভিত্তিহীন কল্পনা। শ্ৰুতিকৰৰ কথাষাৰেই সঁচা?

কিন্তু জলমগ্ন অসম আৰু লিপিবদ্ধ ভৱিষ্যদ্বাণী সৰ্পৰূপী জাহ্নবীয়ে মোক নিজ হাতে দিয়া কথাটোতো সঁচা। সেয়া হয়তো একচিডেণ্ট্। অসমৰ বানপানী আজিৰ নতুন কথা নহয়। বানত উটি অহা এটা বাকচ আৰু সাপ। সিও তেনেই সাধাৰণ কথা। মানুহৰ কিমান ধন সম্পত্তি এই বানৰ বুকুত জাঁহ গৈছে তাৰ সীমা-সংখ্যা নাই। তেনেস্থলত এখন সাঁচি পুথি পানীত ভাঁহি অহাত কোনো নতুনত্ব নাই।

গল্পবোৰ সঁচা সঁচা লগা মিছা কাহিনী। সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহলে সেই সাহিত্য বজাৰৰ অচল টকা। লিখকৰ বাস্তৱমুখী কল্পনাৰ শক্তি নাথাকিলে গল্প লিখাৰ আশা কৰা মিছা। মানুহৰ সুখ দুখ, হাঁহি কান্দোন মিশ্ৰিত কৰি গল্প লিখকে এনেদৰে কল্পনাৰ ইন্দ্ৰজাল ৰচনা কৰে যে সেয়া যেন আমাৰ জীৱনৰ সঁচা কথা। সঁচা কাহিনী। এই শক্তি যি লিখকৰ নাই তেওঁ সাৰ্থক লিখক বুলি কেতিয়াও দাবী কৰিব নোৱাৰে।

তেন্তে এইটোও সঁচা সঁচা লগা এটা মিছা কাহিনী? বানপানী, সাপ এইবোৰ অসমৰ বাৰিষাৰ সৰ্ব্বসাধাৰণ কথা। তাৰ ওপৰতে ভিত্তি কৰি ৰচনা কৰিছিল এই গল্প। যাতে পাঠকে সঁচা বুলিয়েই ভাবে। বিশ্বাস কৰে।

কথাষাৰ ভাবি মোৰ মনটো পাতল পাতল লাগিছিল। এটা সম্ভাব্য দুৰ্ঘটনাৰ পৰা মুক্ত হোৱাৰ তৃপ্তিত দীঘলকৈ উশাহ লৈছিলোঁ। মনৰ দুৰ্ব্বলতাৰ কথা ভাবি মই নিজেই হাঁহিছিলোঁ। ভগৱানক ধন্যবাদ। মই যে মোৰ দুৰ্ব্বলতা কাৰো ওচৰত প্ৰকাশ কৰা নাই। বনলতাক জনোৱা নাই।

তিনি সপ্তাহ পিচত। মোমাইদেউ আৰু ভাইটোৰ পৰা বাৰে বাৰে একে কথাকে লিখি দিয়া চিঠিৰ প্ৰত্যুত্তৰ দিছিলোঁ। লিখিছিলোঁ আপোনালোকৰ ইচ্ছাত মই বাধা নিদিওঁ। মই বিয়াত সম্মতি নিদিয়া বাবেই যদি আপোনালোকে মোৰ লগত সকলো সম্পৰ্ক ত্যাগ কৰিব খুজিছে তেন্তে সম্পৰ্ক ত্যাগ কৰিব নালাগে। বিয়া কৰোৱাত মোৰ আপত্তি নাই। কিন্তু মোৰ বিয়াৰ বাবে চিন্তা নকৰি ভনীজনীক ক'ৰবাত গটাবৰ দিহা কৰা হলেহে মই বেছি আনন্দিত হলোঁহেঁতেন।

ইতিমধ্যে মোৰ ওচৰলৈকেও কেবাটাও প্ৰস্তাৱ আহিছে। তাৰ ভিতৰত যোৰহাটৰ পূৰ্ণেন্দু বৰকটকীৰ ছোৱালীজনী বোধহয়

বেয়া নহব। ছোৱালীজনী ময়ো দেখিছোঁ। কথা প্ৰসঙ্গত মই মাক দেউতাকক এক প্ৰকাৰ সম্মতি দিছোৱেঁই। আপোনালোকেও কথা বতৰা হৈ চাব পাৰে।

তাৰ পিচত দুই চাৰি আৰাৰ সাধাৰণ কথা লিখি চিঠিখন সামৰিছিলোঁ। খামৰ ওপৰত ঠিকনাটো লিখি বন্ধ চিঠিখন ডাকত দিবলৈ ললিতৰ হাতত দিছিলোঁ।

এসপ্তাহ পিচত।

বাহিৰত অমাৱস্যা ৰাতিৰ এন্ধাৰ। আকাশত বিজুলী ঢেৰিকনি। ৰাজধানীৰ বাট পথ জনশূন্য। অন্ধকাৰ। বিজুলী সৰবৰাহৰ বিজুতি ঘটিছিল নে সম্ভাৱ্য বতাহ বৰষুণৰ আশঙ্কাত বন্ধ কৰি থৈছিল কব নোৱাৰো। চেক্ৰেটাৰীৰ আদেশত ক্লাৱ বয়টোৱে কেবাটাও পেট্ৰোমাক্স আনি জ্বলাই দিছিল। বাহিৰত বতাহৰ হোঁ-হোঁৱনি। সৰলৰ পাতত বৰষুণৰ সোঁ সোঁৱনি। কিয় জানো মনটো মোৰ অকণো ভাল নালাগিল। প্ৰথম খেলটোতে ডাঙৰ ‘ৰান’ এটাত ৰানিংৰ হাতত মাৰ খাই মনটো আকৌ সেমেকি গল। ‘মই আৰু নেখেলোঁ’ বুলি ব’ৰ্ডৰ মেম্বৰসকলৰ ওচৰত বিদায় লৈ সোনকালেই ঘৰলৈ উভতি আহিলোঁ।

মমৰ ক্ষীণ পোহৰত বাহিৰৰ বহা কোঠাটোতে বৈ ললিতে মোলৈ অপেক্ষা কৰিছিল। সি হয়তো ভবা নাছিল মই যে ইমান সোনকালে ঘৰলৈ উভতি আহিম।

কানি কাপোৰ সলাই বিছনাখনত দীঘল দি পৰিছিলোঁ। বাতৰিখন হাতত লৈ পঢ়াৰ যত্ন কৰিছিলোঁ। কিন্তু পঢ়িব নোৱাৰিলোঁ। পঢ়া নহ’ল। মমৰ পোহৰত আখৰবোৰ জিল মিল কৰিছিল। শিখাটো কঁপিছিল। ললিতে ভাত দিয়াৰ কথা কৈছিল। কিন্তু মোৰ ভাত খোৱাৰ ইচ্ছা নহ’ল। বাহিৰৰ ভয় লগা পৰিস্থিতিটোৰ বাবেই নেকি কিবা এটা ভয় ভয় ভাৱে মোৰ মনৰ মাজত খোপনি পুতি বহিছিল। ললিতক কব খুজিছিলোঁ: তায়ো আজি মোৰ কোঠাতেই শুবি অ’ ললিত।

কিন্তু কব নোৱাৰিলোঁ। কিবা এটা লাজত মোৰ কণ্ঠ ৰুদ্ধ হৈ গৈছিল।

ললিতে আকৌ এবাৰ আহি ভাত খোৱাৰ কথা কৈছিল।

"তই খাগৈ। মোৰ গা ভাল নহয়। জ্বৰ উঠিব হবলা। আৰু শুন, ৰাতি বিয়লি কিবা এটা লাগিলে মই তোক চিঞৰি থাকিব নোৱাৰোঁ। তযো ইযাতেই শুবি। বুইছ ?"

ললিতে মোৰ মুখলৈ চাইছিল। চকুত অবিশ্বাস আৰু আচৰিত হোৱাৰ দৃষ্টি। অসুখ হলেও কোনো দিনে মই তাক মোৰ কোঠাত শুবলৈ দিয়া নাই। নাছিলোঁ। আ'জ তেনেদৰে শুবলৈ কোৱাত সি আচৰিত হোৱাটোৱেই স্বাভাৱিক। সি হয়তো বিশ্বাস কৰিছিল: মোৰ গা অসুখৰ কথাটোয়ে সচা। নহলে ইমান সোনকালে মই কেতিয়াও ঘৰলৈ উভতি নাহোঁ। তাক মোৰ কোঠাত শোৱাৰ কথা নকওঁ।

নিশা দহমান বজাত ললিত আকৌ এবাৰ ভিতৰলৈ সোমাই অহাৰ গম পাইছিলোঁ। তেতিয়া মই গাই মূৰে কাপোৰ লৈ শুই পৰিছো।

'চাহ কাপ খাওঁক চাৰ।'

কাপোৰৰ উমটোৰ তলৰ পৰা ওলাই আহিবলৈ বৰ এলাহ এলাহ লাগিছিল। মূৰৰ পৰা লেপখন গুচুৱাই বাওঁ হাতৰ কিলাকুটিত ভৰ দি মূৰটো দাঙি ধৰিছিলোঁ। ললিতৰ হাতত একাপ চাহ আৰু এটা অমলেট। অমলেটৰ প্ৰতি মোৰ দুৰ্ব্বলতা আছে বুলি ললিতে জানে। লোভ সামৰি চএকব সুৰত কলোঁ গৰু, অসুখ নহয়, সেই কাৰণে অমলেট আনিছ ?

'একো নহয়। খ'ক চাৰ।'

তাৰ কথাষাৰে যেন মোৰ জেদী মনটোক সচেতন কৰি তুলিছিল। খালোঁহেঁতেন যদিও সি কোৱাৰ কাৰণেই অমলেটটোলৈ দুনাই ঘূৰি নাচাই চাহ কাপ খাই শুই পৰিলোঁ।

তাৰ পিচত কেতিয়া টোপনি আহিল কব নোৱাৰো।

নিশা কেইটা বাজিছিল নাজানো। তেতিয়া হয়তো দোভাগ নিশা। কিবা এটা শব্দত মোৰ টোপনি ভাগি গৈছিল। ললিতৰ ওপৰত ভীষণ খং উঠিছিল। টোপনি গলে ইহঁত মৰে নে জীয়াই থাকে একো কব নোৱাৰে। মই ধৰি লৈছিলোঁ সেয়া তাৰ নাকৰ শব্দ। অৱশেষত মোৰ নিজৰ ওপৰতে খং উঠিছিল। মইনো কেলেই মিছাতে তাক ইয়াত শুবলৈ দিছিলোঁ।

ললিতক জগাই দিব খুজিছিলোঁ। সি গৈ তাৰ কোঠাত শোৱক। মোক ইয়াত আমনি কৰিব নালাগে। মূৰৰ পৰা কাপোৰখন আঁতৰাই মই থমকি ৰৈছিলোঁ। ললিতক জগাই দিয়াৰ সাহস মোৰ নহ'ল। মোৰ চকুৰ সন্মুখতে দুটা জুইৰ ফিৰিঙতি। নিচেই ওচৰা ওচৰিকৈ এন্ধাৰত জ্বলি থকা দুটা যেন জ্বলন্ত চিগাৰেট। জুইৰ ফিৰিঙতি দুটা হালিছিল। দুলিছিল। কিবা এটা অজান আশঙ্কাত মোৰ সৰ্ব্বাঙ্গ শৰীৰ কঁপি উঠিল। আগ নিশা বিজুলী সৰবৰাহৰ যে বিজুতি ঘটিছিল সেই কথা মই পাহৰি গৈছিলোঁ। বেড চুইচটো বিচাৰিবলৈও মই অক্ষম হৈ পৰিছিলোঁ। হঠাৎ বেড চুইচটো মোৰ হাতত লাগিছিল হব পায়। মই টিপি দিছিলোঁ কিজানি। পোহৰত কোঠাটো জিলিকি উঠিছিল।

লাইটৰ পোহৰত মই চিঞৰি দিছিলোঁ ললিত। কিন্তু মোৰ মুখেৰে কোনো শব্দ ওলাই নাহিল। মোৰ সন্মুখত এয়া জীয়া যম। মোৰ মৃত্যু অৱশ্যম্ভাবী। মোৰ ৰক্ষাৰ কোনো উপায় নাই। মই চিঞৰিছিলোঁ। কঁপিছিলোঁ। ভয়ত। আশঙ্কাত। প্ৰাণৰ মমতাত। মোৰ যেন চেতনা বিলুপ্ত হৈ গৈছিল।

লাইটৰ পোহৰত জুইৰ ফিৰিঙতি দুটাৰ পৰিবৰ্ত্তে মোৰ চকুত পৰিছিল: ফেট তুলি প্ৰতি মুহূৰ্ত্তে মোক আক্ৰমণ কৰিবলৈ কঁপি থকা এটা ফেটীসাপৰ ফণা। মোৰ বহা কোঠাটোৰ বেৰত ওলোমাই থোৱা মহাদেৱৰ ছবিৰ সেই চকৰি

ফেটাটো যেন নামি আহিছে জীৱন্ত ৰূপত। ছবিতকৈ বহুত ভাঙৰ আকৃতিত। ক্ৰোধৰ এটা জীৱন্ত মূৰ্ত্তি।

উশাহ নিশাহবোৰ মোৰ ঘন হৈছিল। কি কৰিব লাগে, কি কৰিছিলোঁ, মই নিজেই নাজানোঁ। মই বোধহয় গাৰ কানি কাপোৰবোৰ দলিয়াই মজিয়াত জপিয়াই পৰিছিলোঁ। ঘুমন্ত ললিতক সাৱটি ধৰিছিলোঁ। তেতিয়া মোৰ বাহ্যিক জ্ঞান ৰহিত হৈ গৈছিল। মই কেৱল দেখিছিলোঁ মোৰ লগে লগে মোলৈ মুখ কৰি ক্ৰোধমত্ত মৃত্যুদূত মোৰ পিনে আগুৱাই আহিছে। মোক দংশন কৰিব। ধ্বংস কৰিব। অসহ্য বিষ যন্ত্ৰণাত ছটফটাই মই মৃত্যুক আকোৱালি লবলৈ আগবাঢ়ি গৈছো। মোৰ হাত ভৰিবোৰ অৱশ হৈ গৈছে। চেতনাবিহীন হৈ পৰিছে। মাতটোও যেন ক্ৰমান্বয়ে ক্ষীণ হৈ আহিছে। মোৰ নেলুত যেন কোনোবাই টিপিহে ধৰিছিল।

মুহূৰ্ত্তৰ ভিতৰতে কি হৈ গ'ল কব নোৱাৰোঁ। অৱচেতন মনৰ দৃষ্টিৰে দেখিছিলোঁ ললিত সাৰ পাই উঠিছে। ললিতৰ হাতত মোৰ পালেঙৰ পৰা একৰাই অনা এডাল মাৰি। ললিতক দেখি সাপটোৱে একেদৰে ফণা তুলি হালি জালি আমাক যেন ভ্ৰূকুটি কৰি আঁতৰি গ'ল। খোলা দুৱাৰখনেৰে গাধোৱা ঘৰত সোমাই পৰিল। যাওঁতে যেন গুজৰি গুজৰি আমাক শাসন কৰি থৈ গ'ল। মোৰ বিছনাৰ পৰা কিবা এটা বিচাৰি লৈ ললিত ক্ষিপ্ৰতাৰে গাধোৱা ঘৰত সোমাই পৰিল। তাৰ পিচত গাধোৱা ঘৰৰ বাহিৰৰ পিনৰ দুৱাৰখনৰ চিটিকনিটো খোলাৰ শব্দ মোৰ কাণত পৰিল। ললিত বোধহয় বাহিৰলৈ ওলাই গৈছিল। ভাৱ হৈছিল, ললিতৰ অনুপস্থিতিৰ সুযোগ লৈ সাপটো যেন আকৌ ভিতৰলৈ সোমাই আহিব। মোৰ দুয়ো ভৰিত মেৰিয়াই ধৰি। মই আৰু ভাবিব নোৱাৰিলোঁ। সোঁতৰ কচুৰ দৰে কঁপি কঁপি পালেঙখনৰ খুটা এটাত ধৰি থিয় হৈ ৰলোঁ।

ললিত আকৌ সোমাই আহিছিল।

"কেনি গ'ল যে কবই নোৱাৰিলো চাৰ। গাধোৱা ঘৰৰ বিন্ধাটোৰে বোধহয় ওলাই গ'ল। কিন্তু ইমান ডাঙৰ সাপটো সেই বিন্ধাটোৰে কেনেকৈ পাৰ হৈ গ'ল? আচৰিত। ভাগ্যে যেনিবা লাইট আহিছিল। সন্ধিয়াৰ দৰে এন্ধাৰ হৈ থকা হলে যে কি হ'লহেঁতেন?'

কব খুজিছিলোঁ সাপটো ঘৰৰ ভিতৰৰ পৰা ওলাই যোৱা নাই ললিত। ক'ৰবাত চিলিঙ ফিলিঙে সোমাই আছে। ভালকৈ বিচাৰি চা।

কিন্তু কব নোৱাৰিলোঁ। এষাৰ কথাও মোৰ মুখেৰে ফুটি নোলাল। শঙ্কা বিহ্বল বোবা দৃষ্টি এটাৰে মই মাথোন ললিতলৈ চাই ৰলোঁ।

"মই তাক ইযাতেই খতম কৰি দিলোঁহেঁতেন চাৰ। মাৰিডাল বৰ দীঘল। বেৰত মাৰিলেই পালেঙত পৰিলহেঁতেন। সাপটোৰ গাত নপৰে। নহলে আজি ক'ত সাৰে?'

মই তেতিযাও কোনো কথা কব পৰা নাছিলোঁ। ললিত আতৰি গৈ আকৌ সোমাই আহিছিল। হাতত এটা ফেনাইলৰ টিন।

'খিলঙতো সাপৰ ইমান উপদ্ৰব হ'ল? মই ঘৰৰ চাৰিওফালে নহকু পানী আৰু ফেনাইল ছটিয়াই দিছো। আৰু ভয় নাই চাৰ।' কৈ কৈ ললিতে ঘৰৰ ভিতৰতো ফেনাইল কিছুমান ছটিয়াই দিলে।

ইতিমধ্যে মই নিজক চম্ভালি লৈছিলোঁ। গাটো অৱশ হৈ পৰিছিল। ক'ৰবাত বহি পৰাৰ কথা ভাবিছিলোঁ। কিন্তু পালেঙখনত বহাৰ মোৰ সাহস নহল। ললিতক পালেঙৰ কানি কাপোৰবোৰ জোকাৰি দিয়াৰ কথা কৈছিলোঁ।

ললিতে বিছনাখন জোকাৰি দিয়াৰ সময়কণো থিয় হৈ থকাৰ ধৈৰ্য্য মোৰ নহল। ললিতৰ বিছনাখনতে বহি পৰিব খুজিছিলোঁ। তাকে দেখি ললিতে লৰালৰিকৈ বাহিৰৰ কোঠাটোৰ পৰা চকি এখন আনি আগবঢ়াই দিছিল। মই বহি পৰিলোঁ।

'নোশোৱে জানো চাৰ?"

ললিতৰ কথাবাৰ যেন শুনিও নুশুনিলোঁ। কেইটা বাজিছিল ললিতক সুধিছিলোঁ।

ৰাতিপুৱাবলৈ তেতিয়া আৰু বেছি সময় নাছিল।

চেৰেকৈ হঠাতে মোৰ মনত পৰিছিল এয়ে নেকি ভবিষ্যত বাণীৰ সেই কালান্তক ৰূপ? সৰ্প ৰূপত এয়া জাহ্নবী? মোৰ ওচৰলৈ আহিছিল মোৰ মৰম বিচাৰি? স্নেহ বিচাৰি? যদি সেয়ে সঁচা হয় তেন্তে তেন্তে ।

মোৰ চিন্তা শক্তি লোপ পাই গৈছিল। মূৰটো আচন্দ্ৰাই কৰি দছিল। ললিতক চিঞৰি কব খুজিছিলো। সাপটো বিচাৰি আন। সেয়া সাপ নহয়। আমাৰ শত্ৰু নহয়। বন্ধু। সেযা জাহ্নবী। কিন্তু কব নোৱাৰিলো। কোৱা নহল।

অস্থিৰ উদবিগ্নতাত শেষ নিশাৰ বাকী সময়খিনি মই ছটফটাই কটাই দিলো।

ৰাতি পুৱাইছিল। সম্মুখৰ বাৰাণ্ডাখনত মই উন্মাদৰ দৰে ঘূৰি ফুৰিছিলোঁ। এবাৰ বাহিৰলৈ যাওঁ। আকৌ ঘৰৰ ভিতৰলৈ সোমাই যাওঁ। ঘৰৰ বাহিৰে ভিতৰে কিবা এটা নিৰীক্ষণ কৰি চাইছিলো। কোনে জানি সাপটো এতিয়া ক'ৰবাত লুকাই আছে বা?

সাপটো যদি সঁচাকৈয়ে দেখা পাওঁ তেন্তে মই জানো সাবটি লব পাৰিম? চুমা খোৱাৰ সাহস মোৰ হব? সেযা জানোঁ সঁচাকৈয়ে সাপ নহয়? জাহ্নবী?

কিন্তু সাপটো মই তুনাই ক'তো দেখা নাপালো।

কি কৰিম? কি কৰা উচিত ভাবি একো সিদ্ধান্ত কৰিব পৰা নাই। কোনোবাই যেন মোৰ কাণৰ কাষত ফুচফুচাই কৈ গ'ল. বণলতাক হেৰুৱাবলৈ সাজু হৈ থাক অলকেশৰূপী চন্দ্ৰকান্ত। তোৰ হতবুদ্ধিৰ বাবেই বনলতাৰ মৃত্যু অনিবাৰ্য্য।

চন্দ্ৰকান্ত! মই তেন্তে সঁচাকৈয়ে ডেৰশ শতিকাৰ আগৰ সেই আহোম ৰজা চন্দ্ৰকান্ত সিংহ? মোৰ পাপৰ পৰিণাম ভূগিবলৈ এয়া

মোৰ জন্ম? বনলতাক ভেঙে মই সঁচাকৈয়ে হেৰুৱাম? মোৰ পাপৰ কাৰণেই, নিবুদ্ধিতাৰ বাবেই এজনী নিৰাপৰাধী গাভৰুৰ জীৱন বিপন্ন হৈ পৰিব? উ ভগৱান।

অন্তৰৰ সকলো ভক্তিৰে ভগৱানক মই প্ৰাৰ্থনা কৰিছিলোঁ। ভগৱান, ভৱিষ্যদ্বাণী যেন নফলিয়ায়। বনলতাক যেন মই নেহেৰুৱাওঁ। মোৰ প্ৰতি এতিয়াও সদয় হোৱা ভগৱান। মোক ক্ষমা কৰা।

বিশ্বাস তেতিয়া মোৰ দৃঢ় হৈ পৰিছে। অনুমান হৈছিল ভৱিষ্যতবাণী ফলিযাবই। মনটোৱে বাৰে বাৰে মোক যেন প্ৰশ্ন কৰিছিল ইমানবোৰ ফলিওৱাৰ পিচত বাকীকণো জানো নফলিয়াব?

চুলিকোছাত খামোচ মাৰি ধৰি ললিতৰ দুগালত দুপাত চৰ সোধাই দিবৰ মন গৈছিল। প্ৰায় নটা বাজেহি। এতিয়ালৈকে তাৰ চাহেই হোৱা নাই। চাহ কাপ খাই কিবা এটা সিদ্ধান্ত লম বুলি ভাবি থাকোঁতেই ইমান বেলি হ'ল। সি জানে ৰাতিপুৱা শুই উঠাৰ লগে লগে মোক চাহ লাগে। অথচ আজি আধা নিশাৰ পৰা মই উজাগৰে আছোঁ।

এনেতে টি-ট্ৰেখনত চাহৰ টি-পট, প্লেট আৰু জলপানৰ প্লেট এখন লৈ ললিত মোৰ ওচৰত আহি থিয় হৈছিল। খঙত চিঞৰ দিব খুজিছিলোঁ ইমান সময় কাৰ মূৰটো কৰিছিলি? কিন্তু ললিতৰ মুখখন দেখি মোৰ মনৰ খং মনতে মাৰ গ'ল। মুখখন মলিন। শেঁতা। যেন কোনোবা এজন আত্মীয়ৰ বিয়োগ বাতৰি পাই সি কান্দি কান্দি ভাগি পৰিছে।

চকু মুখবোৰ তাৰ তেতিয়াও উখহি আছিল।

'ইমান সময়ে তোৰ চাহ কাপেই নহয় নে?' শান্ত কণ্ঠেৰেই প্ৰশ্ন কৰিছিলোঁ।

'ৰাতিৰ সেইটো সাপ নহয় চাৰ। ভগৱান। সাপৰ ৰূপ লৈ আমাক দেখা দিছিল।

ললিতৰ কথাষাৰ পেটে পেটে সমৰ্থন কৰিছিলোঁ যদিও ফুটাই কলোঁ : তোক কিবা কৈ গৈছিল নেকি ?

'শিৱৰ মূৰ্ত্তিটো নাই চাৰ। কালি ৰাতিও আছিল। কিন্তু ৰাতিপুৱা শুই উঠি চাওঁ যে নাই। ভগৱানেই সাপৰ ৰূপ লৈ আহি মোক দিছিল। আৰু ভগবানেই সৰ্প ৰূপ লৈ আকৌ আহি লৈ গ'ল। তাকে বিচাৰোঁতে হে ইমান পলম হ'ল চাৰ। মোৰ প্ৰতি ভগৱান নাৰাজ।'

মই একো নামাতিলোঁ। মৌন হৈ চাহৰ কাপটো হাতত তুলি ললোঁ। পেটে পেটে ভাবিলোঁ ভবিষ্যদ্বাণীৰ লগত এই মূৰ্ত্তিটোৰ সম্পৰ্ক ক'ত ? মূৰ্ত্তিটো বাৰু ক'লৈ যাব পাৰে ? ললিতে মোক মিছা কৈছে নেকি ?

চাহ খাই উঠি ললিতক কলোঁ চাও তোৰ শিৱৰ মূৰ্ত্তিটো ক'ত থৈছিলি ?

ললিতৰ পিচে পিচে তাৰ শোৱনি কোঠাটোলৈ সোমাই গৈ শিৱৰ মূৰ্ত্তিটো থোৱা বেদীখন চাইছিলোঁ। ললিতৰ কথাই সঁচা ? বেদীখন সুদা। বেদীত মূৰ্ত্তিটো নাই।

'মেকুৰী নিগনিয়ে থোৱা বস্তু বুলি ক'ৰবালৈ নিব পাৰে চা।'

'নাই চাৰ। ইমান দিনে নিনিলে, আজি কিয় নিব চাৰ ?'

ললিতৰ কথাষাৰৰ কোনো উত্তৰ দিয়াৰ আৱশ্যক বোধ নকৰি মই আঁতৰি আহি ভাবিছিলোঁ বনলতালৈ এখন তাঁৰ কৰি সুধি পঠিয়াওঁ নেকি কেনে আছে ? অলপ যেন সাৱধানে থাকে। কিন্তু তাঁৰখন পাই কি ভাবিব ? কিনো সাৱধানে থাকিব ? তাতকৈ ট্ৰাঙ্ক কল এটা কৰি সকলোবোৰ কথা বনলতাক কৈ দিওঁ নেকি ?

আজি প্ৰায় দুসপ্তাহ মান বনলতাৰ পৰা চিঠি পত্ৰ একো পোৱা নাই।

বাৰাণ্ডাতে থিয় হৈ বিশৃঙ্খল চিন্তাবোৰ শৃঙ্খলা লগাবৰ যত্ন কৰিছিলোঁ। এনেতে ডাক পিয়ন এজন আগুৱাই আহিছিল। মোলৈ চিঠি এখন আগুৱাই দিছিল। বিয়োগৰ আখৰ কেইটা দেখিয়েই

বুজিছিলোঁ। সেয়া বনলতাৰ চিঠি  মোৰ মনৰ দুচিন্তা দুৰ্ভাৱনা-বোৰ যেন নিমিষতে নাইকীয়া হৈ গ'ল। লতাৰ একো হোৱা নাই। লতা নিশ্চয় ভালে আছে। লতা অন্তত নিজ হাতে চিঠি লিখিব পৰা অৱস্থাত আছে। লৰালৰিকৈ খামটো ছিঙি ভিতৰৰ চিঠিখন মেলি ললোঁ।

কিন্তু কিয় জানো চিঠিখন খোলাৰ লগে লগে এটা অজ্ঞান আশঙ্কাত মোৰ বুকুখন চিৰিংকৈ উঠিল। হাতভৰিবোৰ কঁপিছিল।

যোৰহাট

পূজনীয়                                                                                    মাৰ্চ ' ०

আপোনাৰ চিঠি পাইছো। উত্তৰতে দিব পৰা নাই। মোৰ কাৰো মনত শান্তি নাই। মন একেবাৰে বেয়া। আজি তেৰ দিন হ'ল বিমানদাৰ অসুখ।

আজি কেইদিন মান আগতে বিমা দা কলেজৰ ল'ৰা কিছুমানৰ সৈতে নামবৰ হাবিলৈ বালিহাঁহ মাৰিবলৈ গৈছিল। চিকাৰৰ প্ৰতি বিমানদাৰ দুৰ্ব্বলতাৰ কথা আপুনি জানেই। দেউতাৰ বন্দুকটো বাহিৰ ভাগলৈ যাওঁতে বিমানদাই লগতে লৈ গৈছিল।

বিমানদাৰ লগৰ ল'ৰা দুজনে কোৱা মতে বিমানদা আৰু ল'ৰা দুজন হেনো ভাত পানী হয় মানে বন্দুকটো হাতত লৈ হাবিৰ ভিতৰলৈ সোমাই গৈছিল। হাবিৰ মাজৰ এজোপা আমলখী গছত পৰি আছিল এজাক পৰ্ঘুমা। বিমানদাই লক্ষ্য স্থিৰ কৰি বন্দুকৰ ট্ৰিগাৰ টানিব খোজোঁতেই ভৰিৰ ওচৰত কিবা এটাৰ শব্দ শুনি উচাপ খাই উঠিল। লক্ষ্য ভ্ৰষ্ট হ'ল। পৰ্ঘুমা জাক উৰি গ'ল। লগে লগেই বিমানদা মাটিত ঢলি পৰিল। দুয়া কোৱাৰিবে বৈ আহিল এমুখ ফেন।

বিমানদাৰ ভৰিৰ ওচৰত  কিবা এটাই শব্দ কৰা লগৰ ল'ৰা দুজনেও হেনো শুনিছিল। সিহঁতে সাপ বুলি ভাবিছিল। কিন্তু নিৰিখি চাই একো দেখা নাপালে। বিমানদাৰ  ভৰিৰ গছকত ভাঙি পৰিছিল

এজোপা যুঁতী ফুলৰ এটা ডাল। ফুল জোপাৰ ওচৰতে এটা গাঁত। চাৰি ফুট মান দীঘল। ডেড় ফুট মান বহল। দ প্ৰায় দুফুট। গাঁতটোৰ ভিতৰতো একো নাছিল।

তেতিয়াৰ পৰা বিমানদাৰ মুখত মাত নাই। কাকো নামাতে। কথা নকয়। ভাত পানী একো নাখায়। ফলমূল দিলে অলপ খায়। মাজে মাজে ফেঁকুৰি ফেঁকুৰি কান্দে। হাঁহি হাঁহি অচেতন হৈ ঢলি পৰে। ডাক্তৰে একো ধৰিব পৰা নাই। ডাক্তৰ, কবিৰাজ আৰু গাঁৱলীয়া বেজ বহুতেই চালে। পৰীক্ষা কৰিলে। চিকিৎসা কৰিলে। কিন্তু লাভ একো হোৱা নাই। মা প্ৰায় বলিয়াৰ দৰে হৈ পৰিছে। দহ দিনৰ ছুটী লৈ দেউতাও ঘৰলৈ আহিছে। আজি আকৌ এমাহৰ ছুটী বিচাৰি টেলিগ্ৰাম কৰিছে। মনৰ দুখত দেউতাও ভাঙি পৰিছে।

কিহৰ কাৰণে কি হৈছে কোনেও একো ধৰিব পৰা নাই। ভগবানেহে জানে বিমানদাৰ ভাগ্যত কি আছে।

দেউতাই বিমানদাক আজি কালিৰ ভিতৰতে ডিব্ৰুগড়লৈ নিয়াৰ কথা ভাবিছে। আপুনি যদি পাৰে এদিনৰ কাৰণে হলেও এবাৰ আহি যাব বুলি আশা কৰিলোঁ।

আশা কৰোঁ আপোনাৰ পৰা সোনকালেই উত্তৰ পাম। ইতি—

আপোনাৰ

—বনশ্ৰীলতা—

চিঠিখন শেষ কৰি মই বাৰাণ্ডাৰ বেলিঙত খামোচ মাৰি ধৰিছিলোঁ। মোৰ মুখেৰে আপোনা আপুনি ওলাই আহিল' এয়া ব্ৰহ্মশাপ। ভৱিষ্যদ্বাণী।

কিমান সময় তেনেদৰে থিয় হৈ আছিলোঁ কব নোৱাৰোঁ। ললিতৰ মাতত মই সচেতন হৈ পৰিছিলোঁ।

'অফিচলৈ নাযায় নেকি চাৰ? দহ বাজি গ'ল।'

ললিতৰ কথাষাৰ শুনি হাতৰ ঘড়ীটোলৈ চাইছিলোঁ। ঘৰৰ

ভিতৰলৈ সোমাই আহি ফোনৰ ৰিচিভাৰটো তুলি লৈ অফিচৰ ফোন সংযোগ বিচাৰিছিলোঁ। কৈছিলোঁ গা ভাল নহয়। অফিচলৈ নাযাওঁ। দৰ্কাৰী কাগজপত্ৰ কিবা থাকিলে মোৰ ঘৰলৈ পঠিয়াই দিব।

ফোনটো থৈ চিন্তাৰ মকৰাজালত মই আকৌ মেৰ খাই পৰিছিলোঁ। ভৱিষ্যদ্বাণী ফলিওৱাৰ প্ৰায় শেষ মুহূৰ্ত্তত মই দণ্ডায়মান। ভৱিষ্যৎ বাণীৰ সকলোবোৰ কথাই ফলিয়ালে। ফলিয়াই আহিছে। বাকী আছে বনলতা আৰু মোৰ মৃত্যু। মোৰ মৃত্যু হওক আপত্তি নাই। কিন্তু বনলতা? বনলতাক ৰক্ষা কৰাৰ উপায় কি?

অৱশেষত সিদ্ধান্ত লৈছিলোঁ সিদিনাই যোৰহাটলৈ যাম।

ললিতে চাহ এপিয়লা আনি দিছিল। খাইছিলোঁ।

এনেতে অফিচৰ চাপ্ৰাচী এজন আহি মোক নমস্কাৰ জনাইছিল। 'কি হ'ল' বুলি সোধাৰ আগতেই তাৰ খাকী কোটৰ জেপৰ মৰা টেলিগ্ৰাম এখন উলিয়াই মোলৈ আগুৱাই দিছিল। মোৰ নামৰ টেলিগ্ৰাম। নিজা। ঘৰুৱা।

চাপ্ৰাচীজন আঁতৰি গৈছিল।

খামটো ছিঙি টেলিপ্ৰিণ্টাৰৰ আখৰকেইটা দেখিযেই মই চিঞৰি উঠিছিলোঁ। মই যেন মঞ্চত থিয় হৈ এজন সুনিপুণ অভিনেতাৰ দৰে বচনহে মাতিছিলোঁ। মোৰ অস্বাভাৱিক কণ্ঠৰ ধ্বনিত মই নিজেই শিঁহৰি উঠিছিলোঁ সকলোবোৰেই ফলিযালে। বাকী মাথোঁ্ন মোৰ মৃত্যু। মোৰ মৃত্যুও হব বনলতা। তুমি মোক ক্ষমা কৰি যোৱা।

কম্পমান হাতে ৰ টেলিগ্ৰামখন আকৌ এবাৰ চকুৰ আগত দাঙি ধৰিলোঁ। চকুৰে মণিব নোৱাৰা আখৰবোৰ বৰ কষ্টেৰে পঢ়ি গলোঁ। বনলতা এক্সপায়াৰড ডিচ মৰ্নিং—কটকী।

কিন্তু কেনেকৈ? কি হৈ বনলতাৰ মৃত্যু হ'ল? মই ভুল পঢ়া নাইতো? বনলতা নে বিমান?

দিনবোৰ বাগৰি গৈছিল। বনলতাৰ স্মৃতিয়ে মোক দেই পুৰি মাৰিছে। এই কেইমাহতে এশ বছৰ বৃদ্ধিৰ ছাপলৈ খিলগুলৈ উভতি

অছা বৰকটকীয়ে কৈছিল. মোৰ পূৰ্ব্ব-জন্মৰ কৃত কৰ্ম্মৰ ফল অলকেশ। কৃত কৰ্ম্মৰ ফল। বনলতা গ'ল। কিন্তু বিমান যদি ভাল হৈ উঠিলহেঁতেন? তথাপি মই অলপ শান্তি পালোহেঁতেন। কাৰ কাৰণেইবা ধন। কাৰ কাৰণেইবা চাকৰি? মই কাৰ কাৰণে জীয়াই থাকিম অলকেশ?

ডাক্তৰে কৈছে বিমান হয়তো ভাল হব। কিন্তু কেতিয়া?

কব খুজিছিলোঁ বিমান আৰু ভাল নহয়। আজীৱন উন্মাদ হৈয়ে ৰব। এয়া আপোনাৰ কৰ্ম্মফল নহয়। মোৰ কৰ্ম্মফল। মোৰ নিৰ্বুদ্ধিতাৰ পৰিণাম। আপোনালোকে ভবাৰ দৰে সুস্থ বনলতাই হঠাতে মূৰ আচন্দ্ৰাই কৰি বিমানৰ দুখত মৃত্যু বৰণ কৰা নাই। মোৰ পাপৰ ফলতেই বনলতাৰ মৃত্যু হৈছে।

কিন্তু নকলোঁ। কোৱাৰ সাহস নহল।

কেইমাহমান পিচত। মুখ্য সচিবে এদিন মোক মাতি নিছিল। কৈছিল আই হেভ গট্ চেভেৰেল কম্প্লেইনচ্ এগেইনষ্ট ইউ। কিন্তু আপুনিতো আগেয়ে এনেকুৱা নাছিল। ইউ ওৱেৰ লাভড বাই অল অৱ ইউৰ চাবৰডিনেট অফিচাৰচ্। কিন্তু এতিয়া আপোনাৰ কি হৈছে? এনি ওৱেৰি ইন ইউৰ মাইণ্ড?

মই মৌন হৈ ৰলোঁ।

ইউ চিমচ্ টু বি ক্ৰেকড। ইয়ং মেন, ইউ হেভ গট্ ফিউচাৰ।'

মই চিঞৰি দিছিলোঁ। খণ্ডত। বিৰক্তিত।

'অভিশপ্ত ৰজা চন্দ্ৰকান্ত সিংহৰ আকৌ ভৱিষ্যত? ভৱিষ্যত তাৰ মৃত্যু।'

'হোৱাট ইউ মিন? আই চি। আই ফিল পিটি ফ' ইউ মি বৰুৱা। ইউ গেট মেৰিড চুন।'

মই হাঁহিছিলোঁ। মনত ভাবিলোঁ: অনা অসমীয়া মুখ্য সচিব। তুমি মোৰ কাৰণে কি দুখ কৰিবা। বৰং তোমাৰ প্ৰতি মোৰ অনুকম্পা জন্মিছে। তুমি ভঙা ভঙা অসমীয়া কবলৈ শিকিলেও আহোম

বুৰঞ্জীৰ সকলো কথাই হয়তো নাজানা। অসম যাদুকৰৰ দেশ। মায়াঙৰ বেজৰ দেশ।

তাৰপিচতো দিন বাগৰি গৈছিল। মই নিৰ্বিকাৰ হৈ পৰিছিলোঁ। জীৱনৰ প্ৰতি আসক্তি কমি যোৱাৰ কাৰণেই নেকি চাকৰিৰ প্ৰতিও অনুৰাগ কমি আহিছিল। গতানুগতিক ভাবে অফিচৰ দিনবোৰ কটাই দিবৰ যত্ন কৰিছিলোঁ। একাৰে প্ৰতি মোৰ আগ্ৰহ নাছিল। উৎসাহ নাছিল। জাযাই থকাৰ প্ৰেৰণাও মই হেৰুৱাই পেলাইছিলোঁ।

কিন্তু মোমাইদেউইঁতক একাতে মান্তি কৰাব নোবাৰিলোঁ অৱশেষত বৰ মোমাইদেউ এদিন শ্বিলঙলৈ আহিছিল কৈছিল ভনীযেৰাৰ বিয়া'লৈ নগলা নগলা নাই। কিন্তু নিজৰ বিযাখন পাতিব লাগে। ইমান দিনে ভনীযেৰাজনীৰ বিযাৰ উজুহাত দেখুৱাই আপত্তি কৰিছিলা। এতিযাতো আৰু একো লেঠা নাই। নহ'লে চাকৰি বাকৰি এৰি দি সন্ন্যাসী হোৱা। নাই কাৰণ চাকৰি কৰিছা। শুনা অকণেশ, তুমি যদি সন্মতি নিদিয়া তেন্তে আমি আমাৰ ইচ্ছা মতে বিযাৰ দিন ঠিক কৰিম। ছোৱালী চাম। তোমাৰ প্ৰতি আমাৰো এটা কৰ্তব্য আছে। ইমান দিন তোমাৰ কথা মতেই অপেক্ষা কৰিলোঁ। এতিযা আৰু অপেক্ষা কৰাৰ সময় নাই।

বিৰক্তিত কৈছিলোঁ মোৰ বিযা জীবনতে নহয় মোমাইদেউ। বিযাৰ বন্দবস্ত হয়তো কৰিব পাৰিব কিন্তু এজনী ছোৱালীৰ জীৱন ধ্বংস কৰাৰ বাহিৰে লাভ একো নহয়।

'তেনেহ'লে বিয়া হোৱা আটাইবোৰ ছোৱালীৰে জীৱন ধ্বংস হৈ গৈছে? মানুহে আৰু ঘৰ সংসাৰ পতাই নাই?'

'মই সেই কথা কোৱা নাই। মোৰ লগত যিজনী ছোৱালীৰ বিয়াৰ বন্দবস্ত খাটাং হব সেইজনী ছোৱালীযেই হব উন্মাদ।'

নকবলগীয় কথাষাৰো অৱশেষত কৈছিলোঁ। মোমাইদেৱে হাঁহিছিল। তাচ্ছিল্য কৰি কৈছিল' বা' তুমি দেখোন ভৱিষ্যত

বক্তাও হৈ পৰিছা। উন্মাদ পিচে তুমিহে হৈছা? আন কোনো হোৱা নাই। নহয়।

মোমাইদেউৰ কথাষাৰে মোক বিন্ধিছিল। জেদী মনটোৱে মোৰ জেদ ধৰিছিল। বাৰে বাৰে যেন কৈছিল তই তোৰ কথাৰ সত্যতা প্ৰমাণ কৰি দেখুৱাই দে অলকেশ।

জেদ পূৰণৰ উদ্দেশ্যেই অৱশেষত মোমাইদেউৰ কথাত সম্মতি দিছিলোঁ। ৰাজহ বিভাগৰ চেক্ৰেটাৰী খাউণ্ডৰ ছোৱালীজনীৰ লগত বিয়াৰ বন্দবস্ত কৰি আঙুঠি পিন্ধাইছিলোঁ। মোমাইদেৱেই মোক খাউণ্ডৰ ঘৰলৈ লৈ গৈছিল।

লাহী কোমল নধানেৰে ধুনীয়া মৰমলগা চেঙেলা মনীষাক দেখি মোৰ বেয়া লাগিছিল। দুখ লাগিছিল। এজন মানুহৰ খামখেয়ালিৰ বাবেই আজি মই ধ্বংস কৰিবলৈ ওলাইছো এজনী মৰমীয়াল গাভৰুৰ ভৱিষ্যৎ। জীৱন আৰু যৌৱন। মোৰ জেদ পূৰণৰ বাবে এই ছোৱালীজনীৰ জীৱন ধ্বংস কৰাৰ মোৰ অধিকাৰ আছে? মোৰ বিবেকে যেন কৈছিল অলকেশ [illegible] আহা। এটা জীৱন ধ্বংস নকৰিবা।

অৱশেষত বিবেকৰ যুক্তি তৰ্কই হাৰ মানিছিল। মোমাইদেউৰ জয় হৈছিল। জয় হৈছিল মোৰ জেদী মনটোৰ। মনীষাৰ মিহি আঙুলিটোত আঙুঠিটো পিন্ধাই দিয়াৰ লগে লগেই মোৰ বুকুখন কঁপি উঠিছিল। মোৰ অন্তৰ ভেদি বৈ আহিছিল এটা অস্ফুট হুমুনিয়াহ। মনীষাৰ আঙুলিটোত পিন্ধাই দিয়া আঙুঠিটোলৈ একেৰাহে বহু সময় চাই ৰলোঁ। চন্দ্ৰকান্তই জাহ্নবীৰ অনামিকাত পিন্ধাই দিয়া অঙ্গুৰীয়ৰ দৰে এই আঙুঠিটোৱো বহু সলনি হৈ যোৱা নাইতো?

মনীষাৰ আঙুলিটো তেনেদৰে মই ধৰি ৰখাত মোমাইদেৱে হয়তো ভাবিছিল মনীষাৰ প্ৰতি মই প্ৰথম দৰ্শনতে গভীৰ ভাৱে আসক্ত হৈ পৰিছোঁ। খাউণ্ডে দেখিও নেদেখাৰ অভিনয় কৰিছিল। মনীষা

লাজত ৰঙা পৰি গৈছিল। ছোৱালীজনী কঁপিছিল। লাজত। হয়তো মিলনৰ নিৰাপত্তাত।

মোমাইদেউ আৰু মনীষাৰ দেউতাক হাঁহিছিল। তৃপ্তিত। এজন দায়িত্ব পালনৰ পূৰ্ণতাত, আৰু আন জনে কন্যাদায়ৰ পৰা উদ্ধাৰ হোৱাৰ আনন্দত। মই হুমনিযাহ পেলাইছিলোঁ এটা জীৱনৰ ধ্বংসৰ আগলি বতৰাৰ সম্ভেদ পাই। এজনী ছোৱালীৰ সৰ্ব্বনাশ কৰাৰ আশঙ্কাত। মনীষাই কি ভাবিছিল নাজানো।

এমাহৰ পিচতে আমাৰ বিয়াৰ দিন ঠিক কৰা হৈছিল। ইতিমধ্যে মনীষাই ডিগ্ৰী পৰীক্ষাটো দি লব। এযেই আছিল দেউতাকৰ অভিপ্ৰায়। পৰীক্ষাৰ শেষত মনীষা আহিব মোৰ ওচৰলৈ।

মোক কিবা কিবি উপদেশ দি মোমাইদেউ ঘৰলৈ গৈছিল। কিমান দিন ছুটী লব লাগিব, কি কৰিব লাগিব ইত্যাদি। এজন সৰু ল'ৰা যেন গাৱঁৰ পৰা প্ৰথম বাৰৰ বাবে চহৰলৈ গৈছে। মই কৈছিলোঁ ছুটী লোৱাৰ আৱশ্যক কিজানি নহব মোমাইদেউ। আৱশ্যক হলে লম বাৰু।

শাসন কৰাৰ দৃষ্টিত মোমাইদেৱে মোলৈ চাইছিল। মই তলমূৰকৈ ৰলোঁ।

বিযালৈ সৰহ দিন নাছিল। মাজত মাথোন কেইটামানদিন বাকী। মনীষাৰ পৰীক্ষা শেষ হৈছে। মোমাইদেৱে হযতো বিয়াৰ বাবে যা যোগাৰ কৰাত ব্যস্ত হৈ পৰিছিল। বন্ধু বান্ধৱবোৰে মোক বিয়াৰ কথা সুধিছিল। নিমন্ত্ৰণী চিঠি নোপোৱাৰ বাবে অভিযোগ কৰিছিল। মই মাথোন প্ৰত্যুত্তৰত কৈছিলোঁ. বিযা হলে সকলো গম পাব নহয়।

মোমাইদেউৰ কথা মতে যিদিনা মই ছুটী লৈ ঘৰলৈ যাব লাগিছিল সেই দিনা খনৰ কথা। কিন্তু ছুটী মই লোৱা নাছিলোঁ। ছুটী বিচাৰি দৰ্খাস্তও কৰা নাছিলো। মোৰ বদ্ধমূল ধাৰণা : এই বিয়া আমাৰ নহয়। সেই দৃঢ় বিশ্বাসকে লৈ মই শেষ মুহূৰ্ত্তলৈ অপেক্ষা কৰি ৰলো।

হুপৰীয়া। চাপ্ৰাচী এজনে আনি দিয়া চাহ কাপ খাই ফাইল এটাত মূৰ গুজি কিবা কিবি লিখি আছিলোঁ। এনেতে দুৱাৰখন মেলি কোনোবা এজন ভিতৰলৈ সোমাই আহিছিল। চাপ্ৰাচীজনক এপেকেট চিগাৰেট আনাৰ কথা কৈছিলোঁ। চিগাৰেট শেষ হৈছিল। ভাবিছিলোঁ চিগাৰেট লৈ চাপ্ৰাচীজন সোমাই আহিছে। কিন্তু এটা উচ্ছৃঙ্খল নাৰীকণ্ঠৰ হাঁহিৰ ধ্বনিত মই চমক খাই উঠিছিলোঁ। মূৰ দাঙি চালোঁ। মনীষা। মোক দেখিয়েই মনীষাই হাঁহি হাঁহি মোৰ চেক্ৰেটৰীয়েট টেবুলখনৰ এচুকত বহি পৰিল। টেবুলৰ পৰা কোনটো মজিযালৈ দলিমাৰি দি হাঁহি হাঁহি কৈ গ'ল. আপুনি মোক বিযা কৰাব? হা হা বিয়া।

মই আচৰিত হৈছিলো। দৃষ্টিশক্তিৰ ওপৰত মোৰ বিশ্বাস হেৰাই গৈছিল। এইজনীয়েই জানো মনীষা? সেই স্থিৰ গম্ভীৰ লাজকুৰীয়া মনীষাজনী জানো এইজনী?

লগে লগে দুৱাৰখন মেলি সোমাই আহিছিল আন দুজন মানুহ। চেক্ৰেটৰী খাউণ্ড। আৰু আন এজন বোধহয় মনীষাহঁতৰে ঘৰৰ চাকৰ। অলপ পিচত সোমাই আহিছিল চাপ্ৰাচীজন। তাৰ হাতত এপেকেট চিগাৰেট।

'বলা আইদেউ। ঘৰলৈ বলা।' মনীষাৰ দেউতাকৰ লগত অহা মানুহজনে কৈছিল। খাউণ্ডে মোক দেখি সেমেনা সেমেনি কৰিছিল। মনীষাই চিঞৰি চিঞৰি কৈছিল তুমি জানো নাজানা দেউতা মোৰ যে বিয়া। মোৰ বিয়া নহয়। এখেতেই মোক বিয়া কৰাব।

অৱশেষত বুজাই বঢাই মনীষাৰ দেউতাকে মনীষাক ঘৰলৈ পঠিয়াই দিছিল। খাউণ্ডে মনীষাক গাড়ীত তুলি দি আকৌ মোৰ ওচৰলৈ আহিছিল। মোৰ সন্মুখৰ চকীখনত গম্ভীৰ হৈ বহি পৰিছিল। বহু সময়ৰ নীৰৱতাৰ পিচত কৈছিল আজি দহ দিন মানৰ পৰা ছোৱালীজনীৰ কি হ'ল কব নোৱাৰোঁ। তাই পৰীক্ষাও সম্পূৰ্ণ কৈ দিব নোৱাৰিলে। প্ৰথমতে ভাবিছিলোঁ

খাউণ্ড বৈ গৈছিল। মই মনে মনে ভগৱানক প্ৰাৰ্থনা কৰিছিলো ভগৱান! মনীষাৰ বলিয়ালিৰ বাবে যে ময়েই দোষী এই কথা যেন খাউণ্ডে নাজানে।

বহু সময়ৰ মৌনতা ভাঙি খাউণ্ডে পুনৰ কৈছিল. তোমাৰ মোমায়েৰাৰ্লৈ আজিয়েই মই টেলিগ্ৰাম কৰি সকলো জনাম। মোক তোমালোকে ক্ষমা কৰা।

মনীষাৰ দেউতাক নীৰৱ হৈ পৰিছিল। কি কম মই একো ভাবি নাপালোঁ।

'তাইৰ ভৱিষ্যতটো ধ্বংস হৈ গ'ল। তোমালোকে হয়তো মোক ক্ষমা কৰিবা। কিন্তু তাই ভাল হৈ উঠিলেই যেনি। তাইক আৰু কোনে বিয়া কৰাব? তুমিয়েই জানো কৰাবা?'

খাউণ্ডৰ কথাবেইষাৰে যেন কান্দিছিল।

হঠাৎ মোৰ মুখেৰে অজ্ঞাতে ওলাই আহিব খুজিছিল মনীষা আৰু ভাল নহয়। কিন্তু কোনোমতে কথাষাৰ চেপি ৰাখি কলো। আগমে ভাল হৈ লওকচোন বাৰু। ভগৱানে আৰোগ্য কৰি তোলক।

তাৰ পিচৰ পৰা মোমাদেউহঁতে আৰু কোনোৱেও মোক বিয়া কৰোৱাৰ কথা কোৱা নাই।

মই আজি কালি মনীষাহঁতৰ ঘৰলৈ প্ৰায়ে যাওঁ। বাঁহৰ শলখাৰ মাজত ঠেং সোমাই কষ্টভুগি থকা মনীষাজনীক দেখি মোৰ চকুপানী ওলোৰ খোজে। মৰম কৰি কথা কওঁ। মই ওচৰত থকা সময়খিনিত মনীষা শান্ত হৈ থাকে। মই আঁতৰি আহিলেই আকৌ বলিয়ালি আৰম্ভ কৰে হেনো।

মনীষা বলীয়া হোৱাৰো আজি প্ৰায় ডেৰ বছৰেই হৈ গ'ল। ইয়াৰ ডাক্তৰবোৰে মনীষা ভাল হোৱাৰ আশা প্ৰায় এৰিযেই দিছে। কাইলৈ দেউতাকে মনীষাক লৈ ৰাঁচিলৈ যোৱাৰ কথা।

আজি কেইদিনমানৰ পৰা ৰাতি ৰাতি মই মোৰ জীৱন-কাহিনীটোকে লিখি আছোঁ। মোৰ চকুৰ আগত বাৰে বাৰে ভাঁহি উঠিছে বনলতা আৰু মনীষাৰ ছবি। আজি নিশা জীৱন কাহিনী লিখা মোৰ শেষ হব।

বাতিপুৱাৰ আঁনাভাৰ বাতৰিত খবৰ পাইছোঁ। চেলাৰ ঘাটি পতনৰ পিচত শত্ৰু সৈন্য বমডিলা অভিমুখে আগুৱাই আহিছে। হয়তো ইতিমধ্যে বমডিলাৰো পতন ঘটিল। কোনে জানে শত্ৰু আহি ইতিমধ্যে ভালুকপুঙত গছক পেলোৱা নাই? আজি কেইদিনমানৰ পৰা মোৰ মনৰ ভিতৰৰ পৰা কোনোবাই যেন কৈছিল • বিদেশীৰ এই আক্রমণৰ গুৰিতে তযেই দায়ী অলকেশ। চন্দ্ৰকান্তৰ জীৱন কালত মানে দেশ লণ্ড ভণ্ড কৰিছিল। আৰু আজি তোৰ জীৱন কালত হিয়া হীন দস্যু এদলে শান্তিৰ কপৌজাকৰ ঢৌকা মোহাৰি আগুৱাই আহিছে সই তাহানিৰ অসমৰ বুকুত সৃষ্টি হোৱা মান ভগনৰ দৃশ্যৰ পুনৰাবৃত্তি কৰিবলৈ। মোৰ কৃতকৰ্ম্মৰ প্ৰায়শ্চিত্ত কৰিবলৈ।

ভগৱান। মোৰ কাৰণে এই দেশবাসীসকলৰ ওপৰত তোমাৰ এই নির্য্যাতন কিয় প্রভো? দেশবাসীযেতো তোমাৰ ওচৰত কোনো দোষ কৰা নাই।

দেশবাসী। মোক ক্ষমা কৰা। মোৰ পাপৰ বাবে তোমালোকে বহুত জীযাতু ভুগিছা। আৰু নতুনকৈ জীয়াতু ভুগোৱাৰ ইচ্ছা মোৰ নাই।

এয়া মোৰ বাওঁহাতত, প্লেনচেট। জাহ্নবীক মনে প্ৰাণে চিন্তা কৰি মৃত্যু স্মৰণ কৰাৰ পণ লৈ এই মাজ নিশা মই সাৰে আছো। বাহিৰত হয়তো বৰফ পৰিবলৈ আৰম্ভ কৰিছে। ললিত শুইছে। পৃথিৱী শুইছে। এই নিশাৰ নীৰৱতাৰ মাজেৰে মই আঁতাৰ যাম। আগন্তুক সৰ্ব্বনাশৰ পৰা অসমবাসীক ৰক্ষা কৰিম?

দস্যুদল। তহঁতৰ জয়যাত্ৰাৰ এয়েই শেষ মুহূৰ্ত্ত। আৰু হয়তো অলপ পিচৰে পৰা তহঁতে আৰম্ভ কৰিব লাগিব ওভতনি যাত্ৰা। নহলে কপৌজাকৰ ঠোটৰ খোছত শেনৰ চকু উকৰি যাব। কপৌজাকেও নিজক ৰক্ষা কৰিব জানে। সিহঁতে কাৰো অন্যায় নকৰে সঁচা। কিন্তু শেনৰ জোঙা ঠোটৰ আক্রমণত প্ৰাণ দিবলৈও নিবিচাৰে।

ভবিষ্যদ্বাণীৰ সকলোবোৰ কথাই ফলিয়াইছে। বাকী আছে মোৰ মৃত্যু। যদি মোৰ মৃত্যুৰ কথাটো নফলিয়ায় তেন্তে এয়া মোৰ সম্মুখত

আজিৰ বিজ্ঞানৰ সৃষ্টি জীৱননাশক মৌ। পূৰ্ণানন্দ বুঢা গোঁসাইয়ে চেলেকা কালহীৰা।

বাস্তিপুৰা প্ৰথমতে সোমাইতেই দেখিব মোৰ মৃতদেহ। মোৰ মৃতদেহৰ ওচৰতে পৰি ৰব লিপিবদ্ধ এই জীৱন কাহিনী। হয়তো এই বটলটোৰ সাঁফৰ খুলি ইয়াৰ ভিতৰত থকা মিশ্ৰণ খিনি মোৰ কণ্ঠত ঢালি দিয়াৰ আৱশ্যক নহ'ব।

বনলতা, মনীষা! এয়া মই শেষ শান্তিৰ বাবে অপেক্ষা কৰিছোঁ। অপেক্ষা কৰিছোঁ মৃত্যুক। মনীষা, তুমি হয়তো কাইলে বাস্তিপুৰা ভাল হৈ উঠিবা। মোৰ মৃত্যুয়ে হ'ব তোমাৰ আৰোগ্যৰ মহৌষধ। যদি মোৰ মৃত্যুৰ পিচতো তুমি আৰোগ্য লাভ কৰিব নোৱাৰা তেন্তে মোক ক্ষমা কৰিবা মনীষা। তোমাৰ জীৱনটোৰ বাবে ময়েই দায়ী। কিন্তু সেয়া মোৰ ইচ্ছাকৃত দোষ নহয়।

ভগৱান! দেশবাসীক ৰক্ষা কৰা। মনীষা আৰু বিমানক সুস্থ কৰি দিয়া।

জাহ্নৱী! তুমিও মোক ক্ষমা কৰা। তুমি আহা। মোৰ পাপাত্মাক মুক্তি দিয়া। তুমি ত্যাগৰ প্ৰতিমূৰ্ত্তি। মোৰ সুখ শান্তিৰ বাবেই এদিন গুপ্ত বাজ কাৰেং এৰি গুচি আহিছিলা। আৰু সিদিনাও মাজনিশা কালান্তক ৰূপত আহি দেখা দিছিলা মোৰেই সুখৰ বাবে। শান্তিৰ বাবে। মোৰ প্ৰতি তোমাৰ কোনো ক্ষোভ নাই। আক্ৰোশ নাই। জানো।

মই আৰু লিখিব নোৱাৰোঁ। মূৰটো ঘূৰাইছে। চকুৰে এন্ধাৰ দেখিছোঁ। পৃথিবীখন কঁপিছে। মই বহি থকা এই চকী, মেজযোৰ কঁপিছে। মোৰ হাতখনো কঁপিছে। [illegible] ক্ৰমাম্বয়ে ভূগৰ্ভৰ তললৈ যেন সোমাই যাব ধৰিছে। [illegible] সৌটো . তুমি জাহ্নৱী? সৌটো সৌটো

[ মৃতদেহটোৰ ওচৰত পৰি [illegible] জীৱন কাহিনীৰ পাণ্ডুলিপি , এখন প্ৰেমপত্ৰ [illegible]

—শেষ—